# অস্তিত্বৰ জ্যোতিৰ্ময় চেতনা

## হোমেন বৰগোহাঞিৰ নিৰ্বাচিত গল্প

নিৰ্বাচন আৰু সম্পাদনা

**তীৰ্থ ফুকন**

**নতুন অসম**

উদ্যোগ পাম, বামুণীমৈদাম,

গুৱাহাটী - ৭৮১০২১

**Astittwar Jyotirmoy Chetana :** A Selection from Homen Borgohain's short stories in Assamese , Selected and Edited by Tirtha Phukan. and Published by Jyotipada Dev Choudhury ,,Natun Asam Industrial Estate Bamunimaidam Guwahati -21

*Price Rupees fifty only*

---

প্ৰকাশক ঃ শ্ৰীজ্যোতিপদ দেৱ চৌধুৰী এম-এ, এল-এল বি,
নতুন অসম
উদ্যোগ পাম, বামুণীমৈদাম
গুৱাহাটী - ২১

বেটুপাত ঃ বেণু মিশ্ৰ

প্ৰথম প্ৰকাশ ঃ জুন, ১৯৯১

দ্বিতীয় প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ২০০১

মূল্য ঃ ৫০.০০ টকা মাথোন

ছপা ঃ কম্পটন প্ৰিণ্টাৰ্ছ ইণ্ডিয়া,
উদ্যোগ পাম, বামুণীমৈদাম
গুৱাহাটী- ৭৮১০২১

# ক্ৰমণিকা

● হোমেন বৰগোহাঞিৰ গল্পৰ প্ৰসংগত □ ৫ ● শিশুৰ হাঁহি □ ১১
● শিল্প □ ২০ ● হাতী □ ২৫ ● ইস্মাইল শ্বেখৰ সন্ধানত □ ৩৬
● গৰখীয়া □ ৫৫ ● প্ৰেম আৰু মৃত্যুৰ কাৰণে □ ৮১ ● বীৰত্ব □ ৯৩
● কৃতজ্ঞতা □ ১০২ ● সমাধান □ ১১০ ● চেনাটেৰিয়াম্ □ ১২২
● বৰষুণ □ ১৩২ ● পটভূমি □ ১৪০

# ।।হোমেন বৰগোহাঞিৰ গল্পৰ প্ৰসঙ্গত।।

"হোমেন বৰগোহাঞি অতি শক্তিমান কথা-শিল্পী" বুলি ড° হীৰেন গোহাঁয়ে কিছুদিনৰ আগতে "আজিৰ অসম" কাকতত মন্তব্য কৰিছে। ড° গোহাঁইৰ মন্তব্যৰ সৈতে যে আমাৰ সকলো পাঠক আৰু সমালোচক একমত সেই বিষয়ে দ্বিমত নাই বুলিয়েই মোৰ বিশ্বাস।

আমাৰ সাহিত্যৰ এই 'অতি শক্তিমান কথা-শিল্পী'গৰাকীয়ে কলম ধৰিয়েই কেইটামান গল্পৰে অসমীয়া সাহিত্যত এক আলোড়ন ( আন্দোলন বুলিলেহে ভাল হ'ব নেকি?) তুলিছিল সেই কথা ইতিমধ্যে অসমীয়া সাহিত্যৰ বুৰঞ্জীত লিপিবদ্ধ হৈ গৈছে। বৰগোহাঞিৰ আৰম্ভণি কালৰ গল্পকেইটাক লৈ পাঠক সমাজত বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। বিভিন্নজনে বিভিন্ন মন্তব্য দিছিল।

লেখক জীৱনৰ আৰম্ভণিতেই বিতৰ্কিত, বহু আলোচিত আৰু বহু কথিত হৈ পৰা হোমেন বৰগোহাঞি আজিও বিতৰ্কিত , বহু সমালোচিত আৰু সৰ্বাধিক পঠিত। বিভিন্ন সময়ত বিভিন্ন সাহিত্যিক-সমালোচকে শ্ৰীবৰগোহাঞিৰ সাহিত্যিক অৱদানৰাজিৰ বিষয়ে আলোচনা-সমালোচনা আগবঢ়াই আহিছে। এই আলোচনা যিহেতু গল্পৰ প্ৰসংগতহে, গতিকে তেখেতৰ গল্পৰ সম্পৰ্কে কেইগৰাকীমান সাহিত্যিক-সমালোচকে কৰা মন্তব্যহে দাঙি ধৰিলো।

ড° সত্যেন্দ্ৰ নাথ শৰ্মাই অসমীয়া সাহিত্যৰ ইতিবৃত্ত গ্ৰন্থত লিখিছে— "বৰগোহাঞিৰ গল্পৰ বিষয়বস্তু প্ৰায়েই অসাধাৰণ আৰু সামাজিক ৰাজআলিৰ পৰা আঁতৰৰ অন্ধ গলিৰ মাজত সংঘটিত হোৱা ঘটনা। চৰিত্ৰবোৰ অস্বাভাৱিক মনোবৃত্তিৰ, সিহঁত সামাজিক নীতি-শৃংখলাৰ বাহিৰত। সিহঁত উৎকেন্দ্ৰিক ধৰ্ষণকামী (Sadist) আৰু দানৱীয় উগ্ৰভাৱৰ প্ৰতীক। বৰগোহাঞিৰ গল্পত প্ৰেম আৰু মৃত্যুৱে হাতত ধৰাধৰি কৰি আছে; সিহঁতৰ বিৰোধ নাই। ফ্ৰয়েডৰ মনঃসমীক্ষণ ৰীতিৰ প্ৰভাৱ বৰগোহাঞিৰ গল্পত অত্যন্ত গভীৰ।"

"আছামিজ লিটাৰেচাৰ" গ্ৰন্থত কবি-সাহিত্যিক-সমালোচক হেম বৰুৱাই লিখি গৈছে—In a different sense, Homen Borgohain, like Sourav Chaliha, has made bold thematic experiment by liberalisation of approach and introduction of ideas in the way of Lakshmi Sarma of the Awahan age. If he writes of sex, sex is sexy, if he writes of flesh, flesh is fleshy rather than dropped in unnecessary frills. This has prompted in him an instinct for the abnormally bizarre,what remains to the soul after all concessions are made to the confusions of the mind is that which is known as essential truth and it is this aspect of truth with which Borgohain is primarily concerned. Wielder of a facile pen, rugged without being rough,lucid, without being effeminate Borgohain's approach to life is invariably psychological. It is true that his characters are often eccentric and morbid, but they are never insipid or uninspiring. *Octopus, Barasun* Sanatorium, Mohaswetar biya ete, are some of Borgohain's best stories.

এই দুইগৰাকী স্বনামধন্য সাহিত্যিক-সমালোচকে "বিভিন্ন ক'ৰাছ" (১৯৫৭) আৰু "প্ৰেম আৰু মৃত্যুৰ কাৰণে" (১৯৫৮ ) নামৰ শ্ৰীবৰগোহাঞিৰ প্ৰথম গল্প সংকলন দুখনৰ ভিত্তিতে এই মন্তব্য কৰিছে আৰু মোৰ ধাৰণাত তেখেতৰ গল্প সম্পৰ্কে এনে এটা ধাৰণাকে আজিও পাঠকৰ মনে ধাৰণ কৰি আছিছে। লেখকে অৱশ্যে নিজেও "আত্মানুসন্ধান" কৰি জনাইছে, " মই অৱশ্যে এই কথা নিশ্চয় ক'ব নোৱাৰো যে মোৰ জীৱনৰ এই সময়ছোৱাৰ (১৯৫০-৬০) লেখাবোৰত যি প্ৰদৰ্শনকামিতা (Exhibitionism), হিংস্ৰতা আৰু ৰুগ্ন মনস্তত্ত্ব ফুটি উঠিছে তাৰ একমাত্ৰ কাৰণ হ'ল সেই সময়ৰ মোৰ মানসিক ৰুগ্নতা। অন্যতম কাৰণ নিশ্চয় হয়, কিন্তু একমাত্ৰ কাৰণ নহয়। আনবোৰ কাৰণ হ'ল ইয়াৰ আগৰ দশকত অৰ্থাৎ মোৰ কৈশোৰত সমগ্ৰ বিশ্বৰ বাতাবৰণৰপৰা মোৰ সংবেদনশীল মনে আহৰণ কৰা মৃত্যু, হিংসা আৰু সৰ্বব্যাপী অমংগলৰ অভিজ্ঞতা। এই দশকতেইতো সংঘটিত হৈছিল দ্বিতীয় মহাযুদ্ধৰ বিশ্বব্যাপী

ধ্বংস যজ্ঞ, তিয়াল্লিশৰ বঙ্গদেশৰ দুর্ভিক্ষ, ছয়চল্লিশৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ ৰক্তবন্যা।

বিভিন্ন কোৰাছৰ গল্পসমূহৰ ৰচনা কাল ১৯৫২-১৯৫৫ বুলি পুথিখনতে আছে। 'প্ৰেম আৰু মৃত্যুৰ কাৰণে'খনৰো প্ৰথম প্ৰকাশ ১৯৫৮ চনতে। লেখকৰ এই সময়ৰ গল্পবোৰে 'আত্মানুসন্ধান'ৰ উক্ত কথা কেইশাৰীৰ সত্যতাৰ কিছু আভাস নিশ্চয় দিয়ে। কিন্তু মন কৰিবলগীয়া যে বিভিন্ন কোৰাছতে — 'পৰ্দা' গল্পটোৰ পেৰাৰা, অশোক, মহেশ, ৰাণীহঁতৰ লগতে ' চিনাকি গাঁও'খনৰ মুহীৰাম, ৰূপেশ্বৰ, বিহুতীহঁতকো আমি লগ পাওঁ।

" একেজনী নাৰীৰ মাজতে এটাই পাইছে সম্ভোগৰ আনন্দ, এটাই পাইছে প্ৰেমৰ স্বৰ্গীয় জেউতি আৰু এটাই পাইছে এই ঐতিহ্যজৰ্জৰ পৃথিৱীত নতুনকৈ নিজৰ কাৰণে জীয়াই থাকিবলৈ 'প্ৰেৰণা"' এয়া হৈছে শিক্ষিত শ্ৰেণীৰ তিনিজন প্ৰেমিকৰ মনৰ কথা-বতৰা। আনহাতে পলুবাই নিয়ো সাবিত্ৰীক নিজৰ কৰি ৰাখিব নোৱাৰা কমলে সাবিত্ৰীক পলুৱাই নিয়া অপৰাধতে কেবাবছৰো জেল খাই ঘূৰি আহি গিৰিয়েক নন্দেশ্বৰৰ মাৰৰ কোৰত কন্দা সাবিত্ৰীৰ কান্দোন শুনি কমলে — "কান্ধৰপৰা গধুৰ বোজা এটা নোহোৱাৰ দৰে গোটেই গাটো পাতল লগা যেন অনুভৱ কৰিলে। ............ সাবিত্ৰী, নন্দেশ্বৰ কোনো সুখী হোৱা নাই। তেন্তে কোন সুখী এই পৃথিৱীত? তোমাক সুধিছো ঈশ্বৰ, কোন সুখী? যি সকলো পালে আৰু যি সকলো ফালে বঞ্চিত হ'ল দুয়ো সমানে অসুখী।"

'আত্মানুসন্ধান'তে শ্ৰীবৰগোহাঞিয়ে আকৌ কৈছে— "চাকৰিত সোমোৱাৰ আগলৈকে মই বাস্তৱতাৰ লগত সম্পৰ্কহীন এক গজদন্ত মিনাৰত কাম কৰিছিলো সেইটো আছিল সম্পূৰ্ণভাৱে অহংকেন্দ্ৰী এক ৰুগ্ন ৰোমাণ্টিক ভাববিলাসৰ জীৱন। কিন্তু চাকৰিত সোমাই প্ৰথমবাৰৰ কাৰণে মোৰ চকু মুকলি হ'ল— বিশেষকৈ ছয়গাঁৱত ছাব ডেপুটি কলেক্টৰ হৈ থকা তিনিটা বছৰত (১৯৫৮-৬১)। সেই সময়ত মই দাৰিদ্ৰ্যৰ যি ভয়ংকৰ ৰূপ, প্ৰশাসন যন্ত্ৰৰ যি দানৱীয় ৰূপ আৰু ৰাজনীতিৰ যি ভয়ংকৰ ৰূপ দেখিলো সিয়েই মোক প্ৰথমবাৰৰ কাৰণে মাৰ্ক্সবাদ সম্পৰ্কে নতুনকৈ চিন্তা কৰিবলৈ বাধ্য কৰিলে। (ইস্মাইল শেখৰ সন্ধানত দ্ৰষ্টব্য)।"

সেইবাবেই হয়তো বুকুৰ তেজেৰে মাটিক স্বৰ্ণ প্ৰসৱিনী কৰিও স্বদেশৰ মাটিৰপৰা 'কুকুৰ-মেকুৰীৰ দৰে বিতাড়িত' হোৱা ইস্মাইল শ্বেখক তেখেতৰ গল্পত লগ পাওঁ, লগ পাওঁ 'দাৰিদ্ৰাই আটাইতকৈ ডাঙৰ পাপ, সকলো দৰিদ্ৰই পতিত' বুলি কোৱা " মণিমালাক" ( নৰকত বসন্ত) আৰু লগ পাওঁ জীৱনত পাঁচজনী জীয়েকৰ কোনো এজনীৰ মুখতেই কাহানিও হাঁহি দেখি নোপোৱা বৃদ্ধ ধোবাটোক।

ইস্মাইল শ্বেখৰ সন্ধানত যোৱা গল্পৰ নায়কে আমাক কয়— যি ইস্মাইলৰ বুকুৰ তেজে মাটিক স্বৰ্ণ প্ৰসৱিনী কৰে, সেই মাটিত সিহঁতৰ অধিকাৰ নৰজিল কিয়? কিয় সিহঁত দেশত্যাগী হ'ব লগা হ'ল। শোষণ যন্ত্ৰ চালু ৰাখিবলৈ যিমান দামৰ প্ৰয়োজন তাতোকৈ সিহঁতৰ সংখ্যা বৃদ্ধি হোৱাত কুকুৰ-মেকুৰীৰ দৰে দলে দলে বিতাড়িত কৰা হ'ল ইস্মাইলহঁতক। জন্মভূমিৰপৰা বিতাড়িত হৈ আহিবৰ মুহূৰ্তত ইস্মাইলৰ ঘৈণীয়েক বা আপোনাৰ চকুৰপৰা যি চকুপানী ওলাইছিল — সেই চকুপানীৰ কোনো ধৰ্ম নাই। সেই চকুপানী হিন্দু চকুপানী বা মুছলমান চকুপানী নহয়।

আকৌ 'নৰকত বসন্ত' গল্পৰ নায়কৰ মুখত শুনো — এজন ব্ৰাহ্মণো যদি ৰিক্সাৱালা হয় সেইটো ব্যক্তিবিশেষৰ বাবে যিমানেই ট্ৰেজিক নহওক— সামাজিক গুৰুত্বৰ ফালৰপৰা আনন্দৰহে কথা । তেনেকুৱা কঠিন আঘাততেই সামাজিক মনস্তত্বত বিপ্লৱ সাধন কৰে।"

সেই সময়ৰে সংকলন " গল্প আৰু নক্সা'ৰ শিল্প গল্পটোৰ ভণ্টিয়ে যেতিয়া কয়— কিন্তু এতিয়াতো দেউতা নাই, এতিয়া আৰু এইখন ছবি কোনে ভাল পাব' তেতিয়া কেৱল যে ভণ্টিৰ মাকহে থৰ হৈ ৰয় তেনে নহয়— সংবেদনশীল সকলো পাঠকেই নিশ্চয় থৰ হৈ যাব।

আৰু 'হাতী'? 'বাপধন' নাম পাই ঘৰখনৰ ঘাই গৃহস্থৰ হৃদয়ত বৰপুত্ৰৰ সমান আসন পোৱা হাতীটো যে কেৱল এটা হাতী নহয়, কেৱল এটা অভিজাত বাহনো নহয়, সি যে তেওঁৰ জীৱনৰ সাফল্যৰ প্ৰতীক যাক ঘৰৰ পদূলিমুখত বান্ধি থ'ব পাৰিলেই আভিজাত্যৰ গৰিমা ষোল্ল কলা পূৰ্ণ হয়। কিন্তু নতুন পুৰুষ পুতেকহঁতৰ বাবে সি হ'ল এটা জানোৱাৰ, সি পশু, পশুৰ কাম কৰিব। ফলত বাপেক-পুতেকহঁতৰ

কাজিয়া হৈ পৰিছে নিত্য-নৈমিত্তিক ঘটনা।,

ড মহেন্দ্ৰ বৰাৰ মতে যিকেইটা গল্পই ' অসমীয়া চুটি গল্প-সাহিত্যক একোটা নতুন আয়তন প্ৰদান কৰিছে' তাৰ ভিতৰত ইয়ো এটা ।

আমাৰ সকলো পাঠকেই জানে আৰম্ভণিৰেপৰাই গল্প-সাহিত্যত 'নতুন আয়তন প্ৰদান' কৰি অহা শ্ৰীবৰগোহাঞিয়ে লাহে লাহে গল্প লিখিবলৈ কমাই উপন্যাসত ধৰিলে আৰু শক্তিশালী সফল ঔপন্যাসিক হিচাপে আমি তেখেতক লগ পালো। বহুদিনৰ পিছত আমি আকৌ গল্পতেই লগ পালো তেখেতৰ হৃদয়ৰ অধিকাংশ আগুৰি থকা গৰখীয়াটোক। অনুমান কৰিব পাৰি — পেৰাৰা, বৰ, মণিমালাহঁতৰ গল্পৰে গল্পকাৰ জীৱন আৰম্ভ কৰিলেও গৰখীয়া বুধিৰাম, আজলী বিহুতীহঁতহে শ্ৰীবৰগোহাঞিৰ বেছি ওচৰৰ তথা অধিক আদৰৰ। নহলে প্ৰথম সংকলনতে জানো ' চিনাকি গাঁও'খনৰ মনোৰম ছবি পালোহেঁতেন? যিখন গাঁৱত "তেওঁ অনুভৱ কৰিছিল প্ৰকৃতিৰ বুকুৰপৰা উৎসাৰিত এটি নিবিড় প্ৰশান্তি।" নাকত লাগিছিলহি নাম নজনা কিবা বনফুলৰ আকুল সৌৰভ।

এই সংকলনটো কৰিবলৈ লৈ দুটা কথা লক্ষ্য কৰিছো। শ্ৰীবৰগোহাঞিয়ে গল্প বেছি লিখা নাই। ডেৰকুৰিও নহ'ব ছাগে। দ্বিতীয় কথাটো হ'ল— তেখেতৰ গল্প সম্পৰ্কে আমাৰ সমালোচকসকলে যি এটা ধাৰণা পাঠকৰ মনত দি থৈছে সেইটোৱে আচলতে তেখেতৰ গল্পৰ আংশিক পৰিচয়হে দিয়ে। ' বৰগোহাঞিৰ গল্পৰ বিষয়বস্তু প্ৰায়েই অসাধাৰণ আৰু সামাজিক ৰাজআলিৰপৰা আঁতৰৰ অন্ধ গলিৰ মাজত সংঘটিত ঘটনা। চৰিত্ৰবোৰ অস্বাভাৱিক মনোবৃত্তিৰ, সিহঁত সামাজিক নীতি-শৃংখলাৰ বাহিৰত' এই মন্তব্য ইতিমধ্যে অসমীয়া সাহিত্যৰ বুৰঞ্জীত লিখিত হৈছে। তেনে চৰিত্ৰক লৈ লিখা গল্প অৱশ্যে দুই-চাৰিটা আছে। কিন্তু দুই-চাৰিটা গল্পই এজন লেখকৰ সমগ্ৰ গল্পৰ পৰিচয় বুলি ধৰিলে নিশ্চয় অবিচাৰ কৰা হ'ব।

গুৱাহাটী
১৯/১০/৯১

তীৰ্থ ফুকন

◆◆◆

# শিশুৰ হাঁহি

মোৰ তিনিমহীয়া কেঁচুৱাটো কোলাত লৈ আবেলি পৰত পিৰালিতে বহি আছিলোঁ। আহাৰ মাহৰ গা ডেই-পুৰি নিয়া ৰ'দ হঠাতে নিস্তেজ হৈ অহাত সময়খিনি খুব মধুৰ যেন অনুভৱ হৈছিল। মাজে মাজে একোছাটি ঠাণ্ডা বতাহ আহি দেহ-মন জুৰ কৰি পেলাইছিল। মোৰ ঘৰৰ একেবাৰে সমুখতে থকা কুল্‌চি নৈৰ পানীত সূৰ্যৰ সোণালী পোহৰ পৰি অপূৰ্ব মনোহৰ দৃশ্যৰ সৃষ্টি হৈছিল। এই সকলোৰে মাজত জীৱনৰ সকলোখিনি মাধুৰ্যৰ মূৰ্তিমন্ত প্ৰতীক হৈ বিৰাজ কৰিছিল মোৰ কোলাৰ তিনিমহীয়া কেঁচুৱাটো— অপু। এক পলকৰ কাৰণেও মোক কোনো ফালে চাবলৈ আহৰি নিদি অনৰ্গলভাৱে সি মোৰ লগত কথা পাতি আছিল। তাৰ ভাষা অনুসৰণ কৰিব নোৱাৰি মোক বেকায়দাত পৰা দেখিলে এটা অদ্ভুত মধুৰ শব্দ কৰি সি মাজে মাজে হাঁহি উঠিছিল।

মোৰ ওচৰতে মুঢ়া এটাত বহি টেবুল ক্লথৰ ফুল তোলাত ব্যস্ত আছিল পাৰুল, অপুৰ মাক। গ্ৰীষ্মৰ আবেলিৰ সকলোখিনি অলস উদাস মধুৰতা আৰু সূৰ্যৰ শেষ সোণালী আভাৰ কৰুণতাখিনি গায়ে-মুখে সানি লৈ তেওঁ ঠাণ্ডা হৈ বহি আছিল। অ লপ আগতে তেওঁ বোধহয় নদীত গা ধুইছিল। মুখখনত সেয়েহে এটা সজল স্নিগ্ধতা বিয়পি আছিল। গুণ গুণ্‌কৈ তেওঁ বোধহয় এটা গান গাবলৈকো চেষ্টা কৰিছিল, ৰবীন্দ্ৰনাথৰ গান 'জলধাৰাৰ কলস্বৰে, সন্ধ্যাগগন আকুল কৰে।' কিন্তু জলধাৰাৰ কলস্বৰতকৈ অপুৰ কলস্বৰে সন্ধ্যাগগন বেছি আকুল কৰি তোলাত মই ঠিক সেই সময়তে তেওঁৰ গানটো তাৰিফ কৰিব নোৱাৰিছিলোঁ। হ'লেইবা ৰবীন্দ্ৰনাথৰ গান। তদুপৰি পাৰুলক প্ৰশ্ৰয় নিদিয়াত মোৰ এটা স্পষ্ট অভিসন্ধিও আছিল। যোৱা কেবাদিনো ধৰি আমাৰ দুয়োৰে সম্পৰ্কটো বৰ মিহিভাৱে চলা নাছিল। এই গৃহকন্দলৰ কাৰণটোও আছিল যথেষ্ট গুৰুতৰ। সঁচা কথা এষাৰ সঁচা বুলি ভাবিয়েই মই পাৰুলক কৈ পেলাইছিলোঁ যে অপুৱে মোক

বেছি ভাল পায়। কিন্তু পাৰুলৰ নিশ্চিত ধাৰণা ( যদিও যুক্তি আৰু প্ৰমাণহীন) যে অপুৱে তেওঁকহে বেছি ভাল পায়। সেই মতান্তৰ মনান্তৰত পৰিণত হৈ অৱশেষত মাজে মাজে বাক্যালাপো বন্ধ হোৱা অৱস্থাত পৰিছিলগৈ। অপুৱে মোৰ মুখলৈ চাই হাঁহি থকাটো তেওঁ সেই কাৰণে বৰ পছন্দ কৰিব পৰা নাছিল।

কিন্তু মাকৰ পছন্দ অপছন্দলৈ ভ্ৰূক্ষেপ নকৰি, অপুৱে সন্ধ্যাগগন আকুল কৰি মোৰ মুখলৈ চাই হাঁহি আছিল।

আৰু, ঠিক সেই মুহূৰ্ততে মোৰ অনুভৱ হৈছিল , পৃথিৱীৰ সুন্দৰতম সৃষ্টি হ'ল শিশুৰ হাঁহি। জীৱনত আন বহুতো বস্তুৰপৰা বঞ্চিত হৈও কেৱল নিজৰ শিশু সন্তানৰ হাঁহি চাই চায়েই বহুত সময় আত্মহাৰা হৈ থাকিব পাৰি, এই সুন্দৰ দানৰ কাৰণে ঈশ্বৰক ধন্যবাদ দিব পাৰি। ঠিক সেই মুহূৰ্তত প্ৰাণ খুলি ঈশ্বৰক ধন্যবাদ দিছিলোঁ। মাজে মাজে তেওঁৰ অস্তিত্বত বা মতলবত সন্দেহ কৰাৰ কাৰণে তেওঁৰ ওচৰত ক্ষমা খুজিছিলোঁ।

লাহে লাহে গধূলিৰ অন্ধকাৰ নামি আহিছিল। সেই অন্ধকাৰৰ সকলোখিনি কালিমা আৰু বিষাদ গায়ে-মুখে সানি লৈ হঠাতে আমাৰ আগত উপস্থিত হ'লহি এটা কঙ্কালসাৰ কুৎসিত বুঢ়া মানুহ । তাৰ মূৰত এটা টোপোলা।

তাৰ মুখৰ ফালে চাই দেখোঁ, আমাৰ সেই মিছলীয়া অকৰ্মণ্য ধোবাটো।

তাক দেখিয়েই পাৰুলৰ খং গৈ চুলিৰ আগ পালেগৈ। পাবৰ কথাও। তাৰ লগত সপ্তাহে সপ্তাহে কাপোৰ দি থকাৰ বন্দবস্ত। কিন্তু এইবাৰ সি কাপোৰ আনিছে পুৰা একৈশ দিনৰ মূৰত। মাজতে তিনি-চাৰিবাৰ চাকৰটো পঠাই তাক মতা সত্ত্বেও সি কথাক কথা বুলিয়েই কাণ কৰা নাই। তাক এৰি দি আন এটা যে ধোবা লম, এই হতশ্ৰী মফচলীয়া ঠাইখনত তাৰো উপায় নাই। কাৰণ ইয়াত সি বিৰাজ কৰিছে একমেবা দ্বিতীয়ম্ হৈ। অতএৱ, তাৰ লগত নিষ্ফল খঙত দাঁত-মূৰ কামোৰা আৰু কথা চোবোৱাইহে সাৰ; আন একো লাভ নাই।

এই সকলোবোৰ জানিও দেৰিকৈ কাপোৰ অনা কাৰণে পাৰুলে তাক ভালকৈ এজাউৰি দিলে। মূৰত টোপোলাটো লৈ স্থানুবৎ থিয় হৈ সি সম্পূৰ্ণ নীৰৱে গালিখিনি হজম কৰিলে । তাৰ ওপৰত পাৰুলৰ বিৰক্তি আৰু খঙৰ আটাইতকৈ ডাঙৰ কাৰণ হ'ল এইটোৱেই। সি ভাৱলেশহীন মুখেৰে এনেকৈ

গালিবোৰ শুনি থাকিব, যেন তাৰ কাণত এটা শব্দও পৰা নাই, যেন সি জন্ম-বধিৰ। গালি বা ধমকিৰ প্ৰত্যুত্তৰত কোনো কৈফিয়ৎ দিবৰ সামান্যতম প্ৰয়াস আমি কোনো দিন তাৰ মুখত দেখা নাই। পাৰুলৰ গালিখিনি শেষ হোৱাৰ পিছত সি কাপোৰৰ টোপোলাটো তেওঁৰ আগত মেলি ধৰিলে। কাপোৰৰ অৱস্থা দেখি পাৰুলৰ চকু গৈ কপালত উঠিবৰ অৱস্থা। কাপোৰবোৰ যি ময়লা অৱস্থাত দিয়া হৈছিল, ততোধিক ময়লা কৰি সি ঘূৰাই লৈ আহিছে। অকল সেয়েই নহয়। কেইবাখনো দামী নতুন কাপোৰ ঠায়ে ঠায়ে ফিচিকি ফাটি গৈছে। বিৰাট কিবা এটা শব্দ কৰি চিঞৰি উঠিবলৈ গৈ পাৰুল হঠাতে স্তব্ধ হৈ গ'ল। কোনো চিংকাৰেই যথেষ্ট নহয়, তেওঁৰ ক্ৰোধ-বিবৰ্ণ মুখত তেনে এটা ভাব।

এইবাৰ ময়েই মাত লগালো ঃ

'এই বুঢা, তই কাপোৰবোৰ নোধোৱাকৈ কেৱল পানীত আওখালি লৈ আহিছ কেলেই?"

"ধুইছো হুজুৰ।'

' ধুইছ? এইবোৰক ধোৱা কাপোৰ বুলি কয় নেকি? মিছলীয়া, বদমাচ্। আৰু এই নতুন কাপোৰবোৰ ফালিলি কেনেকৈ?'

'নাই ফলা হুজুৰ।'

'নাই ফলা?

'ফালিছো হুজুৰ।'

এই নাতিদীৰ্ঘ বাক্যালাপৰ পিছত তাক আৰু কি কম, ময়ো একো ভাবি নোপোৱা হ'লোঁ। হঠাৎ গৃহিণী থিয় হৈ একে আজোৰে অপুক মোৰ কোলাৰ পৰা লৈ গ'ল। 'পাগলৰ লগত পৰি তুমিও পাগল হ'বলৈ বেছি পৰ নাই'— এই বাক্যবাণ মোৰ প্ৰতি নিক্ষেপ কৰি তেওঁ খোজত মেদিনী কঁপাই ভিতৰলৈ সোমাই গ'ল।

মোৰ হাঁহি উঠিব খুজিছিল। কিন্তু অপৰাধী ধোবাটোৰ সমুখতে হাঁহি দিলে, সি প্ৰশ্ৰয় পাব বুলি ভাবি হাঁহিটো দমন কৰিলোঁ। তাৰ ফালে চাই মাত লগালোঁ ঃ ' তই বৈ আছ কিয়? যা তোৰ আৰু মুখ চাবৰ ইচ্ছা নাই।'

যাওঁ হুজুৰ। অলপ পইচা

' পইচা'? মাহ পূৰ হ'বলৈ এতিয়াও এসপ্তাহ বাকী তাতে কাপোৰৰ অৱস্থা কৰি আনিছ এই . তোক আকৌ পইচা লাগে? যা ভাগ।'

সি নীৰৱে নতমুখে ঘূৰি গ'ল

এই ঘটনাৰ প্ৰায় দুঘণ্টামানৰ পিছত

পাছলৈ চাকৰটোৰপৰা বজাৰ খৰচৰ হিচাপ লৈছিল অনিলে অৰ্থাৎ চাকৰটোৱে , পঞ্চাশ পইচাৰ হিচাপ কোনোমতেই দিব নোখোজে বা নোৱাৰে। তাৰ এনে ব্যৱহাৰ এই প্ৰথম দেখিলোঁ। গতিকে আমাৰ দুয়োৰে মনত অলপ বেযা সন্দেহ উপজিল। কিছুপৰ জেৰা কৰাৰ পিছত আমাৰ জ্ঞান বুদ্ধিৰ ওচৰত অনিলে হাৰ মানিলে । সি স্বীকাৰ কৰিলে যে পঞ্চাশ পইচা সি এটা মানুহক ধাৰলৈ দিছে।

কিন্তু কাক?'

বহুত পৰ কওঁ-নকওঁ কৰি সি মাত লগালে : ' সেই ধোবাটোক।

'ধোবাটোক? কিন্তু কিয়?

অনিল কিছু সময় নিৰ্বাক হৈ থিয় হৈ থাকিল। তাৰ মুখলৈ চাই দেখোঁ, চকু দুটা যেন পানীৰে সেমেকি পৰিছে। মাৰিম বুলি ভয় খাইছে নেকি সি? স্পষ্টকৈয়ে তাক কথাষাৰ ক'লোঁ . ' ভয় নকৰিবি, তোক নেমাৰোঁ। কিন্তু পইচা কি কৰিলি , সঁচা কথা ক।

হঠাৎ সি মোৰ চকুলৈ চালে। তাৰ অশ্ৰুসজল চকুৰ কোণত এটা মৰ্মভেদী বিদ্ৰূপৰ হাঁহি যেন বিজুলীৰ দৰে মুহূৰ্তৰ কাৰণে চিক্‌মিকাই উঠিল। তাৰ পিছত সি তললৈ চাই ক'বলৈ ধৰিলে : 'পঞ্চাশ পইচা মই সঁচাকৈয়ে ধোবাটোকে দিছোঁ। আপোনালোকক নোসোধাকৈ দিয়াৰ কাৰণে মোক মাফ কৰিব পইচাখিনি মোৰ দৰ্মহাৰপৰাই কাটি ল'ব. কাৰণ ধোবাটোৱে পইচা ঘূৰাই দিয়াৰ আশা নাই, দিব নোৱাৰে। তথাপি তাক পইচা কিয় দিলোঁ কওঁ শুনক। মই বাসুদেৱৰ দোকানত বস্তু ল'বলৈ গৈ দেখোঁ, ধোবাটোৱে বাসুদেৱৰ ভৰি এখনত মূৰটো থৈ কান্দি কান্দি চাউল এক কিলো ধাৰলৈ খুজিছে। বাসুদেৱে

কিন্তু কোনোমতেই তাক চাউল ধাৰলৈ নিদিয়ে। আগৰ ধাৰেই বহুত আছে। মোৰ মনটো বৰ বেয়া লাগিল। মূৰটোও হঠাতে গৰম উঠি গ'ল। ধোবাটোৰ চুলিকোছাত ধৰি বাসুদেৱৰ ভৰিৰপৰা তাক টান মাৰি আনি থিয় কৰাই দিলোঁ। তাৰ পিছত তাক সুধিলোঁ ঃ এক কিলো চাউলৰ কাৰণে বাসুদেৱ মহাজনৰ ভৰিত মুখ থেকেচা খাই মৰাতকৈ কুলচি নৈত পৰি মৰি নেযাব কিয়? সি কিছু সময় মনে মনে ৰ'ল। তাৰ পিছত মাত লগালে--- মই মৰিব পাৰোঁ। কিন্তু মোৰ পাঁচজনী ছোৱালী আৰু মাকৰ অৱস্থা কি হ'ব? আজি চাৰি সাঁজ আমি কোনেও ভাত খোৱা নাই। আমি মতা-মাইকীহাল নেখাই মৰি যাবলৈকে ৰাজী আছো। কিন্তু ছোৱালীকেইজনীৰ চিঞৰ আৰু সহ্য নহয়। পেট শুকাই এতিয়া আৰু সিহঁতৰ চিঞৰো নোলোৱা হৈছে। ............ কথা কেইআষাৰ কৈ ধোবাটোৱে চুৰিয়াৰ আগেৰে চকু মোহাৰি মোহাৰি হুক্ হুক্কৈ কান্দি উঠিল । মই আৰু কি কৰিম? পইচা পঞ্চাশটা তাৰ হাতত গুজি থৈ মই গুচি আহিলোঁ।'

আমি দুয়ো বহুত সময় স্তব্ধ হৈ বহি ৰলোঁ। অনিলৰ চকুলৈ চাবলৈ আমাৰ দুয়োৰে যেন লাজ লাগিছিল। কথা ক'বলৈ একো বিচাৰি নেপাওঁয়ো মনে মনে খুব অস্বস্তি অনুভৱ কৰিছিলো। কিছু সময়ৰ পিছত কথা এষাৰ মনত পৰিল.

'আচ্ছা অনিল, ধোবাটোৱেতো নিজে ৰোজগাৰ কৰে। এইখন ঠাইত সিয়েই একমাত্ৰ ধোবা। তেনেস্থলত সি লোকৰ ভৰিত পৰি ভিক্ষা কৰিব লগা হয় কিয়?'

অনিলৰ মুখত এইবাৰ স্পষ্ট বিৰক্তি আৰু বিদ্রূপৰ চিন ফুটি উঠিল। কোনোমতে বিৰক্তি গোপন কৰিবলৈ চেষ্টা কৰি সি মাত লগালে ঃ 'ধোবা হ'ল বুলিও সিওতো মানুহহে। তাৰ সেই বেমাৰী বুঢ়া দেহাটোত ৰোজগাৰ কৰিবৰ শক্তিনো আছে ক'ত? ডাঙৰ মানুহ হোৱা হ'লে তাৰ এতিয়া শুই-বহি পেঞ্চন খাবৰ দিন। ডাঙৰ মানুহ নহ'লেও এই বয়সত মানুহে পো-নাতিৰ উপাৰ্জনৰ ওপৰত খায়। কিন্তু সেই দুৰ্কপলীয়া বুঢ়াটোক ঈশ্বৰে মতা ল'ৰা এটাও নিদিলে। দিলে পাঁচজনী ছোৱালী, পেটত পিত্ত বেমাৰ, গোটেই গাত গাঁঠিয়ে গাঁঠিয়ে বাত বেমাৰ। তাৰ ওপৰত জ্বলা জুইৰ দৰে মনত সদায় এটা দুশ্চিন্তা – সি

বেমাৰত একেবাৰে অকৰ্মণ্য হৈ পৰি গ'লে সাতটা প্ৰাণীয়ে কি খাই জীয়াই থাকিব-- সি যদি হঠাৎ মৰি যায়, ছোৱালী পাঁচজনীৰে সৈতে ঘৈণীয়েকৰ কি অৱস্থা হ'ব। এতিয়াই তাৰ ৰোজগাৰ একেবাৰে নাই বুলিলেই হয়। এনেয়ে বুঢ়া হৈছে, খোজকাঢ়িবলৈকে শক্তি নোহোৱাৰ নিচিনা, তাতে আকৌ পিত্ত, বাত বেমাৰ। সপ্তাহটোত চাৰি দিনমান সি বেমাৰত পৰি থাকে। বেমাৰত পৰি থকা কেইদিন ৰোজগাৰ নাই, গতিকে পেটত ভাতো নাই। বেমাৰ আৰু অনাহাৰে চেপি শুকি কৰা দেহাটোৰে বাকী তিনিদিন দুই-এডোখৰ কাপোৰ ধোৱে, কিন্তু দুৰ্বল দেহাৰে কাপোৰ চাফা কৰিব নোৱাৰে; দেহৰ পৰিশ্ৰম কমাবলৈ কাপোৰত সৰহকৈ চ'ডা দিয়ে, ফলত কাপোৰ ফাটি যায়। কাপোৰ ধুবলৈ নি ময়লা আৰু ফটা কাপোৰ ঘূৰাই দিলে তাক আৰু কাপোৰ ধুবলৈ দিব কোনে?

মই ভয়ে ভয়ে অনিলক প্ৰশ্ন কৰিলোঁ : "ইমানবোৰ কথা যদি তই জানিছিলিয়েই, মোক আগতে কোৱা নাছিলি কিয়?"

অনিলে উত্তৰ দিলে : ' মানুহটোকেই দেখোন আপোনালোকে সদায় দেখি আছে। তাৰ পিছত তাৰ বিষয়ে ক'ব লগা কি কথা আছে?'

মোৰ মুখত যেন কোনোবাই চাবুক মাৰিলে, বিদ্ৰূপৰ চাবুক। মই তলমূৰ কৰিলোঁ।

পিছদিনা ৰাতিপুৱা।

আগদিনাৰ দৰেই অপুক কোলাত লৈ পিৰালিত বহি আছো। গোটেই ৰাতি ধাৰাসাৰে বৰষুণ দিছিল। ৰাতিপুৱাও আকাশখন মেঘাচ্ছন্ন হৈ আছিল। বৰষুণত গা ধুই নম্ৰ স্নিগ্ধতাৰে কৰুণ হৈ থকা মোৰ বাগানৰ জিনিয়া ফুলবোৰ বতাহত স্বপ্নাবিষ্টৰ দৰে হালি-জালি আছিল। মোৰ ঘৰৰ ঠিক সমুখতে অকণমানি ল'ৰা এটাই ধ্যান-নিবিষ্টচিত্তে নদীৰ পাৰত বৰশীত মাছ তুলিবলৈ সাধনা কৰিছিল। চাৰিওফালৰ প্ৰকৃতিত এটা মধুৰ বিষাদ আৰু উদাস শান্তি বিৰাজ কৰিছিল। মোৰ তিনিমহীয়া অপুৰেও যেন মনে মনে সেই বিষাদ আৰু শান্তি অনুভৱ কৰিছিল। সেয়েহে তাৰ ডাঙৰ ডাঙৰ ক'লা চকুযুৰিৰ দৃষ্টিত ফুটি উঠিছিল বৰ্ষাৰ সেই কৰ্মহীন, বাণীহীন , দায়হীন প্ৰভাতৰ মেঘ-মদিৰ স্বপ্ন।

মোৰ অনুভৱ হৈছিল, আজিৰ এই সুন্দৰ সময়খিনিত জগতৰ সকলো মানুহে যেন সকলো কামৰপৰা ছুটী পাইছে আৰু মোৰ দৰে অলসভাৱে বহি বহি কোনো নামহীন অনির্দেশ্য অজানৰ স্বপ্ন ৰচনা কৰিছে।

ঠিক সেই সময়তে আহি উপস্থিত হ'লহি মোৰ স্বপ্ন-ভঙ্গৰ দূত। সেই বুঢ়া ধোবাটো। বুজিলোঁ, এদিনৰ কাৰণেও— এটা মুহূর্তৰ কাৰণেও তাৰ ছুটী নাই।

ভীৰু, সন্ত্রস্ত, অনাহাৰ-ক্লিষ্ট, বেমাৰী পশু এটাৰ দৰে কাণ দুখন থিয় কৰি, তললৈ মূৰ কৰি, সি মোৰ ওচৰত থিয় হ'ল।

তাৰ মুখলৈ চকু দিয়েই মই হঠাতে আৱিষ্কাৰ কৰিলোঁ, সি এটা বুঢ়া মানুহ। এই অতি সহজ সত্যটো ইয়াৰ আগতে কোনোদিন মোৰ চকুত পৰা নাছিল। কিন্তু সেই মুহূর্তত মোৰ অনুভৱ হ'ল, সি এটা বহু শতাব্দী-প্রাচীন, জৰা- জীৰ্ণ অথৰ্ব ভঙ্গুৰ বুঢ়া মানুহ। পিছমুহূর্ততে মই আতঙ্কিত হৈ স্মৰণ কৰিলোঁ যে এই লোল-চর্ম কঙ্কালসাৰ বুঢ়াটোৱে দিনৰ পিছত দিন জাপে জাপে কাপোৰ ধোৱে ; মই স্মৰণ কৰিলোঁ, কাপোৰ ধোৱা শিলচটাতে মুখ থেকেচা খাই তেজ বমি কৰি নমৰা পৰ্যন্ত সি কাপোৰ ধুইয়েই থাকিব।

মই আকৌ আতঙ্কিত হৈ স্মৰণ কৰিলো যে ইয়াৰ আগমুহূর্ত পৰ্যন্ত, অনিলে আঙুলিৰে খুঁচি মোৰ চকু মুকলি কৰি নিদিয়া পৰ্যন্ত তাৰ এই ভয়াবহ দীন ৰূপটো মোৰ চকুত পৰা নাছিল। কেনেকৈ মই ইমান অন্ধ আছিলো? ক্রোধান্বিত হৈ মই আৱিষ্কাৰ কৰিলো যে বহু যুগ ধৰি এই অবৰ্ণনীয় দাৰিদ্র্যক, মানৱতাৰ এই লোমহৰ্ষক অপমানক, এই সামাজিক অন্যায় আৰু নিষ্ঠুৰতাক আমি অতি সহজ আৰু অবিসম্বাদী সত্যৰূপে গ্রহণ কৰি আহিছোঁ। সেই কাৰণে ফুটপাথত বুকুৰে বগুৱা বাই বাই, ৰক্তাক্ত ছিন্ন-ভিন্ন দেহেৰে আৰ্তনাদ কৰি কৰি মানুহে ভিক্ষা কৰা দেখিলেও আমি সচকিত হৈ নুঠো, চিন্তিত হৈ নপৰো, তেনে দৃশ্য চকুৰ আগত লৈও আমি ৰেস্তোৰাঁত বহি বহি সুখাদ্য উপভোগ কৰিব পাৰো, ৰাতি নিশ্চিত মনে টোপনি যাব পাৰো মানুহৰ এই নাৰকীয় যন্ত্ৰণাক সহজভাৱে গ্ৰহণ কৰিব পৰাতকৈ বেছি ডাঙৰ পাপ আৰু নৈতিক পতন কি থাকিব পাৰে, ভাবি মই শিয়ৰি উঠিলো। লগে লগে মোৰ মনত পৰিল, কর্মফল

আৰু জন্মান্তৰবাদৰ দোহাই দি হিন্দু ধৰ্মই বহু যুগ ধৰি এই নৈতিক পতনৰ পথ প্ৰশস্ত কৰি দিছে।

তথাকথিত ধৰ্মৰ বিৰুদ্ধে মোৰ বহু দিনৰ পুঞ্জীভূত ক্ৰোধাগ্নি এই নতুন ইন্ধন পাই পুনৰ দপ্ দপ্‌কৈ জ্বলি উঠিল ।

ধোবাটো কুঁজা হৈ থিয় দি আছিল।

মই তালৈ মূৰ তুলি চাই দেখো, সি একেথিৰে মোৰ কোলাৰ কেঁচুবাটিলৈ চাই আছে। অপুৰেও তাৰ মুখলৈ চাই হাঁহি আছে।

মই সহজ বন্ধুত্বৰ মাতেৰে ধোবাটোক সুধিলো ঃ ‘কি চাইছ ইমানকৈ?’

মোৰ প্ৰশ্নটো তাৰ বোধহয় কাণতেই নপৰিল। হৃদয়ৰ নিভৃততম স্তুতিৰ দৰে তাৰ মুখত কেৱল উচ্চাৰিত হ’ল দুটা শব্দ ঃ “কি সুন্দৰ।”

‘ কি সুন্দৰ দেখিলি?’ – মই সুধিলোঁ।

‘বাছাৰ হাঁহিটো।’ নিস্পন্দ মাতেৰে সি উত্তৰ দিলে।

‘তোৰো পাঁচজনী ছোৱালী আছে বুলি শুনিছো। একেবাৰে সৰুজনীৰ কেইবছৰ হৈছে?

‘ তিনি মাহ।’

মই চক খাই উঠিলো। এই কুঁজা বুঢ়াটোৰ তিনিমহীয়া কন্যা? তাক তেন্তে যিমান বুঢ়া যেন দেখি , সিমান বুঢ়া আচলতে সি নহয়? ...... অথবা ....... অথবা.......... তাৰ পাঁচজনী ছোৱালী ............... হয়তো এটা পুত্ৰ সন্তানৰ আশাতেই —

সহজ হৈ তাক সুধিলোঁ ঃ তায়ো তেন্তে ইয়াৰ নিচিনাকৈয়ে হাঁহিছে চাগে। ইয়াৰো তিনি মাহ হৈছে।’

সম্পূৰ্ণ ভাবলেশহীন মুখভঙ্গী আৰু নিৰাবেগ কণ্ঠৰে ধোবাটোৱে উত্তৰ দিলে ঃ ‘ তাই নেহাঁহে।’

‘নেহাঁহে ? কিয়?’

‘ অকল তাইৰে নহয়, মোৰ পাঁচজনী ছোৱালীৰ কাৰো মুখতেই হাঁহি

দেখা বুলি মোৰ মনত নপৰে। ক্ৰন্দৰ পৰা সিহঁতে কেৱল কান্দিছে আৰু কান্দিছে । মাকে কোনোদিন পেট ভৰাই খাবলৈ নেপায়, গতিকে পিয়াহত গাখীৰ নহয়। গাখীৰ কিনি খুউৱা কথাটোতো আমি সপোনতো ভাবিব নোৱাৰো! ভোকত, পিয়াহত কেঁচুৱাৰ জিভা শুকাই খৰখৰীয়া হৈ যায়। শুকান কাঠী যেন হাত-ভৰি জোকাৰি সিহঁতে কান্দিবৰ চেষ্টা কৰে। দুৰ্বল কণ্ঠৰপৰা কান্দোনো বাহিৰ হৈ নাহে। শাৰীৰ আঁচল পানীত তিয়াই মাকে সিহঁতৰ মুখত গুজি দিয়ে ....... সিহঁতে কোনোদিন হাঁহিবলৈ শিকা নাই।'

নিৰ্বিকাৰ মাতেৰে ধোবাটোৱে কথাবোৰ কৈ গ'ল। শুনি শুনি এটা অজান আতঙ্কত মোৰ গাৰ নোম থিয় হৈ উঠিল। অপুৰ মুখলৈ আকুলভাৱে চাই তাক মই বুকুত চেপি ধৰিলোঁ। হে ঈশ্বৰ........

হঠাৎ খঙত আৰু ঘৃণাত মোৰ মুখখন বিকৃত হৈ যোৱা অনুভৱ কৰিলোঁ। ঈশ্বৰ নে চয়তান? জননীৰ স্তনৰপৰা ৰসধাৰা যি শোষণ কৰে, শিশুৰ মুখৰপৰা হাঁহি যি হৰণ কৰে, সেই ঈশ্বৰক স্মৰণ কৰি লাভ কি?

পৃথিৱীৰ যি লাখ লাখ শিশুৱে কোনোদিন হাঁহিবলৈ শিকা নাই, যাৰ ক্ষুধাৰ্ত মুখত মাকবোৰে পানীত-তিতোৱা আঁচল গুজি দিব লগা হয়, সেই শিশুবোৰৰ বাপেকবোৰলৈ মনত পৰি মই নিজক এবাৰ ক'লো ঃ ' অপুৰ মুখৰ স্বৰ্গীয় হাঁহি উপভোগ কৰিবৰ সময়ত সেই বাপেকবোৰলৈ এবাৰ মনত পেলাবা। '

◆◆◆

# শিল্প

পুৱা শুই উঠিয়েই প্ৰশান্তই ভনীয়েকক হুকুম দিলে— 'ভণ্টি এতিয়াই বেৰৰপৰা ফটো, কেলেণ্ডাৰ এইবোৰ খুলি ৰাখ। আঠ বজাতে মিস্ত্ৰি আহিব। তই কলেজলৈ গুচি যোৱাৰ পিছত সিহঁতে সেইবোৰত হাত দিবলৈ পালে সকলো ভাঙি-চিঙি নাইকিয়া কৰিব। পৰে পৰৰ বস্তুৰ কি মোল বুজিব?

ভণ্টিয়ে বিছনাৰপৰাই মাত লগালে— "ভাঙিলেও ভাঙিব দিয়া। সেইসোপা নষ্ট হোৱাৰ ভয়ত তুমি যেনেকৈ ব্যস্ত হৈ পৰিছা– মানুহে শুনিলে ভাবিব পিকাচোৰ অৰিজিনেলেহে যেন আমাৰ ঘৰৰ শোভা বৰ্দ্ধন কৰিছে। মাহঁতৰ যে চখবোৰ আছিল আৰু! মানুহ আহিলে মোৰ লাজহে লাগে।'

চাদৰ কাপত মুখ দি প্ৰশান্তই গুৰ গুৰাই উঠিল– 'তোক যিটো কৰিবলৈ কৈছো তাকে কৰি থবি। পিকাচোৰ অৰিজিনেলৰ নাম লৈ যে খুব বিদ্যা জাহিৰ কৰিব খুজিছ, পিকাচো বাঘ নে হাতী চিনি পাব জানো? কলেজত পঢ়ি ইংৰাজী বাক্য এটা শুদ্ধকৈ লিখিব নোৱাৰ, ভাল কিতাপ এখন কোনোদিন হাতত লোৱা নেদেখিলোঁ, শিকিছ কেৱল ধুন মাৰিবলৈ আৰু কথা ক'বলৈ । সেইদেখিহে মই সদায় কওঁ, আমাৰ দেশৰ বেছিভাগ ছোৱালীৰে কলেজত পঢ়িবৰ একো দৰকাৰ নাই। কেৱল টকা আৰু সময়ৰ অপব্যয়। কলেজবোৰে তহঁতক ছোৱালী গুচাই প্ৰদৰ্শনীৰ ৰংচঙীয়া পুতলাত মাত্ৰ পৰিণত কৰিছে।"

" আৰু ল'ৰাবোৰক কৰিছে চাৰ্লছৰ ক্ৰাউন' মেৰিলীন্ মনৰোৰ চিত্ৰশোভিত হাৱাইন্ চাৰ্টটো প্ৰশান্তৰ মুখৰ আগত দাঙি ধৰি ভণ্টিয়ে খিল খিলকৈ হাঁহি উঠিল।

* * *

ভণ্টিৰ মনত খুব ফুৰ্ত্তি। জীৱনত মনতপৰা দিনৰে পৰা এই প্ৰথম সিহঁতৰ ঘৰলৈ মিস্ত্ৰি আহিব, ঘৰৰ উৰ্ৱলি যাব খোজা চাল-বেৰে নতুনকৈ চুণ তেলৰ মুখ

দেখিব। সিহঁতৰ জন্মৰ আগতেই বাপেকে ঘৰটো সাজিছিল, সি প্ৰায় কুৰি বছৰমানৰ আগৰ কথা। ঘৰটো সাজোঁতেই বোধহয় বেৰত চূণ দিয়া হৈছিল। কিন্তু আজি বেৰত চূণৰ অস্তিত্ব কল্পনাহে কৰিব পাৰি। কুৰিটা বছৰৰ ধূলি-বালি, ধোঁৱা-ময়লা জমা হৈ হৈ বেৰকেইখনে এটা নতুন ৰং ধৰিছে। সেই ৰং একবস্ত্ৰ ভিক্ষাৰীৰ অবৰ্ণনীয় বৰ্ণ-বৈচিত্ৰ্যৰ, নিঃসম্বল ব্যাধিগ্ৰস্ত বাৰ্দ্ধক্যৰ। ঘৰৰ সংস্কাৰ কৰিবলৈ বাপেকৰ সামৰ্থ্য নাছিল, তাতোকৈ অভাৱ আছিল উৎসাহৰ। ত্ৰিশটা টকা খৰচ কৰি ঘৰৰ চূণ-কাম কৰোৱাটো তেওঁ নিশ্চয় টকাৰ অপব্যয় বুলিহে বিবেচনা কৰিছিল। কাৰণ ত্ৰিশ টকাত এক মোন চাউলো পোৱা যায়। জীৱনৰ অভিজ্ঞতাই তেওঁক শিকাইছিল যে পৃথিৱীৰ আটাইতকৈ দৰকাৰী বস্তু হ'ল চাউল। আন বহুতো বস্তু নহ'লেও জীৱন চলি যায়, কিন্তু চাউল নহ'লে নচলে। তেওঁৰ জীৱনৰ সমস্ত সময় শেষ হ'ল কেৱল চাউলৰ যোগাৰত।

ভণ্টিহঁতে ডাঙৰ হৈ অনুভৱ কৰিলে যে সিহঁতৰ ঘৰৰ বেৰকেইখন অলপ বগা আৰু উজ্জ্বল হোৱা প্ৰয়োজন। পাৰিলে সেই জৰাজীৰ্ণ ঘৰটো ভাঙি এটা নতুন সুন্দৰ ঘৰ সজোৱাই উচিত, সিহঁতৰ ঘৰটোও হোৱা উচিত বিশাখাহঁতৰটোৰ নিচিনা, স্বপ্নাহঁতৰটোৰ নিচিনা— কিন্তু সেইটো যদি অসম্ভৱ তেন্তে অন্ততঃ বেৰকেইখনত কেইটিমান চূণৰ প্ৰলেপ পৰা উচিত। মনত এই ঔচিত্যবোধৰ উদয় হ'বৰ দিন ধৰি ভণ্টিহঁতে বাপেকক খাটিছে বেৰত চূণ দিয়াবলৈ। এদিনতো বেছিকৈ আবদাৰ ধৰিবলৈ গৈ ভণ্টিয়ে বাপেকৰপৰা এটা কাণতলীয়া চৰেই খালে- ' মূৰ সুমুৱাবলৈ ঘৰ এটা যে পাইছ সেয়ে নুজুৰিলে, এতিয়া আকৌ চূণ দিয়া বেৰৰ চখ।" পিছলৈ অৱশ্যে বাপেকে এদিন ঘোষণা কৰিলে - 'বেৰত যে চূণ দিব লাগে সেইটো মই নুবুজোঁনেকি? কিন্তু মোৰ জীৱনত আৰু সেইবোৰ নহ'ব। প্ৰশান্তই যদি কেতিয়াবা নিজে চাকৰি-বাকৰি কৰি ধন ঘটিব পাৰে, তেতিয়া সি নিজে সেইবোৰ কৰি ল'ব।'

বুঢ়াৰ জীৱনত সঁচাকৈয়ে সেইবোৰ একো নহ'ল। সেই ধূলাচ্ছন্ন বিবৰ্ণ বেৰকেইখনলৈ চাই চায়েই এদিন তেওঁ শেষবাৰৰ কাৰণে চকু মুদিলে।

ভণ্টিহঁতৰ ভাগ্য এতিয়া কিছু ভাললৈ আহিছে, প্ৰশান্তই ভাল চাকৰি পাইছে আৰু কেইবছৰমান গ'লেই সি নতুন ঘৰ সাজিব। নতুন ঘৰ হৈ নুঠা

পর্যন্ত সি পুৰণি ঘৰটোৰে সংস্কাৰত লাগিছে। আজি বেৰত চূণ দিয়াৰ দিন।

* * *

ককায়েকৰ লগত তর্ক শেষ কৰি চাহ-তাহ খাই ভণ্টিয়ে বেৰৰ ফটো আৰু কেলেণ্ডাৰবোৰ গুচাবলৈ আৰম্ভ কৰিলে। ' মা'হঁতৰ যে চখবোৰ আছিল আৰু '— তাই মুখৰ ভিতৰতে আকৌ ভোৰভোৰাই উঠিল। তেনেতে মাক সেই কোঠালৈ সোমাই আহিল। বেতৰ চকীখনত গাটো থৈ হুমুনীয়াহ এটা কাঢ়ি তেওঁ মাত লগালে— 'তহঁতৰ চকুত সেইবোৰ আজি বেয়া হ'ল আই। কিন্তু এদিন কিমান-কষ্ট কৰি পইচা সাঁচি যে সেইকেইখনকে কিনিছিলো। দেৱ-দেৱীৰ ছবিতকৈ আৰু কি ভাল বস্তু লাগে আই।'

ভণ্টিয়ে তেতিয়া লক্ষ্মীৰ ছবিখনত হাত দিছে। ছবিখন মাকৰ ফালে আগবঢ়াই দি তাই মাত লগালে— 'ল-ল, দেৱ-দেৱীৰ ছবি তই ক'ত ৰাখ ৰাখগে। মই কিন্তু এইবোৰ হাঁহি উঠা ছবি পুনৰ ইয়াত আঁৰিবলৈ কেতিয়াও নিদিওঁ।'

এফালৰপৰা তাই ছবিবোৰ একবাই যাবলৈ ধৰিলে। হাতীৰ শুঁৰ লগোৱা গণেশৰ ছবি, আশোক বনত সীতাৰ আগত আঁঠু লৈ থকা হনুমানৰ ছবি, কদম গছৰ তলত বাঁহী বজাই থকা শ্ৰীকৃষ্ণৰ ছবি। মাকে স্থিৰ দৃষ্টিৰে ভণ্টিৰ বিদ্ৰূপ বিকৃত হাত দুখন অনুসৰণ কৰি যাবলৈ ধৰিলে। ভণ্টিয়ে এখন ছবি আঁজোৰ মাৰি বেৰৰপৰা একবাই আনে লগে লগে মাকে অনুভৱ কৰে, তেওঁৰ বুকুৰ পৰা যেন দুখন নিঠুৰ হাতে কিবা এটা আঁজোৰ মাৰি লৈ গ'ল। বুকুৰ কোনোবা এখিনিত এটা গোপন ব্যথা বক্তাক্ত হৈ উঠে। কিন্তু সেই ব্যথা তেওঁ বুজিব নোৱাৰে। কি আঁজুৰি লৈ গ'ল তাকো তেওঁ ভালকৈ ক'ব নোৱাৰে। সেয়া কি চিৰ নতুনৰ নিঠুৰ হাত, চিৰপুৰাতনক বি ধ্বংস কৰি দিব খোজে? জীৱনটোতো কেৱল বর্তমান নহয়, ভৱিষ্যৎ নহয়, সি যে অতীতো— বি অতীত সঞ্চিত হৈ থাকে একো একোটা মধুৰ স্মৃতিত, সমাপ্ত কর্মৰ পৰিণামত, অপূর্ণ আশাৰ বেদনাত। তেওঁৰ সেই অতীতৰ চিহ্নকেই কি ভণ্টিয়ে একেবাৰে নিশ্চিহ্ন কৰি দিব খোজে? কিবা এটা হেৰোৱাৰ বেদনাত তেওঁৰ বুকুখন হাহাকাৰ কৰি উঠে।

কিন্তু মুখ ফুটাই ক'বলৈ তেওঁৰ লাজ লাগে। যাৰ ওচৰত তেওঁৰ অতীতৰ কোনো দাম নাই, তাৰ ওচৰত তেওঁ নিজে কি বুলি দাম খুজিব?

কিন্তু এবাৰ তেওঁ সমস্ত লাজ কাতি কৰি দাম খুজিব লগা হ'ল। ভণ্টিয়ে তেতিয়া বেৰৰ সৰ্বশেষ ছবিখনত হাত দিছে। সেইখন কোনো দেৱ-দেৱীৰ ছবি নাছিল, সি আছিল কাপোৰৰ ওপৰত ৰঙীণ সূতাৰে তোলা গোলাপ ফুলৰ ওপৰত এটা পখিলাৰ ছবি। ছবিখন আঁকি দিছিল গিৰিয়েকে নিজে। বিয়াৰ ঠিক পিছতেই — প্ৰশান্ত, ভণ্টি কোনো যেতিয়া ওপজা নাছিল— গিৰিয়েক অফিচলৈ গুচি যোৱাৰ পিছত নিৰ্জন ঘৰখনত বহি বহি তেওঁৰ খুব দুখ লাগিছিল। কিবা এটা কৰি ব্যস্ত হৈ থাকিবলৈকো হাতত কাম নাছিল। আজিকালিৰ বোৱাৰীৰ দৰে উপন্যাস পঢ়ি সময় কটাবলৈ তেওঁৰ বিদ্যাও নাছিল। এদিন তেওঁ গিৰিয়েকৰ আগত মনৰ দুখ প্ৰকাশ কৰাত গিৰিয়েকে হাঁহি হাঁহি ক'লে— 'তোমাৰ অকলে থাকি এনেয়ে বেয়া লাগে নে মোলৈ মনত পৰি বেয়া লাগে? যদিহে মোলৈ মনত পৰি বেয়া লাগে , তেন্তে এটা কাম কৰা । কাপোৰত ছবি এখন তুলিবলৈ আৰম্ভ কৰা। ঘৰো সজোৱা হ'ব, তোমাৰো সময় কটোৱা হ'ব।' এইবুলি কৈ তেওঁ নিজে সেই ছবিখন আঁকি দিলে। ছবি তুলিবলৈ আৰম্ভ কৰি ভণ্টিৰ মাকে সঁচাকৈয়ে যেন এটা নতুন জীৱন পালে । গ্ৰীষ্ম, বৰ্ষা , বসন্তৰ বহুতো অলস নিৰ্জন দুপৰৰ স্বপ্ন-স্মৃতি-বিষাদ সূতাত পকাই পকাই তেওঁ সেই ছবিখন কপোৰত তুলিবলৈ ধৰিলে। প্ৰিয়-বিৰহৰ শূন্য আকাশ যেন গোলাপৰ সুবাস আৰু পখিলা পাখিৰ বৰ্ণ সমাৰোহেৰে ভৰি পৰিল। তেওঁ গভীৰভাৱে সুখী হ'ল, সময়বোৰতো এনেয়ে যোৱা নাই, সময় বন্দী হৈ ৰ'ল শিল্পৰ ধ্যানত, স্বপ্নচালিত আঙুলিৰ অন্তৰ্লীন বেদনাত।

ঠিক সেই ছবিখনকে ভণ্টিয়ে একে আঁজোৰে টান মাৰি আনি হাঁহি হাঁহি চিঞৰি উঠিল-- ' এইবোৰ তুমি কি তুলিছিলা মা? নিয়া এইখন পেলাই দিয়া নে বাকচত ভৰাই থোৱা— কি কৰা কৰা । মানুহে এইখন দেখি তোমাক হাঁহিবহে – সামান্য গোলাপ ফুল এপাহো ভালকৈ তুলিব নোৱাৰে বুলি।"

মাকে চকীৰপৰা উঠি মনৰ উত্তেজনা গোপন কৰি মাত লগালে— 'ভালেই হওক, বেয়াৰ হওক এইখন ছবি আগৰ ঠাইতে আঁৰি থৰি ভণ্টি। এখন

বেয়া ছবি থাকিলে তইঁতৰ একো ক্ষতি নহয়। দেউতাৰে বৰ ভাল পাইছিল এইখন ছবি।'

ভণ্টিয়ে অনমনীয় হৈ মাত লগালে— ' কিন্তু এতিয়াতো দেউতা নাই. এতিয়া আৰু এইখন ছবি কোনে ভাল পাব?'

কিবা এটা ক'বলৈ গৈ মাক স্তব্ধ হৈ ৰ'ল। তেওঁ অৱশভাৱে পুনৰ চকীখনত বহি পৰিল। তেওঁৰ হাড় ওলোৱা বুকুখনত ভণ্টিৰ প্ৰশ্নটো শিলৰ দলিৰ দৰে আহি খুন্দা খালেদি— ' এতিয়া আৰু এইখন ছবি কোনে ভাল পাব?' তেওঁৰ চকু দুটা পানীৰে সেমেকি পৰিল। বিহাৰ আগৰে চকু দুটা মোহাৰি মোহাৰি তেওঁ অনুভৱ কৰিলে অন্ধকাৰৰ অসহ্য শূন্যতা— সেই অন্ধকাৰ মৃত্যুৰ। জীৱন এনেকৈয়ে মৰে— তেওঁ নিজকে প্ৰবোধ দিলে।

◆◆◆

# হাতী

আহাৰ মাহৰ গধূলিপৰত বলোৰাম বুঢ়াই খালী গাৰে গধূলিৰ জুৰ বতাহ লৈ পিৰালিতে জুপুকা মাৰি বহি আছিল । বুঢ়াৰ বয়স চাৰি কুৰি পাৰ হৈ গৈছে। চকু-কাণৰ শক্তি কমি আহিছে। কিবা এষাৰ কথা ক'ব লগা হ'লে কাণৰ কাষত চিঞৰি ক'লেহে তেওঁ শুনে। সেই কাৰণে নিতান্ত দৰ্কাৰ নহ'লে কোনেও তেওঁৰ লগত কথা নেপাতে। বুঢ়াই সেই কাৰণে মনে মনে নিজকে বৰ অবহেলিত যেন অনুভৱ কৰে। তেওঁৰ মুখত সকলো সময়তে এটা অভিমানৰ ভাব লাগিয়েই থাকে। গধূলিৰ এন্ধাৰত গছৰ মূঢ়া এটাৰ দৰে নিঠৰ হৈ বুঢ়াক বহি থকা দেখি ডাঙৰজনী বোৱাৰীয়েকৰ বোধহয় অলপ বেয়া লাগিল; ওচৰলৈ আহি তাই মাত লগালে-- ' দেউতা, ৰাতি হ'ল, ভিতৰলৈনো সোমাই নাহে কিয়?' বোৱাৰীয়েকে কি কৈছে বুঢ়াই ভালকৈ তৰ্কিবই নোৱাৰিলে, তেওঁ ভেকাহি মাৰি চিঞৰি উঠিল — কিনো কাণৰ কাষত চিঞৰি চিঞৰি কথা কৰ অ'। মোক কলা বুলি ভাবিছ নেকি?'

তেওঁ যে সিমান কলা নহয়— হাতে হাতেই তাৰ প্ৰমাণ ওলাল । হঠাৎ তেওঁ মাত লগাই উঠিল— 'কোন অ' সেইটো? ৰাতিয়া নেকি?' গধূলিৰ এন্ধাৰত বোৱাৰীয়েকেই ৰাতিয়াক ভালকৈ মণিব পৰা নাছিল। কিন্তু বুঢ়াই তাৰ খোজৰ শব্দতেই তাক চিনি পাইছে। কাণৰ কাষত ঢোল বজাই থাকিলেও নুশুনা বুঢ়াই ৰাতিয়াৰ ভৰিৰ খোজটোৰো কেনেকৈ গম পায়, সেই কথা ঘৰ-ঘৰোৱাহঁৰ কাৰণেই এটা পৰম বিস্ময়।

বুঢ়াৰ কোনো প্ৰশ্নৰে উত্তৰ দিয়া ৰাতিয়াৰ স্বভাৱ নহয়। তেওঁৰ গাৰ কাষেদিয়ে সি গমগমকৈ ভিতৰলৈ সোমাই গ'ল

ৰাতিয়াৰ হৈ বুঢ়াৰ প্ৰশ্নৰ উত্তৰ দিলে ৰাপধনে নিজে। শুঁৰডাল মেলি সি বুঢ়াৰ কপালখন স্পৰ্শ কৰিলে । ৰাপধনৰ সেই চিৰ— পৰিচিত স্নেহ-স্পৰ্শত

বুঢ়াৰ কঙ্কালসাৰ দেহাটো ভৰিৰ পৰা মূৰলৈকে এটা অদ্ভুত আবেগত শিহৰিত হৈ উঠিল। হেৰোৱা মাণিক বিচাৰি পোৱাৰ দৰে খপ কৰে বাপধনৰ শুঁৰডালত ধৰি তেওঁ পৰম আবেগেৰে হাত বুলাবলৈ ধৰিলে, যেন বহুদিনৰ মূৰত ঘৰলৈ ঘূৰি অহা পুতেক এটাকহে তেওঁ আদৰ কৰিছে। বোৱাৰীয়েকে বুজিলে যে বুঢ়াৰ আৰু সোনকালে ভিতৰলৈ সোমাই যোৱাৰ আশা নাই, কাৰণ এতিয়া তেওঁ আৰম্ভ কৰিব বাপধনৰ লগত নানা সুখ-দুখৰ কথা-বাৰ্তা। কৌতুকৰ হাঁহি এটা মাৰি তাই ভিতৰলৈ সোমাই গ'ল। বুঢ়াই বাপধনৰ শুঁৰত হাত বুলাই বুলাই ক'বলৈ ধৰিলে— ইচ ইচ তোৰ গাত এইবোৰ ঘা লাগিল কেনেকৈ? বাতিয়াটো কম পাষণ্ড নহয়। সি নিশ্চয় তোক কৰবাৰ কাঁইটীয়া জঙ্গলত সুমুৱাই দিছিলগৈ। তাক মই ইমানকৈ কৈছোঁ। বাপধনৰ গাটো বৰ ভাল নহয়— এইকে দিন তাক জঙ্গললৈ নিব নেলাগে , নাই— সি মোৰ কথাক কথা বুলিয়েই কাণ নকৰে । ইহঁত গোটেইমখাৰে একে ষড়যন্ত্ৰ। এনেকুৱা নিমখহাৰামি মানুহ আৰু মই দেখা নাই । ......... বাবু, বাবু, অ' মোৰ বাপধন........!'

বুঢ়াৰ মুখৰ কথা বন্ধ হৈ আহিল, কিন্তু হাতৰ স্পৰ্শৰ বাণীহীন ভাষাৰে আৰু বহুত সময় ধৰি বাপধনৰ লগত তেওঁৰ কথা-বাৰ্তা চলি থাকিবলৈ ধৰিলে।

অলপ পিছতে হেড্‌লাইটৰ তীব্ৰ পোহৰত গোটেই চোতালখন আলোকিত কৰি বিশাল মটৰ-গাড়ী এখন ঘৰৰ দুৱাৰ মুখত আহি থিয় হ'ল। এন্ধাৰত নিবিড় মিলন-সম্ভাষণত মগ্ন অৱস্থাত হাতে হাতে ধৰা পৰি যোৱা প্ৰণয়ী যুগলৰ দৰে বুঢ়া আৰু বাপধন দুয়ো অতি সঙ্কুচিত দৃষ্টিৰে মটৰখনলৈ ঘূৰি চালে, তাৰ পিছত যেন কিংকৰ্তব্যবিমূঢ় হৈ দুয়ো আড়ষ্ট হৈ ৰ'ল। মটৰৰ হেড্‌লাইট নুমাই গ'ল। গাড়ীৰপৰা নামি আহিল বৰমইনা, অৰ্থাৎ বুঢ়াৰ ডাঙৰটো পুতেক। চোতালত থিয় দিয়েই তেওঁ ড্ৰাইভাৰক হুকুম দিলে— ' হৰিচৰণ গাড়ীখন চাফা নকৰাকৈ তই পলাই নেযাবি কিন্তু। বহুত বোকা লাগি আহিছে। উঃ কি জঘন্য ৰাস্তা । এনে, জনাহ'লে কেতিয়াও গাড়ীখন নিনিলোহেঁতেন।' ড্ৰাইভাৰৰ উদ্দেশ্যে কথাখিনি কৈ বৰ মইনাই পিৰালিলৈ উঠি আহি বাপেকৰ কাষত খন্তেক থিয় হ'ল। এন্ধাৰত বুঢ়াই পুতেকৰ মুখখন নেদেখিলে., দেখা হ'লে বৰ মইনাৰ মুখৰ কঠিন বিদ্ৰূপৰ হাঁহিটো দেখি তেওঁৰ তেজ গৰম হৈ গ'লহেঁতেন। তেওঁ তেতিয়াও

বাপধনৰ শুঁৰডাল হাতেৰে ধৰি আছিল। হঠাৎ তেওঁ অনুভৱ কৰিলে, বৰ মইনাৰ উপস্থিতিত বাপধনৰ গোটেই শৰীৰ যেন সন্থুচিত হৈ উঠিছে । তাৰ প্ৰতি ব্যথা আৰু সহানুভূতিত বুঢ়াৰ হৃদয় বিগলিত হৈ পৰিল। বাপধনক যে বৰ মইনাইঁতে তাচ্ছিল্য আৰু অনুকম্পাৰ চকুৰে চায়, সেই কথা সিওঁ যেন লাহে লাহে বুজি পোৱা হৈছে। অন্তৰৰ সমস্ত আৱেগ আৰু মমতা ঢালি দি তেওঁ পুনৰ বাপধনৰ শুঁৰত হাত বুলাবলৈ ধৰিলে।

বৰ মইনাই বাপেক আৰু বাপধনৰ প্ৰণয়-লীলা উপভোগ কৰি কিছু সময় নীৰৱ হৈ ৰল । তাৰ পিছত সি হঠাৎ মাত লগালে— 'পিতা, সংসাৰত বহুত ধৰণৰ পাগল আছে। কিন্তু এটা জানোৱাৰৰ কাৰণে যে মানুহ কিমান পাগল হ'ব পাৰে তোমাক নেদেখিলে সেই কথা কোনেও বিশ্বাসেই নকৰিব। তোমাক আৰু এসপ্তাহ সময় দিলো , এইকেইদিনতে যিমান পাৰা বাপধনক মৰম কৰি লোৱা। তাৰ পিছত আৰু কিন্তু—

বৰমইনাই মুখৰ কথাষাৰ শেষ কৰিবলৈ নেপালেই , প্ৰচণ্ড খঙত বুঢ়াই গৰ্জি উঠিল – ' তাৰ পিছত, তাৰ পিছত কি হ'ব ? নকৰ কিয় তাৰ পিছত কি হ'ব?'

চকুৰে নেদেখিলেও বৰমইনাই স্পষ্ট অনুভৱ কৰিলে যে খঙত বাপেকৰ গোটেই গাটো ঠক্ঠক্কৈ কঁপিব লাগিছে। তেওঁৰ আৰু খং তোলা উচিত হ'ব নে নহয় মনে মনে সেই কথা তেওঁ অলপ সময় চিন্তা কৰিলে। তাৰ পিছত তেওঁ আগতকৈ ধীৰভাৱে মাত লগালে— ' আৰু এসপ্তাহৰ পিছত হয় হাতীটো বিক্ৰী কৰিব লাগিব, নহয় তাক কাম কৰিবলৈ শদিয়ালৈ পঠাব লাগিব। এই দুটাৰ ভিতৰত তোমাৰ যিটোকে পছন্দ হয় তাকে কৰিম। মই সকলো বন্দবস্ত শেষ কৰিছোঁ।

কথাষাৰ কৈয়েই বুঢ়াৰ উত্তৰলৈ বাট নেচাই বৰমইনা ভিতৰলৈ সোমাই গ'ল।

এক মুহূৰ্তমান সময় বুঢ়া স্তব্ধ হৈ বহি ৰ'ল। তাৰ পিছত গোটেই ঘৰখন থৰহৰি কম্পমান কৰি তেওঁ গৰ্জি উঠিল – ' কি কলি? কি ক'লি পাষণ্ড? বাপধনক তই বিক্ৰী কৰিবি, নহ'লে শদিয়াত কাঠ টানিবলৈ পঠাবি? মই

মৰিলোঁ বুলি ভাবিছ নেকি? হে ভগৱান! এই নৰাধমকেইটাৰ গাত কি ভূতে লম্ভিছে এনেকৈ? গাঁৱে গাঁৱে পকা-ৰাস্তা হৈ মটৰ দৌৰাবলৈ পাই তহঁতৰ চকুত বাপধনৰ একো মূল্য নাইকিয়া হ'ল? ৰাজ্যৰ মানুহে জানে, বাপধনেই মেধিৰ ঘৰৰ লক্ষ্মী বাপধন আহি ঘৰ সোমাবৰ দিনাৰপৰাই মেধিৰ ঘৰৰ কপাল ফুলিছে, আজি সেই বাপধন তহঁতৰ চকুত ভতুৱা কুকুৰতকৈ হীন হ'ল? সি ঘৰলৈ আহিলে মই তাক অলপ মৰম কৰোঁ, তাকে দেখি সিহঁতৰ কিমান ঠাট্টা- মস্কৰা। তয়ো দেখোন ঘৰলৈ আহি প্ৰথমে তোৰ মটৰ গাড়ীখনৰ হাত-ভৰি ধোৱাৰহে খবৰ লৱ। জীৱ লগা বস্তু এটাতকৈ সেই কল-কজাবোৰেই তহঁতৰ মনত দেৱতা হল? ডেকা তেজৰ কোবত ওভতগোৰে নাচি তহঁতে আজি বাপধনক মূল্য দিব নোখোজ? নেলাগে দিব। কিন্তু সেই বুলি তাক বেচিবলৈ বা কুলী কামত লগাবলৈ তহঁতৰ কি এক্তিয়াৰ আছে? সাৱধান, মই নমৰালৈকে সেই কথা নহ'ব।"............

আৰু বহুত সময় ধৰি বুঢ়াই পুতেকহঁতৰ উদ্দেশ্যে নানা সাৱধান বাণী শুনাই থাকিবলৈ ধৰিলে।

বাপধনক কেন্দ্ৰ কৰি বাপেক-পুতেকৰ এই কাজিয়া আজি কিছুদিনৰ পৰা বলোৰাম বুঢ়াৰ ঘৰত নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। কাজিয়াৰ কাৰণটো হ'লে অতি সামান্য। বলোৰাম বুঢ়াৰ ডেকা বয়সত, অৰ্থাৎ আজিৰপৰা প্ৰয় তিনি কুৰি বছৰৰ আগতে, আজিকালিৰ দৰে আলি-পদুলিও নাছিল, মটৰ গাড়ীও নাছিল। একমাত্ৰ হাতী-ঘোঁৰাই সেই সময়ত গাঁৱে-ভূঞে অভিজাত বাহন বুলি বিবেচিত হৈছিল। বলোৰাম মেধি যেতিয়া পঁচিশ বছৰীয়া চফল ডেকা , সেই সময়তে তেওঁ হঠাৎ এদিন আবিষ্কাৰ কৰিলে যে ধনে-ধানে, মাটিয়ে-বাৰীয়ে তেওঁৰ ঘৰৰ অৱস্থা মৌজাখনৰ ভিতৰতে জাকত-জিলিকা হৈ পৰিছে; এই সময়তে ঘৰৰ পদুলি-মুখত দঁতাল হাতী এটা বান্ধিব পাৰিলেই তেওঁৰ আভিজাত্যৰ গৰিমা ষোল্লকলা পূৰ্ণ হয়। কথাষাৰ মনত উদয় হোৱাৰ লগে লগেই চাৰি কোঠলীয়া ভঁৰাল এটা বিক্ৰী কৰি তেওঁ হাতী এটা কিনি আনিলে আৰু আদৰতে তাৰ নাম থ'লে বাপধন। সেইদিন ধৰি বাপধনে তেওঁৰ হৃদয়ত ৰবপুত্ৰৰ দৰেই এখন আসন পাই আহিছে। কাৰণ সিতো কেৱল এটা

হাতী নহয়, কেৱল এটা অভিজাত বাহনো নহয়, সি যে তেওঁৰ জীৱনৰ সাফল্যৰ প্ৰতীক। বাপধনক তেওঁ কোনো দিন ভাৰবাহী পশু হিচাপে ব্যৱহাৰ কৰা নাই, তেওঁৰ কাৰণে সি সংসাৰৰ এটা মহামূল্য অলঙ্কাৰ। এবাৰ জিলাৰ ইংৰাজ বৰচাহাব মৌজালৈ আহিব লগা হোৱাত তেওঁক আদৰি আনিবলৈ এটা দেখনিয়াৰ হাতীৰ দৰকাৰ হ'ল। মৌজাখনৰ পাঁচটা হাতীৰ ভিতৰত বাছি বাছি বাপধনকেই ঠিক কৰা হ'ল। বৰচাহাবে বাপধনত উঠি মৌজা চক্কৰ কৰি যাবৰ সময়ত বলোৰাম মেধিৰ আগত বাপধনৰ কি প্ৰশংসা কৰি গৈছিল , সেই কথা মনত পৰিলে বুঢ়াৰ হৃদয় আজিও ৰোমাঞ্চিত হৈ উঠে। শতৰুৰ মুখত ছাঁই দি বাপধনে সেইদিনা তেওঁৰ ঘৰলৈ আনি দিছিল অভাৱনীয় প্ৰতিপত্তি আৰু সন্মান। কাৰণ এইকথা সকলোৱেই জানে – ' ৰজাই ভাল দেখে যাক, ভেটি-ভাৰো নেলাগে তাক।' লাহে লাহে বলোৰাম মেধিৰ ঘৰৰ অৱস্থাৰ দোপত দোপে আৰু উন্নতি হ'বলৈ ধৰিলে, সাতোটা পুত্ৰসন্তান আৰু তিনিজনী কন্যাৰে ঘৰ ভৰি পৰিল, জিলাৰ ডা-ডাঙৰীয়া আৰু হাকিম-বিষয়া আহিলে বুঢ়াৰ ঘৰতে আলহী থকা হ'ল— এইবোৰ দেখি-শুনি মানুহে ক'বলৈ ধৰিলে আৰু বলোৰামৰো বিশ্বাস হ'বলৈ ধৰিলে যে বাপধনৰ যহতেই এই সকলোবোৰ হৈছে। বাপধন বলোৰাম মেধিৰ ঘৰৰ লক্ষ্মী। বাপধনক তেওঁ নয়নমণি যেন জ্ঞান কৰিবলৈ ধৰিলে। নিজে সদায় আগত থাকি তেওঁ তাৰ গাধুৱাই দিয়ে, যত্ন কৰি আহাৰ খুওৱায়, গধূলি সি ঘৰত সোমোৱাৰ লগে লগে তেওঁ এনেকৈ তাৰ গা-মূৰ পিটিকি আদৰ কৰি কথা পাতে যে মানুহে শুনিলে ভাবিব বহুত দিন ধৰি হেৰোৱা পুতেক এটাক যেন তেওঁ ঘূৰাই পাইছে।

আচলতে এটা পুতেকতকৈ বাপধনৰ মূল্য তেওঁৰ চকুত কোনোগুণে কম নহয়। কাৰণ সিতো কেৱল এটা হাতী নহয়, কেৱল এটা অভিজাত বাহনো নহয়, সি যে তেওঁৰ জীৱনৰ সাফল্যৰ প্ৰতীক।

ধনী মহাজন আৰু খেতিয়কৰ ঘৰৰ ল'ৰা বৰমইনাহঁত ডাঙৰ হৈ হ'ল আৰু বেছি ধনী ঠিকাদাৰ আৰু ব্যৱসায়ী। হঠাৎ এদিন সিহঁতে আৱিষ্কাৰ কৰিলে যে ব্যৱসায়-বাণিজ্য, ক্ষমতা-প্ৰতিপত্তি সকলো বিষয়তে সিহঁত চাৰিটা মৌজাৰ ভিতৰতে জাকত-জিলিকা মানুহ হৈ উঠিছে, এতিয়া পদূলি-মুখৰ গেৰেজত

মটৰ এখন থিয় কৰিব পাৰিলেই সিহঁতৰ আভিজাত্যৰ গৰিমা ষোল্লকলা পূৰ্ণ হয়। আজিকালিৰ দিনত মানুহৰ হেজাৰ টকা-পইচা নেথাকক, মটৰ-গাড়ী এখন নহ'লে কোনেও কাকো আচল ধনী বুলি গণ্য নকৰে। মটৰ কিনিবৰ জোখাৰে বেঙ্কত সিহঁতৰ যথেষ্ট টকা-পইচা আছে; কিন্তু নতুন যুগৰ দীক্ষা হিচাপ-পটুতাৰে সিহঁতে ভাবি পালে যে হাতীটো বিক্ৰী কৰিওতো কেইহেজাৰমান টকা উলিয়াব পাৰি; আজিৰ এই মটৰ গাড়ীৰ যুগত তাৰতো কোনো ব্যৱহাৰিক প্ৰয়োজন নায়েই, আভিজাত্যৰ প্ৰতীক হিচাপেও সি পুৰণিকলীয়া আৰু মূল্যহীন। আটাইকেইটা ভাই-ককায়ে এই কথা আলচ কৰি খুব সহজভাৱে বাপেকৰ আগত কথাষাৰ উলিয়ালে। কথাষাৰ কাণত পৰা মাত্ৰে পুতেকহঁতক হতবাক কৰি দি বুঢ়াই ভীষণ উত্তেজিত হৈ চিঞৰি উঠিল-- ' কি ক'লি । বাপধনক বেচি মটৰ কিনিব খোজ? কি কলি আৰু এবাৰ কচোন।'

আজিকালিৰ যুগত খাপ নোখোৱা , বহি বহি ঘৰৰ অন্ন ধ্বংস কৰা সামান্য হাতী এটা বেচাৰ কথাত বাপেকৰ ইমান উত্তেজিত হ'বৰ কাৰণ কি, সেই কথা ভাবি ডেকা পুতেককেইটা একেবাৰে বিমূঢ় হৈ পৰিল। কিন্তু ক্ৰোধত ৰক্ত-বৰ্ণ বাপেকৰ মুখখন দেখি সিহঁতৰ আৰু বেছি কথা ক'বলৈ সাহস নহ'ল। তাৰ পিছদিনাই বেঙ্কৰ টকা উলিয়াই সিহঁতে কিনি আনিলে এখন সুদৃশ্য এম্বেছেডৰ গাড়ী। ভূমিকম্পত হঠাৎ এডোখৰ ভূখণ্ড ওপৰলৈ উঠি আহি পাহাৰ বা টিলা সৃষ্টি হোৱাৰ দৰে এম্বেছেডৰৰ স্পৰ্দ্ধিত ধ্বনি উদগীৰণত মেধিৰ ঘৰ হঠাৎ ওপৰলৈ উঠি আহি পৰিণত হ'ল সমাজৰ নতুন সিৰ-ফুটা অভিজাত উচ্চবংশত।

মটৰ গাড়ী হোৱাত বলোৰাম বুঢ়া যে অসন্তুষ্ট হ'ল সেই কথা নহয়। বৰং ঘৰৰ আন সকলোৰে লগতে তেৰোঁ বেছ সুখীয়েই হ'ল। নিজৰ সন্তানৰ উন্নতি দেখিলে কাৰ ভাল নেলাগে? তাতে মটৰ-গাড়ীখন বেছ কামৰ বস্তু। এদিনৰ বাট এঘণ্টাতে যাব পাৰি। কিন্তু হেজাৰ হওক, বুঢ়াৰ চকুত মটৰ গাড়ী এটা প্ৰয়োজনৰ আহিলা মাত্ৰ। কিন্তু বাপধন? সি যে তেওঁৰ জীৱনৰ সঙ্গী। সি তেওঁৰ সুদীৰ্ঘ অতীতৰ স্মৃতি বিজড়িত এটা প্ৰতীক। সি মেধিৰ ঘৰৰ লক্ষ্মী। এশখন মটৰ-গাড়ী আহক তেওঁৰ আপত্তি নাই, কিন্তু বাপধনৰ লগত মটৰ- গাড়ীৰ তুলনা অসম্ভৱ। এইখন ঘৰত তাৰ আসনেই সুকীয়া ।

বুঢ়াই কিন্তু এই কথাও অনুভব নকৰাকৈ নেথাকিল যে বাপধনৰ বিষয়ে তেওঁ নিজে যিয়েই নেভাবক, ঘৰখনৰ বাকী মানুহৰ চকুত বাপধনৰ আগৰ মূল্য আৰু নাই। আনকি বাহিৰা মানুহেও আগৰ দৰে ডা-ডাঙৰীয়া বা হাকিম-বিষয়াক আদৰি আনিবলৈ বাপধনৰ খবৰ নকৰে, ৰবমইনাৰ মটৰখনেহে সকলো কথাতে আগ ঠাই পায়। বাপধনৰ খবৰ কৰে কেৱল কাঠৰ ঠিকাদাৰে। এইবোৰ দেখি শুনি বাপধনৰ প্ৰতি বুঢ়াৰ মমতা বাঢ়ি যায়। তেওঁ অনুভৱ কৰে, এইখন ঘৰত তেওঁ যেনেকৈ লাহে লাহে অৱহেলিত হৈ আহিছে, বাপধনো ঠিক সমানেই অৱহেলিত। সগৰ্বে মূৰ তুলি ৰাজোচিত মহিমাৰে ঘূৰি ফুৰা বাপধনৰ মুখত তেওঁ আজিকালি দেখা পায় এটা সঙ্কোচ-পীড়িত লজ্জা আৰু অভিমানৰ ছায়া। তাকে দেখি তেওঁৰ মনটোৱে কিবা এটা অবুজ বেদনাত হাহাকাৰ কৰি উঠে। কিন্তু সেই বেদনাৰ কথা শুনাবলৈকো বুঢ়াই ঘৰে-পৰে এটা মানুহ বিচাৰি নেপায়। নতুন পৃথিৱীখন বুঢ়া আৰু বাপধনৰ কাৰণে ইমানেই অপৰিচিত আৰু অনাত্মীয়।

বুঢ়াই যিমানেই বাপধনক আকুলভাৱে সাৱটি ধৰিলে; সিমানে তাৰ প্ৰতি ৰবমইনাহঁতৰ আক্ৰোশ বাঢ়ি গ'ল। যি বাপধনক এদিন বলোৰাম মেধিয়ে ঘৰখনৰ গৰ্বৰ ধন হিচাপে গণ্য কৰিছিল, সেই বাপধনক লৈ গৰ্ব কৰা দূৰৰ কথা, আনকি সি পদুলিত থিয় হৈ থকাটোকো ৰবমইনাহঁতে লাজ কথা বুলিহে ভাবিবলৈ ধৰিলে। তাক কেনেকৈ ঘৰৰপৰা দূৰ কৰা যায়, সেই কথা চিন্তা কৰি সিহঁতে এদিন গম পালে যে কাঠৰ ঠিকাদাৰক হাতীটো ভাৰালৈ দিলে মাহে মাহে কেবাশকৈ টকাও পোৱা যাব, আৰু হাতীটোকো কামত খটাই দূৰত ৰাখিব পৰা যাব। সিহঁতৰ অতি হিচাপী দৃষ্টিত প্ৰকাণ্ড হাতী এটা বহি বহি থকাৰ দৃশ্য একেবাৰে অসহ্য হৈ পৰিছিল। সিহঁতে ভাবিলে যে হাতীটো বিক্ৰী কৰাতহে বাপেকৰ আপত্তি, ঠিকাদাৰক ভাৰালৈ দিয়াত নিশ্চয় আপত্তিৰ কোনো কাৰণ নেথাকিব।

বুঢ়াৰ কাণত কথাষাৰ পৰিল কি নপৰিল, ঘৰখনত তেওঁ এটা প্ৰলয় কাণ্ডৰ সৃষ্টি কৰি পেলালে। 'বাপধনে কাঠ-টনা কুলীৰ কাম কৰিব? হে হৰি, কি কথাবোৰ শুনিবলৈ মই ইমান দিন জীয়াই থাকিলোঁ। হেৰ! তহঁতৰ হৈছে কি? বাপধনে তহঁতৰ কাৰ মূৰত উঠি খাইছে যে তহঁতে তাৰ পাছত ইমানকৈ লাগিছ?

আক্তিৰপৰা যদি মই পুনৰ এনে কথা শুনো, ঠিক কৈছো, মই ঘৰত-জুই লগাই দিম, মই...... মই..... কিবা কৰি পেলাম।'

বৰমইনাহঁত এইবাৰ আচলতেই বিৰক্ত হ'ল। তাতোকৈ বহুগুণে বেছি হ'ল বিস্মিত। বুঢ়াই কি বুলি ভাবে সেই জানোৱাৰটোক? সি পশু, পশুৰ কাম কৰিব। তাতে বুঢ়াৰ ইমান আপত্তি কিয়? সিহঁতৰ বিচাৰ-বুদ্ধিৰে সিহঁতৰ দৃষ্টি ভঙ্গিৰে এই প্ৰশ্নৰ একো উত্তৰেই সিহঁতে ভাবি উলিয়াব নোৱাৰিলে। ফলত এইবাৰ সিহঁতৰো জিদ বাঢ়ি গ'ল। প্ৰত্যেক দিনেই একোবাৰকৈ সিহঁতে বাপেকৰ আগত কথাষাৰ উলিয়াবলৈ ধৰিলে।

বাপধনক কেন্দ্ৰ কৰি বাপেক-পুতেকৰ এই কাজিয়া বলোৰাম মেধিৰ ঘৰত এটা নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হ'ল।

এই কাজিয়া হয়তো বুঢ়া নমৰালৈকে চলিয়েই থাকিলেহেঁতেন, কিন্তু তাৰ আগতেই এটা ঘটনাৰ ফলত অতি অপ্ৰত্যাশিতভাৱে কাজিয়াখনৰ সমাপ্তি ঘটিল।

ঘটনাটো ঘটিল বুঢ়াৰ সৰু পুতেকৰ বিয়া উপলক্ষে।

গাঁৱৰ বিয়া-বাৰুত সম্ৰান্ত মানুহৰ ঘৰত দৰাই কন্যা-ঘৰলৈ হাতীত উঠি যোৱাটোৱেই প্ৰচলিত নিয়ম। অপেক্ষাকৃত দুখীয়া মানুহবোৰেও বিয়াৰ শোভাযাত্ৰাত হাতী এটা নিব পৰাটো গৌৰৱৰ কথা বুলি ভাবে। বলোৰাম বুঢ়াৰ ঘৰত বহুতো বিয়া হৈ গৈছে। সেই সকলো বিয়াতে হাতী মাত্ৰ এটা নহয়— দহ বাৰটা হাতীৰ সমদল চলিছিল আৰু সেই সমদলৰ নেতৃত্ব কৰিছিল বাপধনে।

কণমইনাৰ বিয়াৰ কাৰণে এমাহৰ আগৰপৰাই ঘৰত বিপুল আয়োজন চলিছে। বুঢ়াৰ কৰিবলৈ একো কাম নাই, বিয়াৰ আড়ম্বৰখিনি যাতে নিখুঁত হয়, তেওঁ কেৱল তাৰেই চকু ৰাখিছে। তেওঁৰ জীৱনকালত ঘৰখনত এইখনেই শেষ বিয়া। এই বিয়াখন অতি সুকলমে আৰু আড়ম্বৰেৰে শেষ কৰিব পাৰিলেই তেওঁৰ মনৰ সকলো কামনা পূৰ্ণ হয়— বিয়াৰ এসপ্তাহৰ আগতে তেওঁ বৰমইনাক ওচৰলৈ মাতি আনি সুধিলে— 'বিয়াৰ কাৰণে হাতীবোৰ বন্দবস্ত কৰা হ'ল জানো?'.

বৰমইনাই আচৰিত হৈ ঘূৰাই প্ৰশ্ন কৰিলে -- 'হাতী? হাতী কিয় লাগে?'

বৰমইনাতকৈ হেক্তাৰগুণ বেছি আচৰিত হৈ বুঢাই পুনৰ প্ৰশ্ন কৰিলে কি ক'লি? হাতী কিয় লাগে তই নেজান? পাগল নেকি তই?

বৰ মইনাৰ গাত দোষ নাই। পৃথিৱীখন ইমান দ্ৰুত গতিৰে সলনি হৈ গৈছে যে, কালি যিটো কথা আছিল অতি স্বাভাৱিক আৰু জীৱনৰ কাৰণে অপৰিহাৰ্য আজি সিয়েই হয়তো কেৱল উপহাস আৰু কৌতূহলৰ বস্তু। বুঢাৰ দ্বিতীয়বাৰৰ প্ৰশ্নত বৰমইনাই আচল কথাষাৰ বুজি পালে, আৰু হাঁহি হাঁহি উত্তৰ দিলে 'হাতী কিয় লাগে পিতা, এইবাৰতো আমি দহ-বাৰখন মটৰ গাড়ী বন্দবস্ত কৰিছে' দৰা যাব ধৰৰ ফাৰ্ষ্টক্লাছখনত।'

বুঢাই পুতেকৰ কথাষাৰ বুজিবলৈ অলপ সময় ল'লে। তাৰ পিছত মূৰ জোকাৰি পুনৰ তেওঁ মাত লগালে— 'গাড়ী বন্দবস্ত কৰিছ কৰ বাৰু। কিন্তু দৰা যাব লাগিব বাপধনত উঠি। বাপধন নোহোৱাকৈ এইখন ঘৰৰ এখনো বিয়া হোৱা নাই, এই শেষ বিয়াখনো সি নোহোৱাকৈ হ'ব নোৱাৰে। ইয়াৰ পিছত তহঁতে যি কৰ কৰি থাকিবি।'

বুঢাৰ কথাৰ উত্তৰত বৰমইনাই হাঁহি হাঁহি কিবা এটা ক'লে, কিন্তু কি ক'লে বুঢাৰ কাণত নপৰিল। হঠাৎ অতীতৰ স্মৃতিবহ এজাক বতাহ আহি তেওঁৰ মনটো খন্তেকৰ কাৰণে উন্মনা কৰি তুলিলে।

যথাসময়ত বিয়াৰ আচল দিন আহি পালে। সকলো মানুহ দিহাদিহি নিজৰ কামত ব্যস্ত। বুঢাই ৰাতিপুৱাই মাহুতিয়াক লগত লৈ নৈ-ঘাটত বাপধনক গা ধুৱাবলৈ গ'ল। নিজে আগত থিয় হৈ থাকি প্ৰায় দুঘণ্টা সময় তেওঁ মাহুতিয়াৰ হতুৱাই বাপধনৰ গাটো ধোৱালে। তাৰ পিছত ঘৰলৈ আহি বাৰমান বজাৰপৰা বাপধনক সজাবলৈ আৰম্ভ কৰিলে। শিল্পী-সুলভ আবেগেৰে তেওঁ নিজ হাতে তাৰ কপালত কল্কা আঁকি দিলে, শৰীৰৰ অন্যান্য যথাস্থানত বিচিত্ৰ শোভাৰ সৃষ্টি কৰিলে, ভৰিত জুনুকা পিন্ধাই দিলে তাৰ পিছত মাহুতিয়াৰ লগত পৰামৰ্শ কৰি দৰাৰ কাৰণে গাদীখন সজাবলৈ ধৰিলে।

বিয়াৰ উখল মাখলত কোনে ক'ত কি কৰিছিল, কাৰো খবৰ নাছিল, হঠাৎ এবাৰ বৰমইনাৰ বুঢাৰ কাণ্ড-কাৰখানাত চকু পৰিল। ব্যস্তভাৱে বাপেকৰ ওচৰলৈ আহি তেওঁ মাত লগালে 'পিতা, তুমি এইবোৰ কি কৰিছা?'

বুঢ়াই বিৰক্তিৰে উত্তৰ দিলে ' তহঁতৰ নিজৰতো একো খবৰ নায়েই, লোকে কাম কৰিলেও সুধিবলৈহে আহ কি কৰিছা বুলি। চাৰি বজাত বিয়াৰ যাত্ৰাৰ সময়, এতিয়াই যদি হাতীটোকে ঠিক কৰি থোৱা নহয়.........'

কিন্তু তোমাক দেখোন কৈছিলোঁৱেই পিতা. দৰা গাড়ীতহে যাব বুলি। তুমি মিছামিছিকৈ হাতীটো সজাই মৰিছা কিয়?

পৰম অবিশ্বাসৰ দৃষ্টিয়ে বুঢ়াই পুতেকৰ ফালে চাই মাত লগালে– 'তই ক'লেই হ'ব নেকি দৰা গাড়ীতহে যাব বুলি? কণমইনা হাতীতেই যাব । তই মনে মনে থাক।'

বিৰক্তি হৈ একো নেমাতি বৰমইনা গুচি গ'ল। যথাসময়ত যাত্ৰাৰ লগ্ন আহি পালে। চাৰিযোৰা ঢোল-গায়ন আৰু বেণ্ড পাৰ্টিৰ কালীয়াৰ শব্দত চৌদিশ মুখৰিত হৈ উঠিল। অজস্ৰ বৰযাত্ৰী আৰু আয়তী পৰিবৃত হৈ দৰা পদূলি মুখৰ ফালে আগবাঢ়ি আহিল। তোৰণৰ কাষতে সুসজ্জিত হৈ থিয় হৈ আছিল বৰমইনাৰ এম্বেছেডৰ, ওচৰতে আৰু দহ বাৰখন বাছ, লৰী ইত্যাদি। এম্বেছেডৰৰ ঠিক বিপৰীতফালে থিয় হৈ আছিল বিচিত্ৰ চিত্ৰ শোভিত সুসজ্জিত বাপধন-- তাৰ উদ্ধত মুখ-ভঙ্গীত উৎসৱৰ নায়কোচিত আত্মপ্ৰসাদৰ ভাব। বাপধনৰ কাষতে চকী এখনত বহি বুঢ়াই অপেক্ষা কৰি আছিল দৰাৰ আগমনলৈ। দৰা যে হাতীতেই যাব সেই বিষয়ে আৰু প্ৰশ্ন হ'ব পাৰে নেকি– তেওঁৰ মুখত এনে এটা ভাব। মাজে মাজে সপ্ৰশংস দৃষ্টিৰে তেওঁ বাপধনলৈ চায় আৰু মুখত এটা পৰম তৃপ্তিৰ ভাব ফুটি উঠে। এনেতে দৰা আহি তোৰণ পাৰ হৈ বাটত থিয় দিলেহি। আৰু বুঢ়াই শশব্যস্ত হৈ থিয় হৈ ৰাতিয়াক হুকুম দিলে-- 'ৰাতিয়া হাতী বৈঠ কৰ।' ঢোল-- গায়নৰ শব্দত তেওঁৰ মাতষাৰ সম্পূৰ্ণ তল পৰি গ'ল, আৰু ঠিক সেই মুহূৰ্ততে দৰাই এম্বেছেডৰৰ ফালে মুখ কৰি এখোজ আগবাঢ়ি গ'ল। বুঢ়াই সেই দৃশ্য দেখি আত্মহাৰা হৈ আৰ্তনাদ কৰি উঠিল, 'কণমইনা'। সিমান পৰে মটৰ-গাড়ীৰ দুৱাৰ খোল খাই গৈছে আৰু দৰা তাত সোমাবলৈ উপক্ৰম কৰিছে। বুঢ়াই পাগলৰ দৰে হৈ বহাৰপৰা কঁপি কঁপি উঠি আকৌ চিঞৰি উঠিল 'কণমইনা, তই মটৰৰপৰা নামি আহ, নামি আহ, তই হাতীতে যাব লাগিব।' বুঢ়াৰ লম্ফ-জম্ফ আৰু চিঞৰ-বাখৰ দেখি ভিৰৰ মাজতে কোনোবাই ঠাট্টা-

মস্কৰা কৰি খিকিন্দালি কৰি উঠিল , আৰু পিছ মুহূৰ্ততে দৰাৰ মটৰে ষ্টাৰ্ট দিলে। লগে লগে বাকী বৰযাত্ৰীবোৰেও ওচৰতে ৰৈ থকা বাছ, লৰী যিহতে পায় তাতে উঠি পৰিল— আৰু মুহূৰ্তৰ ভিতৰতে বাকী গাড়ীবোৰেও দৰাৰ গাড়ী অনুসৰণ কৰিবলৈ ধৰিলে।

শূন্য বিয়াঘৰৰ পদূলি—মুখত স্তব্ধ স্তম্ভিত হৈ থিয় হৈ ৰ'ল কেৱল বলোৰাম বুঢ়া আৰু বাপধন।

নতুনৰ শোভাযাত্ৰাত ঠাই নোপোৱা, প্ৰাচীন হৈ যাব ধৰা পৃথিবীৰ দুটা অথৰ্ব প্ৰতিনিধি

কেইমুহূৰ্তমানৰ পিছত বাপধনৰ শুশ্ৰূষাৰ স্পৰ্শত বুঢ়াৰ মূৰ্চ্ছা ভাগিল। যন্ত্ৰণাকাতৰ দৃষ্টিৰে তেওঁ বাপধনৰ মুখলৈ চাই পঠালে বিব্ৰতভাৱে কাণ দুখন লৰাই সি যেন তাৰ অপমান গোপন কৰিবলৈ আৰু বুঢ়াক সান্ত্বনা দিবলৈ চেষ্টা কৰিছে। কম্পিত খোজেৰে বুঢ়া তাৰ ওচৰলৈ আগবাঢ়ি গ'ল আৰু তাৰ গাতে দেহৰ সমস্ত ভৰ দি মুখখন গুজি মাত লগাই উঠিল— 'বাপধন বাপধন?'

হঠাৎ কি এটা কথা তেওঁৰ মনত পৰি গ'ল, মূৰটো পোন কৰি তেওঁ থিয় হ'ল। তাৰ পিছত তেওঁ ৰাতিয়ালৈ চাই মাত লগালে— 'ৰাতিয়া, এইখন ঘৰত আৰু একমুহূৰ্তও বাপধনৰ থকা নচলিব। বাপধনক মই তোৰ হাতত দান কৰি দিলো, আজিৰপৰা তই বাপধনৰ মাউত নহয়, গৰাকী। যা, যা, সিহঁত ঘূৰি অহাৰ আগতেই তই বাপধনক লৈ তোৰ নিজৰ ঘৰলৈ গুচি যা। শুনিছ নে নাই ৰাতিয়া?'

◆◆◆

# ইস্মাইল শ্বেখৰ সন্ধানত

মই বোধহয় স্থান-কাল- পাত্ৰ সকলো পাহৰি গৈছিলোঁ। নগৰৰ ব্যস্ততম ৰাস্তা আলিটোৰ সোঁমাজত থিয় হৈ চাৰিওফালৰ সকলো মানুহক হতবাক কৰি দি মই গাৰ জোৰেৰে চিঞৰি উঠিলোঁ : ' ইস্মাইল!' চিঞৰটো শেষ হ'বলৈ নৌপাওঁতেই মই লগে লগে দৌৰিবলৈ আৰম্ভ কৰিলোঁ·

জীৱনত সামান্য এটা ভুলৰো বোধহয় কোনো ক্ষমা নাই। অদৃষ্টৰ অৰ্থই হ'ল অজ্ঞাতপূৰ্ব এটা আঁচনিৰ অপৰিবৰ্তনীয়তা। ইস্মাইল বুলি সেই বিকট চিঞৰটো নমৰা হ'লেই মই সেই মানুহটোক ঠিক ঠাইতে লগ পাই গ'লোহেঁতেন- যিটো মানুহক যোৱা পাঁচটা বছৰ ধৰি মই অহৰহ অন্বেষণ কৰি ফুৰিছোঁ। কিন্তু মোৰ চিঞৰটো শুনাৰ লগে লগেই ইস্মাইল ভেল্কি বাজিৰ দৰে হঠাতে অদৃশ্য হৈ গ'ল। মই মূৰ্খৰ দৰে আৰু এটা সাংঘাতিক ভুল কৰিলোঁ।

কিন্তু ইস্মাইলক মই বিচাৰি উলিয়াবই লাগিব। এবাৰ যেতিয়া তাক দেখা পাইছো, সি আৰু মোৰপৰা পলাই সাৰিব নোৱাৰে। কিছু দূৰৰপৰাই মই লক্ষ্য কৰিছিলো যে মোৰ চিঞৰটো শুনাৰ লগে লগেই সি সন্ত্ৰস্তভাৱে মোৰ ফালে এবাৰ চাই ৰাস্তাৰ কাষৰ ঠেক গলি এটাত অদৃশ্য হৈ গৈছিল । মই দৌৰ মাৰি আহি সেই গলিটোৰ মুখ পালোহি।

গলিটোৰ মুখৰ পাণ দোকান এখনত থিয় হৈ দুটা ডেকা ল'ৰাই চিগাৰেট হুপি আছিল। মোক তেনে বিব্ৰত অৱস্থাত দেখি সিহঁতে নিজৰ ভিতৰতে কিবা এটা কথা কোৱা-কুই কৰিলে । সিহঁতৰ তেনে ৰহস্যময় আচৰণ দেখি মোৰ মনত এটা গোপন ভয় লাগি'ল। অন্য ভাবী অসভ্য দেশৰ অচিনাকি মানুহৰ সমুখত নিঃসঙ্গ পথিকৰ যেনে ভয় লাগে ঠিক তেনে ভয়। বিমূঢ় দৃষ্টিৰে সিহঁতৰ ফালে এবাৰ মাত্ৰ চাই মই সাউৎ কৰে গলিটোত সোমাই পৰিলোঁ। লগে লগে ঠিক মোৰ পিঠিৰ পাছতে এটা অদ্ভুত হাঁহিৰ উচ্ছল জোৱাৰ আহি যেন আছাৰ খাই পৰিলহি।

কেইখোজমান আগবাঢ়ি গৈ মই অলপ সময় থমকি ৰলোঁ। তেতিয়া সময় যদিও আবেলি তিনিমানহে বাজিছিল, সেই গলিটোত কিন্তু গধূলিৰ অন্ধকাৰ যেন লাগিছিল। মই মোৰ কেউকাষৰ পৰিবেশটো নিৰীক্ষণ কৰিবলৈ ধৰিলোঁ। গলিটোৰ দুয়োকাষে দুটা প্ৰকাণ্ড দালান। দালান দুটা য'ত শেষ হৈছে, সেই খিনিতে গলিটোৰ বাট ভেটি থিয় হৈ আছে এখন কাঠৰ বেৰা। বেৰাখনত দুৱাৰৰ নিচিনা সৰু এটা ফাঁক আছে। তাৰে এটা মাত্ৰ মানুহ ওলোৱা-সোমোৱা কৰিব পাৰে। দেখোঁতেই বুজিব পাৰি যে সৰ্বসাধাৰণৰ ব্যৱহাৰৰ কাৰণে সেই গলিটো নহয়। ভিতৰৰ কোনোবা এটা ঘৰলৈ সেইটো এটা প্ৰৱেশ-পথ মাত্ৰ। ইস্মাইল সেইফালে ক'লৈ যাব পাৰে সেই কথা ভাবি মই খুব আচৰিত হ'লোঁ। তাক মই অনুসৰণ কৰিবই লাগিব। কিন্তু সঁচা কথা ক'বলৈ গ'লে সেই অসূৰ্যস্পৰ্শা গলিটোৰ ক্ষুদ্ৰ ছিদ্ৰপথেদি আগবাঢ়ি যাবলৈ মোৰ অলপ ভয়ো লাগিছিল। কিংকৰ্তব্যবিমূঢ় হৈ মই অলপ সময় থিয় হৈ ৰ'লোঁ। হঠাতে সেই কাঠৰ বেৰাখনৰ সিপাৰৰপৰা কোনোবা তিৰোতাৰ হাঁহিৰ খলখলনি মই শুনিবলৈ পালোঁ। হাঁহিও একপ্ৰকাৰৰ ভাষা । হঠাতে মই আৱিষ্কাৰ কৰিলো যে অলপ আগতে শুনা সেই ডেকা দুটাৰ হাঁহিৰ লগত এই হাঁহিৰ এটা অদ্ভুত মিল আছে। কেইমুহূৰ্তমানৰ কাৰণে মোৰ মনটো ভাষা তত্ত্বৰ গৱেষণাত মগ্ন হৈ পৰিল। ৰহস্যৰ অৱগুণ্ঠন যেন লাহে লাহে উন্মোচিত হৈ আহিবলৈ ধৰিলে। মই বেৰাখন পাৰ হৈ ভিতৰলৈ সোমাই গলোঁ।

'আৰে কুত্তাকা বাচ্ছা।'

ঘপহ্ কৰে সোমাই গৈ কাৰ গাত যে খুন্দা খালোঁ ভালকৈ তৰ্কিবলৈ নৌপাওঁতেই কাণত আহি পৰিলহি এই মধুৰ সম্ভাষণ। লগে লগে নাকত আহি লাগিলহি মদৰ উৎকট গন্ধ। মই সন্ত্ৰস্ত হৈ এখোজ পিছুৱাই আহিলোঁ। মানুহটোৰ মুখত চকু পৰা মাত্ৰেই মোৰ গা হিম হৈ গ'ল চকু দুটা টিক টিক কৰে ৰঙা গোটেই মুখতে চকা চকা দাগ। নাকটো সোঁমাজতে বহি গৈ বীভৎস মুখখন আৰু বীভৎস কৰি তুলিছে। মানুহটোৰ পিন্ধনত এখন নীলা লুঙি আৰু ক'লা কোট। পেছাদাৰ খুনীৰ নিৰ্মম দৃষ্টিৰে মানুহটোৱে মোৰ মুখলৈ খন্তেক পৰ চাই ৰ'ল। তাৰ পিছতে ভঙা গ'লাৰ চিঁচিয়নি হাঁহি এটা মাৰি সি মোৰ ফালে আগবাঢ়ি

আহিল।

‘ আৰে চালা, তই মোক চিনি পোৱা নাই? তোৰ........ ।’

অনুচ্চাৰণীয় অশ্লীল শব্দ এটাৰে নিজৰ গৌৰৱময় পৰিচয় দি সি মোৰ হাতখন ধৰিবলৈ আগবাঢ়ি আহিল। ই ফালে মোৰ ভয় আৰু আতংকত সৰ্বশৰীৰ কঁপিবলৈ ধৰিলে। মোৰ সন্মুখত সেইটো যেন জীৱন্ত মানুহ নহয়, ভয়াবহ মৃত্যু-জীৱাণু কিল্‌বিল্ কৰি থকা এটা গলিত মাংস-পিণ্ড. তাৰ স্পৰ্শ লাগিলেই মোৰ চকুৰ আগতে মোৰ হাত-ভৰিবোৰ ছিগি পৰিব। সি আহি মোৰ গাৰ কাষ পোৱাৰ লগে লগেই মই চকু মুদি প্ৰহাৰ উদ্যত ভঙ্গীৰে হাতখন দাঙি গাৰ জোৰেৰে চিএঞৰি উঠিলোঁ ঃ ‘ নুচুবি, মোক নুচুবি!’

মানুহটো হঠাতে থমকি ৰ’ল। মই চকু মেলি চাই দেখিলোঁ, মানুহটো যেন দপ্ কৰে নিৰ্বাপিত হৈ গ’ল। দীনতম ভিখাৰীৰ বীভৎস কাতৰতা আৰু ব্যথাৰে তাৰ মুখখন ভৰি পৰিল। তাৰ ৰোগ-দগ্ধ ৰঙা চকু দুটা পানীৰে চলচলীয়া হৈ পৰিল।

‘আৰে চালা— তই. তয়ো গম পাইছ?’

ভঙা-গলাৰ কুৎসিত আৱাজ কৰি সি মোক প্ৰশ্ন কৰিলে।

“কি গম পোৱাৰ কথা কৈছ?’ মই নজনাৰ ভাবত তাক সুধিলোঁ।

‘আৰে কুত্তাকা বাচ্ছা তোৰ .... তই দেখা নাই মোৰ বেমাৰ? তোৰো হ’ব. তোৰো হ’ব। পলা, পলা. ভাগো হিয়াছে। ইয়াত চব বেমাৰী, চব গেলা, পচা· দুৰ্গন্ধ। দহ বছৰ মই ইহঁতৰ লগত কাৰবাৰ কৰিছোঁ । মই চব জানো। ইহঁতেই মোক এই বেমাৰ দিলে। এতিয়া সিহঁতে মোক দেখিলেই দুৱাৰ বন্ধ কৰে । চালা চব ৰাণ্ডী থুঃ থুঃ।’

ইমান সময় মই পাহৰিয়ে আছিলো যে মই ইস্মাইলৰ অনুসৰণ কৰিব লাগিব। সি নিশ্চয় বহুদূৰ আগবাঢ়িল । মই যাবৰ কাৰণে ব্যস্ত হৈ পৰিলোঁ। জেপৰপৰা চিগাৰেটৰ পেকেটটো উলিয়াই নিজে এটা জ্বলালোঁ। এটা মানুহটোলৈ আগবঢ়াই দি প্ৰশ্ন কৰিলোঁ ঃ ‘অলপ আগতে এইফালে মানুহ এটা যোৱা দেখিছিলি নে? মুখত দীঘল ডাঢ়িৰে সৈতে পায়জামা পিন্ধা মানুহ এটা?’

' আৰে চালা, মই থাকোঁতে তই আকৌ আন মানুহ বিচাৰিছ কিয়? এই পট্টিত মোতকৈ আৰু ৰাকিবহাল কোনো নাই বুজিছ? মোক কিন্তু পূৰা পাঁচ টকা লাগিব।'

ইযাৰ লগত বাক্যব্যয় অৰ্থহীন। মই মনে মনে ভাবিলোঁ। তাৰ কথালৈ ভ্ৰূক্ষেপ নকৰি মই সাউং কৰে সমুখৰ ফালে আগবাঢ়িলোঁ। লগে লগে মোৰ পিঠিৰ পাছতে শুনিবলৈ পালোঁ ভঙা গলাৰ সেই চিঁচিয়নি হাঁহি। কেৱল হাঁহি আৰু হাঁহি। অন্ধ গলিৰ এই অদ্ভুত অধিবাসীবোৰৰ হাঁহিয়েই যেন লিংগুৱা ফ্ৰাংকা।

হঠাতে এজাক তিৰোতাই গিৰ্জনি মাৰি হাঁহি উঠিল। মই উচপ খাই উঠিলোঁ। ঘোঁৰাৰ খুৰাৰ আকৃতিৰ তিনি শাৰী ঘৰৰ মাজত গলিটো আহি সেইখিনিতে শেষ হৈছে। মাজৰ চোতালৰ দৰে মুকলি ঠাইডোখৰতে চাৰি-পাঁচজনীমান মাইকী মানুহ বিৰি হুপি থিয় হৈ আছিল। সিহঁতৰ নিৰক্ত-নিৰাকেগ মুখৰ ওপৰত সস্তীয়া অঙ্গ-ৰাগৰ ডাঠ প্ৰলেপ, সিহঁতৰ গাৰপৰা অথবা গাত্ৰ-বাসৰপৰা নিঃসৃত হৈছিল সস্তীয়া গন্ধসাৰ আৰু ততোধিক সস্তীয়া সঙ্গম পীড়িত দেহৰ মিহলি গন্ধ, সিহঁত থিয় হৈ আছিল চেতনাৰ গধূলি অন্ধকাৰৰ প্ৰেতাকীৰ্ণ প্ৰান্তৰত প্ৰেত নাৰীৰ দৰে। মই সিহঁতক সুধিলো : ' অলপ আগতে এইফালে এটা মানুহ অহা দেখিছিলা নে? মোৰ প্ৰশ্ন শুনি সিহঁতে ইজনীয়ে সিজনীৰ গাত ঢলি পৰি হাঁহিবলৈ ধৰিলে। মোৰ প্ৰশ্নটো যেন সিহঁতৰ কাণত একেবাৰে অৰ্থহীন, যেন মই প্ৰস্তৰ যুগৰ মানুহৰ ভাষাতহে কথা কৈছো। ইস্মাইল ইয়াৰে কোনোবা এটা ঘৰত সোমাই আত্মগোপন কৰি থকা সম্ভৱ নেকি, মই ভাবিবলৈ ধৰিলো। মই পুনৰ নম্ৰভাৱে প্ৰশ্ন কৰিলোঁ : 'মানুহ এটা এইফালে অহা দেখিছিলা নে?'

ভঙা ভঙা পুৰুষালি গলাৰে কংকালসাৰ তিৰোতা এজনীয়ে মাত লগালেঃ "কেনেকুৱা মানুহ অ' বাবু? কাৰোবাক পুলুৱাই আনিছে নেকি? নিলে যদি নিব দিয়া। মাইকীৰ কি আকাল আছে।'

চাৰি-পাঁচজনী তিৰোতাৰ হাঁহিৰ খলখলনিত মানুহজনীৰ শেষৰ কথাকেইযাৰ নুশুনা হৈ গ'ল।

মই একেবাৰে বিবুধি হৈ পৰিলোঁ। ইস্মাইল যে এই ফালেই আহিছিল সেইটো মই নির্ভুলভাৱে দেখিছোঁ। সমুখেদি গৈ থাকিবলৈ আৰু পথ নাই। ক'ৰবাত লুকাই থাকিবলৈকো এইখিনিয়ে একমাত্র ঠাই। কিন্তু এই তিৰোতাকেইজনীয়ে একো প্রশ্নৰেই উত্তৰ দিব নোখোজে। এতিয়া উপায় কি? মাত্র এটা উপায় বোধহয় আছে। ইহঁতৰ ঘৰৰ ভিতৰলৈ সোমাই গৈ খানাতালাচ কৰি চোৱা। অৱশেষত তাকে কৰাই ঠিক কৰিলোঁ। এমুৰৰপৰা চাই আহিবলৈ ঠিক কৰি মই মূৰৰ ঘৰটোৰ ফালে আগবাঢ়ি গ'লোঁ।

মই যিটো ঘৰৰ কথা ক'লো, তাৰ দুৱাৰখন বন্ধ আছিল। গতিকে তাত মানুহ সোমাই থকাৰ সম্ভাৱনাও বেছি। মই গৈ দুৱাৰখনত ঠেলা দিবলৈ লওঁতেই বাহিৰত থিয় হৈ থকা তিৰোতাকেইজনী আতঙ্কিত হৈ চিঞৰি উঠিল : 'এই, ভিতৰত মানুহ আছে।'

মই থমক খাই ৰৈ গ'লোঁ। হঠাৎ ভগা দুৱাৰৰ জলঙাইদি মোৰ ভিতৰলৈ চকু গ'ল। তেতিয়াহে মই বুজিলোঁ, ভিতৰত থকা মানুহটোক এই সময়ত আমনি কৰা বৰ অমানুষিক কাম হ'ব। মই দ্বিতীয় দুৱাৰ মুখখনত থিয় দিলোঁগৈ। দুৱাৰখন সামান্য ফাঁক হৈ আছিল। মই দুৱাৰখন ঠেলা মাৰি দিলোঁ। এজনী ধুনীয়া ছোৱালীয়ে আইনাৰ সমুখত বহি প্রসাধন কৰি আছিল। মোৰ খোজৰ শব্দ পাই তাই মূৰটো ঘূৰাই চালে। নির্বিকাৰভাৱে ওঁঠত লিপষ্টিক ঘঁহি ঘঁহি জড়িত কণ্ঠৰে মাত লগালে : 'বহিবা?'

বুলেটৰ দৰে আৰু দুটা অনুচ্চাৰণীয় শব্দ আহি মোৰ কাণত পৰিলহি।

মই একো উত্তৰ নিদিলোঁ। সন্ন্যাসিনীৰ দৰে তাইৰ দৃষ্টি আৰু মুখভঙ্গীৰ পৰম নির্লিপ্তিয়ে মোক কিছু সময় অভিভূত কৰি ৰাখিলে।

প্রসাধন শেষ কৰি তাই মোৰ ফালে উঠি আহি মোৰ মুখামুখিকৈ থিয় হ'ল। ছোৱালীজনী আছিল সঁচাই ধুনীয়া। তাতে তাইৰ গর্বিত অথচ বিষাদমণ্ডিত মুখ-ভঙ্গীয়ে তাইক আৰু আকর্ষণীয় কৰি তুলিছিল। বহু পুৰুষৰ ওঁঠৰ পীড়নত বিক্ষত তাইৰ ওঁঠ দুটাৰ ফালে মই খন্তেক সময় চাই ৰলোঁ। কিমান ওঁঠক তাইৰ ওঁঠে চুমা খাইছিল, সেই কথা তাই নিশ্চয় পাহৰি গৈছে, কিন্তু কিয় খাইছিল, সেই কথা তাই কেনেকৈ পাহৰিব?

'নবহা যদি যোৱা। তুমি দুৱাৰ মুখত তেনেকৈ থিয় হৈ থাকিলে আন মানুহ দূৰৰপৰাই ভাগিব।' খুব শান্ত আৰু সৰলভাৱে তাই কথাকেইষাৰ ক'লে।

'তুমি কি? সন্ন্যাসিনী? নে গণিকা?'

'তোমাৰ দৰে পাগল মই ক'তো দেখা নাই। কিয় সুধিছা এইবোৰ কথা?'

'এনে দীনহীন পৰিবেশত দেহ-ব্যৱসায় কৰা তোমাৰ দৰে ছোৱালী এজনীৰ বিছনাত যদি আধা পঢ়া অৱস্থাত আলাবাৰ্টো মোৰাভিয়াৰ উপন্যাস পৰি থকা দেখোঁ. আৰু যদি নিশ্চিত প্ৰমাণ থাকে যে সেই কিতাপখনৰ পাঠিকা তুমিয়েই, আন কোনো নহয়. তেতিয়া তোমাৰ লগত দুআষাৰ সজ কথা পাতিবৰ লোভ নেযাব?'

মোৰ কথাষাৰ শুনাৰ লগে লগে ছোৱালীজনীৰ নিজৰ বিছনালৈ চকু গ'ল। বিছনাত পৰি আছিল মোৰাভিয়াৰ (Woman of Rome) নামৰ কিতাপখন। তাইৰ মুখত এটা ধৰা পৰা ভাবৰ সলজ্জ হাঁহি ফুটি উঠিল।

'আপুনি দ্বিতীয়।'

'তাৰ মানে?'

'মোৰ ইয়ালৈ অহা মানুহৰ ভিতৰত, মানুহৰ ভাষাৰে কথা কোৱা আপুনি দ্বিতীয ভদ্ৰলোক। ইয়াৰ আগতে আৰু এজন আহিছিল।'

'এজন কলেজৰ ল'ৰা।'

মই মন কৰিলো , ছোৱালীজনীয়ে মোক আপুনি বুলি সম্বোধন কৰিবলৈ আৰম্ভ কৰিছে। মোৰ সান্নিধ্যত কিছু সময়ৰ কাৰণে তাই হয়তো মনুষ্যত্বৰ স্পৰ্শ অনুভৱ কৰিছে আৰু নিজৰ মাজৰ ব্যৱসায়ী ছোৱালীজনীক তাই পাহৰি গৈছে। মোৰো তাইক মানুহ হিচাপে সম্মান জনাবলৈ মন গ'ল। অলপ সমীহ কৰি তাইক ক'লোঁ ঃ ' আপুনি যদি অনুমতি দিয়ে, মই আপোনাক এদিন কেইখনমান কিতাপ দি যামহি। এতিয়া যাওঁ, নমস্কাৰ।'

খন্তেক সময় ছোৱালীজনী বিস্ময়ত হতবাক হৈ ৰ'ল। মই সঁচাই যাবলৈ ওলোৱা দেখি তাইৰ বোধহয় চেতনা আহিল। লৰালৰিকৈ তাই মাত লগালে -- ৰ'ব, ৰ'ব, ক'ত যায়। একেবাৰে নতুন অৰ্থত কৈছোঁ. অলপ বহক।'

'কিয়!'

' আপুনি এই বস্তিটোলৈ কিয় আহিছিল?'

ইস্মাইলৰ কথাষাৰ তাইক অলপ বহলাই কোৱাই ভাল বুলি মই বিবেচনা কৰিলোঁ। কাৰণ এই বস্তিত তায়ে একমাত্ৰ তিৰোতা. মোক যি এই বিষয়ত অলপ সহায় কৰিব পাৰে।

'মই এটা মানুহৰ পাছে পাছে আহি এইখিনি পালোঁহি। মানুহটোক মই বহুদিন ধৰি বিচাৰি ফুৰিছোঁ- প্ৰায় পাঁচ বছৰ। সিও এটা বিশেষ কাৰণত মোৰ পৰা পলাই ফুৰিছে। আজি হঠাতে ৰাস্তাত তাক দেখা পাই মই উত্তেজনাত তাৰ নাম ধৰি চিঞৰি উঠিলোঁ । সি মোৰ মাত শুনিয়েই এই গলিয়েদি দৌৰি সোমাই আহিল। ময়ো তাৰ পাছে পাছে খেদি আহিলোঁ। কিন্তু ইয়াত আহি মই নিজকেই হেৰুৱাই পেলাইছোঁ। আচ্ছা, এই ফালে পাৰ হৈ যাবলৈ সেই ঘৰটোৰ সিফালেদি আৰু ৰাস্তা আছে নেকি?'

'নাই।'

' তেন্তে এই ঘৰবোৰৰে কোনোবা এটাত সি সোমাই থাকিব লাগিব। কিন্তু কোনে তেনেকৈ তাক সোমাই থাকিবলৈ দিব?'

'টকা দিলে কিয় নিদিব? কিন্তু সি আপোনাক এনেকৈ ভয় কৰি পলাই ফুৰাৰ কাৰণ কি? আপুনিয়ে বা তাক এনেকৈ খেদি ফুৰিছে কিয়?'

"সেইবোৰ বহুত কথা। সিমান দীঘল কথা এতিয়া কৈ শুনাবলৈ হ'লে ইস্মাইলক বিচৰা আৰু নহব। সি ইতিমধ্যে পলাই ফাট মাৰিব।'

' আপুনি ইয়াত সোমাই থাকোঁতে সি যে ইতিমধ্যে পলাই ফাট মৰা নাই, আপুনি কেনেকৈ জানিলে?'

' অ' হয়তো। কথাৰ ৰাগীত মই আচল কথাবাৰকে পাহৰি গৈছো। বাৰু যি হওক. আপুনি এতিয়াও অলপ খবৰ কৰি চাওকচোন। মোৰ কিন্তু ধাৰণা হয়, সি ইযাতে ক'ৰবাত সোমাই আছে। মই যে তাৰ অনুসৰণ কৰি এনে এখন ঠাইলৈকে আহিব পাৰোঁ, সি নিশ্চয় ভাবিব পৰা নাই। বৰঞ্চ ৰাস্তালৈ ওলাই গ'লেই ধৰা পৰাৰ ভয়ত সি ৰাতি নোহোৱা পৰ্যন্ত ইয়াতে থকাই সম্ভব?'

' মানুহটো আপোনাৰ কি হয়?'

' একো নহয়।'

' শত্ৰু?'

'নহয়।'

মোৰ উত্তৰ শুনি ছোৱালীজনীয়ে এটা দীঘল হুমুনিয়াহ পেলালে। তাৰ পিছত তাই আপোনমনে কৈ উঠিল ঃ' কোনে জানে এই অন্বেষণৰ অন্তত কি আছে?'

ছোৱালীজনীৰ কথাৰ সুৰ শুনি চঁক্ খাই উঠিলোঁ। লৰালৰিকৈ তাইক প্ৰশ্ন কৰিলোঁ ঃ 'তাৰ মানে? কাৰ কথা কৈছে আপুনি?'

' আপোনাৰো। মোৰো। মোৰোভিয়াৰ উপন্যাস পঢ়া বেশ্যা দেখিও আপোনাৰ মনত মোৰ বিষয়ে একো কৌতূহ'ল জগা নাই?'

'জাগিছে। কিন্তু আপোনাৰ ব্যক্তিগত জীৱনৰ বিষয়ে কৌতূহ'ল প্ৰকাশ কৰি মই আপোনাক ক্ষুণ্ণ কৰিব খোজা নাই।'

' মই আপোনাৰ-মনোভাব ভালকৈয়ে বুজি পাইছোঁ। আৰু সেই কাৰণে মই উপযাচিয়ে নিজৰ বিষয়ে আপোনাক ক'বলৈ ওলাইছোঁ। আপুনি সেই মানুহটো পাঁচ বছৰ ধৰি কিয় বিচাৰি ফুৰিছে, তাক লগ পাই আপুনি কি কৰিব মই একো নেজানো। মোকো এজন মানুহে প্ৰায় পাঁচ বছৰ ধৰি বিচাৰি ফুৰিছে। মই তেওঁক দেখিছোঁ। কিন্তু তেওঁ মোক দেখা নাই। মোক দেখা পালে আৰু এই অৱস্থাত দেখা পালে, তেওঁ বোধহয় মোক তৎক্ষণাৎ মাৰি পেলাব। মৰিবলৈ মই ভয় নকৰোঁ। কিন্তু মোক পাই সেই মানুহটোৱে যি ভয়ঙ্কৰ আঘাত পাব, সেই কথা কল্পনা কৰিবলৈকো মোৰ ভয় লাগে। আপুনি এটা মানুহৰ পাছে পাছে খেদি ফুৰিছে. মই এটা মানুহৰ আগে আগে লৰি ফুৰিছোঁ। আপুনি বিচাৰি ফুৰা মানুহটো আৰু মোৰ মাজৰ মিলটো লক্ষ্য কৰিছে?'

ছোৱালীজনীৰ কথা শুনি খুব বিস্মিত হ'লোঁ। সঁচাকৈয়ে এনে নাটকীয় যোগাযোগৰ কাৰণে মই অকণো প্ৰস্তুত নাছিলোঁ। ইমান পৰে মই থিয় হৈ আছিলোঁ। এতিয়া মোৰ বহিবৰ মন গ'ল। মোৰ সন্মুখত থিয় হৈ থকা সেই তিৰোতাজনী দেহোপজীৱিনী নে বিত্তশালিনী ভদ্ৰমহিলা. মই বহি থকা সেই

কোঠাটো পাঠ্যাগাৰ নে এজনী শ্ৰমজীৱী তিৰোতাৰ কৰ্মক্ষেত্ৰ, এইবোৰ প্ৰশ্ন নিতান্ত অবাস্তৱ বুলি মোৰ মনত অনুভৱ হ'ল। অদৃষ্টৰ একেটা প্ৰহাৰত বিপন্ন সমদুখী দুটি প্ৰাণীৰ মাজৰ গভীৰ আত্মীয়তাখিনি মাত্ৰ সেই মুহূৰ্তত মোৰ মনত ডাঙৰ হৈ উঠিল। মই এজনী মানুহৰ সমুখত থিয় হৈ আছোঁ, মই এজনী মানুহৰ লগত জীৱনৰ সংগ্ৰাম, আশা, স্বপ্ন আৰু বেদনাৰ কথা পাতিছোঁ, যি সংগ্ৰাম, স্বপ্ন, আশা আৰু বেদনা আমাৰ দুয়োৰে একে, সকলো মানুহৰে একে, এই পৱিত্ৰ সত্যৰ নতুন উপলব্ধিয়ে মোৰ মনলৈ নতুন আৱেগ আনি দিলে। মই তাইৰ বিছনাখনত বহি পৰি সহানুভূতিৰে তাইক প্ৰশ্ন কৰিলোঁ : 'আপোনাক বিচাৰি ফুৰা মানুহজন কোন?'

'-- মোৰ পিতা।'

মই আৰু এবাৰ চঁক খালোঁ। কিন্তু বাহিৰত সহজ ভাব দেখুৱাই পুনৰ প্ৰশ্ন কৰিলোঁ : 'আপুনি মোক বন্ধু বুলি গ্ৰহণ কৰক আৰু আপোনাৰ কাহিনীটো মোক এবাৰ ভালকৈ কওক। সঁচা কথা ক'বলৈ গ'লে আপোনাৰ কথাই মোৰ কৌতূহল অদমনীয় কৰি তুলিছে।'

' আপোনাক মই কম। কোবাত মোৰ নিজৰো স্বাৰ্থ আছে। বহুদিন ধৰি মই এনে এজন মানুহৰ সন্ধানত আছিলোঁ, যাৰ লগত মই মোৰ সমস্যাটোৰ বিষয়ে আলোচনা কৰিব পাৰোঁ। কিন্তু নাৰী মাংসৰ খৰিদ্দাৰৰ মাজত মই তেনে বন্ধু পাবলৈ কেনেকৈ আশা কৰিব পাৰোঁ? যি হওক, ঈশ্বৰে আজি আপোনাক আনি দিছে। আপুনি অলপ বহক। মই আহিছোঁ।'

পৰ্দা এখন ঠেলি ছোৱালীজনী ভিতৰলৈ সোমাই গ'ল। মই এটা চিগাৰেট জ্বলালো। অলপ সময়ৰ পিছত যেতিয়া ছোৱালীজনী ঘূৰি আহিল , মই তাইক প্ৰথমতে চিনিবই নোৱাৰিলো। মুখৰ পাউদাৰৰ প্ৰলেপবোৰ তাই নিকাকৈ ধুই পেলাইছে, বিচিত্ৰ ভঙ্গীৰ খোপা খুলি চুলিবোৰ পিঠিত দীঘলকৈ মেলি দিছে, পিন্ধনতো এখন বগা শাৰী আৰু এটা বগা ব্লাউজ। ছোৱালীজনীৰ ৰূপটো মুহূৰ্ততে যেন একেবাৰে সলনি হৈ গ'ল । মই নীৰৱ নম্ৰ দৃষ্টিৰে তাইক সশ্ৰদ্ধ প্ৰশংসা জনালোঁ।

'আপোনাক এটা মস্ত কাহিনী কৈ শুনাম বুলি আশা নকৰিব'— তাই

ক'বলৈ আৰম্ভ কৰিলে-- 'জীৱনৰ ঘটনাবোৰ একো ভাবি চিন্তি নঘটে। মানুহে তাক বৰ্ণাওঁতে মাত্ৰ নানা ৰকম আৱেশ, কল্পনা আৰু যুক্তি জোৰা লগাই দিয়ে। মই সেইবোৰ একো নকৰিম। প্ৰায় পাঁচ বছৰমানৰ আগতে কলিকতাৰ শিয়ালদহ ষ্টেচনত মই মোৰ পিতাৰপৰা বিচ্ছিন্ন হৈ পৰো। পূৰ্ববঙ্গৰপৰা ভগনীয়াৰূপে আহি আমি তাত আশ্ৰয় লৈছিলোঁ, সেই আশ্ৰয় আছিল নিতান্তই অস্থায়ী, কাৰণ ষ্টেচনৰ প্লেটফৰ্মত উদ্বাস্তু অতিথিসকলৰ কাৰণে কোনেও অন্নসত্ৰ খুলি বহি থকা নাছিল। সংস্কৃতৰ পণ্ডিত ব্ৰাহ্মণ পিতাই যেতিয়া জঠৰৰ জ্বালাত পতিতাৰ উচ্ছিষ্ট আনি মুখত ভৰোৱা দেখিলোঁ, ঘৃণাত নহয়-- ব্যাথাত, বেদনাত পিতাক এৰি থৈ এদিন অন্ধকাৰৰ বুকুলৈ জাঁপ দিলোঁ। একেটা জাঁপতে ব্ৰাহ্মণৰ পূজা গৃহৰপৰা আহি পৰিলোঁহি বেশ্যাৰ বস্তি কক্ষত। ভাবিছিলোঁ, পিতাৰ লগত সকলো হিচাপ-নিকাচ হৈছে। কিন্তু নাই হোৱা। এদিন ৰাস্তাত ফুৰিবলৈ গৈ চকুত পৰিল, জীৱনত পূজাৰ কোষা-অৰ্ঘাৰ বাহিৰে একোতে হাত দি নোপোৱা মোৰ সেই পিতাই, শ্ৰীযুক্ত অন্নদাচৰণ মুখোপাধ্যায়ে, গুৱাহাটীৰ ৰাস্তাত দুজনী তিৰোতা আৰোহী তুলি লৈ ৰিক্সা চলাইছে। সেই মুহূৰ্তত পৃথিৱীখনত একে লগে কেইটা ভূমিকম্প হৈছিল, তাৰ হিচাপ মই এতিয়া দিব নোৱাৰিম। মই লৰালৰিকৈ ওৰণিখন মুখৰ আগলৈ টানি দিলোঁ। মোৰ গাৰ কাষেদিয়ে মোৰ ৰিক্সাৱালা পিতা পাৰ হৈ গ'ল। তেওঁৰ আকুল চঞ্চল চকুৰ দৃষ্টি দেখিয়ে মই বুজিলোঁ, সেই চকুযুৰিয়ে সকলো ঠাইতে সকলো অৱস্থাতে কেৱল মোৰেই অন্বেষণ কৰি ফুৰিছে। সেইদিনাখনৰপৰা মোৰ মনত খুব ভয় সোমাল। গীতা কণ্ঠস্থ কৰা তেওঁৰ আদৰিণী দুহিতাই আজি দেহ বেচি খোৱা বুলি আবিষ্কাৰ কৰিলে সেই মানুহজনে কি যে কৰিব কল্পনা কৰিবলৈকো মোৰ ভয় লগা হ'ল। ভয় বিশেষকৈ এই কাৰণেই বেছি যে প্ৰায় খৰিদ্দাৰেই ইয়ালৈ ৰিক্সা লৈ আহে। এদিন ভাগ্যৰ ফেৰত মোৰ পিতাও যদি ইয়ালৈ আহিব লগা হয় আৰু অসতৰ্ক মুহূৰ্তত মই তেওঁৰ আগত ধৰা পৰি যাওঁ।'

ছোৱালীজনী কেইমুহূৰ্তমান স্তব্ধ হৈ ৰ'ল। ময়ো ক'বলৈ একো কথা বিচাৰি নেপাই মনে মনে ৰলোঁ। হঠাৎ ছোৱালীজনীৰ মুখত হাঁহি এটা ফুটি উঠা যেন মই দেখা পালোঁ মোৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চাই তাই প্ৰশ্ন কৰিলেঃ

'খুব পুতৌ হৈছে?' মই একো উত্তৰ নিদিলোঁ। ছোৱালীজনীয়ে পুনৰ মাত লগালে : ' আৰু এজন মানুহক মাত্র মোৰ এই কথাবোৰ কৈছিলো। সেই কলেজৰ ল'ৰাজনক। তেওঁ কি ক'লে জানে? মোৰ পিতা ৰিক্সাৱালা হোৱাত বা মই বেশ্যা হোৱাত তেওঁ বোলে বিশেষভাৱে দুঃখিত হোৱা নাই, বা হোৱাৰ কোনো কাৰণ দেখা নাই। সমাজৰ নিম্নস্তৰৰ মানুহবোৰৰ প্ৰায়ে প্ৰতিদিনেই বৃত্তিৰ সাল-সলনি হবই লাগিছে। আজি যি আছিল গাঁৱৰ খেতিয়ক বা কাৰখানাৰ বনুৱা, কালিলৈ অৱস্থাৰ তাড়নাত সিয়েই হৈছেগৈ ৰিক্সাৱালা। নগৰৰ এহেজাৰ ৰিক্সাৱালাৰ অতীত ইতিহাসৰ কথা ভাবি আমি যেতিয়া মূৰ নঘমাওঁ, এটাৰ কথা ভাবি কিয় মূৰ ঘমাব লাগে? আজি যদি কোনোবা এজন ব্ৰাহ্মণে গম পায় যে তেওঁৰে সগোত্র এজন ব্ৰাহ্মণ ৰিক্সাৱালা হৈছে, তেওঁ নিশ্চয় চিৎকাৰ কৰি উঠিব, কাৰণ তেওঁ মনে মনে এই কথা বুজি উঠিব যে এইটো তেওঁৰ শ্ৰেণীৰ ভাঙনৰ চিন। মোৰ বন্ধুজনে আৰু কি কয় জানে? এজন ব্ৰাহ্মণো যদি ৰিক্সাৱালা হয়, সেইটো ব্যক্তিবিশেষৰ বাবে যিমানেই ট্ৰেজিক নহওক, সামাজিক গুৰুত্বৰ ফালৰপৰা আনন্দৰহে কথা। পাঁচ হেজাৰ বছৰ ধৰি ব্ৰাহ্মণ আদি উচ্চ জাতিৰ মানুহবোৰে হাতেৰে কুটা এডালো নিছিঙাকৈ লোকৰ শ্ৰমৰ ওপৰত খাই আহিছে। প্ৰথম অৱস্থাত সেই শ্ৰম বিমুখতাৰ যুক্তি আছিল জ্ঞান, সাধনা। কিন্তু পিছত গৈ সকলো ফাকি-ফুকাত পৰিণত হ'লগৈ। পাঁচ হেজাৰ বছৰৰ মূৰত সেই শ্ৰেণী ব্যৱস্থাত ভাঙোন ধৰিছে। এজন ব্ৰাহ্মণেও যদি পেটৰ কাৰণে আজি ৰিক্সা টানিব লগা হয়, সি ভালৰে কথা। তেনেকুৱা কঠিন আঘাতেই সামাজিক মনস্তত্ত্বত বিপ্লৱ সাধন কৰে।'

' আপুনি যি আবেগেৰে কথাবোৰ কৈ গৈছে, শুনি মোৰ ধাৰণা হৈছে যেন আপুনিও আপোনাৰ পিতা ৰিক্সাৱালা হোৱাত একপ্ৰকাৰ সুখী হৈছে।'

' এই কথাখিনিকে মই সদায় নিজকে শুনাই থাকিবলৈ যত্ন কৰোঁ। নিজকে মই কঠিন কৰিবই লাগিব। নহ'লে মই যে পাগল হৈ যাম।'

হঠাৎ মই আবিষ্কাৰ কৰিলোঁ যে ঘৰটো অন্ধকাৰ হৈ আহিছে। বোধহয় সন্ধ্যা হ'ল। ছোৱালীজনীৰ মুখলৈ চাই দেখো সময়ৰ প্ৰতি তাইৰ খেয়ালেই নাই। মই চিগাৰেট জ্বলোৱাৰ ছলেৰে জুইশলা এটা জ্বলাই দেখিলোঁ, তাইৰ দুই

গালেদি ধাৰাসাৰে পানী বৈ আহিছে। মই ফু মাৰি জুইশলাডাল নুমাই দিলোঁ। প্ৰতিকাৰহীন এই মৰ্মপীড়াক পোহৰেৰে সদৰী কৰি কি লাভ। অন্ধকাৰেই ভাল।

ছোৱালীজনীয়ে মাত লগালে : 'আপুনি সেই মানুহটোক কিয় বিচাৰি ফুৰিছে মোৰ জানিবলৈ খুব মন যায়। সেই মানুহটো মোৰ দৰেই হতভাগ্য নহয়তো ?'

মই হঠাতে ঠিক কৰিলোঁ যে ছোৱালীজনীক মই ইস্মাইলৰ কাহিনীটো বিবৰি কৈ যাম। নিজৰ বাপেক বিস্কুটৱালা হোৱাৰ মাজত যি ছোৱালীয়ে সামাজিক তাৎপৰ্য বিচাৰি উলিয়াব জানে, ইস্মাইলৰ কাহিনীৰ মাজত তাই আৰু এটা ঐতিহাসিক সত্যৰ সন্ধান পাব আৰু নিজকে কঠিন কৰাৰ সাধনাত আৰু বল পাব।

'মই বিচাৰি ফুৰা মানুহটোৰ নাম ইস্মাইল।'

'ইস্মাইল ?' ছোৱালীজনী চঁক খাই উঠিল। মই সেইটো আগেয়েই আশা কৰিছিলোঁ। পূৰ্ববংগৰপৰা সাম্প্ৰদায়িক হিংসাত বিতাড়িত সকলো হিন্দু ভগনীয়াই মুছলমানৰ নাম শুনিলে এনেকৈ চঁক খাই উঠে। তথাপি মই তাইক সুধিলোঁ : 'আপুনি চঁক খাই উঠিলে কিয় ? '

' মুছলমান গুণ্ডাই আমাৰ জীৱন সৰ্বনাশ কৰিছে। এই গুণ্ডাবোৰৰ কাৰণেই মই শাস্ত্ৰজ্ঞ ব্ৰাহ্মণৰ কন্যা হৈও আজি বেশ্যা। গুণ্ডাৰ নাম শুনিলে মই চঁক খাই নুঠিম ? সি আপোনাৰ কি কৰিলে ?'

' মোৰ কাহিনীটো শুনক। মই বিচাৰি ফুৰা মানুহটোৰ নাম ইস্মাইল। আপোনাৰ দৰেই তাৰো ঘৰ আছিল পূৰ্ববঙ্গত। তাৰ অতীত ইতিহাস মই ভালকৈ নেজানো। মাত্ৰ এইখিনিকে জানো যে সি আছিল কোনোবা জমিদাৰৰ তলত মাটিহীন প্ৰজা। এদিন সি হঠাতে শুনিবলৈ পালে যে তাৰ লগৰ শ শ খেতিয়ক প্ৰজা নিজৰ জন্মভূমি এৰি থৈ অসমলৈ উঠি যাব, য'ত লাখ লাখ বিঘা মাটি অনাবাদী হৈ পৰি আছে। নিজৰ জন্মভূমিত সিহঁতৰ জীৱন নিৰ্বাহৰ কাৰণে এক আঙুলি পৰিমাণো ভূমি নাছিল, ভূমি-স্বামীৰ কাৰণে দাসত্ব কৰি কৰি সিহঁত আহি উপনীত হৈছিলহি নিশ্চিত মৃত্যুৰ কৰাল গ্ৰাসত। বিনা দ্বিধাই ইস্মাইলে সেই দেশত্যাগী ভাগ্যান্বেষীৰ দলত যোগ দিলে।'

ছোৱালীজনীৰ মুখৰ ফালে চাই মই পুনৰ ক'বলৈ আৰম্ভ কৰিলো : 'আপুনি নিজে নিজৰ জন্মভূমি এৰি থৈ আহিব লগা হৈছে। যি মাটিৰ লগত আপোনাৰ প্ৰাণ অচ্ছেদ্যভাৱে জড়িত, সেই বন্ধন চিঙি আহিবৰ সময়ত আপোনাৰ কেনে লাগিছিল? ইস্মাইলৰ হৈ মই উত্তৰ দিওঁ– ঠিক ইস্মাইলৰ যেনে লাগিছিল, ইস্মাইলৰ ঘৈণীয়েকৰ, ইস্মাইলৰ ল'ৰা-ছোৱালীৰ তেনে লাগিছিল।'

ক্ৰোধান্বিত মুখেৰে ছোৱালীজনীয়ে প্ৰতিবাদ কৰি উঠিল : 'আপুনি এইবোৰ কি কৈছে? সিহঁতে স্বইচ্ছাই জন্মভূমি ত্যাগ কৰিছিল। আমাক যেনেকৈ মাৰি-কাটি তৰোৱালৰ আগেৰে খেদি দিয়া হৈছে, সিহঁতক তেনেকৈ কোনেও খেদি দিয়া নাই। দুয়োটা কথা কেনেকৈ একে হ'ব?'

'ইস্মাইলে যেতিয়া দেশ ত্যাগ কৰি গুচি আহে, তাৰ ঘৈণীয়েকে ঘৰৰ ভেটিত পৰি বাগৰি বাগৰি কান্দিছিল; ঘৰৰ চালত বগোৱা লাও এডালৰপৰা বিদায় লৈ আহিবৰ সময়ত তাইৰ বুকু ভাঙি গুৰি হৈ গৈছিল। তথাপি আপুনি ক'ব খোজে, সিহঁতে স্ব-ইচ্ছাই দেশ ত্যাগ কৰিছিল? সিহঁতক কোনেও এখন অদৃশ্য তৰোৱালৰ আগৰে খেদি দিয়া নাছিল?'

'কোনে সিহঁতক খেদি দিছিল?'

'ইতিহাসৰ ষড়যন্ত্ৰই, যি ইতিহাসৰ গতি অতদিন ধৰি নিৰূপণ কৰি আহিছে এমুঠি ভূ-স্বামী আৰু পুঁজিপতিয়ে। যি ইস্মাইলৰ বুকুৰ তেজে মাটিক স্বৰ্ণ প্ৰসবিনী কৰে, সেই মাটিত সিহঁতৰ অধিকাৰ নৰজিল কিয়? কিয় সিহঁত দেশত্যাগী হ'ব লগা হ'ল? শোষণযন্ত্ৰ চালু ৰাখিবলৈ যিমান দাসৰ প্ৰয়োজন, তাতকৈ সিহঁতৰ সংখ্যা বৃদ্ধি হোৱাত কুকুৰ-মেকুৰীৰ দৰে দলে দলে বিতাড়িত কৰা হ'ল ইস্মাইলহঁতক। জন্মভূমিৰপৰা বিতাড়িত হৈ আহিবৰ মুহূৰ্তত ইস্মাইলৰ ঘৈণীয়েক আৰু আপোনাৰ চকুৰপৰা যি চকুপানী ওলাইছিল, সেই চকুপানীৰ কোনো ধৰ্ম নাই সেই চকুপানী হিন্দু চকুপানী বা মুছলমানৰ চকুপানী নহয়?'

"আপুনি পাহৰি গৈছে কিয় যে মুছলমানবোৰে আমাক জন্মভূমিৰপৰা খেদি দিছে ধৰ্মৰ নামত। ধনী-দৰিদ্ৰ নিৰ্বিশেষে সকলো হিন্দুকে সিহঁতে নাৰকীয় অত্যাচাৰ কৰিছে। এই হিন্দুমেধ যজ্ঞৰ ঘাই হোতা আছিল আপোনাৰ এই ইস্মাইলহঁতেই আপুনি এই কথাও পাহৰি নেযাব যে ১৯৪৭ চনত ঢাকাৰ ৰাজ

পথ যি তেজেৰে ৰঞ্জিত হৈছিল . সেই তেজৰ এটা ধৰ্ম আছিল। সি হ'ল হিন্দু ধৰ্ম।'

' ঠিক একে সময়তে দিল্লীৰ ৰাজপথ যি তেজেৰে ৰঞ্জিত হৈছিল, তাৰো এটা ধৰ্ম আছে। সি হ'ল মুছলমান ধৰ্ম। কিন্তু আপুনি নাৰী হৈ তেজ আৰু চকুপানীৰ পাৰ্থক্য বুজি নেপায় ? চকুপানীৰ উৎস হ'ল হৃদয় , চকু পানীৰ উৎস হ'ল মানৱতা, চকুপানী নিৰ্গত হয়, স্বতঃস্ফূৰ্তভাৱে , হৃদয়ৰ প্ৰেৰণাত। সেই কাৰণে সি পবিত্ৰ আৰু সত্য। কিন্তু তেজ ওলায় বাহিৰৰ আঘাতত, হিংসাৰ আঘাতত - সি অশুচি আৰু অসত্য । অশুচি আৰু অসত্যৰ যি ধৰ্ম , সি অধৰ্ম।'

ছোৱালীজনী এইবাৰ নিৰুত্তৰ হৈ ৰ'ল। এইবাৰ যেন তাইৰ নিজকে প্ৰশ্ন কৰাৰ পাল।

'তদুপৰি, আপোনাসকলক মুছলমানে খেদা নাই, সাম্প্ৰদায়িক উন্মাদনায়ো খেদা নাই: আপোনাসকলকো খেদি ফুৰিছে ইতিহাসৰ সেই একেটা ষড়যন্ত্ৰই। আপুনি অলপ আগতে ক'লে যে আপোনাসকলৰ ওপৰত অত্যাচাৰ চলিছিল ধৰ্মৰ নামত। কিন্তু ধৰ্ম কি বস্তু জানেনে? ইতিহাসৰ প্ৰত্যেক যুগতে সমাজৰ এমুঠি ভূ স্বামী আৰু পুঁজিপতিয়ে কোটি কোটি নীচ, দৰিদ্ৰ জনসাধাৰণক পৃথিৱীৰ সকলো সুখ-সম্ভোগৰ পৰা বঞ্চিত কৰি আহিছে কল্পিত স্বৰ্গলোক বা পৰকালত ৰ'হি খোৱাৰ লোভ দেখুৱাই। বাইবেলতটো স্পষ্টকৈ কৈয়েই দিয়া হৈছে, কেৱল দুখীয়াবোৰেহে স্বৰ্গলৈ যাব পাৰিব। ধনীবোৰৰ বন্দবস্তটো হ'ল ঠিক এনেকুৱা ঃ ' তহঁত অৰ্থাৎ নীচ দাসবোৰে এই জন্মত যদি নিজৰ সকলো সুখ সম্ভোগ বিসৰ্জন দি আমাৰ সেৱা কৰ, তেন্তে ইযাৰ পিছত স্বৰ্গত অনন্তকাল তহঁতে মদ-মাংস-বেশ্যা লৈ আৰাম কৰি খাই থাকিব পাৰিবি। কাৰণ কেৱল দুখীয়া আৰু ভিক্ষাৰী-সন্ন্যাসীবোৰকহে স্বৰ্গলৈ যোৱাৰ পাছপৰ্ট দিয়া হ'ব। আমি ধনীবোৰতো নৰকলৈ যাবই লাগিব, গতিকে এই জন্মতে অলপ ভোগ কৰি লওঁ।' অথচ ধনীবোৰ সমাজৰ আটাইতকৈ বুদ্ধিমান শ্ৰেণী হৈয়ো, পৰজন্মৰ অনন্ত নৰক-বাসৰ বিনিময়ত কিয় যে এই জন্মৰ ক্ষণ-স্বৰ্গ বাছি লৈছে, সেই ৰহস্য কোনো শাস্ত্ৰকাৰে আজিলৈকে ব্যাখ্যা কৰি দিয়া নাই। ধৰ্ম কি বস্তু জানে নে? এসময়ত ৰোমৰ পোপে নিজৰ দেউলীয়া চন্দুক পূৰ কৰিবৰ কাৰণে ধৰ্মৰ নামত স্বৰ্গৰ

দালালি কৰিছিল, অৰ্থাৎ নগদ অৰ্থৰ বিনিময়ত ইউৰোপত স্বৰ্গলৈ যোৱাৰ প্ৰৱেশ-পত্ৰ- বিক্ৰী কৰি ফুৰিছিল। ইছলামৰ মতে এজন কাফেৰক আল্লাত বিশ্বাসী কৰিব পাৰিলে পুণ্য হয়। পৰৰ মুক্তিৰ চিন্তাত ইমান মিথ্যা ব্যাথা কিয়? আৰু সেই মাথা ব্যথাৰ কাৰণে শাস্ত্ৰত পুণ্যৰ লোভ দেখুৱাব লাগে কিয়? তাৰ যুক্তি ধৰ্মৰ মাজত নাই, আছে নৱগঠিত আৰব জাতীয় চেতনা আৰু তাৰ মুখপাত্ৰ আৰব পুঁজি স্বাৰ্থৰ প্ৰসাৰৰ তাগিদাৰ মাজত। ইছলামৰ এই অনুশাসনৰ ফলত এসময়ত স্পেইনৰপৰা ইণ্ডোনেছিয়ালৈকে কোটি কোটি কাফেৰক তৰোৱালৰ সহায়েৰে আল্লাত বিশ্বাসী কৰি তোলা হৈছিল, এই পুণ্যব্ৰতত লাখ লাখ দৰিদ্ৰ সৈনিকে প্ৰাণ দিছিল । এই ভাগ্যৰ বিনিময়ত সেই লাখ লাখ অনামা সৈনিকৰ বেহেস্ত লাভ হৈছে নে নাই নেজানো, কিন্তু এমুঠি বাদচাহ, আমীৰ-ওমৰাহৰ যে ইহজন্মতে বেহেস্ত লাভ হৈছিল তাৰ প্ৰমাণ ইতিহাসত আছে। হিন্দুৰ মন্দিৰবোৰত যুগ যুগ ধৰি পুঞ্জীভূত হোৱা স্বৰ্ণ-বৈভৱেৰে কোটি কোটি মানুহক এই জীৱনতে দৰিদ্ৰ্যৰ নৰকৰপৰা মুক্তি দিব পাৰি, কিন্তু তাৰ দুৱাৰ সাৱটি বহি আছে ধৰ্মৰ পাণ্ডা, স্বৰ্গৰ দালাল ব্ৰাহ্মণবোৰ। .... এই ধৰ্মৰ কাৰণেই পূৰ্বৰঙ্গৰ মুছলমানবোৰে নিজৰ হাত হিন্দুৰ তেজেৰে ৰঞ্জিত কৰিছিল। আচল কথা কি জানে? ইতিহাসৰ লীডাৰবোৰে সিহঁতক মদ খুৱাই দিছিল। ধৰ্মৰ মদ। মদ নেখালে সুস্থ অৱস্থাত কোনোবা মানুহে আসন্ন-প্ৰসৱা তিৰোতাক ধৰ্ষণ কৰিব পাৰে?'

একে উশাহতে দীঘল বক্তৃতাটো দি ছোৱালীজনীলৈ মূৰ তুলি চালোঁ। তাইৰ যেন আৰু সুধিবলৈ একো প্ৰশ্ন নাই, প্ৰতিবাদ কৰিবলৈ একো যুক্তি নাই।

'ইস্মাইলৰ কাহিনীটো শুনক'— মই পুনৰ আৰম্ভ কৰিলো— সিহঁতে আহি অসমৰ অটব্য অৰণ্যৰ মাজে মাজে নতুন বসতি স্থাপন কৰিলে। জন্মৰ পৰা মৰণলৈকে সিহঁতৰ জীৱনটো হ'ল প্ৰকৃতিৰ লগত অবিৰত সংগ্ৰাম। সিহঁত হ'ল এই ধৰণীৰ বীৰ সন্তান। কোনো আঘাততেই সিহঁত ভাঙি নপৰে। প্ৰতি বছৰে ব্ৰহ্মপুত্ৰৰ বলিয়া বান আহি সিহঁতে বুকুৰ তেজ দি গঢ়ি তোলা সোণৰ সংসাৰ উটুৱাই লৈ যায়, নতুন উদ্যমেৰে সিহঁতে সেই সংসাৰ পুনৰ গঢ়ি তোলে। এইদৰে প্ৰায় বাৰ বছৰমান পাৰ হৈ গ'ল। কিন্তু ১৯৫৪ চনত প্ৰকৃতিয়ে সিহঁতৰ বিৰুদ্ধে আৰম্ভ কৰিলে এটি নতুন কৌশল। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই হেজাৰ

হেক্তাৰ বিঘা মাটি খহাই নিবলৈ আৰম্ভ কৰিলে । চাওঁতে চাওঁতে দুখছৰমানৰ ভিতৰতে ইস্মাইলহঁতৰ গাঁও আৰু খেতিৰ পথাৰ নদীৰ বুকুত স্নাহ গ'ল। ভূতৰ ওপৰত দানৱৰ দৰে গছৰ তলত আশ্ৰয়. লোৱা সেই গৃহহীন মানুহবোৰক আক্ৰমণ কৰিলে ক্তহনী মহামাৰীয়ে । বেমাৰত বহু মানুহ মৰিল। লগতে মৰিল ইস্মাইলৰ ঘৈণীয়েক আৰু বাৰ বছৰীয়া পুতেক এটা। থাকিল মাত্ৰ এহাল নাবালক ল'ৰা- ছোৱালী।........ আপুনিয়ে অলপ আগতে কৈছিল, জীৱনত ঘটা ঘটনাবোৰ একো ভাবি-চিন্তি নঘটে। মানুহে তাক বৰ্ণাওঁতে মাত্ৰ আবেগ , কল্পনা আৰু যুক্তি জোৰা লগাই দিয়ে। ময়ো আপোনাৰ দৰে সেইবোৰ একো নকৰোঁ। কিন্তু ইস্মাইলৰ কাৰণে মোৰ অলপ কান্দিবলৈ মন যায়। যি হওক গৰাখহনীয়াত সৰ্বস্ব হেৰুৱাই ইস্মাইলৰ গাঁৱৰ প্ৰায় এশঘৰ পৰিয়ালে মাটিৰ কাৰণে চৰকাৰৰ ওচৰত আবেদন কৰিলে। সেই আবেদনৰ একো উত্তৰ নাহিল। তৎক্ষণাৎ ঘৰ পাতিব পৰা অনাবাদী মাটিও ক'তো পৰি থকা নাছিল। অৱশেষত সিহঁতে প্ৰাণৰ তাগিদাত আইন লঙ্ঘন কৰাকে ঠিক কৰিলে— সিহঁতে জোৰকৈ দখল কৰিবলৈ আৰম্ভ কৰিলে চৰকাৰী সংৰক্ষিত গো-চাৰণ ভূমি। ঠিক এই অৱস্থাতে ৰঙ্গমঞ্চত অৱতীৰ্ণ হ'লো মই।'

'কেনেকৈ?' ছোৱালীজনীয়ে প্ৰশ্ন কৰিলে।

'চৰকাৰী কৰ্মচাৰী হিচাপে চৰকাৰৰ সংৰক্ষিত মাটিত ইস্মাইলহঁতৰ এই বে-আইনী দখল উচ্ছেদৰ দায়িত্ব আছিল মোৰ । এদিন মই সশস্ত্ৰ চিপাহী , পিয়াদা আৰু দহ-বাৰটা হাতী লৈ ইস্মাইলহঁতৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰিলোঁ। আইনৰ নিৰ্দেশমতে মই ঘৰবোৰ হাতীৰে গচকাই ভঙাই দিব লাগে । গাঁওখনৰ এমূৰত থিয় হৈ হাতী এটাৰ ওপৰত উঠি মই চাৰিওফালৰ পৰিবেশটো নিৰীক্ষণ কৰি চালোঁ। মাইলৰ পাছত মাইল জোৰা দিগন্ত বিস্তৃত কঁহুৱা, খাগৰি আৰু উলুবনৰ পথাৰ, তাৰে মাজত এচমকা ঠাইত সৰু সৰু জুপুৰি ঘৰ। বতাহৰ অবিশ্ৰান্ত হোঁ হোঁৱনিয়ে গভীৰ কৰি তোলা সেই আৱশ্যক নিৰ্জনতা আৰু বিশালতাৰ পটভূমিত সেই সৰু এশটা ঘৰ আৰু করুণ-কোমল মুখৰ নিৰীহ অধিবাসীবোৰক ইমান অসহায় আৰু দুৰ্বল যেন দেখাইছিল যে সিহঁতৰ সেই সামান্য আশ্ৰয়স্থল ভাঙি থৈ যোৱাৰ পৰিবৰ্তে গোটেইবোৰকে বুকুত সাবটি লৈ

মৰম কৰি সিহঁতক অভয় দিবলৈ মন গৈছিল। হঠাতে মই ঘৰ ভাঙিবলৈ হুকুম দি পেলালোঁ। দহটা হাতী ঘৰবোৰৰ ওপৰত জঁপিয়াই পৰিল। তিৰোতা আৰু ল'ৰা-ছোৱালীবোৰে চিঞৰি চিঞৰি কান্দিবলৈ আৰম্ভ কৰিলে। বতাহে সিহঁতৰ কান্দোনবোৰ চাৰিওফালে সিঁচৰতি কৰি দলিয়াই পেলালে। হঠাতে এটা মানুহ বলিয়াৰ দৰে মোৰ ফালে দৌৰি আহিল। হাত দুখন আকাশৰ ফালে তুলি মোৰ ফালে চাই সি চিঞৰি চিঞৰি কান্দিবলৈ আৰম্ভ কৰিলে ঃ 'আল্লাৰ দোহাই হুজুৰ, মোৰ ঘৰটো নেভাঙিব, মোৰ ল'ৰা-ছোৱালী দুয়োটাৰে বসন্ত বেমাৰ, এই মাঘ মাহৰ জাৰত ঘৰ এডুখৰি নহ'লে সিহঁতে আজি ৰাতিয়ে মৰি যাব। সিহঁতৰ মাক মৰি গৈছে হুজুৰ, দাদা মৰি গৈছে, সিহঁতে বহুত দিন পেট ভৰাই খাবলৈ পোৱা নাই-- হুজুৰ হুজুৰ......।' কথাখিনি কৈ কৈ সি কান্দি কান্দি মাটিত বাগৰি পৰিল। মই তৎক্ষণাৎ তাৰ ঘৰটো নেভাঙিবলৈ হুকুম দিলোঁ। কিন্তু মণ্ডলে আহি উত্তৰ দিলে, ইতিমধ্যে তাৰ ঘৰ ভঙা হৈ গৈছে।

ঘৰ ভঙা কথা শুনি ইস্মাইল মাটিৰপৰা উঠি থিয় হ'ল। তাৰ চকুৱে মুখে হঠাৎ এটা অসহ্য বেদনাময় কঠিনতা ফুটি উঠিল । ' খোদা, ইয়াৰ কাৰণেই মই চাৰা দুনিয়া বাগৰি ফুৰিলো, দেশ এৰি বিদেশ পালোহি নিজৰ মাইকীক জুহনীৰ মুখত দিলোঁ, আজি বেমাৰী মাউৰা ল'ৰা-ছোৱালীহালক সুখেৰে মৰিবলৈ তুমি মূৰৰ ওপৰত চালি এডোখৰো নেৰাখিলা।' কথাকেইষাৰ সি অদৃশ্য খোদাৰ উদ্দেশ্যে কৈ লাহে লাহে মোৰ আগৰপৰা আঁতৰি গ'ল। মোৰ আৰু কৰিবলৈ একো নাছিল। মানুহটোৰ নাম-ধাম আদি যাৱতীয় বিৱৰণ লিখি ললোঁ— তাৰ পিছত ঘৰ-দুৱাৰ ভাঙি শেষ কৰি নিজৰ ঘৰলৈ গুচি আহিলোঁ।

পিছদিনা পুৱা মই শুই উঠি পিৰালিত থিয় হৈয়েই যি দৃশ্য দেখিলো, আমৰণ সি মোক উন্মাদ কৰি ৰাখিব। মোৰ পিৰালিতে দুটি ল'ৰা-ছোৱালীৰ মৃতদেহ। দুয়োটাৰে মুখ বসন্তৰ ক্ষত চিহ্নেৰে বীভৎস। মোৰ আৰু একো বুজিবলৈ বাকী নৰ'ল।

পিছত খবৰ লৈ মই জানিব পাৰিলো , মই ঘৰ ভাঙি থৈ অহাৰ ৰাতিয়েই ইস্মাইল তাৰ ল'ৰা-ছোৱালী দুটিৰে সৈতে গাঁৱৰপৰা অন্তৰ্দ্ধান হৈছিল। ল'ৰা-ছোৱালী দুটিৰ খবৰ লাহে লাহে সকলোৱে পালে, কিন্তু ইস্মাইলৰ খবৰ

আজিলৈকে কোনেও নেজানে। জানিবৰ হয়তো কাৰো প্ৰয়োজন নাই। কিন্তু মই তাক বিচাৰি উলিয়াবই লাগিব। মানুহে গঢ়া পাশৱিক আইন আৰু শাসন-যন্ত্ৰৰ হৈ মানৱতাৰ নামত মই তাৰ ওচৰত ক্ষমা খুজিবই লাগিব। নহ'লে মই মৰিও শান্তি নেপাম।

ইস্মাইলৰ কাহিনী শেষ কৰি মই ক্ষন্তেক সময় মনে মনে বহি ৰলোঁ।

ছোৱালীজনীয়ে কিবা ক'ব বুলি আশা কৰিছিলোঁ। কিন্তু তায়ো নীৰৱ হৈ ৰ'ল। ঘৰৰ ভিতৰখন তেতিয়া সম্পূৰ্ণ এন্ধাৰ হৈ আহিছিল।

'লেম্প-চাকি একো নজ্বলায়?' মই তাইক সুধিলো। তাই একো উত্তৰ নিদিলে।

মই বুজিলো, ঘৰটো আলোকিত কৰি তাই এতিয়া খৰিদ্দাৰ আহ্বান কৰিব খোজা নাই।

ইস্মাইলক মই বিচাৰি উলিয়াবই লাগিব। বাৰে বাৰে সেই শপত মই মনে মনে উচ্চাৰণ কৰিলোঁ। কিন্তু তাৰ মাজে মাজে অন্ধকাৰত স্তব্ধ হৈ বহি থকা সেই ছোৱালীজনীৰ কথাই মোৰ মনত দোলা দিবলৈ ধৰিলে। মই এটা মানুহৰ পাছে পাছে খেদি ফুৰিছো। তাই আন এটা মানুহৰ আগে আগে দৌৰি ফুৰিছে। মই বিচাৰি আহিছিলো ইস্মাইলক, বাটতে লগ পাই গলো সেই দেহোপজীৱিনী ছোৱালীজনীক। বিচাৰিছিলো ইস্মাইলৰ খবৰ, পাই গলো অন্নদাচৰণ মুখোপাধ্যায়ৰ খবৰ । কিন্তু কি আচৰিত, সিহঁত সকলো একে, সিহঁত সকলোৰে কাহিনী একে। সিহঁতে নিজে বুজিব নোৱাৰিলেও আচলতে সিহঁত সকলোৱেই ইতিহাসৰ একেটা ষড়যন্ত্ৰৰে বলি। এই ছোৱালীজনীক অন্ধকাৰত অকলে এৰি থৈ গৈ মই এতিয়া কেৱল ইস্মাইলকে কেনেকৈ বিচাৰি ফুৰিম ? মই বিচাৰিব লাগিব অন্নদাচৰণ মুখোপাধ্যায়কো। তেওঁক লগ পোৱাৰ পিছত বা আকৌ আৰু কাক বিচাৰিব লগা হয়? পৃথিৱীৰ কোটি কোটি ইস্মাইল, অন্নদাইঁতক বিচাৰি ফুৰাৰ সাধ্য কাৰ আছে? আচলতে সিহঁতৰ এটাক জানিলেই সকলোৰে খবৰ জনা হয়। এতিয়া কেৱল বিচাৰি উলিওৱাৰ প্ৰয়োজন ইস্মাইল আৰু অন্নদাইঁতৰ শত্ৰুবোৰক, মানৱতাৰ শত্ৰুবোৰক।

সময় বহুত হৈছিল। মই উঠিব খুজি ছোৱালীজনীক পুনৰ সুধিলো ঃ 'লেম্পটো নজ্বলায়?'

এইবাৰো তাই একো মাত নেমাতিলে, অথবা লেম্পটো জ্বলাবলৈকো কোনো আগ্ৰহ নেদেখুৱালে।

মোৰ ধাৰণা হ'ল মই কৈ শুনোৱা কাহিনীটোৰ পোহৰত তাই নতুনকৈ বিচাৰ কৰি চাবলৈ আৰম্ভ কৰিছে — ইস্মাইল মানুহ নে মুছলমান। তাইৰ মন উধাও হৈ গৈছে। ইস্মাইল শ্বেখৰ সন্ধানত।

◆◆◆

# গৰখীয়া

বুধিৰাম অকণহঁতৰ ঘৰত পাঁচ বছৰ গৰখীয়া হৈ আছিল । সি যেতিয়া প্ৰথম অকণহঁতৰ ঘৰত থাকিবলৈ আহে, তেতিয়া অকণে স্কুলত নাম লগোৱাই নাই। এতিয়া অকণ গাঁৱৰ পাঠশালাৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ। এদিন অকণে স্কুলৰ পৰা আহি দেখিলে যে বুধিৰামে ঘৰৰ পিৰালিত মাটিতে লেপেটা কাঢ়ি বহি ফেকুৰি ফেকুৰি কান্দিব ধৰিছে। অকণক দেখা মাত্ৰকে সি হাও-হাওকৈ কান্দিবলৈ ধৰিলে। অকণ খুব আচৰিত হ'ল। প্ৰথমতে তাৰ মনত ভাব হ'ল যে বুধিৰামে কিবা বেয়া কাম কৰাৰ কাৰণে তাৰ দেউতাক বা মাকে বোধহয় দুটামান লপা-থপা দিছে; গাত বেছি দুখ নাপালেও মনৰ বেজাৰতে সি তেনেকৈ কান্দিছে। কিন্তু পিছ মুহূৰ্ততে তাৰ মনলৈ ভাব আহিল যে সেইটো তেনেই অসম্ভৱ। বুধিৰাম সৰু হৈ থাকোতে কেতিয়াবা কাচিৎ দেউতাকে তাক দুই এটা চৰ-চাপৰ মাৰিলেও সি চুৰিয়া পিন্ধিব পৰা হোৱাৰ দিন ধৰি দেউতাকে তাৰ গাত এদিনো হাত লগোৱা নাই , দাবি-ধমকিও কাচিৎহে দিয়ে। অকণ হতভম্ব হৈ কেই মুহূৰ্তমান সময় বুধিৰামৰ সম্মুখত থিয় হৈ ৰ'ল। 'তই কিয় কান্দিছ' বুলি বুধিৰামক সুধিবলৈ তাৰ মন গৈছিল, কিন্তু হঠাৎ এবাৰ বুধিৰামৰ নতুনকৈ ঠুটিওৱা দাড়িৰ কোমল ক'লা ৰেখাটোৰ ওপৰত তাৰ চকু পৰিল আৰু ইমান ডাঙৰ দ'ৰা এটাই এনেকৈ হাও-হাওকৈ কন্দাদেখি অকণৰ নিজৰে খুব লাজ লাগি গ'ল। সি একে জাঁপেই ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

কিতাপ-পত্ৰখনি আলমাৰিত দলি মাৰি দি অকণে মাকক বিচাৰি একেলৰে মাৰলঘৰ পালেগৈ। সি জানে মাকে তাক পদুলিমুখত দেখা মাত্ৰে তাৰ কাৰণে ভাত সজাবলৈ পাকঘৰত সোমাইছে। মাকক দেখা পাই সি সুধিলে . "আই বুধিৰামে কিয় কান্দিছে? তই তাক মাৰিছিলি নেকি?"

অকণে দেখি আচৰিত হ'ল যে তাৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে মাকেও আঁচলৰ আগেৰে চকু দুটা মোহাৰিব ধৰিছে। কান্দোন-মিহলি মাতেৰে তেওঁ

উত্তৰ দিলে, তই ক'ব নোৱাৰ নেকি— বুধিৰাম কাইলৈ একেবাৰেই গুচি যাবগৈ নহয়। ”

অকণে যেন নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰিলে। গুচি যাবগৈ? ক'লৈ গুচি যাবগৈ? এটা দহবছৰীয়া ল'ৰাৰ জীৱনত পাঁচবছৰ কাল ইমান দীঘল যে তাক এটা সম্পূৰ্ণ জীৱনেই বুলি ক'ব পাৰি। সুদীৰ্ঘ পাঁচবছৰ কাল বুধিৰাম অকণহঁতৰ ঘৰত আছে, তাৰ যে এখন বেলেগ ঘৰ আছে আৰু এদিন সি নিজৰ ঘৰলৈ ঘূৰি যাব পাৰে, সেই কথা অকণহঁতে সপোনতো কোনোদিনে ভবা নাই । বছৰত এবাৰ কি দুবাৰ সি অৱশ্যে ঘৰলৈ যাওঁ বুলি কোনোবা এখন ঠাইলৈ যায়, ঠাইখন ইমান দূৰত যে ৰাতিপুৱা ৰেলি উঠাৰ লগে লগে যাত্ৰা কৰিলে বেলি পৰিবৰ সময়তহে বোলে গৈ পায। কিন্তু অকণৰ দেউতাকেওতো বছৰত এবাৰ কি দুৱাৰ বাহিৰত ফুৰিবলৈ যায়, কেতিয়াবা ডিব্ৰুগড়ৰ পেহীয়েকৰ ঘৰলৈ , কেতিয়াবা লক্ষীমপুৰৰ সৰু দেউতাকৰ ঘৰলৈ। দেউতাক যেনেকৈ দুদিনমানৰ মূৰত নিজৰ ঘৰলৈ ঘূৰি আহে, বুধিৰামো ঠিক তেনেকৈয়ে ঘূৰি আহে। তেনেহ'লে সি এইবাৰ আৰু কোনোদিনেই ঘূৰি নাহিবগৈ গুচি যাবগৈ? কিয় যাবগৈ? মাকৰপৰা কিবা এটা উত্তৰ শুনাৰ আগতেই অকণে তাৰ ডিঙিত কিবা এটাই সোপা মাৰি ধৰা যেন অনুভৱ কৰিলে ।

চকুপানীখিনি মচি মাকে ক'লে, “সি কিবা মাইকী ছোৱালী নেকি যে বিয়া দি উলিয়াই দিয়াৰ লগে লগে চিৰকাললৈ নিজৰ ঘৰ ত্যাগ কৰিব লাগিব? আজি তাৰ বাপেক আহিছে। বাপেকটো বুঢ়া হৈছে। তাতে বেমাৰীও, নিজে কৰি মেলি খাব নোৱাৰা হৈছে। সেই কাৰণে পুতেকক লৈ যাবলৈ আহিছে। এতিয়া তই ভাতকেইটা সোনকালে খাই শেষ কৰি বুধিৰামৰ ওচৰলৈ যা। ঘৰলৈ ঘূৰি যাব লাগিব বুলি গম পাবৰপৰা বেচেৰা ল'ৰাটো কান্দি আধা-মৰা হৈছে। তই অলপ ধেমালি-ধুমুলা কৰি তাৰ মনটো ভাল লগাবলৈ চেষ্টা কৰগৈ।”

কথাকেইটা কৈ শেষ কৰি অকণৰ মাক বাহিৰলৈ ওলাই গ'ল।

অকণে ভাত খাবলৈ বহিল , কিন্তু তিনি-চাৰি গৰাহমান খোৱাৰ পিছতো সি গম নাপালে যে সি হৰিণৰ মাংসৰে ভাত খাইছে। এবাৰ সি অনুভৱ কৰিলে যে তাৰ বুকুৰ গভীৰৰপৰা ডিঙিলৈকে উজাই অহা কান্দোনৰ বেগটো ঠেলি

ভাতখিনি কোনোমতেই ভিতৰলৈ সোমাব পৰা নাই। তাৰ এনেকুৱা অভিজ্ঞতা আগতে কেতিয়াও হোৱা নাই। কিছু সময়ৰ মূৰত সি আধা খোৱা ভাতৰ কাঁহীত পানী ঢালি চোলাৰ আগৰে হাত-মুখ মচি দৌৰ মাৰি বাহিৰলৈ ওলাই গ'ল।

বুধিৰাম তেতিয়াও আগৰ ঠাইতে ডলকা লাগি বহি আছিল। তেতিয়া তাৰ কান্দোন বন্ধ হৈছে, কিন্তু চকু দুটা উখহি আছে, গাল দুখনত শুকোৱা চকুপানীৰ দাগ জিলিকি আছে। অকণে তাৰ আগত থিয় হৈ নিজৰ মাতটো জোৰ কৰি কৰ্কশ কৰি ক'লে, 'ঐ বুধি, গৰু বিচাৰিবলৈ যাওঁ ব'ল।'

তেতিয়া কাতিমাহৰ প্ৰায় মাজভাগ ; শালিধানৰ পথাৰবোৰত ধানবোৰ গাখীৰতী হ'বলৈ আৰম্ভ কৰিছে মাত্ৰ । মাঘ বিহুৰ আগে আগে ধান দাই শেষ নোহোৱা পৰ্যন্ত গাঁৱৰ পথাৰত গৰু-ম'হৰ প্ৰবেশ নিষেধ। কিন্তু নৈৰ সিপাৰৰ চাপৰিটো তেতিয়া গৰু-ম'হৰ কাৰণে সম্পূৰ্ণ মুকলি । ৰাতিপুৱা গাখীৰ খীৰোৱাৰ পিছত গাই-দামুৰীবোৰ নি নৈ পাৰ কৰি থৈ আহিলেই হ'ল। হালোৱা গৰুবোৰটো ৰাতিপুৱাৰেপৰা চাপৰিতে থাকে, কাৰণ সেই সময়ত চাপৰিত মাহ-সৰিয়হৰ কাৰণে হাল বোৱাৰ বতৰ । হাল মেলি হালোৱাই সিহঁতক চাপৰিতে এৰি থৈ আহে। গোটেই দিনটো গৰুবোৰ চাপৰিত মুকলি মনেৰে চৰি ফুৰে। কেৱল আবেলিপৰত কোনোবাই গৈ সিহঁতক বিচাৰি আনিব লাগে। বেছিভাগ গৰু-গাই নিজে নিজেই ঘৰলৈ ঘূৰি আহে; কিন্তু সিহঁতৰে ভিতৰত উতনুৱা স্বভাৱৰ দুই-এটাই যদি পেট ফাটি যোৱাকৈ চাপৰিৰ ৰসাল মিঠা ঘাঁহ খাই মৌজ কৰি চাপৰিতে শুই থাকিব খোজে, তেন্তে গৰু আৰু গিৰিহঁত দুয়োৰে বিপদ। গৰুৰ বাঘৰ পেটলৈ যোৱাৰ ভয়, গিৰিহঁতৰ হালখতি হোৱাৰ ভয়।

বুধিৰামে এবাৰ পশ্চিমৰ আকাশৰ ফালে চালে। হয়তো বেলি পৰিবৰেই হ'ল দেখোন । সি প্ৰায় জাঁপ মাৰি থিয় হ'ল আৰু অকণৰ ফালে চাই ক'লে, " খন্তেক ৰ, মই মোৰ দাখন লৈ আহোঁ।"

বুধিৰামৰ এখন মিঠি দা আছে, সেইখন হাতত নোলোৱাকৈ সি ক'লৈকো এখোজো নাযায়। দাখন আনিবলৈ বুলি সি ভিতৰলৈ সোমাই গ'ল। অলপ সময়ৰ পিছত যেতিয়া সি ওলাই আহিল, তেতিয়া তাৰ এটা সম্পূৰ্ণ বেলেগ

ৰূপ। নাদৰ পানীৰে হাত-মুখ ধুই সি বুকু-ভঙা কান্দোনৰ চিন মোকাম সমূলি নোহোৱা কৰিছে। গামোচাখন কঁকালত টঙালি বন্ধাৰ দৰে বান্ধি মিট-দাখন তাতে গুজি লৈছে; মুখত তামোল এমোকোৰা ভৰাই লৈ পৰম তৃপ্তিৰে পাগুলিবলৈ আৰম্ভ কৰিছে। অকণে তাৰ মুখৰ ফালে কেইমুহূৰ্তমান সময় অতি আচৰিত হৈ চাই থকা দেখি বুধিৰামে ভেকাহি মাৰি ক'লে, " কিবা নেদেখা দেখাৰ দৰে কি চাই আছ এনেকৈ? ম'হঘুলি চাপৰিত আজিয়েই শেষবাৰলৈ গৰু বিচাৰিবলৈ ওলাইছো সেই কথা নাজান নেকি?"

অকণে তেতিয়াহে মন কৰিলে যে ৰ'দ পৰি চিকমিকাই উঠা নিয়ৰৰ টোপালৰ দৰে বুধিৰামৰ চকুৰ কোণত দুটোপাল চকুৰ পানী তিৰ্‌বিৰাব ধৰিছে। অকণে দেখিও নেদেখাৰ ভাও ধৰি ইফালে-সিফালে চাই মাতটো সৰু কৰি ক'লে "বস্তুটো লৈছা নে নাই?"

বুধিৰামে অকণৰ প্ৰশ্নটোৰ কোনো উত্তৰ দিয়াৰেই প্ৰয়োজন অনুভৱ নকৰিলে । এই পেন্দুকনা ল'ৰাটোৱে আকৌ মোক শিকাবলৈ আহিছে--মুখত এনে এটা ভাব ফুটাই তুলি বুধিৰাম পদুলিমুখৰ ফালে আগবাঢ়িল।

নৈ পাৰ হৈ ইকৰা- খাগৰি আৰু বিৰিণানিৰ মাজৰ লুংলুঙীয়া বাটেৰে প্ৰায় আধা মাইলমান গৈ সিহঁত দুয়ো শিঙিমাৰী বিলৰ পাৰত ভৰি দিলেগৈ। বিলখন বৰ ডাঙৰ নহয়; এটা পাৰত থিয় হ'লে ৰিণিকি ৰিণিকি ইটো পাৰ দেখা যায়। বিলৰ কেউপাৰে চকুৰে মণিব পৰালৈকে ঘাঁহনি পথাৰ; তাৰ মাজে মাজে কৰৈ, উৰিয়াম, পুতা, মজ আদি ওখ ওখ গছবোৰ। বেছিভাগ গৰু-ম'হ বিলৰ পাৰৰ ঘাঁহনি পথাৰতেই চৰি থাকে, দুঃসাহসী অভিযানৰ লোভত ডাঠ হাবিৰ মাজলৈ যোৱা গৰু-ম'হবোৰেও আবেলিৰ লগে লগে বিলৰ পাৰলৈ ঘূৰি আহে। বুধিৰামহঁত বিলৰ পাৰত গৈ উপস্থিত হোৱাৰ সময়ত মাৰ যাব ধৰা বেলিটোৰ পোহৰ কোমল সোণোৱালী ৰং ল'বলৈ আৰম্ভ কৰিছিল; বিলৰ কজলা পানী আৰু পাৰৰ বিশাল সেউজীয়া ঘাঁহনিৰ ওপৰত সেই সোণোৱালী পোহৰ পৰি এখন মায়াপুৰীৰ সৃষ্টি হৈছিল, বগা-বগা-ক'লা-পখৰা আদি বিচিত্ৰ বৰ্ণৰ গৰুবোৰে গোটেই ঘাঁহনিখনত সিঁচৰতি হৈ পৰি দিনটোলৈ শেষবাৰৰ কাৰণে পৰম নিবিষ্ট চিত্তে ঘাঁহ খোৱাত ব্যস্ত হৈ পৰিছিল। সিহঁতৰ ঘাঁহ খোৱাৰ চপচপনি শব্দৰ

বাহিৰে চাৰিওদিশে এক গভীৰ নীৰৱতা বিৰাজ কৰিছিল। বুধিৰাম আৰু অকণ দুয়ো খন্তেক সময় তভক মাৰি ৰ'ল। খন্তেকৰ কাৰণে দুয়ো উশাহ বন্ধ হৈ যোৱা যেন অনুভৱ কৰিলে। এনেকৈ কেইমুহূৰ্তমান থকাৰ পিছত বুধিৰামে হঠাৎ এবাৰ বহুত দূৰৰ ফালে আঙুলি টোৱাই চিএঞৰি উঠিল, "সৌ কঁৰৈ গছজোপাৰ তলত সেইজনী আমাৰ ৰাঙলী নহয় নে? আৰু এদিন কি দুদিনৰ ভিতৰতেই নিশ্চয় তাইৰ পোৱালি জগিব; কিন্তু মইহে তাৰ ফেঁহু খাবলৈ নাপাম।"

অকণে বুধিৰামৰ কথাতে যোগ দি ক'লে, "কৰৈজোপাৰ তলত সেইজনী ৰাঙলী; তাইৰপৰা দুনলমান দূৰত তৰাণিখনত গাটো যে আধা লুকাই আছে সেইজনী মিৰিয়নী, বিলৰ পাৰত শুই মৌজ কৰি ঘাঁহ পাগুলি থকাজন আমাৰ দঁহা মহাৰাজ আৰু সৌ যে জাক ফুৰা গাইজনী — এই মাত্ৰ নলনিখনলৈ সোমাই গ'ল— সেইজনীও আমাৰে বগীজনী হ'বলা।"

ঘাঁহনিত চৰি থকা আৰু দূৰৰপৰা দেখিবলৈ প্ৰায় একে দেখা শ শ গৰুৰ মাজতো সিহঁতে চকুৰে ৰিণিকি ৰিণিকি দেখা দূৰৰপৰাই নিজৰ আটাইবোৰ গৰু চিনি উলিয়ালে।

আটাইবোৰ গৰু পথাৰতে থকা বুলি জানি নিশ্চিন্ত হৈ বুধিৰামে ক'লে, "আৰু অলপমান পিছতে গাঁৱৰ বাকীবোৰ গৰখীয়া আহি ওলায়হিহে লাগে। আহ, সিহঁত অহাৰ আগতেই বিড়ি একোটাইত হুপি লওঁ। তোৰ লগত কিজানি এইটোৱেই মোৰ শেষ বিড়ি হোঁপা।"

অকণৰ মুখখন উজ্জ্বল হৈ উঠিল। ইমানপৰে সি এই মুহূৰ্তটোলৈকে ব্যাকুলভাৱে অপেক্ষা কৰি আছিল । বুধিৰামৰ লগত চাপৰিত গৰু বিচাৰিবলৈ অহাৰ এশ-এবুৰি প্ৰচণ্ড আকৰ্ষণ আছে, কিন্তু আজি ছমাহমানৰ আগতে বুধিৰামে তাক বিড়ি খাবলৈ শিকোৱাৰ দিন ধৰি অকণৰ কাৰণে বিড়ি খোৱাটোৱেই আটাইতকৈ ডাঙৰ আকৰ্ষণ হৈ পৰিছে। যোৱা বহাগ বিহুৰ কেইদিনমানৰ আগতে সিহঁত দুয়ো চাপৰিত দীঘলতি আৰু মাখিয়তি বিচাৰি গৈছিল, চাপৰিত বহুত পৰ অনাই বনাই ঘূৰি ফুৰি ভাগৰ লগাত সিহঁত দুয়ো জোপোহা ঔগছ এজোপাৰ ছাঁত, ঘাঁহনিত দীঘল সি শুই পৰিল। ঘাঁহ বনৰ মিঠা গোন্ধ কঢ়িয়াই অনা ৰিব্ ৰিব বতাহে সিহঁতৰ গাৰ ভাগৰ উটুৱাই নিয়াৰ পিছত বুধিৰামে মুখৰ দীঘল

এঙামুৰি এটা টানি বহি লৈ ক'লে. , " ৰহ , ঘৰলৈ ঘূৰাৰ আগতে সুখেৰে বিড়ি এটা খাই লওঁ। চকু দুটা মুদি লৈ বুধিৰামে পৰম তৃপ্তিত বিড়ি হুপিবলৈ ধৰিলে। এবাৰ সি নাকেৰে দীঘলকৈ বিড়িৰ ধোঁৱাখিনি উলিয়াই চকু দুটা মেলোতেই তাৰ চকুত পৰিল---অকণে মুগ্ধ দৃষ্টিৰে একেথিৰে তাৰ মুখলৈ চাই আছে। তাৰ চকুৰ চাৱনিত যেন একে সময়তে লোভ, ঈৰ্ষা আৰু বিস্ময় আদি বহুতো বিচিত্ৰ ভাব ফুটি উঠিছে। হঠাতে বুধিৰামৰ মনত এটা মতলব খেলালে। কেনেবাকৈ যদি অকণক বিড়ি খাবলৈ শিকাই ল'ব পৰা যায় , তেন্তে তাৰ বিড়ি কিনা পইচাৰ সমস্যাৰ এটা স্থায়ী সমাধান হ'ব। আন একো কৰিব নোৱাৰিলেও অকণে চল চাই ঘৰৰপৰা মাজে সময়ে দুই-চাৰিটা পইচা চুৰ কৰিব পাৰিব। সি অকণৰ ফালে চাই সহজভাৱে সুধিলে , " কি অ' অকণ খাই চাবি নেকি বিড়ি এটা?"

বুধিৰামৰ কথা শুনি অকণ ভীষণভাৱে উচপ খাই উঠিল। বুধিৰামে যেন তাক বিড়ি খোৱাৰ কথা কোৱা নাই, ৰৌ ৰৌ নৰকত পৰিবলগীয়া এটা মহাপাপ কৰাহে প্ৰস্তাৱ কৰিছে; কথাষাৰ শুনা মাত্ৰেই তাৰ মূৰৰপৰা ভৰি লৈকে ভয়ৰ এটা বিজুলী সোঁত বৈ গ'ল। আধা শোৱা অৱস্থাৰপৰা একেচাটে পোন হৈ বহি সি নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰা মানুহৰ নিচিনাকৈ সেপ ঢুকি প্ৰশ্ন কৰিলে, "কি কলি?"

অকণৰ ভাও-ভঙ্গী দেখি বুধিৰামৰ ইমান হাঁহি উঠিল যে হাঁহিত ৰ'ব নোৱাৰা হৈ সি ঘাঁহনিতে চাৰি-পাঁচটামান বাগৰ দিলে। বেছিকৈ হাঁহি উঠিলেই তাৰ দুই চকুৰেদি সৰ্ সৰ্কৈ পানী ওলাবলৈ ধৰে। এবাৰ সি বহি লৈ কঁকালৰ গামোচাখনেৰে চকু দুটা মচি মচি নতুনকৈ উজাই আহিব খোজা হাঁহিৰ বেগটো কোনোমতে হেঁচা মাৰি ক'লে, "হেৰৌ তই এনেকুৱাখন কৰিছ কেলৈ, মই তোক ডিঙিত কলহ বান্ধি শিঙিমাৰী বিলত ডুবি মৰিবলৈ কোৱা নাই নহয়, বিড়ি এটা খাই চাবলৈহে কৈছো। হোঁ ল, বেয়া পালে বাৰু নাখাবি।"

অকণে আতংকিত আৰু সম্মোহিত দৃষ্টিৰে বুধিৰামৰ মেলা হাতৰ বিড়িটোলৈ চালে হয়, কিন্তু তাৰ চকুৰ আগত ভাহি উঠিল তাৰ দেউতাকৰ গহীন-গম্ভীৰ মুখখন। গাঁৱৰ আন ল'ৰা -ছোৱালীৰ বাপেকবোৰৰ নিচিনাকৈ অকণৰ দেউতাকে তাক ৰবকৈ মাৰ-পিট নকৰে, কিন্তু সি কেতিয়াবা সামান্য বেয়া কাম

এটা কৰিলেও তেওঁৰ মুখত এনে এটা যন্ত্ৰণাৰ চিন ফুটি উঠে যে দেউতাকৰ মুখৰ ফালে চাবলৈ অকণৰ সাহস নহয়. তাৰ মনত তেতিয়া ভাব হয় যে মনৰ দুখত এনেকৈ মুখ ক'লা কৰি বহি নাথাকি দেউতাকে তাক দুটামান লপা-থপা দিলেই সি বেছি ভাল পালেহেঁতেন। এবাৰ সি বুধিৰামৰ লগত কিবা কথাত কাজিয়া কৰি তাক ' চাকৰ' বুলি গালি পাৰিছিল; অথচ সিহঁতৰ ঘৰৰ অলিখিত আইন মতে ঘৰৰ কাম কৰা মানুহক ' চাকৰ' বুলি কোৱাটো নিষিদ্ধ। বুধিৰামে দেউতাকৰ আগত গোচৰ দিয়াত তেওঁ অকণক মতাই নি ক'লে, " বুধিৰামক চাকৰ বুলি কৈ তুমি তাক অপমান কৰা নাই, আচলতে মোকহে অপমান কৰিছা। কাৰণ যিটো কথা মই খুব বেয়া পাওঁ তুমি ঠিক তাকেই কৰিছা। তুমি খুব নিষ্ঠুৰ।" শান্তভাৱে কথাকেইটা কৈ দেউতাক হঠাৎ নীৰৱ হৈ গ'ল । অকণে তলমূৰ কৰি দেউতাকৰ ওচৰৰপৰা আঁতৰি আহিল , কিন্তু গোটেই দিনটো সি অনুভৱ কৰি থাকিল যে কিবা এটা বিৰাট দুখৰ বোজাত তাৰ মনটো গধুৰ হৈ আছে। দুখৰ কাৰণটো বুজিবলৈ মাজে মাজে সি চেষ্টা কৰে, কিন্তু একো কথাই স্পষ্ট হৈ নুঠে। মাজে মাজে তাৰ চকুৰ আগত দেউতাকৰ করুণ মুখখন ভাহি উঠে; তেতিয়া সি অনুভৱ কৰে যে তাৰ দুখৰ কাৰণটো দেউতাকৰ মুখখনৰ মাজতে লুকাই আছে। বুধিৰামৰ মেলা হাতৰ বিড়িটোলৈ চাই চাই দেউতাকৰ সেই দুখত ক'লা পৰা করুণ মুখখন অকণে তাৰ চকুৰ আগত দেখিবলৈ পালে আৰু লগে লগে কিবা এটাই তাৰ কলিজাখন জোৰেৰে মুচৰি দিয়া যেন সি অনুভৱ কৰিলে। ঘৰৰ কাম কৰা ল'ৰাক চাকৰ বুলিলেই যিজনে মানুহে ইমান সন্তাপ পায়, তেওঁ বাৰু তেওঁৰ প্ৰাণাধিক পুত্ৰই দহ বছৰ বয়সতে বিড়িত ধৰা বুলি শুনিলে কেনেকুৱা অনুভৱ কৰিব? তাতে যিজন মানুহে নিজে বিড়ি-চুৰট খোৱা দূৰৰ কথা, তামোল এখন পৰ্যন্ত নাখায়? দেউতাকৰ কথা ভাবি তাৰ মনটো সংকুচিত হৈ পৰিল, আনহাতে বুধিৰামৰ হাতৰ বিড়িটোৱেও অদৃশ্য মোহিনী বাণ মাৰি তাক ভীষণ জোৰেৰে টানিবলৈ ধৰিলে। বেচেৰা বুধিৰামে অকণৰ মনৰ মাজত চলি থকা এই কুৰুক্ষেত্ৰ যুদ্ধৰ কথা একো গমকেই নাপালে. হঠাৎ এবাৰ অধৈৰ্য হৈ সি চিঞৰি উঠিল "হেৰ, তই বিড়িটোৰ ফালে এনেকৈ চাইছ-- যেন এইটো বিড়ি নহয়, এটা ফেঁটা সাপহে। বিড়িটোত এটা মাত্ৰ হোঁপা মাৰি চাচোন, তাৰ পাছত বেয়া পালে মোক কবি। তোক আৰু এটা কথা কওঁ

শুন। তই যে এনেকুৱা টিকিৰা লাগি আছ, হাত ভৰিৰ ক'তো নোম এডাল নাই গোঁফো ঠুটিওৱা নাই. তই বিড়ি নোখোৱাটোৱেই তাৰ কাৰণ। বিড়ি খালে মানুহ সোনকালে ডেকা হয়. বুজিছ ? সোনকালে গাৰ নোম আৰু ডাড়ি-গোঁফো গজে। মোৰ ফালে চাচোন।"

অকণে লাজতে তৎক্ষণাৎ মুখখন ঘূৰাই নিলে, কাৰণ বুধিৰামে ঠিক সেই মুহূৰ্তত চুৰিয়াখনৰ পোঙ্কটো খুলি অকণৰ সমুখত নাঙঠ হৈ থিয় দিছিল। অকণে মুখখন নিলে হয়, কিন্তু এটা ভীষণ উত্তেজনাত সি কঁপিবলৈ ধৰিলে। মাত্র কেইমাহমানৰ আগতে বুধিৰামৰ ওপৰ ওঁঠটোত দাড়ি ঠুটিয়াবলৈ আৰম্ভ কৰিছে, সি দিনটোত এশবাৰমান নতুনকৈ গজিব ধৰা সেই ডাড়িৰ কোমল ক'লা ৰেখাটো নিজে চাই আৰু অকণকো দেখুৱাই তত নাপায় । কেৱল ডাটি যেই নহয়, তাৰ হাত-ভৰিবোৰো কোমল ক'লা নোমে লাহে লাহে ঢাকিবলৈ আৰম্ভ কৰিছে। বুধিৰামৰ লগত নিজকে তুলনা কৰি অকণে লাজতে মৰি যোৱা যেন পায় , তাৰ গাৰ ক'তো এডালো মাত্র নোমৰ অস্তিত্ব নাই। অথচ এই কথা কোনে নাজানে যে ডাটি-গোঁফ আৰু গাৰ নোমেই হ'ল মানুহ ডেকা হোৱাৰ চিন? অকণে দিনটোত একাধিকবাৰ নিজৰ গাটো পৰীক্ষা কৰে আৰু কেতিয়াবা এডাল নোম আবিষ্কাৰ কৰিব সেই দিনটোলৈ ব্যাকুলভাৱে অপেক্ষা কৰি থাকে। এই এটা মাত্র কথাত সি বুধিৰামৰ ওচৰত হাৰি গৈছে। বুধিৰামৰ নতুনকৈ ঠুটিওৱা ডাটি আৰু গাৰ নোমে তাৰ ডেকা হোৱাৰ কথা গৰ্বেৰে ঘোষণা কৰিছে, আনহাতে তাৰ নিজৰ ছোৱালীৰ নিচিনা নোমবিহীন কোমল ছালখনে প্ৰতি মুহূৰ্ততে তাক এই কথা মনত পেলাই থাকে যে ডেকা হ'বলৈ তাৰ এতিয়াও বহুত বাকী আছে। যৌৱনৰ আগমনৰ কাৰণে এনেকৈ বাট চাব লগাটো যে কিমান ভীষণ যন্ত্ৰণাদায়ক সেই কথা অকণৰ নিচিনা ভুক্তভোগীৰ বাহিৰে আৰু আন কোনে বুজিব। সেই কাৰণে সি বুধিৰামৰ মুখত যেই শুনিলে যে বিড়ি খালে সোনকালে ডাটি-গোঁফ আৰু গাৰ নোম গজে, এটা ভীষণ উত্তেজনাই তাক খামোচ মাৰি ধৰিলে । কেই মুহূৰ্তমানৰ পিছত তাৰ নিজৰ মুখখনৰপৰা ওলোৱা মাতষাৰেই তাক চক খুৱাই দিলে। শুকাই যোৱা ওঁঠ দুটা জিভাখনৰ আগটোৰে তিয়াই সি বুধিৰামক সুধিলে. "কিন্তু দেউতাই যদি গম পায়?"

অকণৰ কথা শুনি বুধিৰামে ইমান ডাঙৰকৈ খিল্‌খিলাই হাঁহি উঠিল যে গছৰ পাতৰ আঁৰত ভুপুকা লাগি বহি থকা কণামুচৰি চৰাইকেইটামান চঁক খাই ভুৰুংকৰে উৰি গ'ল। হাঁহি হাঁহিয়েই সি অকণক ক'লে, " তই এতিয়াও মাৰৰ পিয়াহ খাই থকা কেঁচুৰা' হৈ আছ নেকি যে দেউতাৰে তোক চুমা খাওঁতে বিড়িৰ গোন্ধ পাব? হোঁ ল। মই থাকোঁতে একো ভয় নকৰিবি। চাপৰিৰ হাবিত বনৰীয়া ফল-মূলৰ কি আকাল পৰিছে। ঘৰলৈ যোৱাৰ আগতে তাৰে কিবা এবিধ খাই লম, বচ, গোন্ধ-ভাপ চব খতম।"

সেই যে অকণে বিড়ি খাবলৈ আৰম্ভ কৰিলে, তাৰ পিছৰপৰাই দিনটোত অন্ততঃ এটা বিড়ি খাবলৈ নাপালে জীৱনৰ আধা সুখেই মাটি হৈ যোৱা যেন সি অনুভৱ কৰা হ'ল। সাধাৰণতে আবেলি বুধিৰামৰ লগত গৰু বিচাৰিবৰ সময়তে বিড়ি খাবলৈ সুবিধা হয়, সেই কাৰণে আবেলি হোৱালৈ সি পুৱাৰেপৰা মধুৰ আশা আৰু উত্তেজনাৰে বাট চাই থাকে। অৱশ্যে বিড়িটো খাই উঠাৰ পিছ মুহূৰ্তৰপৰা আৰম্ভ হয় তাৰ আন এটা প্ৰতীক্ষা – এদিন নহয় এদিন যেতিয়া সি দেউতাকৰ হাতত ধৰা পৰিব, তেতিয়া বাৰু দেউতাকে তাক কি শাস্তি দিব? সেইদিনাও তেওঁ তাৰ মুখলৈ করুণ চাৱনিৰে চাই দুটামান উপদেশ দিয়েই ক্ষান্ত থাকিব, নে অপৰাধৰ গুৰুত্ব বুজি আন কিবা কঠোৰ শাস্তি দিব? এবাৰ সি কিবা এষাৰ মিছা কথা কৈ দেউতাকৰ হাতত ধৰা পৰিছিল। মাত্ৰ সেই বাবেই দেউতাকে খণ্ডত বলিযাৰ নিচিনা হৈ তাক এনে কেইটামান পূৰ্ণহতীয়া চৰ মাৰিছিল যে সি সঁচাসঁচিকৈয়ে চকুৰে সৰিহৰ ফুল দেখি প্ৰায় মূছৰ্কছ গৈছিল আৰু কেইবাদিনলৈকে তাৰ গালত দেউতাকৰ হাতৰ দাগ কালসিৰা বান্ধি আছিল। কিন্তু কি আচৰিত কথা, বিড়িটো খাই উঠাৰ পিছত প্ৰদিনেই সি যেতিয়া দেউতাকৰ হাতত শাস্তিৰ কল্পনা কৰে, তেতিয়া কালশিৰা বান্ধি যোৱাকৈ চৰ চাপৰ খোৱাৰ কথা ভাবি সি অকণো ভয় নাখায়; কিন্তু তাৰ গোটেই গা হিম হৈ যায় দেউতাকৰ দুখত করুণ হৈ উঠা মুখখন কল্পনা কৰি।

বুধিৰামে বিড়ি খাবলৈ প্ৰস্তাৱ দিয়াৰ লগে লগে সেইদিনাও দেউতাকৰ মুখখন তাৰ চকুৰ আগত এক পলকৰ কাৰণে ভাহি উঠিল। গোটেই শৰীৰতে সি এটা মৃদু জিকাৰ অনুভৱ কৰিলে । তাৰ পিছত সি বুধিৰামৰ পিছে পিছে গৈ

বিলৰ পাৰত পৰি থকা প্ৰকাণ্ড শুকান গছডালৰ ওপৰত বহিলগৈ আৰু পশ্চিমৰ ৰঙা বেলিটোৰ ফালে চাই চাই বিড়ি খাবলৈ ধৰিলে। গৰুবোৰে তেতিয়া ঘাঁহ খোৱাৰপৰা মূৰ তুলি ঘৰমুৱা বাটটোৰ ফালে চাবলৈ আৰম্ভ কৰিছিল।

পৰম তৃপ্তিৰে বিড়ি হুপি হুপি অকণে এবাৰ মাত লগালে , "তোৰ মনত আছে নে বুধি আমি যে এবাৰ দলনি পথাৰত গৰু বিচাৰিবলৈ যাওঁতে গাজনি ঢেৰেকনিৰে প্ৰকাণ্ড বৰষুণ আৰম্ভ হ'ল, ধুমুহাই আমাক দুয়োকো উৰুৱাই নিওঁ যেন কৰিলে. বৰষুণ অলপ পাতল হোৱাৰ পিছত আমাৰ বিড়ি খাবলৈ ভীষণ মন গ'ল।"

"কিন্তু আমাৰ হাতত দিয়াছলাইৰ কাঠী আছিল মাত্ৰ তিনিটা " অকণক শেষ কৰিবলৈ নিদি বুধিৰামে নিজে আৰম্ভ কৰিলে. " হোঁ-হোঁৱাই থকা বতাহে যেতিয়া ইটোৰ পিছত সিটোকৈ দুটা কাঠী জ্বলা মাত্ৰে নুমুৱাই পেলালে - আৰু নকবি ঐ অকণ, সেই দিনটোৰ কথা মই মৰাৰ দিনলৈকে নাপাহৰো।"

" ময়ো নাপাহৰো। ভাবি চাচোন বৰষুণত তিতি জোল হৈ আমি জাৰত কঁপিব ধৰিছো. বিড়ি এটা খাবলৈ আমাৰ ইমান মন গৈছে যে লোভতে জিভাখন শুকাই গৈছে ; ইফালে বলিয়া ধুমুহাজাকে পথাৰখন ইমূৰৰপৰা সিমূৰলৈ মহটিয়াই ফুৰিছে। বাকী থকা একমাত্ৰ কাঠীটোও যদি ধুমুহাই নুমুৱাই দিয়ে, তেতিয়া আমাৰ কি গতি হ'ব? উস্ দিনতে ঘিটমিটীয়া আন্ধাৰ হৈ পৰা সেই প্ৰকাণ্ড পথাৰখনৰ সোঁমাজত আমি দুটা অকণমান ল'ৰাই আমাৰ শেষ জুই কাঠীটো ধুমুহাৰপৰা ৰক্ষা কৰিবলৈ কি যে কৰা নাছিলো ; কিন্তু–"

" কাঠীটো জ্বলা মাত্ৰে ধুমুহাজাকে তাক নুমুৱাই পেলালে । আমাৰ যে তেতিয়া কেনেকুৱা লাগিছিল।"

ধুমুহাই মহটিয়াই থকা সেই মুকলি পথাৰখনত বৰষুণত তিতি-বুৰি জোল হৈ সিহঁতৰ শৰীৰৰ প্ৰতিটো অণু-পৰমাণুৱে যেতিয়া এহোপা বিড়িৰ কাৰণে হাহাকাৰ কৰি মৰিছিল, ঠিক সেই মুহূৰ্তত বতাহে সিহঁতৰ শেষ জুইকাঠীডালকো নুমুৱাই দিয়াৰ কথা মনত পৰাৰ লগে লগে সিহঁতে এতিয়া খাই থকা বিড়িটোৰ সোৱাদ বেছি তীব্ৰভাৱে অনুভৱ কৰিবলৈ ধৰিলে; কিন্তু তাৰ মাজতে অকণক ভীষণভাৱে চক খুৱাই দি বুধিৰামে হঠাৎ চিঞৰি উঠিল.

"আৰে, সেইটো-- সেইটো কিঃ ইমানদিনে মই কণা হৈ আছিলো নেকি?" অকণৰ মুখৰ বিড়িটো উফৰি কোনোবাখিনি পালেগৈ আৰু সি কিবা বুজিবলৈ পোৱাৰ আগতেই বুধিৰামে কঁকালৰপৰা মিট দাখন খুলি লৈ বিলৰ পানী যুঁৰলিৰ ফালে দৌৰি গ'ল। এনেতে অকণৰ পিছফালৰপৰা কোনোবা এটাই মাত লগালে, কি অ' অকণ, বুধিৰামে "কি দেখি কাটিবলৈ খেদি গৈছে?"

অকণে ঘূৰি চাই দেখে-- গাঁৱৰে ডুম্বৰু আৰু কণটিলৌ। অকণে গছডালৰ পৰা জাঁপ মাৰি মাটিত নামি বুধিৰামৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চাই উত্তৰ দিলে "জা নো হঠাৎ সি কি দেখিলে ।" ঠিক সেই মুহূৰ্তত বেলিটো মাৰ গৈ বিলৰ পাৰখন অলপ আন্ধাৰ কৰি তুলিছিল, গতিকে বুধিৰামে কিবা এটা বস্তু টনাটনি কৰা সিহঁতে দেখা পাইছিল যদিও বস্তুটো কি সিহঁতে ধৰিব পৰা নাছিল। এনেতে বুধিৰামে গাৰ জোৰেৰে বস্তুটো মাটিৰপৰা তুলি আনিলে আৰু লগে লগে আনন্দৰ এটা কাণতলীয়া চিএৰ তাৰ মুখৰপৰা আপোনা-আপুনি বাহিৰ হৈ আহিল। সি যেতিয়া হেকোঁ জেকোঁকৈ বস্তুটো দুই হাতেৰে ধৰি অকণহঁতৰ ওচৰ পালেহি, সিহঁতে দেখিলে যে বুধিৰামৰ হাতত দুটা ডাঙৰ শিঙেৰে সৈতে এটা ম'হৰ লাওখোলা। লাওখোলাটো মাটিত পেলাই ঘন ঘনকৈ উশাহ লৈ বুধিৰামে ক'লে, " চাচোন আজি মোৰ কি মহা ভাগ্য। পেঁপা সাজিবলৈ ম'হৰ শিং এটা কিমান দিনৰপৰা বিচাৰি ফুৰিছো, যলৈকে যাওঁ তাতেই মোৰ চকু দুটাই পিটপিটাই কেৱল ম'হৰ শিং বিচাৰি ফুৰে, দেৱতাই কেতিয়াবা মাটি ফুটি দৰ্শন দিয়াৰ দৰে ম'হৰ শিঙে শিঙিমাৰি বিলৰ পাৰত আজি নিজে নিজেই দৰ্শন দিলে।"

"সঁচাকৈয়ে বৰ ধুনীয়া ম'হৰ শিং দেই। বঢ়িয়া পেঁপা হ'ব," ডম্বৰুৱে ম'হৰ শিং দুটাত আলফুলকৈ হাত বুলাই ক'লে, " পিছে আমিহে আৰু বুধিৰামৰ এই পেঁপাৰ মাত কেতিয়াও শুনিবলৈ নাপাম।" ডম্বৰুৰ কথাষাৰ কাণত পৰাৰ লগে লগে বতাহৰ বা লাগি চাকি নুমাই যোৱাৰ দৰে বুধিৰামৰ উলাহত নাচি উঠা মনটো তৎক্ষণাৎ জাঁহ পৰি গ'ল। তাৰ এই মৰমৰ লগৰীয়াবোৰ, গৰু গাইবোৰ আৰু গাঁওখন এৰি থৈ সি যে কাইলৈ চিৰকালৰ কাৰণে গুচি যাব লাগিব' সেই কথা বেছ কিছু সময়ৰ কাৰণে সি পাহৰিয়েই গৈছিল। এতিয়া কথাষাৰ মনত পৰাৰ লগে লগে তৎক্ষণাৎ তাৰ দুই চকু পানীৰে ভৰি পৰিল।

তাৰ দুইখন হাততে বোকা লাগি আছিল । বাওঁহাতৰ ওলোটা পিঠিৰে চকুপানী মচি মচি সি ডিঙিলৈকে উত্তাই অহা কান্দোনৰ বেগটো হেঁচা মাৰি ৰাখিবলৈ চেষ্টা কৰিলে। কেইমুহূৰ্তমানৰ কাৰণে আটাইকেইটা ল'ৰাৰে মুখৰ মাত হৰিল। এনেতে সিহঁতৰ মনবোৰ আনফালে ঢাল খুৱাবৰ মনেৰে কণটিলৌৱে মাত লগালে. " অ' বুধিৰাম তোক আচল কথাটোকে ক'বলৈ পাহৰিছো। আমাৰ ঘৰৰ বছৰেকীয়া গৰখীয়া সবাহটো পূৰ্ণিমাৰ দিনা পতাৰ কথা আছিল। কিন্তু তই কাইলৈকে গুচি যাবি বুলি গম পাই আয়ে আজিয়েই লৰালৰিকৈ সবাহ পাতিছে। গৰখীয়া ভকত মাতি থাকোঁতেই আমাৰ চাপৰিলৈ অহা দেৰি হ'ল। তইঁতক ইয়াতেই মাতিলো। গৰু গাই বান্ধি শেষ কৰিয়েই সবাহলৈ আহিবি।'

বুধিৰামৰ শোকত তুই পৰি যোৱা মনটো মুহূৰ্ততে ভীষণ আনন্দত দামুৰি পোৱালিৰ দৰে জঁপিয়াই উঠিল। অৱশ্যে গৰখীয়া সবাহৰ নিমন্ত্ৰণেই তাৰ একমাত্ৰ কাৰণ নাছিল। এই গাঁওখনৰপৰা চিৰকাললৈ মেলানি মগাৰ আগতে সি যে শেষবাৰলৈ কণটিলৌৰ ভনীয়েক বগীতৰাক প্ৰাণভৰি চাবলৈ পাব. সেই কথা ভাবিহে তাৰ আনন্দৰ পাৰাপাৰ নোহোৱা হৈ পৰিল। কণটি লৌৰ প্ৰতি কৃতজ্ঞতা দেখুৱাবলৈ আন একো উপায় বিচাৰি নাপাই সি হঠাৎ কৈ পেলালে , "কণটিলৌ, মই দুটা পেঁপাৰে কি কৰিম? এটা ম'হৰ শিং মই তোক দি দিলো । তোৰ যিটো পছন্দ হয় সেইটোকে লবি "

" সঁচাকৈ কৈছ নে?" এই অযাচিত সৌভাগ্যক বিশ্বাস কৰিব নোৱাৰি কণটিলৌৱে গধূলিৰ পাতল আন্ধাৰত বুধিৰামৰ মুখখন ভালকৈ জুমি চাবলৈ চেষ্টা কৰিলে। তাৰ পাছত সি আনন্দত জঁপিয়াই উঠি বুধিৰামক দুই হাতেৰে সাবটি ধৰিলে।

" ঐ বুধিৰাম, তইঁতৰ বগীজনীয়ে আজি জাক ফুৰিছে. ন-জান পাৰ হৈ কোনোবাখিনি পালেগৈ। বহুত খেদাখেদি কৰিও কোনোমতেই আনিব নোৱাৰিলো।"

অলপ দূৰৰপৰা বংশীধৰে চিঞৰি চিঞৰি কথাকেইটা ক'লে। তাৰ লগত গাঁওৰে আৰু দুটামান ল'ৰা চাপৰিত মাটি ভাঙি ঘূৰি আহোঁতে গোটেই গাঁৱৰ গৰুবোৰ খেদি আনিছে। ঘৰমুৱা গৰু-জাকৰ ফালে চাই ডম্বৰুৱে সুধিলে.

আমাৰ সেই চুৰুনীতুনী ডাকৰ মাজত আছে নে বংশী?"

" তাই আজি আটাইতকৈ আগতে ঘৰলৈ খোজ লৈছে । এতিয়ামানে কিজানি নৈ পাৰ হৈছেগৈ।" বংশীয়ে অলপ থমকি ক'লে

বুধিৰামে অকণৰ ফালে চাই ক'লে . "বগীক বিচাৰি-খোচাৰি ঘৰলৈ নিবলৈ হলে আজি আৰু গৰখীয়া সকলৰ খোৱা নহ'ব, কি কৱ অকণ?"

" হেৰ, ডাক ফুৰা গৰুক ঘৰলৈ কেতিয়াবা নি পাইছ নেকি" ডম্বৰুৱে ক'লে " আজিনো তই কি এইবোৰ অকৰ'টোৰ নিচিনা কথাবোৰ কৈছ?"

নহয় অ'— ঘৰলৈ নিনিলেও চাপৰিবপৰা খেদি নি নৈখন পাৰ কৰি থ'ব পাৰিলে ভাল আছিল" - বুধিৰামে খুব চিন্তান্বিত হৈ ক'লে. "মাত্র এসপ্তাহৰ আগতে কলীয়াইতৰ হালোৱা গৰুটোক বাঘে খোৱাৰ কথা পাহৰিলি নেকি?"

" ব'ল ব'ল চিন্তা নকৰিবি" - আকৌ ডম্বৰুৱেই ক'লে, " ডাক-ফুৰা গৰুক বাঘেও নাখায়" গৰু ডাকৰ পিছে পিছে আটাইকেইটা ল'ৰাই ঘৰলৈ বুলি খোজ ল'লে বেছ কিছু সময় ল'ৰাকেইটা মনে মনেই গৈ আছিল; এনেতে হঠাৎ এবাৰ বুধিৰামে দীঘলীয়াকৈ উকি মাৰি বনঘোষা গাবলৈ ধৰিলে

ম'হৰ গাখীৰ খীৰালে কঁৰীযা ভৰালো

গৰু গাখীৰ খীৰালো বৈ,

হাঁহিবৰ ছলেৰে কান্দি থৈ আহিলো

তোমাৰে পদুলিত গৈ।

গধূলিৰ অন্ধকাৰ, অৰণ্য প্ৰান্তৰৰ বিপুল নিস্তব্ধতা ভাঙি বুধিৰামে উকি মাৰি বন ঘোষা আৰম্ভ কৰাৰ লগে লগে লগৰ আটাইকেইটা ল'ৰাই "আই ঐ বুলি কিৰিলি পাৰি উঠিছিল, কিন্তু বুধিৰামে সেই বুকুভঙা সুৰেৰে গাবলৈ ধৰিলে " হাঁহিবৰ ছলেৰে কান্দি থৈ আহিলো. তোমাৰে পদুলিত গৈ" হঠাৎ প্ৰত্যেকটো ল'ৰাই নিজৰ ডিঙিটো কিবা এটাই সোপা মাৰি ধৰা যেন অনুভৱ কৰিলে। আকৌ এবাৰ সিহঁতৰ মনত পৰি গ'ল যে বুধিৰামৰ কণ্ঠৰ এই কোমল কৰুণ মধুৰ বন ঘোষাৰ সুৰ সিহঁতে আৰু জীৱনত কেতিয়াও শুনিবলৈ নাপাব তাৰ লগত হয়তো আৰু কোনোদিনেই দেখাদেখিও নহ'ব। ল'ৰাকেইটা হঠাৎ নীৰৱ হৈ পৰিল। বুধিৰামে গাই যাবলৈ ধৰিলে —

মোৰে দুখৰ বাতৰি কাকে কৈ যাম
কোনে পাতি শুনিব কাণ;
মোৰে দুখৰ বাতৰি ক'বলৈ ধৰিলে
শুকায় বৰষুণত ধান।
দুখৰে উপৰি দুখ গুণেচৰী
দুখতে নিয়াইছো কাল;
দুখৰে দিনৰে ফটাকৈ চুৰিয়া
পাতো হৰিণালৈ জাল।

ঘৰ পাই বুধিৰামে অকণক ক'লে, " মই গৰুকেইটা বান্ধো, তই ঘৰলৈ গৈ হাত-ভৰি ধোগৈ। অ' শুন, আইক মোৰ কাৰণে মাছ এটা পুৰি থ'বলৈ কবি। গৰখীয়া সবাহলৈ যোৱাৰ আগতে মই কৰ্কৰা ভাত খাম। খুব ভোক লাগিছে।"

অকণহঁতৰ গৰু মতাই-মাইকীয়ে মিলি মুঠতে এঘৈশটা। ছটা হালৰ গৰু, তাৰে ভিতৰত দুটাই আকৌ গাড়ীও টানে । পাঁচজনী গাই গৰু, বাকীবোৰ দমৰা, চেউৰী আৰু পোৱালি। মানুহৰ পৰিয়ালত ল'ৰাৰপৰা বুঢ়ালৈকে যেনেকৈ প্ৰত্যেকৰে একোটা নাম থাকে, গাঁৱৰ মানহৰ গৰু- গাইবোৰৰো একমাত্ৰ মাকৰ পিয়াহ খাই থকা পোৱালিবোৰৰ বাহিৰে প্ৰত্যেকৰে একোটা নাম থাকে। বুধিৰামে গোহালিত সোমায়েই 'দঁহা' নামৰ গৰুটোৰ ডিঙিটোত দুই হাতেৰে সাৱটি ধৰি আলফুলকৈ তাৰ গলধনত চুমা খাই উচুপি উচুপি তাৰ কাণৰ কাষত ক'বলৈ ধৰিলে, "দঁহা, অ' দঁহা, মই যে তহঁতক এৰি থৈ একেবাৰে গুচি যামগৈ সেই কথা গম পাইছ নে নাই, ইহ জনমত আৰু কেতিয়াও তই মোক দেখিবলৈ নাপাবি সেই কথা জানিছ নে নাই?"

বুধিৰামৰ চেনেহৰ হাত-বুলনি পাই দঁহাৰ গোটেই শৰীৰটো বাৰে বাৰে শিহৰিত হৈ উঠিল আৰু সি জিভাৰে বুধিৰামৰ গাটো চেলেকি মৰমৰ প্ৰতিদান দিবলৈ চেষ্টা কৰিলে। মাক-বাপেকে নিজৰ আটাইবোৰ সন্তানকে সমানে ভাল পায় যদিও বিশেষ কোনোবা এটালৈ হয়তো তেওঁলোকৰ মনত এটা গোপন দুৰ্বলতা থাকে; ঠিক তেনেকৈ বুধিৰামে গোটেইজাক গৰুকেই প্ৰাণভৰি ভাল পায় যদিও দঁহাৰ কাৰণে তাৰ হৃদয়ত এডুখনি সুকীয়া ঠাই আছে। এঘাৰ বছৰ

বয়সত সি যেতিয়া এই ঘৰলৈ প্ৰথম গৰখীয়া হৈ আহিছিল, তেতিয়া দঁহা তিনিবছৰীয়া সুঠাম চেহেৰাৰ দমৰা। তাৰ শান্ত মধুৰ স্বভাৱ আৰু সুন্দৰ চেহেৰাই প্ৰথম দিনাই বুধিৰামৰ মন কাঢ়ি নিছিল। তাৰ পিছত বুধিৰামেই তাক বীৰবল মেধিৰ ওচৰলৈ নি বন্ধ লগাই আনিছিল আৰু সেই বছৰতে তাক হালত লগোৱা হৈছিল। সেইদিন ধৰি দঁহা আৰু বুধিৰাম পৰস্পৰৰ নলে-গলে লগা বন্ধু। গধূলি গৰু-গাই বন্ধা শেষ কৰি গোহালি এৰাৰ আগতে সি দঁহাৰ গায়ে-মূৰে হাত ফুৰাই দুআষাৰ সুখ-দুখৰ কথা পাতে; আন গৰুক কেৱল শুকান ধানখেৰ খাবলৈ দিলেও দঁহাৰ ভাগৰ খেৰখিনিত সি আনৰপৰা লুকুৱাই বেলেগে অলপ নিমখ পানী ছটিয়াই দিয়ে; দঁহাৰ কিবা অসুখ-বিসুখ হ'লে ৰাতি ভালকৈ টোপনি নাহে। তাৰ প্ৰতি বুধিৰামৰ এই পক্ষপাতিত্বৰ কথা দঁহায়ো খুব ভালকৈ বুজি পায় আৰু নানা প্ৰকাৰে সি তাৰ প্ৰতিদান দিবলৈ চেষ্টা কৰে। বুধিৰামে যে এতিয়া তাৰপৰা চিৰদিনৰ কাৰণে বিদায় মাগিছে সেই কথা বুজিব নোৱাৰিলেও সমস্ত শৰীৰেৰে সি বুধিৰামৰ হৃদয়ৰ ব্যাকুলতাখিনি অনুভৱ কৰিলে আৰু ঘাঁহ পাগুলিবলৈ এৰি স্থিৰ হৈ বুধিৰামৰ বিহ্বল স্নেহ-স্পৰ্শৰ ওচৰত আত্মসমৰ্পণ কৰিলে । সৰ্‌সৰ্‌কৈ ওলাই অহা চকুপানীখিনি মচি সি দঁহাক এৰি থৈ এটা এটাকৈ আন গৰুবোৰৰ ওচৰলৈ গ'ল আৰু পঘা পিন্ধোৱাৰ লগতে গৰুবোৰৰ গাত অসীম চেনেহেৰে হাত বুলাই বুলাই প্ৰত্যেকৰেপৰা বিদায় ল'লে। "কজলা, অ' কজলা, মই দঁহাক তোতকৈ বেছি মৰম কৰো বুলি ভাবি তই সদায় মোৰ ওপৰত ঠেহ্ পাতিছিলি নহয়? মই তাকো খুব ভালপাওঁ কজলা, কিন্তু দেখিছই নহয়, দঁহাটো ইমান অজলা , মই তাৰ ওপৰত চকু নাৰাখিলে সি দেখোন মুখত সুমুৱাই দিয়া ঘাঁহ কেইডালো খাব নাজানে । মাকুলিয়াল বেচেৰা তই বুঢ়াই হ'লি , মই দেউতাক কৈ যাম তোক যেন হালৰপৰা একেবাৰেই বাকী থকা দিনকেইটা পেনছন খাবলৈ দিয়ে। অ' আই ভেলেৰ্ঙী মোৰ আইজনী, তোৰ নিচিনা লখিমী গাই ভূ-ভাৰতত দ্বিতীয় এজনী নাই, এদিনৰ কাৰণেও তই মোক একো এটা দিগদাৰি নিদিলি।"

হঠাৎ আলিবাটৰপৰা কোনোবাই চিঞৰি উঠিল " বুধিৰাম নেকি অ' সেয়া? গোহালিত তই কাৰ লগত কথা পাতিছ?"

মাতটো শুনি বুধিৰামে বুজিলে সেয়া ভুৰাম ককাই। বুধিৰামে একো উত্তৰ নিদিলে। ভুৰামেও উত্তৰলৈ বাট নাচাই নিজৰ বাটত গুচি গ'ল। কিন্তু বুধিৰামে এইবাৰৰপৰা ডাঙৰ ডাঙৰ কথা ক'বলৈ এৰি ফুচফুচাই গৰুবোৰক তাৰ বিদায়ৰ বাণী শুনাবলৈ ধৰিলে আৰু মুখ ফুটাই কথা ক'ব নোৱাৰাৰ কাৰণে তাৰ স্পৰ্শৰ ভাষা আৰু বেছি ব্যাকুল হৈ উঠিল। সি চকুৰ পানীৰে বাট নেদেখা হ'ল, ডিঙি ফালি মুখলৈকে উজাই আহিব খোজা কান্দোনটো গাৰ জোৰেৰে হেঁচা মাৰি ৰাখিব লগা হ'ল, আৰু যেতিয়া গোহালিৰ আটাইবোৰ গৰু বন্ধা শেষ হ'ল, সকলোৰেপৰা বিদায় লোৱা শেষ হ'ল, গোহালিত আৰু তাৰ কাম নোহোৱা হ'ল সি যেতিয়া বুজি পালে যে যিজাক গৰু-গাই তাৰ জীৱনৰ দীঘলীয়া পাঁচটা বছৰৰ প্ৰতিটো উশাহ-নিশাহৰ সঙ্গী আছিল সিহঁতৰ লগত এয়েই তাৰ শেষ দেখা, হঠাৎ ধুমুহাত কঁপা পথাৰৰ মাজৰ অকলশৰীয়া গছৰ দৰে তাৰ গা'টো ঠৰ ঠৰ্কৈ কঁপি উঠিল আৰু সি গৰু বন্ধা খুঁটা এটা জোৰকৈ সাবটি ধৰিলে।

খুঁটাটোত কপালখন হেঁচি ধৰি সি বহুত সময় নীৰৱে কান্দি থাকিল।

শুক্লপক্ষৰ দ্বাদশীৰ ফৰিংফুটা জোনাকে গোটেই গাঁওখন এখন মায়াপুৰীত পৰিণত কৰিছিল। জোনাকে টৌৱাই যোৱা চোতালবোৰৰ মাজে মাজে তামোল [illegible]ৰ দীঘল দীঘল ছাঁবোৰ গছকি অকণ আৰু বুধিৰাম আলিবাটলৈ ওলাই আহিল। আজি সিহঁতৰ উলাহে হিয়া নধৰা হৈছে, কাৰণ আজি সিহঁত গৰখীয়া সবাহৰ নিমন্ত্ৰিত অতিথি। গাঁৱলীয়া মানুহৰ ঘৰত বাৰটা মাহত তেৰটা সবাহ সকাম লাগিয়েই থাকে। বছৰেকীয়া বৰ-সবাহ, নাম গোৱা, চাউল খোৱা, ন খোৱা, কাৰোবাৰ বেমাৰ-আজাৰ হ'লে গ্ৰহ দোষ বা অপদেৱতাৰ কু-দৃষ্টি খণ্ডাবৰ কাৰণে নানা ধৰণৰ ভকত সেৱা, —কিন্তু এই সকলোবোৰ সবাহ-সকামতে চেঙেলীয়া ল'ৰাৰ কোনো স্থান নাই; কেৱল খাবৰ সময়ত সিহঁত শাৰীৰ মূৰত বহিবৰ যোগ্য। কিন্তু বছৰি একোবাৰকৈ আহিন-কাতি মাহত গৰু আৰু গৰখীয়া সবাহ হয় য'ত চেঙেলীয়া গৰখীয়া ল'ৰাবোৰক বহুওৱা হয় পৰম ভক্তি ভাজন ভকতৰ আসনত। এই দিনটোৰ কাৰণে গাঁৱৰ ল'ৰাজাকে গোটেই বছৰটো অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকে। এই বছৰ গাঁওখনৰ ভিতৰত কণটিলৌহঁতৰ ঘৰতেই গৰখীয়া সবাহ প্ৰথম আৰম্ভ হ'ল। অৱশ্যে সিহঁতৰ ঘৰত সবাহ পতাৰ কথা আছিল পূৰ্ণিমাৰ দিনাহে; কিন্তু বুধিৰামে তাৰ আগতেই গাঁও

এৰি চিৰকাললৈ গুচি যাব লগা হোৱাত আজিয়েই ল'ৰালৰিকৈ সিহঁতে সবাহৰ আয়োজন কৰিছে। বুধিৰামৰ স্বভাৱটোৱেই এনেকুৱা যে সি অতি সহজে সকলোৰে মনত মৰম লগাব পাৰে; ক'বলৈ গ'লে গাঁওখনৰ প্ৰতিখন ঘৰেই তাৰ ভাত ঘৰৰ নিচিনা। তথাপি কণটিলৌৰ মাকেও তাক নিজৰ ল'ৰাৰ নিচিনাকৈ মৰম কৰিছিল।

আলিবাটত ভৰি দিয়েই প্ৰথম কেইটামান মুহূৰ্ত অকণ আৰু বুধিৰামৰ কি কৰো কি নকৰো যেন লাগিল। গোহালিৰপৰা গৰুবোৰৰ ঘাঁহ পাগুলাৰ চিনাকি মধুৰ শব্দ আৰু লগতে এটা মধুৰ গোন্ধ ভাহি আহিছিল। অলপ দূৰৰ কান্তিৰামহঁতৰ ঘৰৰপৰা ল'ৰা-ছোৱালীৰ কোৰ্হালৰ শব্দ আৰু মাছ পোৱাৰ গোন্ধ ভাহি আহিছিল; আলিবাটৰ সিপাৰৰ মুকলি হোলাটো জোনাকৰ সাগৰ এখন যেন হৈছিল ; গাঁৱৰ পিছফালৰ পথাৰখনৰপৰা শিয়ালে ফেউৰা দিয়াৰ শব্দ শুনা গৈছিল। সদায় দেখি থকা, শুনি থকা এই কথাবোৰ ঠিক সেই মুহূৰ্তত অকণ আৰু বুধিৰামৰ চেতনাত ইমান নতুন আৰু অভিনৱ যেন লাগি গ'ল যে এখন নতুন অচিনাকি জগতত আহি প্ৰথমবাৰৰ কাৰণে ভৰি দিয়া মানুহৰ দৰে সিহঁত কেইমুহূৰ্তমান সময় বিস্ময়াভিভূত হৈ ৰ'ল। আচলতে হৃদয়ৰ বিপুল আনন্দই সিহঁতৰ আটাইবোৰ ইন্দ্ৰিয়-চেতনা হঠাৎ খুব বেছি প্ৰখৰ কৰি তুলিছিল আৰু ফলত চিৰ পৰিচিত অভিজ্ঞতাবোৰকো সিহঁতে অতি তীব্ৰভাৱে অনুভৱ কৰিছিল।

সিহঁতে এনেকৈ মুগ্ধ বিস্ময়েৰে চাৰিওফালে চাই থাকোঁতেই কেইবা ঘৰ মানুহৰ সিপাৰৰ ৰুদ্ৰহঁতৰ পদূলিত বন্ধুক দেখা গ'ল আৰু বন্ধুই লগে লগে চিঞৰি উঠিল, " ঐ বুধিৰাম, পদূলিমুখত থিয়া থিই কৰি কি কৰিছ? সবাহলৈ নাযাৱ নেকি?"

বন্ধুৰ কথা শুনি অকণ আৰু বুধিৰামে অকূল সমুদ্ৰৰ পাৰ পোৱা মানুহৰ নিচিনা অনুভৱ কৰিলে। দুয়ো একে দৌৰে গৈ বন্ধুৰ ওচৰ পালেগৈ।

তিনিও উজনিমুৱা হৈ কণটিলৌহঁতৰ ঘৰৰ ফালে আগবাঢ়িবলৈ ধৰিলে। যাওঁতে প্ৰতিঘৰ মানুহৰ পদূলিমুখত খন্তেক থমকি ৰৈ সিহঁতে উকিয়াই যাবলৈ ধৰিলে "ঐ বংশীধৰ, ঐ ঘনকান্ত, ঐ লবোৰাম—সবাহলৈ যাওঁ আহ ঐ।"

সিহঁতৰ উকি শুনি কোনোবাটো আহিল, কোনোবাটো হয়তো আগতেই সবাহলৈ গ'ল। এনেকৈ চাওঁতে চাওঁতে দহ-বাৰটামান ল'ৰাৰ এটা সমদল হ'ল।

শুক্লা-দ্বাদশীৰ ফৰিংফুটা জোনাক যিমান উজ্জ্বল আৰু সুন্দৰ আছিল গৰখীয়া ল'ৰাজাকৰ হৃদয়ৰ আনন্দ আছিল তাতোকৈ বেছি উজ্জ্বল আৰু সুন্দৰ । গাঁওখনৰ প্ৰতিটো পদূলিমুখত হৃদয়ৰ উপচি পৰা আনন্দ ছটিয়াই ছটিয়াই এসময়ত সিহঁত গৈ কণটিলৌহঁতৰ ঘৰত উপস্থিত হ'ল, ইতিমধ্যে উজনি চুবুৰিৰো গৰখীয়াজাক সবাহৰ ঘৰত আহি উপস্থিত হৈছেহি।

যিজাক কণ কণ ল'ৰা মানুহৰ ঘৰলৈ আহিলে বয়সীয়া মানুহবোৰ সিহঁতক মানুহ বুলিয়েই গণ্য নকৰে, আজি কিন্তু সিহঁতৰ সেৱা-সৎকাৰ কৰিয়েই বয়সীয়া মানুহবোৰে তৎ পোৱা নাই । কণটিলৌৰ পিতাকে প্ৰতিটো ল'ৰাকে চোতালত পাৰি থোৱা ঢাৰিবোৰত এটা এটাকৈ বহুৱাই কান্ধত গামোচা এখন লৈ সকলোৰে উদ্দেশ্যে এটি সেৱা কৰিলে। তাৰ পিছত ভকতসকলৰপৰা সম্মানজনক দূৰত্ব ৰাখি নিজেও ঢাৰি পাৰি বহিল। যিকেইটা অতি কুমলীয়া ল'ৰা প্ৰথমবাৰৰ কাৰণে গৰখীয়া সবাহলৈ ভকত হৈ আহিছে সিহঁতে এই অভিনৱ কথা-কাণ্ড দেখি মনে মনে খুব অস্বস্তি অনুভৱ কৰিবলৈ ধৰিলে; কিন্তু সিহঁততকৈ বয়সত অলপ ডাঙৰবোৰৰ অনুকৰণ কৰি বাহিৰত দেখুৱাই সিহঁতে খুব গম্ভীৰ হ'বলৈ চেষ্টা কৰিলে। যিবোৰ গৰখীয়াই ইতিমধ্যেই কেইবাবছৰো গৰখীয়া সবাহ খাই প্ৰবীণৰ শাৰীত পৰিছে সিহঁতে কিন্তু মুহূৰ্তৰ ভিতৰতে এই নতুন ভূমিকাৰ লগত নিজকে খাপ খুৱাই ল'লে।

গৰখীয়া সবাহৰ নৈবেদ্য অতি সামান্য— পকা আঠিয়াকল আৰু কেঁচা পিঠাগুৰি । কিন্তু সবাহৰ ভকত হৈ বহি ল'ৰাবোৰে যেতিয়া সেই কল-পিঠাগুৰি খায়, সিহঁতে অমৃত খোৱা যেন অনুভৱ কৰে। কিন্তু খোৱাৰ আগতে গৃহস্থৰ আৰু গৰুবোৰৰ কল্যাণ কামনা কৰি আশীৰ্বাদ দিব লাগিব আৰু ল'ৰাবোৰৰ কাৰণে গোটেই আনন্দ উৎসৱটোত সেইটোৱেই হ'ল একমাত্ৰ সংকটপূৰ্ণ মুহূৰ্ত। ডাঙৰ মানুহৰ সবাহ-সৰিখাত শুনা আশীৰ্বাদ বচনবোৰ যিমানে মুখস্থ কৰি নাহক কিয়, আচল সময়ত সিহঁতে একোটা সম্পূৰ্ণ বাক্য কেতিয়াও দিহা লগাই ক'ব নোৱাৰে; শব্দ বিচাৰি ইটোৱে সিটোৰ মুখলৈ চাই থাকিব লগা হয়। সেই কাৰণে কোনে আশীৰ্বাদ দিব তাকে লৈ সিহঁতৰ মাজত ভালকৈয়ে বগিয়া-বগি চলে।

এটা এটাকৈ আচাৰ-অনুষ্ঠান শেষ হোৱাৰ পিছত ল'ৰাজাকে যেই গম

পালে যে এতিয়া গৃহস্থই আঁঠু ল'বৰ সময় হৈছে, সিহঁতে সকলোৱেই এটা অস্থিৰতা অনুভৱ কৰিবলৈ ধৰিলে। এনেতে বংশীধৰে ডাঙৰকৈ মাত লগাই উঠিল, " বুধি, আজি কিন্তু তই আশীৰ্বাদ দিব লাগিব। বয়সত তই আমাৰ সকলোতকৈ ডাঙৰ; তাতে আমাৰ গাঁৱত তোৰ এইটোৱেই শেষ গৰখীয়া সবাহ ......"

উৎসৱৰ ৰাগী লাগি বুধিৰামে ইমান সময় পাহৰিয়েই আছিল যে এইখন গাঁৱত এইটোৱেই তাৰ শেষ সন্ধিয়া ; প্ৰাণতকৈয়ো মৰমৰ লগৰীয়া বন্ধুবোৰৰ লগত এয়েই তাৰ শেষ দেখা। মুহূৰ্ততে তাৰ বুকুখনে হাহাকাৰ কৰি উঠিল আৰু চকুৰ কোণ দুটা পানীৰে সেমেকি উঠিল । তাৰ ডিঙিটো কিবা এটাই এনেভাৱে সোপা মাৰি ধৰিলে যে কথা কোৱা অসম্ভৱ বুলি সি বুজি পালে। বংশীধৰৰ কথাৰ প্ৰতিবাদ কৰি সি কিবা এষাৰ ক'ব খুজিছিল, কিন্তু ঠিক সেই সময়তে হাতত তামোল-পাণৰ বঁটা লৈ কণটিলৌৰ মাক ওলাই আহিল। তেওঁৰ পিছে পিছে কণটিলৌ আৰু ভনীয়েক বগীতৰা।

জোনাকত আহি থিয় হোৱা বগীতৰাৰ মুখখন সি চকামকাকৈ মাত্ৰ এক মুহূৰ্তৰ কাৰণে দেখা পালে, কাৰণ পিছ মুহূৰ্ততে তাই সেৱা কৰিবৰ কাৰণে আঁঠু লৈছিল। কিন্তু সেই এক মুহূৰ্তৰ ভিতৰত তাৰ মনৰ মাজত এটা প্ৰবল ভূমিকম্প হৈ সকলো কথা তল-ওপৰ হৈ পৰিল। দ্ৰুতগতিত সলনি হোৱা অনুভূতিবোৰে তাৰ মনৰ মাজত তোলপাৰ লগাবলৈ ধৰিলে । সম্পূৰ্ণ আত্ম-বিস্মৃত হৈ সি মন্ত্ৰমুগ্ধ মানুহৰ দৰে বগীতৰাৰ পিঠিখনৰ ফালে চাই থাকিবলৈ ধৰিলে।

' অ' বুধি কি কৰিছ? আশীৰ্বাদ দে আকৌ।" কোনোবাই ঠেলা মাৰি দিয়াত গভীৰ টোপনিৰপৰা জগাই দিয়া মানুহৰ দৰে বুধিৰাম উচপ খাই উঠিল ঠিক তেনেতে আকৌ আহি তাৰ কাণত পৰিল, আশীৰ্বাদৰ কথাখিনি পাহৰিয়েই গলি হ'বলা। ময়েই শিকাই দিছো ৰাৰু, তই কৈ যা—

"গুৰু ব্ৰহ্মা গুৰু বিষ্ণু গুৰু মহেশ্বৰ..........।"

বুধিৰামে বুজি পালে যে কণটিলৌৰ মাকে সেৱা লৈ থকা অৱস্থাৰ পৰাই তাক এনেকৈ সকীয়নি দি আছে। সি খুব লাজ পাই লাজ ঢাকিবৰ কাৰণে

উশাহ নমলোৰাইক ক'বলৈ আৰম্ভ কৰিলে --' গুৰু ব্ৰহ্মা . গুৰু বিষ্ণু, গুৰু মহেশ্বৰ কিন্তু কেনেকৈ আমি অগিযানী মুৰুখমতি জীৱ, আমিনো তোমাক কি দি পূজিম এতেকে তুমি নিজে গুণে নিজে তুষ্ট হ'ব লাগে. দুখী দুখী অৱস্থাৰে গৃহস্থই ফুল-পাত যি আগবঢ়াইছে তাকে শোকোতাকে মুকুতা বুলি লৈ গৃহস্থৰ কল্যাণ কৰিব লাগে "

" গৰুবোৰৰ কথা ক আকৌ" ৰুদ্ৰই তাক সোঁৱৰাই দিলে।

"মই ক'বলৈ ওলাইছো নহয়" বুধিৰামে ভেকাহি মাৰি উঠিল. " আৰু কিবা বোলেনে গৃহস্থৰ গৰু-গাই, দামুৰি-চেউৰী গোটেইজাককে তুমি কৃপা দৃষ্টিৰে চাব লাগে, বছৰটোৰ কাৰণে সিহঁতৰ যাতে একো অপায-অমংগল, মাৰি-মৰক নহয়, এগোহালি গৰু যাতে দুগোহালি হয়. ইযাকেহে তোমাৰ ওচৰত আমি দাসসবে প্ৰাৰ্থনা কৰিছো, অ' জয ৰাম বোলা, অ' জয হৰি বোলা, হৰি হৰি হৰি হৰি " অলপ দূৰত বহি থকা কণটিলৌৰ পিতাকে গোঁফৰ তলতে হাঁহিটো সামৰি ক'লে, "আজি দেখোন বুধিৰামৰ মুখত সৰস্বতী লম্ভিছে। ক'ত শিকিলি এনেকুৱা ধুনীযা আশীৰ্বাদ? মই হ'লে আগতে ক'তো শুনা নাই।"

বুধিৰামে লাজ পাই ক'লে . " এ দদাই ক'লো আৰু মুখত যিহকে আহিল তাকে। বুজাজনে যি বুজিব লাগে নিজেই বুজিব।"

সবাহ ভগাৰ পিছত গৰখীয়াজাকে যাবলৈ বুলি খোজ লৈছিল, এনেতে কণটিলৌৱে বুধিৰামক ক'লে, " বুধি, তই অলপ পিছত যাবিচোন । আয়ে তোক ভিতৰলৈ মাতিছে। ঐ ৰুদ্ৰ, তহঁতে অকণক ঘৰত থৈ যাবিগৈ দেই।"

এই অভাৱনীয সৌভাগ্যই বুধিৰামক আনন্দত বলিয়া কৰি তুলিলে। সি তেন্তে শেষবাৰৰ কাৰণে বগীতৰাক আকৌ এবাৰ দেখিবলৈ পাব? সি প্ৰায় দৌৰ মাৰিয়েই কণটিলৌহঁতৰ ঘৰৰ ভিতৰলৈ সোমাই যাব খুজিছিল, কিন্তু ঠিক তেনেতে লগৰীয়াজাকে তাক ঘেৰি ধৰিলে। ডম্বৰুৱে তাক সাবটি ধৰি ক'লে, "আকৌনো তোক কেতিয়া দেখিবলৈ পাম ঐ মিতা। বহাগৰ বিহুত এবাৰ আহিবি দেই। ম'হৰ শিঙৰ নতুন পেঁপাটো যে সাজিবি সেইটোৰ মাত আমিয়েই প্ৰথম শুনিবলৈ পাব লাগিব। তই নাহিলে কিন্তু বিহু গুচি বিহুহে হ'ব।" বংশীধৰে বুধিৰামক ডম্বৰুৰ আলিংগনৰপৰা টান মাৰি উলিযাই ক'লে, "ঐ ভাই. জানি বা

নাক্তানি তোৰ মনত চাগে কিমান দুখ দিছিলো, সেইবোৰ মনত নৈ নাযাবি দেই ' কাইলৈ তোৰ লগত আৰু দেখা নহ'ব। পুৰা খুব সোনকালে চাপৰিব সৰিয়হতলীত হাল বাবলৈ যাব লাগিব। আজিয়েই বিদায় ল'লো দেই ভাই।"

এইদৰে প্ৰত্যেকেই কিবা নহয় কিবা এষাৰ কৈ বুধিৰামৰপৰা বিদায় ল'লে। সিহঁতৰ আটাইৰে চকু চলচলীয়া হৈছিল। আধামান বাট গৈ শেষ নোহোৱালৈকে কোনেও কথা এষাৰ ক'ব পৰা নাছিল। বংশীধৰে নিজৰ ঘৰৰ পদূলিমুখ পাই ইমানপৰৰ নীৰৱতা ভাঙি প্ৰথমে মাত লগালে, "ই কটা বুধিয়ে কিবা যাদু-মন্ত্ৰ কৰি গোটেই মুহি থৈছিল।" সি আৰু কিবা এষাৰ কব খুজিছিল। কিন্তু ডিঙিটো কিহবাই সোপা মাৰি ধৰাত একো ক'ব নোৱাৰি কোবা-কুবিকৈ ঘৰৰ ফালে খোজ ল'লে।

ইফালে বুধিৰামৰ ন যযৌ ন তস্থৌ অৱস্থা। অণ্ডত: কেইমুহূৰ্তমানৰ কাৰণে। এফালে বুকুৰ বান্ধবোৰৰ লগত চিৰ-বিচ্ছেদৰ বুকু-ভঙা বেদনা, আন ফালে প্ৰিয়তমাৰ লগত জীৱনৰ শেষবাৰৰ কাৰণে ক্ষণিক দৰ্শনৰ উন্মাদনা। এই দুয়োটাৰে টনাটনিত সি কোনোফালে যাব নোৱাৰি কেই মুহূৰ্তমান সময় একে ঠাইতে থিয় হৈ ৰ'ল। এনেতে কণটিলৌৱে ভিতৰৰপৰা আকৌ মাত দিলে , "অ' বুধি, সিহঁত গৈ দোখোন আলিবাট পালেগৈ। তই অকলে তাত কি কৰি আছ?" তেতিয়াহে বুধিৰামৰ গালৈ হুঁচ আহিল। সি ধীৰে ধীৰে খোজ পেলাই ভিতৰলৈ সোমাই গ'ল।

কণটিলৌৰ পিছে পিছে মাৰল ঘৰলৈ গৈ বুধিৰামে দেখে, জুহালৰ কাষতে বহি কণটিলৌৰ মাকে এড়িলেটা সিজাবলৈ কাৰবাৰ কৰিছে। কণীতৰা বা আন ল'ৰা- ছোৱালীকেইটাৰ ক'তো দেখা দেখি নাই। বুধিৰামে পীৰা এখন পাৰি বহিবলৈ লৈছিল, এনেতে কণটিলৌৰ মাকে ক'লে, "এতিয়া তই বহিব নালাগে। আয়েৰে ভাত -পানী বান্ধি তোঁচে চাগে বাট চাই আছে। জীয়ৰী ছোৱালী উলিয়াই দিয়াৰ দৰে তোক কাইলৈ একেবাৰে উলিয়াই পঠাব, তেওঁৰ মনটো কেনেকুৱা লাগিছে সেই কথা মইহে বুজিছো।" এইখিনিলৈকে কৈ তেওঁ পিঠিৰ ফালৰপৰা টোপোলা এটা উলিয়াই বুধিৰামৰ ফালে হাত মেলি দি ক'লে, "হো এইটো ল। আমি দুখীয়া মানুহ, দিবলৈ একো শক্তি নাই। এইটো আশীৰ্বাদৰ

চিন বুলি লৈ যাবি।"

বুধিৰামে হাত মেলি টোপোলাটো এবাৰ মাত্ৰ চায়েই বুজিলে — এটা কামিজ বা পাঞ্জাবী চোলাৰ জোখাৰে এৰী-মুগা মিহলি সূতাৰ ঘৰত বোৱা কাপোৰ; ফালি শেষ কৰিবলৈ এটা জনম লাগিব। কেতিয়াবা যেনেকৈ বেলাটোৰ ভিতৰতে এই ৰ'দ এই বৰষুণ হয়, বুধিৰামৰো আজি ঠিক তেনেকুৱা অৱস্থা । দিনটোত যে সি কেইবাৰ হাঁহিব লগা হ'ল কেইবাৰ কান্দিব লগা হ'ল তাৰ হিচাপেই নোহোৱা হ'ল। এতিয়া কণটিলৌৰ মাকৰ আশীৰ্বাদৰ চিনটো হাতত লোৱাৰ লগে লগে তাৰ দুই চকু ফাটি ধাৰাসাৰে পানী ওলাই আহিবলৈ ধৰিলে। অলপ সময় তেনেকৈ থাকি হঠাৎ এবাৰ টুপকৰে কণটিলৌৰ মাকক এটি সেৱা কৰিলে আৰু তেওঁৰ দুই ভৰি সাবটি চুমা এটি খাই সি সাউৎ কৰে বাহিৰলৈ ওলাই গ'ল। বগীতৰাৰ লগত যে তাৰ দেখাই নহ'ল। ঠিক সেই মুহূৰ্তত তাৰ মনত সেইবোৰ খবৰৰ কাৰণে কোনো ঠাই নাছিল।

কিন্তু সি চোতালৰ সোঁমাজ পোৱাৰ লগে লগে বগীতৰাই পিছফালৰ পৰা তাইৰ বাঁহীৰ মাতৰ নিচিনা সুৱদী মাতটোৰে মাত লগালে— 'বুধিকাই!'

নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰি বুধিৰাম থমকি ৰ'ল। তাৰ পিছত [illegible] খুব ধীৰে ধীৰে পিছলৈ ঘূৰি চালে । হয়, কোনো ভুল নাই। চৌদিশ টৌৱাই যোৱা জোনাকৰ মাজত বগীতৰাৰ জোনাকেৰে গঢ়া শৰীৰটো দেৱী-মূৰ্তিৰ দৰে তাৰ সমুখত থিয় হৈ আছে। উশাহ বন্ধ কৰি বগীতৰাই কি কয় শুনিবৰ কাৰণে বুধিৰামে অপেক্ষা কৰি ৰ'ল।

কিন্তু বগীতৰাৰ একো ক'বলগীয়া নাছিল। তাই কেৱল বুকুৰ আচলৰ তলৰপৰা হাতখন উলিয়াই বুধিৰামৰ ফালে মেলি দি ক'লে, " এইটো ধৰাচোন।" বুধিৰামে হাতখন মেলি দিয়াৰ লগে লগে বগীতৰাই তাৰ হাতত সৰু টোপোলা এটা গুজি দি আন একো নকৈ সাউৎকৰে ভিতৰলৈ সোমাই গ'ল।

বুধিৰামৰ গোটেই গাটো কঁপিছিল। কঁপা কঁপা হাতেৰে টোপোলাটো খুলি চাই সি দেখে — এখন ভমকাফুলীয়া ফুলাম গামোচা।

টোপনিত খোজকঢ়া মানুহৰ দৰে গৈ গৈ এসময়ত বুধিৰামে ঘৰৰ পদূলিমুখ পালেগৈ। গৰুবোৰৰ উশাহ-নিশাহৰ শব্দত তাৰ স্বপ্নাবেশ ভাগিল।

গোহালিলৈ সোমাই সি আন্ধাৰতে গৰুবোৰলৈ এবাৰ চালে: হাতেৰে ঢুকি পোৱা দুটামানক ধৰি অলপ সময় সিহঁতক মৰম কৰিলে, তাৰ পিছত সিহঁতৰ মঙ্গলৰ উদ্দেশ্যে ঈশ্বৰৰ ওচৰত এটা ভাষাহীন প্ৰাৰ্থনা কৰি সি ঘৰলৈ বুলি খোজ ল'লে ।

বুধিৰামৰ বিদায় ভোজ উপলক্ষে অকণহঁতৰ ঘৰত সেইদিনা হাঁহ মাৰিছিল। কিন্তু দিনটোৰ নানা অভিজ্ঞতাৰ স্মৃতি আৰু বিচিত্ৰ অনুভূতিয়ে এনেভাৱে তাৰ মনত খৌকি বাথৌ লগাই আছিল যে কি খালে নাখালে সি একো ভতেই ধৰিব নোৱাৰিলে। কিন্তু মনৰ সেই অথিৰ অবিৰ অৱস্থাৰ মাজতো সি এটা কথা মন কৰিলে যে একমাত্ৰ তাৰ বাপেকৰ বাহিৰে বাকী আৰু কাৰো সেইদিনা খোৱাত বিশেষ মন নাই। সকলোৱে চেলেং-পেটেং কৰি কোনোমতে খোৱা পৰ্বটো সমাধা কৰিছে । কাৰো মুখত মাত এষাৰ নাই। থমথমীয়া নীৰৱতাৰ মাজত খোৱা শেষ কৰি সকলোৱে বিছনাৰ আশ্ৰয় ল'লেগৈ।

সেইদিনা বুধিৰামৰ লগত তাৰ বাপেক শুইছিল। বিছনাত পৰিয়েই বাপেকে তাৰ লগত দুই আষাৰ কথা পাতিবলৈ চেষ্টা কৰিছিল: "তাক কোনজনী চেউৰী দিব গিৰিহঁতে কিবা কৈছে নে ? চোলা-কাপোৰ কিবা দিছে নে ?" পাঁচ বছৰ লোকৰ গেবাৰি খাটি এতিয়া নিজৰ ঘৰলৈ যাবলৈ পাই তাৰ কেনেকুৱা লাগিছে? বুধিৰামে প্ৰকাণ্ড গেঙেৰি এটা মাৰি বাপেকৰ মুখখন বন্ধ কৰি দিলে, "মোৰ খুব টোপনি ধৰিছে। তই এতিয়া কেপকেপাই নাথাকিবি ?"

কেই মুহূৰ্তমানৰ পিছতে বাপেকৰ নাক বাজিবলৈ আৰম্ভ কৰিলে।

আন্ধাৰতে চকু দুটা ডাঙৰকৈ মেলি বুধিৰামে নিজকে প্ৰশ্ন কৰিলে, "মই কি সঁচাকৈয়ে খুব ডাঙৰ ভুল কৰিলো? বগীতৰাই যে ঘৰৰ বাহিৰলৈ আহি চোতালত মোৰ হাতত গামোচাখন গুজি দিলে, তাৰ অৰ্থ কি? মই তাইক যেনেকৈ ভাল পাইছিলো, তায়ো ঠিক তেনেকৈয়ে ভাল পাইছিল নেকি? কিন্তু এতিয়া যে সেই প্ৰশ্নৰ একো উত্তৰ নজনাকৈয়ে মই তাইক চিৰকাললৈ এৰি থৈ যাব লাগিব।"

আজি প্ৰায় এবছৰেই হ'ল, বুধিৰাম বগীতৰাৰ প্ৰেমত পৰিছে । শয়নে-সপোনে সি বগীতৰাৰ ৰূপ ধ্যান কৰিছে । বগীতৰাৰ কথা ভাবি সি এতিয়ালৈকে

এশ হুকুৰিমান ৫০. যোগাও ৰচনা কৰিছে। কিন্তু বগীতৰাক সেই কথা জনাবলৈ তাৰ কোনোদিনেই সাহস নহ'ল. কাৰণ সি যে লোকৰ ঘৰৰ বন্ধা হৈ থকা গৰখীয়া। বগীতৰাই যদি তাক মুখৰ আগতে কৈ দিয়ে. আও লোকৰ ঘৰৰ চুবা চেংলেকা চাকৰ এটাৰ ইমান সাহস! বাওনা হৈ সি চন্দ্ৰলৈ হাত মেলে!

বগীতৰাইঁতৰ ঘৰলৈ বুধিৰামৰ অবাধ গতি। দিনে-ৰাতিয়ে অসংখ্যবাৰ সি বগীতৰাক অকলেও লগ পাই থাকে; তথাপি বগীতৰাক প্ৰেম নিবেদন কৰিবলৈ তাৰ কোনোদিনেই সাহস নহ'ল। বগীতৰাৰ দৰে এজনী ৰূপে-গুণে জাকত জিলিকা ছোৱালীয়ে যে তাৰ নিচিনা পৰৰ ঘৰত গেবাৰি খটা গৰখীয়া এটাক ভাল পাব পাৰে সেই কথা কল্পনা কৰিবলৈকো তাৰ কেতিয়াও সাহস হোৱা নাই, কিন্তু আজি তাইৰ বিদায় উপহাৰটোৱে তাৰ মনটো আকৌ খেলি-মেলি লগাই দিলে, সেই উপহাৰটো যে আচলতে তাইৰ নীৰৱ প্ৰেম নিবেদন নহয় সেই কথা সি কেনেকৈ জানিব ? মুখ খুলি কবলৈ তাৰ সাহস হোৱা হ'লে তায়ো যে তাৰ প্ৰেমৰ প্ৰতিদান নিদিলেহেঁতেন, সেই কথা সি কেনেকৈ জানিব ?. কিন্তু.. .. কিন্তু তাইৰ মাকে দিয়া চোলাৰ কাপোৰটোৰ নিচিনাকৈ বগীতৰাৰ ফুলাম গামোচাখনো এটা মৰমৰ উপহাৰৰ বাহিৰেতো আন একো নহ'বও পাৰে। ক'তা ইয়াৰ আগতেতো তাই কেতিয়াও তাক প্ৰেমৰ একো ইংগিত দিয়া নাই । সি মনত পেলাবলৈ চেষ্টা কৰিলে। বগীতৰাৰ হাঁহি, বগীতৰাৰ কথা, বগীতৰাৰ চাৱনি, বগীতৰাৰ ঠেহ-পেচ অজস্ৰ সোঁৱৰণি তাৰ মনত সাঁচি থোৱা আছে। তাৰ যি কোনো এটা বা প্ৰত্যেকটোৱেই তাইৰ হৃদয়ৰ বাণী হ'ব পাৰে। কিন্তু বুধিৰামৰ সাহস নাছিল তেনেদৰে ভাবিবলৈ. তেনেদৰে বিশ্বাস কৰিবলৈ । গতিকে তাৰ মুখ খুলি একো কোৱা নহ'ল। তাৰ বাবে বুধিৰামৰ কোনো আপচোচো নাছিল। কিন্তু শেষ মুহূৰ্তত বগীতৰাই গোটেইখন গোলমাল লগাই দিলে। এতিয়া গোটেই জীৱন তাৰ এই বুলি আপচোচ্ হৈ থাকিব যে সি সাহ কৰি তাইক কথাষাৰ ক'ব পৰা হ'লে তাই কিজানি তাৰ প্ৰেমৰ প্ৰতিদান দিলেহেঁতেন।

বগীতৰাৰ জোনাকৰ দৰে স্নিগ্ধ সুন্দৰ মুখখন চকুৰ মণিত লৈ বুধিৰাম লাহে লাহে টোপনিত ঢলি পৰিল। টোপনিত সি অসংখ্য সপোন দেখিলে।

একেটা ৰাতিতে ইমানবোৰ সপোন সি আগতে কেতিয়াও দেখা নাছিল। কিন্তু শেহৰাতি সাৰ পাই সি আচৰিত হৈ আৱিষ্কাৰ কৰিলে যে যদিও বগীতৰাৰ কথা ভাবিয়েই সি টোপনি গৈছিল, কিন্তু গোটেই ৰাতি সি এবাৰো তাইক সপোনত দেখা নাছিল। সি সপোনত দেখিছিল কেৱল তাৰ মৰমৰ গৰুবোৰক।

ৰাতিপুৱা বেলি উঠাৰ অলপ পিছতে বুধিৰামে নিজৰ ঘৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। অকণৰ দেউতাকে তাক সদায় কৈ আছিল যে গোহালিটোৰ আটাইতকৈ ধুনীয়া চেউৰীজনীকে তেওঁ তাক বিদায় উপহাৰ হিচাপে দিব। চকুৰ পানীৰে বাট নেদেখা হৈ বুধিৰাম যেতিয়া আলিবাটলৈ ওলাই আহিল তেতিয়া এক পলকৰ কাৰণে সি দেখিলে যে সঁচাকৈয়ে ' কুঁৱৰী' নামৰ আটাইতকৈ ধুনীয়া চেউৰীজনীক তাৰ বাপেকে খেদি খেদি নিব ধৰিছে। কিন্তু সেই মুহূৰ্তত তাৰ কাৰণে সি একো আনন্দ অনুভৱ নকৰিলে, কাৰণ তাৰ হৃদয়ে তেতিয়া বোবা বেদনাত গুমৰি মৰিছিল, বাকী যিজাক গৰুক সি চিৰকাললৈ এৰি থৈ যাব সিহঁতৰ কাৰণে।

গাঁওখনৰ মতা মানুহবোৰ বা বুধিৰামৰ লগৰীয়া ল'ৰাবোৰ তেতিয়া কোনোৱেই ঘৰত নাছিল, কাৰণ সকলোৱেই হাল বাবলৈ পথাৰলৈ গৈছিল কিন্তু গাঁৱৰ বোৱাৰী জীয়ৰী আৰু সৰু সৰু ল'ৰা-ছোৱালীবোৰ সকলোৱেই নিজৰ নিজৰ পদূলিত জুম বান্ধিছিল বুধিৰামক বিদায় দিবৰ কাৰণে। বুধিৰামে কান্দি কান্দি আৰু গাঁওখনৰ সকলোকে কন্দুৱাই নিজৰ বাটত আগবাঢ়ি গৈ থাকিল। কণটিলৌহঁতৰ ঘৰৰ পদূলিত কণটিলৌৰ মাকৰ লগত বগীতৰাও থিয় হৈ আছিল। কিন্তু ঠিক সেই মুহূৰ্তত বুধিৰামৰ বিপুল বেদনাৰ সমুদ্ৰত বগীতৰাক হেৰুওৱাৰ বেদনা এটোপাল বৰষুণৰ দৰে লীন হৈ গ'ল। তথাপি সি এবাৰ নিজকে সংযত কৰি বগীতৰাৰ মুখলৈ পূৰ্ণ দৃষ্টিৰে চালে-- চিৰকাললৈ গুচি যোৱাৰ আগতে তাইৰ মুখত তাৰ প্ৰশ্নৰ কিবা এটা উত্তৰ পোৱাৰ আশাত। তাইৰ মুখখন কান্দো কান্দো হৈছিল, চকু ফাটি পানী বাহিৰ হওঁ হওঁ হৈছিল। কিন্তু সেইদিনা তাক বিদায় দিবলৈ পাই গাঁৱৰ আটাইবোৰ জীয়ৰী-বোৱাৰীয়ে কান্দিছে; বগীতৰাৰ দুখ যে বাকীবোৰতকৈ বেলেগ সেই কথা সি কেনেকৈ জানিব! শেষবাৰৰ কাৰণে তাৰ আকৌ এবাৰ আপচোচ্ হ'ল— সাহ কৰি

কথাবাৰ তাইক সুধি পেলোৱাই ভাল আছিল। এতিয়া এটা কৰুণ কৌতূহল তাৰ গোটেই জীৱনৰ লগৰীয়া হৈ থাকিব। জীৱনৰ বাটত গৈ থাকোঁতে যেতিয়াই হঠাৎ একোবাৰ বগীতৰাৰ মুখখন মনত পৰিব, তেতিয়াই তাৰ মনত ভাব হ'বঃ "তায়ো কিজানি মোক ভাল পাইছিলেই! হায়, ইহ জীৱনত আৰু কেতিয়াও সেই কথা নিশ্চিতভাৱে জনা নাযাব।"

◆◆◆

# প্ৰেম আৰু মৃত্যুৰ কাৰণে

ৰাতি বোধহয় একমান বাজিছিল। ৰঞ্জিতৰ মদৰ নিচা লাহে লাহে কাটি আহিছিল। হঠাতে সি খুব জাৰ লগা যেন অনুভৱ কৰিলে। গাৰ কাষতে পৰি থকা গৰম কোটটো ভালকৈ পিন্ধি লৈ সি চিগাৰেট বিচাৰি টেবুলত হাত ফুৰালে। চিগাৰেটৰ নিচিনা এখন সৰু বহীত তাৰ হাত পৰিল। বহীখন কেপৰপৰা উলিয়াই আনি এন্ধাৰতে সি এনেয়ে এবাৰ মেলি চালে। তাৰ অকলে অকলেই খুব হাঁহি দিবৰ মন গ'ল। সেইখন তাৰ কবিতাৰ বহী। কি কবিতা লিখিছিল সি? জীৱনৰ কেইটামান আশ্চৰ্য মুহূৰ্তত জীৱন আৰু প্ৰকৃতিৰ ৰূপ তাৰ মনত অনিৰ্বাচনীয়ভাৱে অনুভূত হৈছিল। সেই ৰহস্য চেতনাৰ আৱেগত অভিভূত হৈ কাৰোবাৰ লগত সি সেই বিষয়ে কথা পাতিব খুজিছিল, আলোচনা কৰিব খুজিছিল। কিন্তু হৃদয়ৰ গভীৰতম কথা নিজৰ বাহিৰে আৰু তুমি কাৰ লগত পাতিব পাৰা? সেই সময়ত ঈশ্বৰেও তোমাক লগ নিদিয়ে। সৰ্বজ্ঞ ঈশ্বৰৰ ওচৰত তোমাৰ বক্তব্যকো তুমি নিজৰ শব্দৰ মাজেদিহে প্ৰকাশ কৰিব পাৰা। সেই কথাবোৰ তুমি কেৱল নিজকেই শুনোৱাব পৰা। জীৱনৰ কেইটামান মুহূৰ্তত সকলো মানুহেই কবি হয়। কবিৰ দৰে নিঃসঙ্গ আত্মা পৃথিৱীত আৰু কোন আছে? ৰঞ্জিতে তাৰ কবিতাৰ বহীখন নেৰ বুকুলৈ দলি মাৰি দিলে। জীৱনৰ কেইটামান নিৰ্জনতম মুহূৰ্তত সি আপোন অস্তিত্বৰ ব্যথাদীৰ্ণ সৌন্দৰ্যময় চেতনা নিবিড়ভাৱে উপলব্ধি কৰিছিল। বাকী সকলো সময়তে সি পাপ কৰিছে, জীৱনক ঘিণ কৰিছে। তাৰ কোনটো জীৱন আচলতে সঁচা? জীৱন আৰু প্ৰকৃতিৰ নিগূঢ়তম সৌন্দৰ্যৰ বাণী অনেক সময়ত পাপীৰ হৃদয়েদি কেনেকৈ প্ৰকাশ পায়? পৃথিৱীয়ে সেই মানুহবোৰক ত্যাগ কৰে, কিন্তু তেওঁলোকৰ গান অমৰ হৈ ৰয় মানুহৰ হৃদয়ত। পাপাসক্ত, ব্যভিচাৰী গঁগা - আৰু টাহিটিৰ গোপন স্বৰ্গত জীৱনৰ ৰহস্য সন্ধানী গঁগা,— কোনটো মানুহ আচলতে বেছি সঁচা, বেছি বাস্তৱ? আচলতে গঁগা নামৰ সমগ্ৰ ব্যক্তি সত্তাটোৱেই অবাস্তৱ, অবাস্তৱ। শিল্প-কলাৰ স্ৰষ্টা কোনো বিশেষ

মানুহ নহয. স্রষ্টা হ'ল জীৱন । যি জীৱন সৎ বা অসৎ একো নহয়---- সি হ'ল Non -moral । সেই কাৰণে কলা-সৃষ্টিৰপৰা ওপজা জীৱন উপলব্ধিও Non-moral । নৈৰ সোঁতত লাহে লাহে উটি যোৱা কবিতাৰ বহীখনলৈ ৰঞ্জিতে কিছু সময় চাই ৰ'ল। সেই কবিতাবোৰ আন মানুহে পঢ়িবলৈ পোৱা হ'লে সমাজত তাৰ কবি বুলি খ্যাতি হ'লহেঁতেন। তাতেইবা তাৰ কি লাভ হ'লহেঁতেন । আচলতে All expression is vulgar. ক'ৰবাত পঢ়ি পোৱা কথা এফাকি সি অৰ্থ বুজি নোপোৱাকৈয়ে মনে মনে এবাৰ আওৰালে।

চিগাৰেটৰ কাৰণে ৰঞ্জিতে এইবাৰ আনটো জেপত হাত ভৰালে। কিবা এটা আচহুৱা বস্তুত তাৰ হাত পৰিল। বস্তুটো উলিয়াই আনি সি দেখে এডোখৰ আধাখোৱা ৰুটি। ৰুটি ডোখৰ দেখিহে তাৰ সকলো কথা লাহে লাহে মনত পৰিল। মনে মনে তাৰ হাঁহিও উঠিল। পৰকালৰ পথৰ সমল সি জেপতে লৈ আহিছে। ৰুটি একামোৰ মুখত সুমুৱাই সি চোবাবলৈ লাগিল। তেতিয়াহে সি গম পালে যে আচলতে তাৰ খুব ভোক লাগিছিল। ৰুটিডোখৰ চোবাই চোবাই সি মনত বেলেগ ধৰণৰ আৱেগ এটা অনুভৱ কৰিবলৈ ধৰিলে। এটা তীব্ৰ মদিৰ জীৱন ৰস যেন তাৰ শিৰাই শিৰাই সঞ্চাৰিত হৈ পৰিছে, অস্তিত্বৰ চেতনাকেই যি নতুনত্বৰ ৰূপত প্ৰতিভাত কৰে। আধাখোৱা চিগাৰেট এটুকুৰা বিচাৰি পাই সি এইবাৰ জ্বলাই ল'লে। ডিঙিটো শুকাই যোৱা যেন সি অনুভৱ কৰিছিল। এটোপা মদ পোৱা হ'লে ভাল লাগিলহেঁতেন, সি মনে মনে ভাবিলে। পাহাৰৰ ওখ টিলা এটাত সি বহি আছিল । পাহাৰটোৰ ঠিক কাষেদিয়ে নৈখন বৈ গৈছে। এটা মাত্ৰ জাপেই যথেষ্ট ; এটা মাত্ৰ জাপ জীৱনৰপৰা মৃত্যুলৈ, অস্তিত্বৰ অৰ্থহীন জ্যোতিৰ্ময় চেতনাৰপৰা অনন্ত অন্ধকাৰলৈ । কৃষ্ণ পক্ষৰ অন্ধকাৰ। সমুখৰ নৈখনো গভীৰতৰ তৰলীয় অন্ধকাৰৰ বিশাল প্ৰবাহ এটা যেন তাৰ মনত অনুভৱ হৈছিল। হেমন্তৰ গভীৰ ৰাতিৰ ধূসৰ কুঁৱলীৰ আবৰণে আকাশখন বিষণ্ণভাৱে ম্লান কৰি ৰাখিছিল। সি যেন পাহাৰ এটাৰ গাত আঁউজি আছিল আৰু পাহাৰবোৰ লানি লানিকৈ আকাশৰ গাত আঁউজি আছিল। সি যদি আজি মৰি যায়, নৈৰ বুকুত সি এটোপা পানী হৈ যাব, পাহাৰৰ গাত এচপৰা মাটি হৈ সি লাগি ৰ'ব, অথবা আকাশত ভাপ হৈ মিলি যাব। সিয়ে এই আকাশ, নৈ, পাহাৰ., সি অস্তিত্বৰ বিৰামহীন প্ৰবাহ। মাজতে মাত্ৰ চৈতন্যৰ ক্ষণিক জাগৰণ। কেনে অদ্ভুত

আৰু ৰহস্যময়। প্ৰত্যেক মানুহৰে মনৰ গভীৰতম বাসনা হ'ল এই চৈতন্যহীন অস্বিত্বৰ লগত এক হৈ মিলি যোৱাটো। This living kills me- ক'ৰবাত পঢ়ি পোৱা কথা এষাৰ সি অৰ্থ বুজি নোপোৱাকৈয়ে মনে মনে আওৰালে।

আচলতে ৰঞ্জিতৰ মদৰ নিচা তেতিয়াও ভালকৈ কটা নাছিল। মদৰ নিচা বেছি হ'লেই সি ঘৰলৈ নগৈ বাহিৰে বাহিৰে ব্ৰহ্মপুত্ৰৰ পাৰৰ এই নিৰ্জন পাহাৰটোলৈ গুচি আহে আৰু প্ৰাচীন চৈনিক কবিতাৰ 'বেণু-বনৰ সপ্তৰ্ষিৰ' দৰে পাহাৰটোক শিতান কৰি লৈ আকাশৰ কম্বলখন গাত মেৰিযাই শুই শুই অনন্ত জীৱনৰ স্বপ্ন দেখে।

যিটো কাম সি সদায় কৰিম কৰিম বুলি ভাবিও আজিলৈকে কৰিব পৰা নাই, তাকে আজি সি কৰি পেলাব নেকি? বহাৰপৰা সি উঠি থিয় হ'ল। ৰাতি বোধহয় বহুত হ'ল। আকাশখন লাহে লাহে আগতকৈ পোহৰ হৈ আহিছে। চাৰিওফালে মৃত্যুৰ দৰে গভীৰ অতল নীৰৱতা। উদাস দৃষ্টিৰে সি চাৰিওফালে এবাৰ চাই পঠিযালে। হঠাতে এটা আচহুৱা মূৰ্তিত তাৰ চকু পৰিল। পাহাৰৰ নামনিৰ ৰাস্তাটোৰেদি কোনোবা এটা মানুহ লাহে লাহে ওপৰলৈ উঠি আহিছে। ৰঞ্জিতৰ জীৱনত এনে ঘটনা এই প্ৰথম। লোকালয়ৰপৰা দূৰৰ এই নিৰ্জন পাহাৰটোলৈ কিমান দিন গভীৰ ৰাতি সি অকলে অকলে আহি শুই আছেহি, তাৰ বাহিৰে দ্বিতীয় কোনো মানুহো যে তেনেকৈ ইয়ালৈ আহিব পাৰে, সেই কথা কোনোদিনে তাৰ মনত খেলোৱাই নাছিল। তাৰ নিচিনা পাগল তেন্তে সংসাৰত আৰু আছে! শিল এচটাৰ আঁৰ লৈ সি মানুহটোৰ গতিবিধি লক্ষ্য কৰিবলৈ ধৰিলে। মানুহটোৱে ক্লান্ত খোজেৰে লাহে লাহে আগবাঢ়ি আহি টিলাটোৰ একেবাৰে ওপৰত ৰঞ্জিতৰ ওচৰতে থিয় হ'লহি। ৰঞ্জিতে তেতিয়াহে ভালকৈ দেখিলে যে সেই আচহুৱা মূৰ্তিটো আচলতে এজনী তিৰোতা। এই গভীৰ ৰাতি তিৰোতাজনীক কিহে ইয়ালৈ টানি আনিছে? এই পথ যে সহজ জীৱনৰ অস্বীকৃতিৰ পথ। ক'লা ওৰণিখন মূৰৰপৰা গুচাই তিৰোতাজনীয়ে চাৰিওফালে এবাৰ চাই ল'লে। ৰঞ্জিতে এইবাৰ তাইৰ মুখখন চকামকাকৈ দেখিবলৈ পালে। চাৰিবশ-সাতাইশ বছৰৰ এজনী গাভৰু ছোৱালী। এন্ধাৰত মুখৰ গঢ়টো ভালকৈ ধৰিব নোৱাৰি। কিন্তু সেই ধূসৰ অস্পষ্টতাৰ মাজেদিয়ে তাৰ চকুৰ আগত ভাহি উঠিল

আশ্চৰ্য এখন মুখ যাৰ তুলনা কেৱল আকাশ, যি আকাশে ক্ষণে ক্ষণে, দিনে দিনে, ঋতুৱে ঋতুৱে বৰণ সলায়। যি সদায় স্পৰ্শৰ অতীত অথচ যাৰ লগত দৃষ্টিৰ পৰিচয় অনন্তকালৰ। ৰঞ্জিতে তেনেকৈ চাই থাকোঁতেই ছোৱালীজনীয়ে মুখখন তাৰ বিপৰীত ফালে ঘূৰাই নিলে। এইবাৰ ৰঞ্জিত থিয় হ'ল। ছোৱালীজনীয়ে নৈৰফালে মুখ কৰি টিলাটোৰ দাঁতিলৈ লাহে লাহে আগবাঢ়ি গ'ল। ৰঞ্জিতে নিজৰ কৰ্তব্য ঠিক কৰি পেলালে। সি যদি পাছ ফালৰপৰা ছোৱালীজনীক মাত লগাই দিয়ে, তাৰ লগে লগেই হয়তো আচল ঘটনাটো ঘটি যাব। এটা মাত্ৰ জাঁপ, য'ৰপৰা আৰু কোনো পশ্চাৎগতি নাই। অতি সন্তৰ্পণে সি ছোৱালীজনীৰ ওচৰলৈ আগবাঢ়ি গ'ল আৰু হঠাতে এবাৰ পাছফালৰপৰা তাইক সাবটি ধৰি নৈৰ গৰাৰপৰা নিৰাপদ দূৰলৈ টানি লৈ আহিল।

ৰঞ্জিতে প্ৰথমে ভয় কৰিছিল যে ছোৱালীজনীয়ে হয়তো উচপ খাই চিঞৰি উঠিব। কিন্তু তাই সম্পূৰ্ণ নীৰৱ হৈ ৰ'ল। সি তাইক মাটিত থিয় কৰাই তাইৰ মুখলৈ চাই ৰ'ল। ছোৱালীজনীৰ মুখত এটা অবৰ্ণনীয় বিস্ময় আৰু কৃত্ৰিম নিৰ্লিপ্তিৰ ভাব ফুটি উঠা সি দেখা পালে। সি কিছু সময় আশা কৰি ৰ'ল যে, এইবাৰ ছোৱালীজনীয়ে হয়তো তাক কিবা এটা প্ৰশ্ন কৰিব। কিন্তু তাইৰ মুখত সামান্যতম কৌতূহলৰ আভাসো ফুটি নুঠিল।

অৱশেষত সিয়েই প্ৰথম মাত লগালে : "তুমি সি কৰিব খুজিছিলা?"

ছোৱালীজনীয়ে অনুত্তেজিত কণ্ঠেৰে উত্তৰ দিলে : "আত্মহত্যা কৰিব খুজিছিলো।"

দুয়ো কিছু সময় পৰস্পৰলৈ চাই নীৰৱে ৰ'ল।

এইবাৰ ছোৱালীজনীয়ে প্ৰশ্ন কৰিলে : "ইমান ৰাতি তুমি ইয়াত কি কৰিবলৈ আহিছিলা?"

ৰঞ্জিতে হাঁহি এটা মাৰি উত্তৰ দিলে : "আত্মহত্যা কৰিবলৈ।"

অনন্ত সময় এতিয়া আমাৰ হাতৰ মুঠিত-- কিবা এটা ভাবি ৰঞ্জিতে হঠাতে মাত লগালে। মানুহ ইচ্ছাৰ দাস, কিন্তু আমাৰ দুয়োৰে কাৰণে ইচ্ছাই আমাৰ দাস। অলপ বহা বন্ধু। কথা-বাৰ্তা পাতি দুয়ো চা-চিনাকি হৈ লওঁ।

বঞ্জিতৰ কথাকোৱাৰ নাটকীয় ভংগীত এটা মধুৰ শব্দ কৰি ছোৱালী জনীযে হাঁহি উঠিল। তাৰ পাছত দুয়ো প্ৰায় গাতে গা লগাই এচৰা এচৰীকৈ বহি পৰিল।

মোৰ ধাৰণা হৈছে, মই কথা নুলিযালে তুমি নিজে একো আৰম্ভ নকৰা। কিছু সময় মনে মনে বহি থাকি বঞ্জিতে মাত লগালে- তুমি এজনী অদ্ভুত ছোৱালী। অলপ আগতে মই এবাৰ কথা ভাবিছিলো। অৱশ্যে ধাৰ কৰা কথা - লিভিং কিলছ মি। আচলতে তোমাৰ ক্ষেত্ৰতহে সেই কথাষাৰ বেছি সঁচা। তুমি একোতেই বিস্মিত নোহোৱা কিয়, চমকিত নোহোৱা কিয় কৌতূহলী নোহোৱা কিয? আনকি মৃত্যুও তোমাৰ কাৰণ অৰ্থহীন, ৰহস্যহীন। তুমি জীয়া মানুহৰ চকুৰে মৃত্যুক নেচাই মৃত্যুৰ চকুৰে জীৱনক চাইছা।

ছোৱালীজনীযে নিশ্চল হৈ বহি বহি তাৰ কথাবোৰ মনে মনে শুনি গ'ল

মোৰ কথাই বাৰু প্ৰথমে শুনা— বঞ্জিতে কৈ গ'ল। মই আত্মহত্যা কৰিবলৈ আজিয়ে প্ৰথম ইয়ালৈ অহা নাই । ইয়াৰ আগতেও অনেকবাৰ আহিছো। আচলতে যোৱা এটা বছৰ প্ৰায় প্ৰত্যেকদিনেই সেই একেটা উদ্দেশ্যেৰে মই ইযালৈ আহিছো। কিন্তু কি আচৰিত কথা চোৱাচোন, মই আজিও জীয়াই আছো। বোধহয় তোমাক লগ পাবলৈকে। বঞ্জিতে অকলে অকলে অলপ সময় হাঁহি ল'লে। মই কিয় মৰিবলৈ আহো, জানা? তুমি কেনেকৈ জানিবা। মই নিজেই নেজানো। ভলটেয়াৰকো বোলে আত্মহত্যাৰ চিন্তাই সকলো সময়তে ভূতৰ দৰে খেদি ফুৰিছিল। তাৰপৰা ৰক্ষা পাবলৈ তেওঁ তিলমানো জিৰণি নোহোৱাকৈ সদায় কিবা নহয় কিবা এটা কামত লাগি আছিল জীৱনত কোনো এটা প্ৰশ্নৰ সঠিক উত্তৰ নেপাই , তেওঁ অৱশেষত সকলো মানুহকে ফুলৰ বাগান কৰি তাতে লাগি থাকিবলৈ উপদেশ দি গৈছে, যাতে মনত কোনো প্ৰশ্নই ভুমুকি মাৰিব নোৱাৰে। ফুলৰ বাগান কৰিবৰ জোখাৰে পৃথিৱীৰ সকলো মানুহৰ কাৰণে এডোখৰ এডোখৰ মাটিৰ ব্যৱস্থাও কৰি যাব পৰা হ'লেহে তেওঁৰ উপদেশফাকি কামত লাগিলহেঁতেন । মোৰ অৱশ্যে মাটিৰ সমস্যা নাছিল। আচল কথা কি জানা? বাগান মোৰ পছন্দ নহয। মই অৰণ্য ভালপাওঁ সেই কাৰণে মোৰ ভাগৰ মাটি ডোখৰত মই অৰণ্য গঢ়িবলৈ দিলো। গছিকে মোৰ হৃদত একো

কাম নাইকিয়া হ'ল। কথাবোৰ তুমি একেবাৰে আক্ষৰিক অৰ্থত নল'বা দেই। তুমি টোপনি গ'লা নেকি? মৰিবলৈ অহা ছোৱালীৰ আকৌ টোপনি কিহৰ ? মোৰ নিজৰ ক্ষেত্ৰত অৱশ্যে সদায় সেইটোৱেই হৈছিল। মই দিনটো ভাল মানুহৰ দৰেই থাকো। গধূলি হোৱাৰ লগে লগেই এঠাইলৈ গৈ খুব মদ খাওঁ। মই খুব বেয়া মানুহ, বুজিছা? মদ খাই নিচা হোৱাৰ লগে লগেই মোৰ নানা বেয়া কাম কৰিবলৈ মন যায়। আটাইতকৈ বেয়া কাম হ'ল, কবিতা লিখিবলৈ মন যায়। কিছুমান মানুহে মদ খাই কিয় কবিতা লিখে জানা? সেই সময়ত হৃদয়ে বুদ্ধিৰ শাসন-ৰহিত নীতি-বিচাৰৰ উৰ্দ্ধস্থিত বিশুদ্ধ জীৱন-চেতনাৰ আৱেগৰ মাজত বাস কৰে। Meaninglessness of beauty অথবা beauty of meaninglessness-- এই দুটা চেতনা মনৰ মাজত তেতিয়া সত্য ৰূপত প্ৰতিভাত হয়। কবিতা লিখাৰ বাহিৰেও মোৰ আৰু বেয়া কাম কৰিবলৈ মন যায়। মোৰ পাপ কৰিবলৈ মন যায়। মদৰ নিচাত মোৰ যি মন যায় চব কৰি পেলাও। লাহে লাহে এটা মুহূৰ্ত্ত আহে, যেতিয়া মোৰ গভীৰ অৱসাদ আহে। দেহৰ অৱসাদ, আত্মাৰ অৱসাদ । তেতিয়া মোৰ শুবলৈ খুব মন যায়। মৃত্যুৱেইতো একমাত্ৰ নিদ্ৰা, কাৰণ সি নিত্য , চিৰন্তন। মৰিবলৈ বুলি মই তেতিয়া ইয়ালৈ গুচি আহো। কিন্তু এই শিলচটাতে বহি বহি কিছু সময় টোপনি যোৱাৰ পাছত মোৰ মদৰ নিচা কাটি যায়, জীয়াই থাকিবলৈ আকৌ লোভ হয়। কি কুৎচিত, অশ্লীল এই লোভ।

ছোৱালীজনীয়ে তলমূৰ কৰি একান্তমনেৰে বঞ্চিতৰ প্ৰলাপসদৃশ সেই কথাবোৰ শুনি আছিল। তাক নীৰৱ হোৱা দেখি তাই মূৰ দাঙি পৰিপূৰ্ণ দৃষ্টিৰে তালৈ চাই পঠিয়ালে । অপৰাধী শিশুৰ দৰে ভীত, ক্লান্ত, অথচ সৰল এখন মুখ। প্ৰথমতে চকামকাকৈ দেখোঁতে তাক আধাবয়সীয়া মানুহ যেন তাইৰ ধাৰণা হৈছিল। কিন্তু আচলতে সি পঁচিশ-চাবিবশ বয়সৰ এটা ডেকা ল'ৰা। কি দুখত সি মৰিবলৈ আহিছিল? সি নিজেই নেজানে তাই কেনেকৈ জানিব! তথাপি এটা কথা তাইৰ ভাবিবলৈ মন গ'ল। কোনো মানুহেই কেৱল নিজৰ কাৰণে জীয়াই থাকিব নোৱাৰে। জীয়াই থাকিবৰ কাৰণে এটা অন্তহীন প্ৰেৰণা লাগে, হৃদয়ৰ আশ্ৰয় লাগে। যৌৱনৰ প্ৰাৰম্ভলৈকে সেই আশ্ৰয় পাইছিল মাক- বাপেকৰ মনৰ মাজত, নিজৰ পৰিয়ালৰ আত্মীয়তাৰ আবেষ্টনীত। এদিন সেই আশ্ৰয় সি পাব

এজনী তিৰোতাৰ, তাৰ প্ৰিয়াৰ নিবিড় সাহচৰ্যৰ মাজত, আপোন সন্তানৰ কাৰণে জীয়াই থকাৰ মহৎ প্ৰেৰণাৰ মাজত। কিন্তু তাৰ মাজৰ এই সময়খিনি, মাক-বাপেকৰ বুকুৰপৰা, ঘৰৰ বন্ধনৰপৰা সি ওলাই আহিল জগতৰ বক্ৰাক্ত ৰাজপথলৈ। তাৰ নিজৰ কোনো ঘৰ নাই-- যৌৱনৰ গভীৰ নৈঃসংগ্যৰ এই আশ্চৰ্য সময়খিনি মৃত্যুৰ আহ্বানত এতিয়াই যদি সি সহাৰি নিদিয়ে, তেন্তে কেতিয়া দিব? ছোৱালীজনীৰ মনে মনে খুব প্ৰাৰ্থনা কৰিবলৈ মন গ'ল। তাৰ যেন সোনকালে এখন ঘৰ হয়। হে ঈশ্বৰ! পত্নীৰ প্ৰেম আৰু সন্তানৰ মমতাৰ মাজত সি যেন জীয়াই থকাৰ নতুন প্ৰেৰণা বিচাৰি পায়।

ৰঞ্জিত বোধহয় কিছু সময় নিজৰ চিন্তাত মগ্ন হৈ আছিল । হঠাতে সি তাৰ কান্ধত ছোৱালীজনীৰ হাতৰ স্পৰ্শ অনুভৱ কৰিলে। গোটেই দেহতে সি এটা আশ্চৰ্য শিহৰণ অনুভৱ কৰিলে। সেয়া যেন কোনো নাৰীৰ হাতৰ স্পৰ্শ নহয়, সেয়া নিসৰ্গৰ-নিৰ্ভয় বাণী, মৰ্ত্যৰ মৃত্তিকাত সৃষ্টিৰ প্ৰথম সূৰ্যৰ আলোকৰ স্পৰ্শ, মৃত্যুৰ অন্ধকাৰত শাশ্বত জীৱনৰ অঞ্জলি-বদ্ধ প্ৰাৰ্থনা, প্ৰেয়সীৰ চিৰন্তন আশ্বাস। সি মনে মনে কেৱল প্ৰাৰ্থনা কৰিলে, সেই স্পৰ্শ যেন তাৰ জীৱনত অক্ষয় হৈ ৰয়।

জেপত চিগাৰেট বিচাৰি আকৌ হাত ভৰালে। চিগাৰেট নাছিল , কিন্তু এটা আধাখোৱা বিড়ি আছিল। তাকে জ্বলাই লৈ সি ছোৱালীজনীৰ ফালে চাই মাত লগালে ঃ মৰিবলৈ আহিছিলা , কিন্তু মৰাতো নহ'ল। এতিয়া ঘৰলৈ ঘূৰি যোৱা। ৰাতিপুৱালৈকেতো মোৰ লগত এইদৰে বহি থাকিব নোৱাৰা।

মইতো নমৰিবলৈ এতিয়াও সিদ্ধান্ত লোৱা নাই, মই মৰিবই লাগিব। বৰং তুমিয়ে সোনকালে ঘৰলৈ ঘূৰি যোৱা আৰু মোক শান্তিত মৰিবলৈ দিয়া। ছোৱালীজনীয়ে গভীৰ মমতাৰে ৰঞ্জিতৰ কান্ধত হাত বুলাবলৈ ধৰিলে, যেন সি বয়সীয়া মানুহৰ মনৰ কথা বুজি নোপোৱা এটা নিৰ্বোধ সৰু ল'ৰা।

ৰঞ্জিতে এইবাৰ অলপ অধৈৰ্য হৈ মাত লগালে ঃ 'নমৰিলেই নচলে, এনেকুৱা তোমাৰ কি কথা আছে? মোক নোকোৱা কিয়?'

ৰঞ্জিতৰ বিৰক্তিত ফুৰ্তি পোৱাৰ দৰে ছোৱালীজনীয়ে এটা সৰু হাঁহি মাৰিলে। মই কিয়, মৰিব লাগে জানা? তুমি এটা পঁচিশ বছৰীয়া কেঁচুৱা।

তোমাৰ আগত মোৰ একো কথা ক'বলৈ লাজ নেলাগে। শুনা, মই এজন মানুহক ভাল পাইছিলো। তেওঁৰ লগত বিয়া হ'বলৈ পালে খুব সুখী হ'ম বুলি ভাবিছিলো। বিয়াৰ আগতেই তেওঁ মোৰপৰা বিবাহিতা মাইকীৰ সকলো অধিকাৰ আদায় কৰিছিল। ফলত মই গৰ্ভৱতী হ'লো। কিন্তু এতিয়া তেওঁ মোক বিয়া কৰিবলৈ অসন্মত হৈছে। আনকি তেওঁ মোৰ পেটৰ সন্তানৰ পিতৃত্বৰ দায়িত্বও অস্বীকাৰ কৰিছে। ইয়াৰ পাছত আৰু মই কেনেকৈ জীয়াই থাকিব পাৰোঁ।'

জীৱনৰ নতুন এটা ৰহস্য চকুৰ আগত দেখা পোৱাৰ দৰে স্তব্ধ বিস্ময়েৰে ৰঞ্জিতে ছোৱালীজনীলৈ চাই পঠিয়ালে। এইবাৰ তাৰ দৃষ্টি ছোৱালীজনীৰ মুখতে আবদ্ধ নহ'ল। তাৰ চকু গ'ল তাইৰ উন্নত স্তন দুটালৈ . তাইৰ নিটোল জঘনৰ তৰংগ বলয়লৈ । প্ৰেমিকৰ নভোচাৰী সৌন্দৰ্য-কল্পনাৰ দিগন্তত ইন্দ্ৰিয়গ্ৰাহ্য কঠিন মাটিৰ বিস্তাৰ, য'ত জীৱনৰ নতুন শইচ গজে— প্ৰকৃতিৰ অন্ধ তাড়নাত। 'মই এতিয়াও বুজি নেপালো তুমি কিয় মৰিব লাগে। তুমি আন কোনোবা এজনক ভাল পাব পাৰা। তদুপৰি তোমাৰ পেটত এটা সন্তান আছে। তাক তুমি জন্মৰপৰা কিয় বঞ্চিত কৰিবা?'

তুমি এটা পাগল – ছোৱালীজনীয়ে মাত লগালে। অবৈধ সন্তানৰ গৰ্ভধাৰিণী এজনী অসতী তিৰোতাক কোনে বিয়া কৰিব? অথবা , কোনোবাই কিবা কাৰণত বিয়া কৰিব খুজিলেও মই তেওঁক ভাল নেপাবওতো পাৰো। প্ৰেমহীন যুগলশয্যা মোৰ কাৰণে নৰক। তাতকৈ মৃত্যু বেছি বাঞ্ছনীয়। তদুপৰি জীৱনত মই এজন মানুহকেই বিচাৰিছিলো। তেওঁৰপৰা প্ৰেমৰ পৰিবৰ্তে পালো প্ৰৱঞ্চনা। জীয়াই থকাৰ প্ৰতি মোৰ আৰু কোনো আকৰ্ষণ নাই।

তুমি এতিয়াও সেই মানুহজনক ভালপোৱা? ৰঞ্জিতে প্ৰশ্ন কৰিলে।

মোৰ মনৰ গভীৰত তেওঁৰ প্ৰতি এতিয়াও এটা আকৰ্ষণ আছে। কিন্তু তাৰ লগত মিহলি হৈ আছে এটা তীব্ৰ ঘৃণা! ঘৃণা – তেওঁৰ নৈতিক কাপুৰুষতাৰ প্ৰতি, তেওঁৰ শঠতাৰ প্ৰতি।

তোমাৰ নাম কি?

হঠাতে এনে আকস্মিক প্ৰশ্নত ছোৱালীজনী প্ৰথমে অলপ অপ্ৰস্তুত হ'ল। তাৰ পাছত তাই সহজভাৱে উত্তৰ দিলে ঃ মাধৱী।

তুমি কিমানলৈকে পঢ়িছিলা?

বি এ লৈকে।

ভাল কথা। তুমি শিক্ষিতা ছোৱালী। মোৰ কথা বুজিব পাৰিবা । চোৱা মাধৱী, জীৱনৰ সকলো ঘটনাই chance event। আজি তুমি আত্মহত্যা কৰিবলৈ আহি by chance মোক লগ পাই গ'লা। নহ'লে তুমি ইমানপৰ মৰি ভূত হৈ গ'লাহেঁতেন । জীৱনৰ এটা বিশেষ মুহূৰ্তত ঘটনাক্ৰমে তুমি সেই মানুহজনক লগ পাইছিলা, তুমি তেওঁক ভাল পাইছিলা। তেওঁক লগ নেপোৱা হ'লেও আন কোনোবা এজনক লগ পাই তুমি তেওঁক ভাল পালাহেঁতেন, তেওঁৰ প্ৰেমৰ মাজেদি তোমাৰ হৃদয়ৰ জাগৰণ হ'লহেঁতেন। আচলতে প্ৰেমৰ মাজেদি তুমি যৌৱনৰ এটা অতীন্দ্ৰিয় আৱেগ উপলব্ধি কৰিব খোজা। তোমাৰ সেই হৃদয়ৰ জাগৰণত বিশেষ এজন মানুহ নিমিত্তমাত্ৰ। হয়তো তুমি আকৌ এজন মানুহ এদিন লগ পাই যাবা, যাৰ মাজেদি তোমাৰ অনিৰ্বচনীয়ৰ উপলব্ধি দীপ্ততৰ হৈ উঠিব । তুমি প্ৰতীক্ষা কৰা, প্ৰাৰ্থনা কৰা। জীৱনটো এটা অন্তহীন প্ৰাৰ্থনা মাত্ৰ।

সেই বোৰ যুক্তিৰ কথা — ছোৱালীজনীয়ে মাত লগালে। আঁচনি কৰি কোনেও কাকো ভাল নেপায়। মোক কোনোবাই এদিন ভাল পাব বা মই তেওঁক ভাল পাম, এই আশা কৰি পেটত এটা অবৈধ সন্তান লৈ মই কেনেকৈ জীয়াই থাকিব পাৰো? মই মৰিবই লাগিব।

ৰঞ্জিতে কিছু সময় সন্মুখৰ এন্ধাৰবোৰলৈ চাই মনে মনে ৰ'ল। এন্ধাৰত পৃথিবীৰ কোনো দৃশ্যকেই ভালকৈ মণিব নোৱাৰি । কিন্তু গভীৰতম অন্ধকাৰতো একমাত্ৰ সত্য হৈ উদ্ভাসিত হৈ থাকে আকাশ । আৰু সেই তৰাবোৰ— Desire of the moth for the Star,-- সেই তৰাবোৰ যি চিৰকাল মানৱ হৃদয়ক অজান দেশলৈ আহ্বান কৰি আহিছে। সেই দেশ মহাশূন্যৰ বুকুত হয়তো ক'তো নাই, কিন্তু জীৱনৰ সমস্ত প্ৰাৰ্থনা অপ্ৰাপ্যনীয়ৰ উদ্দেশ্যেই নিবেদিত। এই ছোৱালীজনী মৃত্যুৰ আহ্বানত ইয়ালৈ দৌৰি অহা নাই, প্ৰেমৰ আহ্বানতো নহয়। কাৰণ জীৱনৰ অখণ্ড ৰূপৰ পটভূমিত যৌৱনৰ আৱেগ-সঞ্জাত প্ৰেমৰ তাড়না অকল ক্ষণ-ভংগুৰেই নহয়, অনেক সময়ত সি বিভ্ৰান্তিকৰো । তাই দৌৰি আহিছে জীয়াই থকাৰ প্ৰকৃত প্ৰেৰণাৰ সন্ধানত। সেই প্ৰেৰণাৰ উৎস

চিৰকাল ৰহস্যাবৃত। সেযেহে সেই সন্ধানৰো কেনোদিন শেষ নাই। গভীৰ আধ্যাত্মিক আবেগ বা সৌন্দৰ্য্যবোধ আৰু কলা-কৃষ্টিৰ মাজেদি যি সকলে অনিৰ্বচনীয়ৰ লগত প্ৰাণৰ অতীন্দ্ৰিয় সংযোগ উপলব্ধি কৰিব পাৰে, প্ৰেমৰ ক্ষেত্ৰত বা জীৱনৰ অন্যান্য ক্ষেত্ৰত ব্যৰ্থতা তেওঁলোকৰ কাৰণে তুচ্ছ হৈ পৰে। যি হৃদয়ত সেই অতীন্দ্ৰিয় আবেগ অনুভৱেই নকৰে, তাৰ কাৰণে জীৱন্ পশুৰ দৰে সহজ। এই ছোৱালীজনীয়ে সেই আবেগ অনুভৱ কৰিছিল, কিন্তু তাই আত্মাৰ সেই অপৰূপ কাব্য ৰচনাৰ এটা মাত্ৰ ভাষা জানে ঃ দেহৰ ভাষা।

ৰঞ্জিতে ছোৱালীজনীলৈ ঘূৰি চালে। হেমন্তৰ শেহৰাতিৰ বিষণ্ণ জোনাকত মায়া-মদিৰ হৈ উঠা সমুখৰ বিশাল নদীখনৰ দৰে তাইৰ মুখতো এটা অপাৰ্থিব জেউতি, আত্মাৰ গভীৰ বিষাদ, সেই মুখ দেখি বুকুত সাবটি লৈ চুমা খাবৰ মন নেযায়, যেনেকৈ গধূলিৰ দিগন্তত ৰঙীণ মেঘ দেখি তাক স্পৰ্শ কৰিবলৈ মন নেযায় সি তাইৰ মুখখনলৈ চাই ৰ'ল। ঈশ্বৰক ধন্যবাদ! জীৱনৰ এটা আশ্চৰ্য্য লগ্নত বিশেষ এজনী ছোৱালীৰ সামান্য মুখ এখনেও মনলৈ অসামান্যৰ আবেগ আনি দিলে। হৃদয়ে তেতিয়া কোনো প্ৰশ্ন নকৰে, কেৱল সি গান গাই উঠে, — 'তব কণ্ঠে মোৰ নাম যেই শুনি, গান গেয়ে উঠি, আছি আমি আছি।'

তুমি মৰিবই লাগিব? বহুত পৰৰ মূৰত সি ছোৱালীজনীক প্ৰশ্ন কৰিলে। মাধৱী নিৰুত্তৰ হৈ ৰ'ল।

ঠিক আছে। উঠা, থিয় হোৱা। সেই পাহাৰটোৰ ওপৰত থিয় হোৱা, তাৰ পাছত নৈৰ বুকুলৈ জাপ মাৰি দিয়া। মৰিব খুজিলে পানীত পৰি মৰাই আটাইতকৈ ভাল। দেহ অক্ষত হৈ ৰয়, চকুৰ আগত এন্ধাৰৰ চিৰ-যৱনিকা নামি অহাৰ আগ মুহূৰ্ত পৰ্য্যন্ত পৃথিৱীৰ সমস্ত পোহৰ শেষবাৰলৈ চাই ল'ব পাৰি। মই এফাকি কবিতা গাওঁ শুনা ; মৃত্যুৰ আগ মুহূৰ্তত যেন তোমাৰ কাণত এফাকি কবিতা বাজি ৰয়— এফাকি কবিতা, জীৱনৰ সৰ্বশ্ৰেষ্ঠ সম্পদ শব্দ, আৰু সেই শব্দৰ সুন্দৰতম সৃষ্টি কবিতা ঃ

I was all ear,
And took in strains that might create a soul
Under the ribs of death.

ৰঞ্জিতে আকৌ মাধৱীলৈ চাই পঠিয়ালে । তাইৰ গভীৰ চকু দুটা পানীৰে সজল হৈ পৰিছে । এই চকুদুটাই এদিন এটা মানুহৰ আগমনলৈ আতুৰ হৈ চাই ৰৈছিল। সেই মানুহটোৰ স্পৰ্শত এই চকুদুটা এটা অন্ধ তৃপ্তিৰ আবেশত মুদ খাই গৈছিল। ঠিক এই মুহূৰ্তত এই চকুহালিৰ সম্মুখত সেই মানুহটো নিশ্চয় নাই। এতিয়া তাইৰ সমুখত আছে কেৱল জীৱন - তাৰ অন্তহীন বিশলতাৰে , অপৰিমেয় ৰহস্যেৰে, তাৰ সমস্ত ধ্বনি, ৰঙ আৰু গানেৰে। তাৰ গভীৰ বিষাদ আৰু বেদনাৰে। তথাপি তাই মৰিব লাগিব। মোহ-ভংগ আৰু বেদনাৰ মাজত তাইৰ হীন-সত্তাটো মৰি নোযোৱালৈকে জীৱনৰ আচল দান তাই হাত পাতি ল'ব নোৱাৰে।

মাধৱী উঠা, পলম কৰিছা কিয়? সি আকৌ মাত লগালে।

এইবাৰ তাই হুক্ হুক্‌কৈ কান্দি উঠিল । তুমি মোক মৰিবলৈ দিবা। তাই প্ৰায় আৰ্তনাদ কৰি উঠিল। তুমিওতো মৰিবলৈ আহিছিলা? তুমি তেন্তে এতিয়া কিয় নমৰা?

মই ইতিমধ্যেই মৰিলো, মাধৱী । মই এতিয়া এটা নতুন মানুহ । মই লেজাৰাছ্, এই মাত্ৰ কবৰৰপৰা উঠি আহিলো, এটা পৰম চেতনাৰ আহ্বান। ইয়াৰ আগতেও মই বহুতবাৰ মৰিছো, প্ৰত্যেকবাৰেই নতুনকৈ জন্ম লৈছো। তুমি কিন্তু এবাৰো মৰা নাই। আজি তুমি মৰিবই লাগিব।

তুমি দেখা নাই। ময়ো ইতিমধ্যে মৰি নতুনকৈ জীৱন পালো? অ' নহয়, মই মৰবিই লাগিব। নতুনকৈ ওপজিবলৈ মোৰ একো অধিকাৰ নাই।

তমি নতুনকৈ ওপজা মাধৱী। মই যি বাটেৰে জীৱনলৈ ঘূৰি যাম সেই বাটত অ..লৈ যাব নোখোজো .তোমাকো লগত নিব খোজো । ৰঞ্জিতে প্ৰথবাৰৰ কাৰণে মাধৱী হাতখন স্পৰ্শ কৰিলে।

মাধৱীয়ে লাহেকৈ হাতখন আঁতৰাই নি উত্তৰ দিলে। কিন্তু মোৰ গৰ্ভত এটা অবৈধ সন্তান। মই স্বেচ্ছাই এদিন আন এজন পুৰুষক দেহদান কৰিছিলো। মোৰ মুখত অন্য এজন পুৰুষৰ অজস্ৰ চুমাৰ দাগ। তথাপি তুমি মোক ভাল পাব পাৰিবা?

মাটিত গুটি পৰিলেই গছ হয়। সি প্ৰকৃতিৰ অন্ধ তাড়না। সুখাদ্যৰ ৰুচি

খাবৰ সময়ত যিমানেই তৃপ্তিকৰ নহওক জিভাত যেনেকে লাগি নেথাকে . আন এজন পুৰুষৰ স্পৰ্শত পোৱা আনন্দও দেহত লাগি থকা নাই। মোৰ কোনো ঈৰ্ষা নাই। প্ৰেম মোৰ কাৰণে এনে এটা অনুভূতি যি অনুভূতি ওপজে কবিৰ আত্মাৰ গভীৰতম বাণী শুনি. মহান মৃত্যুৰ মুখামুখি হৈ প্ৰকৃতিৰ অৰ্থহীনতা সৌন্দৰ্য দেখি । তুমি এটা কথা নেজানা মাধৱী। জীৱনৰ অৰ্থহীনতা সম্পৰ্কে গভীৰ চেতনা নেথাকিলে অথবা মনত কাব্যানুভূতি নহ'লে কোনেও প্ৰেমৰ আচল উপলব্ধি লাভ কৰিব নোৱাৰে। সেই কাৰণে জীৱনতকৈ সাহিত্যতেই আমি প্ৰেমৰ প্ৰকৃত চেতনা বেছিকৈ লাভ কৰো। অনিৰ্বচনীয়ৰ প্ৰতি আমাৰ যি আকাংক্ষাই প্ৰকৃতিৰ সামান্য বস্তুতো অসামান্যত্ব আৰোপ কৰে, সেই একে আকাংক্ষাই নাৰীৰ মুখতো সেই জ্যেউতি দেখে, Which was never on land and sea. জীৱনক প্ৰকৃতিৰপৰা বিচ্ছিন্ন কৰি নেচাই তাৰ অংশৰূপে চাব পাৰিলে, আমি সৌন্দৰ্য আৰু প্ৰেমৰ আচল চেতনা লাভ কৰিব পাৰো।

তুমি ইমান বক্তৃতা দিব পাৰা — মাধৱীয়ে মাত লগাতে। মই ইমানবোৰ কথা শুনিব নোখোজো। মোক কেৱল তুমি অলপ মৰম কৰা, তোমাৰ মাজত মোক জীয়াই থাকিবলৈ দিয়া।

তুমি মোক ভালপাব পাৰিবা ? বৃঞ্জিতে ধেমেলীয়া হাঁহি এটা মাৰি প্ৰশ্ন কৰিলে।

তুমি ভাল পোৱা নিবিচাৰা। তুমি কি বিচৰা, মই নেজানোৱেই। মোৰ কেৱল তোমাৰ ওচৰত বহি থাকি মনটো কিবা লাগি গৈছে। হে ঈশ্বৰ! মোৰ যে কি লাগি গৈছে। মোৰ এতিয়া মৰি যাবলৈ মন গৈছে। কিন্তু অলপ আগতেও যে মৰিব খুজিছিলো, সেই মৰাৰপৰা এই মৰা কিমান বেলেগে।

◆◆◆

# বীৰত্ব

এজনীক ছোৱালী মোৰ গাৰ কাষেদি পাৰ হৈ গ'ল। মই যিমানদূৰ পাৰো আকৰ্ষণীয় হ'বলৈ চেষ্টা কৰিছিলো। সিহঁতৰ এজনীয়েও মোলৈ ভ্ৰূক্ষেপেই নকৰিলে। মই অলপ নিৰ্বিকাৰ হ'বলৈ যত্ন কৰি কেইখোজমান আগবাঢি গ'লো। সিহঁতৰ গাৰপৰা অথবা সিহঁতৰ কাপোৰৰপৰা এটা ভাল গোন্ধ ওলাইছিল। ভাল গোন্ধ, ভাল গান, ভাল দৃশ্য-- এইবোৰ বৰ আপদীয়া বস্তু। বহুত সময়লৈকে সিহঁতে মনটোত খেলি-মেলি লগাই থাকে। কেইখোজমান গৈ মই হঠাতে ৰৈ গ'লো। পাছফালে এবাৰ ঘূৰি চালো। ছোৱালীজনীক গৈয়ে আছে। কেতিয়াও, কোনো সময়তে এটা সম্পূৰ্ণ উলংগ নাৰীমূৰ্তি কল্পনা কৰিবলৈ তোমাৰ মন নেযায় নে? কিছুমান মানুহৰ নিশ্চয় যায়। মই শিলত কটা নাঙঠ নাৰীমূৰ্তি দেখিছো। ক'ত দেখিছো পাহৰিছো। সেই মূৰ্তি কটা মানুহবোৰৰ তিৰোতাৰ উলংগ দেহটো কল্পনা কৰি নিশ্চয় ভাল লাগিছিল। ছোৱালীজনীকলৈ মই কিছু সময় চাই ৰ'লো। পাছফালৰপৰা চালে সমান দৈহিক গঠনৰ আটাইবোৰ ছোৱালীক প্ৰায় একে দেখি। সেই একে বহল পিঠি, লাহী কঁকাল, পুৰঠ উৰু- কিছুমান অশ্লীল ফেনিল ঢউ। পাছফালৰপৰা চালে ফেন্টাচিৰ (হোটেল) ব্ৰিষ্টিনা আৰু ছোৱালীকেইজনীৰ মাজত মই একো পাৰ্থক্য বিচাৰি নেপাওঁ। ব্ৰিষ্টিনাৰপৰা যে ক্ৰিষ্টিনা বেলেগ -- সেই কথা বুজিবলৈ সিহঁতক সমুখৰপৰা চাব লাগে। আমি তিৰোতাক কোনফালৰপৰা চাওঁ, তাৰ ওপৰতে তিৰোতা কি বস্তু সেইটো নিৰ্ভৰ কৰে।

মই আকৌ নিজৰ বাটত খোজ ল'লো। মনটো অলপ দমি যোৱা যেন অনুভৱ কৰিলো। চিগাৰেট এটা জ্বলাবলৈ মন গৈছিল। কিন্তু জেপত পইচা নাই। সোনকালে জেপলৈ পইচা অহাৰো আশা নাই। মোৰ যে জেপত পইচা নাই, প্ৰায়েই নেথাকে, সেই কথা ছোৱালীবোৰে গম পায় নেকি? নহ'লে সিহঁতে মোলৈ মূৰ তুলি নেচায় কিয়? মই খুব ধুনীয়া সাজপাৰ পিন্ধি থকা হ'লে

যেনেকৈ কলেজত পঢ়া ল'ৰাবোৰ থাকে— অথবা খুব ধনীৰ সন্তান হোৱাহেঁতেন, ধৰি লোৱা বিশ্ব চৌধুৰীৰ ল'ৰাৰ নিচিনাকৈ, অথবা খুব বিখ্যাত মানুহ হোৱাহেঁতেন! ৰূপেন হাজৰিকা গায়ক বিখ্যাত, ভৱকান্ত বৰুৱা কবি বিখ্যাত, নীৰদ চৌধুৰী ক্ৰিকেটিয়াৰ বিখ্যাত---- তেতিয়া সিহঁতে মোলৈ নিশ্চয় চালেহেঁতেন। এটা ধুনীয়া হাঁহিও উপহাৰ দিলেহেঁতেন কিজানি। এজনী ৰূপহী গাভৰুৱে তোমালৈ আবেগেৰে চাইছে। আবেগ মানেইতো আকাংক্ষা , তোমাক দেখি মুগ্ধ হৈছে। তুমিও ' আছা' সেই কথা স্বীকাৰ কৰিছে-- সেই কথা ভাবি তোমাৰ ভাল নেলাগে নে? মোলৈ যিবোৰে মূৰ তুলি চায়, সেইবোৰ অতি নগণ্য সাধাৰণ তিৰোতা। ৰাস্তাৰ কাষৰ শিল ভঙা বনুৱা তিৰোতা, চকিদাৰণী, বস্তিৰ আধা বুঢ়ী আবিয়৷ ছোৱালী , ব্যৱসায়ী মাইকী,-- সিহঁতে মোলৈ চায়। মোক দেখিয়েই সিহঁতে বোধহয় বুজে যে মই প্ৰায় সিহঁতৰ শ্ৰেণীৰে মানুহ । মোৰ নাম মিলিক। মিলিক দাস। বেছি ভাগেই মোক মিলিক গুণ্ডা বুলিহে জানে। মানুহে মোক গুণ্ডা বুলি কিয় কয় মই বুজি নাপাওঁ । মই এটা ৰোজগাৰ নোহোৱা অশিক্ষিত, দুখীয়া ডেকা মানুহ। কৰিবলৈ একো কাম নথকাৰ কাৰণে ৰাস্তাই ৰাস্তাই টলৌ টলোকৈ ঘূৰি ফুৰো । চিনেমা চাবলৈ পইচা নথকাৰ কাৰণে ৰাস্তাৰ কাষৰ পাণ দোকানত বহি বহি আড্ডা মাৰো। জীৱনত যিবোৰ বস্তু পাবলৈ মন যায় , সেইবোৰ পাবলৈ হাতত টকা নথকাৰ কাৰণে গাৰ জোৰেৰে আদায় কৰি লওঁ। ত্ৰিশ বছৰ বয়স, এতিয়ালৈকে বিয়াই নহ'ল। সোনকালে হোৱাৰ আশাও নাই। সেই কাৰণে অসামাজিক ভাৱে দেহৰ সাধ পূৰাই লওঁ। এতেকে মই গুণ্ডা । কেতিয়াবা মোৰ খুব খং উঠে। হেৰা বিশ্ব চৌধুৰীৰ পুতেক, তোমাৰ নিচিনাকৈ ভাল খাবলৈ পোৱা হ'লে, কলেজত পঢ়িবলৈ পোৱা হ'লে, ধুনীয়া ছোৱালীৰ লগত প্ৰেম কৰিবলৈ পোৱা হ'লে -- মই নিশ্চয় গুণ্ডা নহ'লোহেঁতেন। টকা থাকিলে মানুহে তোমালৈ চায়, ৰূপ থাকিলে চায়, মান-সম্ভ্ৰম, পদবী বা শিক্ষা থাকিলে চায়। মোৰ সেইবোৰ একো নাই। সেইটো মোৰ দোষ নেকি? মই এটা জীৱন্ত ডেকা মানুহ। মই যেতিয়া ৰাস্তাইদি খোজকাঢ়ি যাওঁ, তোমালোকে মোক নোচোৱা কিয়? মোৰ অস্তিত্বক কোনেও গ্ৰাহ্যই নকৰে, সেই কথা ভাবি কাৰ ভাল লাগে।

এদিন গানৰ মজলিছ্ এখনলৈ গৈছিলো। ধুনীয়া ডেকা এজনে গান গাইছিল। সন্মুখৰ চকীবোৰত এজাক ধুনীয়া ছোৱালী বহি আছিল। ৰভাঘৰৰ বাহিৰত মোৰ লগৰ মানুহবোৰৰ লগত থিয় হৈ মই গান শুনি আছিলো। মাজে মাজে ছোৱালীবোৰলৈ চকু গৈছিল। হঠাতে এজনী খুব ধুনীয়া মাইকী মানুহৰ ওপৰত চকু পৰিল। মানুহজনী মই চিনি পাওঁ। কুমুদ বৈশ্য ঠিকাদাৰৰ ঘৈণীয়েক। গান গোৱা ডেকাজনলৈ তাই মুগ্ধ অপলক দৃষ্টিৰে চাই আছে। মই বাজী মাৰি ক'ব পাৰো, তাই গানৰ এটা শব্দও শুনা নাছিল। তাই লোভাতুৰ দৃষ্টিৰে চাই ৰৈছিল হেজাৰ দৰ্শকৰ মনোহৰণ কৰা, সুন্দৰ গান গোৱা সেই ডেকাজনৰ মুখলৈ আৰু মনে মনে নিশ্চয় ভাবিছিল, মই যদি তেওঁৰ তিৰোতা হ'লোহেঁতেন। এনে এজন সুপুৰুষ সুগায়কৰ তিৰোতা বুলি সকলোৱে মোক নিশ্চয় ঈৰ্ষাৰ চকুৰে চালেহেঁতেন। লাহে লাহে বাকীবোৰ তিৰোতাৰ মুখলৈকো মোৰ চকু গ'ল। সিহঁতৰ কি জ্বলন্ত চাৱনি । গান শুনা নাই। যেন সকলোৱে চকুৰ চাৱনিৰে সেই ডেকাজনৰ মুখখন লেহনহে কৰিছে। হঠাতে মোৰ মনত সেই গায়কজনৰ প্ৰতি এটা উন্মত্ত ঈৰ্ষা জাগি উঠিল। মই যদি তেনেকৈ গান গালোহেঁতেন, আটাইবোৰ ছোৱালীয়ে মোলৈকো তেনেকৈ চাই ৰ'লহেঁতেন। মই কালৈকো পৰোৱাই নকৰাৰ ভাব দেখুৱাই নিৰ্বিকাৰভাৱে গান গাই গলোহেঁতেন। পিছ মুহূৰ্ততে মোৰ নিজৰ আচল অৱস্থাটোলৈ মনত পৰি মোৰ মূৰ গৰম হৈ গ'ল। হেজাৰ হেজাৰ মানুহে চকীত বহি আৰামত গান শুনিছে। মই ৰাস্তাৰ কুকুৰৰ দৰে জাৰত কঁপি কঁপি কিছুমান নৰ-কংকালৰ মাজত থিয় হৈ গান শুনিছো। তৎক্ষণাৎ মই তাৰপৰা গুচি আহিলো। কিবা এটা কৰিবলৈ মোৰ খুব মন গ'ল। ময়ো কিবা এটা কৰিম, ময়ো তোমালোকৰ জ্বলন্ত দৃষ্টি মোৰ ফালে আকৃষ্ট কৰিম, ময়ো মেঘাচ্ছন্ন আকাশৰ বুকু চিৰি বিদ্যুৎ শিখাৰ দৰে ভমক্ কৈ জ্বলি উঠি তোমালোক সকলোকে স্তব্ধ কৰি দিম। ঘাই ৰাস্তাসে উঠি মই জোৰেৰে খোজকাঢ়িবলৈ আৰম্ভ কৰিলো। কি কৰা যায়। গানৰ মজলিছ্ নহৈ সেইখন যদি মাল যুঁজৰ আখৰা হ'লহেঁতেন। কেনে ভাল হ'লহেঁতেন। একেটা পেচতে সেই গানগোৱা ডেকাটোক চিত খুৱাই পেলাই বিজয় গৰ্বেৰে মই সেই ছোৱালীবোৰৰ সমুখত থিয় দিলোহেঁতেন। মোৰ দেহৰ সুন্দৰ পেশীবোৰলৈ চাই সিহঁতৰ চকুবোৰ বিস্ময়ত বিস্ফুৰিত হৈ গ'লহেঁতেন। কাৰ সাহ আছে, ওলাই আহা, একেটা

ঘোচাতে তোমালোকৰ কমনীয় সুন্দৰ মুখবোৰ তেজেৰে ৰাঙলী কৰি বিকৃত কৰিবলৈ পালে মোৰ ভাল লাগিব। বহুদিনৰ আগতে মানুহে তেনেকুৱাই কৰিছিল। দেহৰ জোৰেৰেই মানুহে মাইকী আৰু পৃথিবীৰ ওপৰত নিজৰ অধিকাৰ স্থাপন কৰিছিল। তোমালোকে আজিকালি সভ্য হৈ টকা গোচ দি মাইকীক বশ কৰিছা। আমাৰ যিবোৰৰ টকা নাই, সিহঁতে কি কৰিম? নপুংসক, কাপুৰুষ তোমালোকক মই ঘিণ কৰো। শুনিছা? মই তোমালোকক ঘিণ কৰো।

খুব ভালকৈ মনত আছে, সেই ৰাতি মই পোনে পোনে ব্ৰিষ্টিনাৰ ওচৰলৈ গৈছিলো । তোমালোকৰ এই সুন্দৰ গুৱাহাটী চহৰতে, শ শ তিৰোতা আছে, যি নিজৰ দেহৰ উপাৰ্জনেৰে জীয়াই থাকে। চক্ খাই নুঠিবা, উট চৰাইৰ দৰে বালিতো মুখ নুলুকুৱাবা । মই মিলিক গুপ্তা, মোৰ শ্ৰেণীৰ মানুহৰ জীৱনৰ কথা মই ভালকৈ জানো। তোমালোকেও সেইবোৰ জনা উচিত। জনা উচিত যে, সভ্যতাৰ পালিচৰ তলত। তোমালোকৰ সমাজখন ভিতৰে ভিতৰে একেবাৰে গেলা, দুৰ্গন্ধময়। এই গুৱাহাটী চহৰত, ধৰি লোৱা একলাখ মানুহ আছে। তোমালোকৰ সাহিত্য, সঙ্গীত. কলা, ধৰ্ম-চৰ্চা, মানৱ সংস্কৃতিৰ সৰ্বোত্তম ফল সেইখিনি ভোগ কৰিছে ধৰিলোৱা দহ হেজাৰ মানুহে। তাকে লৈ তোমালোকৰ গৰ্বৰ অন্ত নাই। পঞ্চাছ হেজাৰ নিম্ন মধ্যবিত্তৰ জীৱনত এ‍কো আশা নাই, আনন্দ নাই, ভৱিষ্যতৰ কল্পনা নাই। উদয়াস্ত পৰিশ্ৰম কৰি কোনোমতে খাই লৈ যুগ জীৰ্ণ সংস্কাৰৰ বেদীত তিলতিলকৈ নিজৰ জীৱন আহুতি দি মৰাশৰ দৰে সিহঁত পৰি আছে। দহহেজাৰ ভিক্ষাৰী . অৰ্দ্ধ অপৰাধজীৱী সিহঁত পশু। বাকী ত্ৰিশহেজাৰ মানুহে সংস্কৃতিৰ ঐতিহ্যৰ খবৰ নেৰাখে। মানৱীয মূল্যবোধক থোৰাই পৰোৱাই কৰে। হাড়ক মাটি কৰি সিহঁতে জীৱিকা উলিয়ায আৰু নিজৰ খুচিমতে তাক ভোগ কৰে। ভৱকান্ত বৰুৱাৰ কবিতা, ৰূপেন হাজৰিকাৰ গান বা বিদ্যাধৰ শৰ্মাৰ শুচি বায়ুগ্ৰস্ত ইতিহাস দৰ্শনতকৈ এজনী তিৰোতাৰ সুঠাম দেহটোৰ মাজত সিহঁতে অধিক সান্ত্বনা বিচাৰি পায়। সিহঁতক ঘিণ কৰা আপত্তি নাই, সিহঁত ঘৃণাৰ যোগ্য। কিন্তু সিহঁত নাই বুলি ধৰি লৈ এচকুৱা হৰিণৰ দৰে অকল একেফালে চাই নেথাকিবা।

ক'ব খুজিছিলো , সেই ৰাতি পোনে পোনে মই ব্ৰিষ্টিনাৰ ওচৰলৈ গ'লো চহৰৰ সোঁমাজৰ এটা ডাঙৰ হোটেলত তাই থাকে. সমুখতে এটা ধৰ্মমন্দিৰ।

মন্দিৰৰ বেদীৰ সমুখত বহি এজন হিন্দুস্থানী সন্ন্যাসীয়ে ৰাম-চৰিত-মানস পাঠ কৰিছিল। মই ব্ৰিষ্টিনাৰ কোঠাৰ দুৱাৰমুখত থিয় হৈ দেখিলো . ভিতৰৰপৰা দুৱাৰখন বন্ধ । নিশ্চয় আন কোনোবা মানুহ আছে। মোৰ মূৰটো ভমক্ কৰে জ্বলি উঠিল। সেই ধুনীয়া ডেকাজনে এতিয়াও নিশ্চয় গান গাই আছে– মালকোষৰ আলাপ। আহা। কি করুণ মিনতি– প্ৰিয়াই অভিমানত মুখ ঘূৰাই বহি আছে। 'মোৰ ফালে চোৱা প্ৰিয়া, মোৰ ফালে চোৱা – শ শ ধুনীয়া গাভৰুৰ মুগ্ধ দৃষ্টি গায়কৰ মুখৰ ওপৰত নিবদ্ধ। মই নিশ্চয় অসাধাৰণ কিবা এটা কৰিম। তোমালোকে মোৰ ফালে ঘূৰি চাবই লাগিব। দুৱাৰখনত গোৰ এটা মাৰি দিলো। ভিতৰত মানুহ হাল স্তব্ধ হৈ গ'ল। অলপ পাছতে কাপোৰৰ খচখচনি, ব্যস্ত খোজৰ শব্দ শুনা গ'ল। দুৱাৰ খুলি দে ব্ৰিষ্টিনা – মই চিঞৰি উঠিলো। অলপ পাছত দুৱাৰখন খোল খাই গ'ল। মই লাইটটো জ্বলাই দিলো । অচিনাকি মানুহ এটা মোৰ সমুখত থিয় দি আছে। বিছনাখনৰ কাষত ব্ৰিষ্টিনা কঁপি কঁপি থিয় দি থকা দৃশ্যটো মই উপভোগ কৰিলো । কাৰখানাৰ মালিকৰ সমুখত হেজাৰ হেজাৰ বনুৱা কঁপি কঁপি থিয় হৈ থাকিলে অথবা পুৰণি কালৰ সম্ৰাটসকলৰ সমুখত পাত্ৰমন্ত্ৰীবোৰ বেঙেমুতা গৰু কঁপাৰ দৰে কঁপিলে তেওঁলোকৰ মনত সি আত্মচেতন তৃপ্তিৰ ভাব ওপজে মযো প্ৰায় তেনেকুৱাই তৃপ্তি অনুভৱ কৰিলো। মই সাধাৰণ মানুহ নহয়, মই মিলিক গুণ্ডা । মোকো. মোকো মানুহে ভয় কৰে। কিছুসময় তেনেকৈ থাকি, ব্ৰিষ্টিনাৰ সমুখত এটা অসাধাৰণ বীৰত্বৰ কাম কৰিবলৈ মন গ'ল। বাওঁহাতেৰে মই অচিনাকি মানুহটোৰ গলত খামুচি ধৰি নাকৰ ওচৰতে জোৰকৈ ঘোচা মাৰি দিলো। ব্ৰিষ্টিনাই চিঞৰ মাৰি উঠিল। চুপ থাক । মই চিৎকাৰ কৰি উঠিলো। মানুহটো ঢলং পলংকৈ পুনৰ থিয় হৈ উঠিল। মোৰ চকুলৈ অলপ সময় চাই ৰ'ল। তাৰ পাছত কমটোৰপৰা সি লাহে লাহে ওলাই গ'ল।

হঠাতে খুব জোৰেৰে মই হাঁহি উঠিলো। 'বেচেৰা'-- পৃথিৱীৰ বহুত মানুহক মোৰ পুতৌ কৰিবলৈ মন গ'ল। মই একেবাৰে সাধাৰণ মানুহ নহয়, বুজিছা? ব্ৰিষ্টিনা তেতিয়াও কঁপি আছিল । মোৰ খুব ভাল লাগিল। সেই গান গোৱা ডেকাজনৰ কথা, সেই মন্ত্ৰমুগ্ধা লোভাতুৰা তিৰোতাবোৰৰ কথা মই পাহৰি গ'লো। মই আছো , মই মানুহক অবাক কৰি দিছো, মই নগণ্য নহয়।

এটা ঢকা মাৰি মই ব্ৰিষ্টিনাত বিছনাত পেলাই দিলো।

কিন্তু সদায় এনেকুৱা নহয়। মাজে মাজে মোৰ খুব বেয়া লাগে। দিনৰ পাছত দিন যায়। ইটো দিনৰ পৰা সিটো দিন অকণো বেলেগ নহয়। ভৱিষ্যতটোকো বেলেগ কৰি তুলিবলৈ হাতত একো সম্বল নাই। খাই, শুই, বহি থাকি জীৱনটো কেতিয়াবা অৰ্থহীন, অসাৰ যেন অনুভৱ হয়। অথবা জীৱনটো যেন কোনোবা অচিন সাউদৰ ঐশ্বৰ্যৰ চন্দুক, মই মাত্ৰ ভাৰবাহী কুলি। সেই চন্দুকটো এঠাইৰ পৰা আন ঠাইলৈ ভাৰ বৈ লৈ যোৱাৰ কাৰণে মই পাম দুটামান পইচা, জীৱিকাৰ সামান্যতম সম্বল। মনটো তাজা কৰি ৰাখিবৰ কাৰণে ৰাস্তালৈ ওলাই যাওঁ। পাণৰ দোকানত বহি আড্ডা মাৰো, অফুৰন্ত উৎসাহেৰে জনা-নজনা অনেক মাইকীমানুহৰ গল্প কৰো। কেতিয়াবা হাতত দুটা পইচা থাকিলে ৰাস্তাৰ কাষত জুৱা খেলো। কিন্তু কিমান সময় সেইবোৰে মনটোক আবিষ্ট কৰি ৰাখিব পাৰে? কেতিয়াবা মনৰ তলি পৰ্যন্ত উদং হৈ যায়। ঠিক তেনেকুৱা মুহূৰ্তত ভাল আৰু বেয়া, সুন্দৰ আৰু কুৎসিতৰ মাজত মই একো পাৰ্থক্য বিচাৰি নেপাওঁ। মই যেনেকৈয়ে জীৱন নকটাও, মোৰ জমা সময়খিনি যেনেকৈয়ে খৰচ নকৰো, তোমাৰ তাত কি স্বাৰ্থ? ৰাতি কেতিয়াবা বহুত সময়লৈকে টোপনি নাহে। সিটো কোঠাত ঈশ্বৰৰ নাম লৈ লৈ আই শুই থাকে। ময়ো যদি ঈশ্বৰ নামৰ সেই বিৰাট প্ৰহেলিকাটোত বিশ্বাস কৰিব পাৰিলোহেঁতেন। মোক জীয়াই থাকিবলৈ ঈশ্বৰ এটা দিয়া। হে ঈশ্বৰ – মই কেতিয়াবা চিএৰি উঠো। এটা অসহ্য বেদনাত মই চাটিফুটি কৰি উঠো। ঈশ্বৰ থাকক বা নেথাককেই মই আছো, মই চিন্তা কৰিছো, মই হাহাকাৰ কৰিছো। মই ইচ্ছা নকৰাকৈয়ে মোৰ তেজবোৰ গৰম হৈ উঠে। বিছনাৰ কাষত কাৰোবাক পাবলৈ মন যায়। ত্ৰিশ বছৰীয়া নিঃসংগ ব্যৰ্থ যৌৱনটোৰ সমস্ত আৱেগ দাউ দাউকৈ জ্বলি উঠে। মই জীৱনত একো কৰা নাই, একো কৰিব পৰা নাই। ভাল খোৱা নাই, ভাল পিন্ধা নাই। এনে একো কাম কৰা নাই, যি দহজনৰ দৃষ্টি আকৰ্ষণ কৰে। নিজৰ মাজতে নীৰৱে জীয়াই থাকিবলৈকো একো অৱলম্বন নাই। মনৰ নৈঃসংগতাকৈ ভয়াবহ যন্ত্ৰণা পৃথিৱীত একো নাই। সেই যন্ত্ৰণাৰপৰা হাত সাৰিবৰ কাৰণে মনটোক একেবাৰে নিস্পন্দ কৰি দিবৰ কাৰণে মই তেতিয়া দেহটোক লৈ ব্যস্ত হৈ পৰো। মোৰ সমগ্ৰ ৰক্তপ্ৰবাহত যেন অতীন্দ্ৰিয়ৰ ৰহস্যৰ জোৱাৰ উঠিছে, মই একো ক'ব নোৱাৰো হৈ গৈছো, মই

শূন্যত উৰি ফুৰিছো। ক'ত তোমাৰ মন? তোমাৰ কাব্য, দৰ্শন, সংগীত জুহন্নামে যাওক। কল্পনা কৰিব পাৰা তুমি এই সীমাহীন মুক্তিৰ? ফাকি নিদিবা, তোমাৰ উচ্চতম কাব্যচিন্তা, শিল্প চৰ্চা সকলো আত্মাৰ মুক্তি অন্বেষণ মাত্ৰ! সেই মুক্তিৰ ধাৰণা তুমি লাভ কৰিছা - দেহ সম্ভোগৰ গভীৰতম উপলব্ধি তুমি লাভ কৰিছা কেইটামান মুহূৰ্তৰ কাৰণে, তাক গোটেই জীৱনত ব্যাপক কৰি দিবলৈ তোমাৰ গান, তোমাৰ কাব্য, তোমাৰ চিত্ৰকলাত সেই মৌল আবেগ বিচিত্ৰ বৰণকে সিঁচৰতি কৰি দিছো। কিন্তু মই স্থূল, অশিক্ষিত, বৰ্বৰ— কাব্য-সংগীত, শিল্পকলা মই বুজি নেপাওঁ। মোক লাগে সেই আদি আৰু অকৃত্ৰিম নাৰীদেহ।

তিৰোতাবোৰ আচৰিত বস্তু। সিহঁতে কেৱল পুৰুষ এটা পালেই সন্তুষ্ট নহয়। প্ৰত্যেক তিৰোতাই পৰস্পৰে পৰস্পৰক ভীষণভাৱে ঈৰ্ষা কৰে। সিহঁতৰ প্ৰত্যেকজনীয়েই মনে মনে কামনা কৰে, সিহঁতৰ নিজৰ নিজৰ মানুহটো যেন আন এজনীৰ মানুহটোতকৈ বিশিষ্ট হয়, অধিক ঈৰ্ষা-যোগ্য হয়। মাইকীমানুহে জীৱনত এজন মাত্ৰ দেৱতাৰ পূজা কৰে, সেয়ে হৈছে কৃতকাৰ্যতাৰ দেৱতা। তিৰোতা চিৰকালেই বীৰভোগ্যা।

এজাক ছোৱালী মোৰ গাৰ কাষেদি পাৰ হৈ গ'ল। চিগাৰেট এটা হুলাবলৈ মন গৈছিল। কিন্তু জেপত এটাও পইচা নাই। গতিকে হে স্বৰ্ণসম্ভৱা সুন্দৰীসকল, মই আশা নকৰো যে মোলৈ তোমালোকে মূৰ তুলি চাবা। মোৰ নাম মিলিক। মিলিক গুণ্ডা। নীৰৱে নিজৰ বাটত মই খোজ ল'লো। ক'লৈ যাম একো ঠিক নাই। এজাক কলেজীয়া ল'ৰা পাৰ হৈ গ'ল। সিহঁত ৰঞ্জী ট্ৰফিৰ ক্ৰিকেটখেলৰ বিষয়ে আলোচনা কৰি গৈছে। জানো, সিহঁত এটাও খেলুৱৈ নহয়। কিন্তু কথাবোৰ যেনেকৈহে আলোচনা কৰিছে যেন প্ৰত্যেকেই একো একোটা বিশু মানকাড়। আচলতে প্ৰত্যেকৰে একো একোটা ক্ৰিকেট বীৰ হ'বলৈ মন, বীৰ হৈ হেজাৰ হেজাৰ মানুহক চক খুৱাই দিবলৈ মন। কিন্তু কামত তাকে কৰিব নোৱাৰি মুখ জোকাৰিয়েই বীৰ হোৱাৰ তৃপ্তি অনুভৱ কৰিছে। কেটেঙা ল'ৰা এটা চাইকেল চলাই মোৰ গাৰ কাষেদি সাউং কৰে পাৰ হৈ গ'ল। তাৰ মুখত ব্যস্ততাৰ কোনো চিন নাই। অথচ যি জোৰেৰে চাইকেল চলাইছে, যেন সেই তীব্ৰগতিৰ মাজত সি অস্তিত্বৰ এটা সাৰ্থকতা বিচাৰি পাইছে।

গধূলি হ'বলৈ তেতিয়াও বাকী আছিল। মই গৈ ব্ৰহ্মপুত্ৰৰ পাৰত থিয় দিলোগৈ। পৃথিৱীখন দেখিবলৈ কেতিয়াবা খুব ধুনীয়া হয়। অথবা পৃথিৱী সদায় ধুনীয়া— কেতিয়াবাহে সেই সৌন্দৰ্য মোৰ চকুত পৰে। মোৰ গভীৰ বিশ্বাস, সৌন্দৰ্যই হৃদয়ক আনন্দ নিদিয়ে, বেদনা দিয়ে । সৌন্দৰ্য দেখিলে আমি যে, মনত ভাল লগা বুলি ভাবো সেই ভাল লগা হ'ল সৌন্দৰ্যক। জীৱনত অংশীভূত কৰাৰ আকাংক্ষাৰ প্ৰাথমিক আৱেগ । সেই আকাংক্ষাৰ নিশ্চিত ব্যৰ্থতাৰ সম্ভাৱনাই হৃদয়ত গভীৰ বিষাদৰ সৃষ্টি কৰে।

সূৰ্যাস্তৰ সেই মনোহৰ দৃশ্যৰপৰা মই লৰালৰিকৈ চকু ঘূৰাই আনিলো। মনটো আকৌ চঞ্চল হৈ উঠিছে। মই একো চিন্তা কৰিব নোখোজো। চিন্তা মানেই দুখ। খুব জোৰেৰে ফাঁচিবজাৰৰ ফালে খোজ ল'লো। পাণবজাৰৰ চাৰিআলিটো পাওঁতেই চুকৰ চাহ দোকানখনৰপৰা কোনোবা এটাই চিঞৰি উঠিল ঃ এই মিলিক ফেল্টাছিত নতুন বস্তু আহিছে , গম পাইছ? আন দিনা হোৱা হ'লে সেই খবৰ শুনি মই উচ্ছ্বাসিত হৈ উঠিলোহেঁতেন। কিন্তু মোৰ মন আজি সেইবোৰত নাছিল। মুখেৰে একো নকৈ মই নিজৰ বাটত খোজ ল'লো। মোক আজি আন কিবা এটা লাগে। কি লাগে মই ক'ব নোৱাৰো । হয়তো খুব ধুনীয়া, শিক্ষিতা ছোৱালী এজনীৰ হৃদয়াবেগ। ওহো, নহয়। সেইটো মই ভবাই নাই। মোক এটা উত্তেজনা লাগে। এই অৰ্থহীন, অৰ্দ্ধ মৃত অস্তিত্বৰ এটা বলিষ্ঠ প্ৰকাশ লাগে। মোক কৰ্মৰ উদ্যম লাগে, যি কৰ্ম জীৱিকাৰ কাৰণে নহয়, হৃদয়ৰ গভীৰতৰ তৃপ্তিৰ কাৰণে, পৃথিৱীক স্তম্ভিত কৰি দিবৰ কাৰণে। মোৰ অদ্বিতীয়ত্ব প্ৰমাণ কৰিম? মই এটা ৰিক্ত ক্ষুধিত, নিঃসম্বল, কাঙাল। এই পৃথিৱীত মোৰ নিজকে প্ৰকাশ কৰিবলৈ কোনো সুযোগেই নাই। এই আধাবুঢ়া খোৰা, এটা কংকালসাৰ ভিক্ষুক আনকি এটা মৰাশ — সিহঁত আৰু মোৰ মাজত কোনো পাৰ্থকাই নাই। হঠাতে মোৰ খুব চিংকাৰ কৰি উঠিবলৈ মন যায়। সুসজ্জিত মঞ্চৰ ভিতৰত যেতিয়া ৰূপহী গাভৰুৰ নৃত্যাভিনয় হয়, শ শ দৰ্শকে মুগ্ধ বিস্ময়ত সেই নৃত্য উপভোগ কৰে, পৃথিৱীৰ সেই সুখী মানুহবোৰৰ প্ৰতি মই দুৰ্নিবাৰ ঈৰ্ষা অনুভৱ কৰো। মঞ্চগৃহৰ ওপৰত অবিৰাম শিলাবৃষ্টি কৰি সকলো ভাঙিছিঙি পেলাবলৈ মোৰ মন যায়। ময়ো আছো, তোমালোকে মোৰ ফালে নোচোৱা কিয়?

বিজুলী চিনেমা হলৰ সমুখত থিয় হৈ পোষ্টাৰৰ ছবি চাইছিলো। হঠাতে কিবা এটা গণ্ডগোলৰ শব্দ শুনিলো। ৰূপায়ণ আৰু বিজুলীৰ মাজত শূন্য ঠাই ডোখৰতে এখন কাজিয়া লাগিছে। এটা মস্ত কাবুলীক দহটামান মানুহে বেৰি ধৰি খুব পিটিছে। বহুত মানুহে জুম বান্ধি চিঞৰ-বাখৰ কৰিছে। ময়ো সেই ফালে আগবাঢ়ি গ'লো। এনেয়ে, অকাৰণতে, তেজবোৰ গৰম হৈ উঠা যেন অনুভৱ কৰিলো। কিহৰ কাৰণে কাজিয়া লাগিছে, মই নেজানো। জানিবৰ দৰকাৰ নাই। কিছু সময় মাৰপিটবোৰ মই চাই ৰ'লো। কাবুলীটো যথেষ্ট বলবান মানুহ। দহটা মানুহৰ ঘোচাতো সি কাবু হৈ পৰা নাই। মোৰ মনটো যথেষ্ট ভাল লাগিল। মনৰ জোখাৰে মানুহ এটা পাইছো। হঠাতে জাঁপমাৰি গৈ মই তাৰ মুখতে প্ৰচণ্ড ঘোচা এটা বহুৱাই দিলো। সি বোধহয় সেইটো ঘোচাৰ কাৰণে প্ৰস্তুত নাছিল। একেকোবে সি মাটিত চিত্‌খাই পৰি গ'ল। নাকৰপৰা দৰদৰকৈ তেজ ওলাবলৈ ধৰিলে। জানোচা সি থিয় হৈ উঠে আৰু ঘোচা মাৰি তাক বগৰাই পেলোৱাৰ প্ৰয়োজন হ'ব। সেই ভাবি মই অলপ সময় থিয় হৈ ৰ'লো। নাই বহুত সময়লৈকে তাৰ থিয় হ'ব পৰাৰ কোনো আশা নাই। মই জুম বান্ধি থকা মানুহবোৰলৈ উদাসভাৱে চাই পঠালো। মোৰ ফালে চাই চাই মানুহবোৰ লাহে লাহে আঁতৰি যাব ধৰিলে। টিকাত হাতখন মোহাৰি ময়ো ৰাস্তালৈ খোজ ল'লো। মোৰ মনটো একেবাৰে শান্ত হৈ পৰিছিল।

কিছুদূৰ গৈ অকলে মোৰ ভীষণভাৱে হাঁহি উঠিল। কাবুলীটো যদি কেনেবাকৈ মৰি যায় আৰু মই হত্যাৰ অপৰাধত অভিযুক্ত হওঁ? মই তাক কিয় মাৰিলো বুলি বিচাৰকে সুধিলে মই কি উত্তৰ দিম? আশ্চৰ্য! কিন্তু এইবোৰ কথা ভাবি লাভ কি? কাবুলীটো এতিয়াও মৰা নাই। আশা ৰাখিছো– সি মোক নিশ্চয় এদিন বিচাৰি উলিয়াব। মই মিলিক গুণ্ডা। গুৱাহাটীত মোক চিনি নোপোৱা মানুহ কোন আছে?

কি আশ্চৰ্য, অথনি লগপোৱা ছোৱালীজনীক এইমাত্ৰ চিনেমা হললৈ সোমাই গ'ল। কাবুলীটোক মই ঘোচা মাৰি কাবাই দিয়া দিছে নিশ্চয় দেখি আছিল।

◆◆◆

# কৃতজ্ঞতা

গৌতম বৰুৱাৰ জাৰ্ণালখন তেওঁৰ বন্ধু কেইজনমানে (অথবা শত্ৰু?) প্ৰকাশ কৰিবলৈ মন কৰি সম্পাদনাৰ ভাৰ দিছে মোৰ ওপৰত। তেওঁৰ জাৰ্ণালখন আমীয়েল বা আন্দ্ৰে জিদ জাতীয় নহয় - সিঁহঁতৰ লগতো সাদৃশ্য কষ্ট কল্পিতহে, বোধহয় বছৱেলৰ 'লণ্ডন জাৰ্ণাল'ৰ লগতহে গৌতম বৰুৱাৰ জাৰ্ণালৰ কিছুদূৰ তুলনা কৰিব পাৰি। পাৰ্থক্য মাত্ৰ এই ফেৰাই যে, ডঃ জনচনৰ কৃপাত বছৱেল আজি জগত বিখ্যাত — (সাহিত্য-জগতত প্ৰতিভাৰ এনে পৰাশ্ৰয়ী বিকাশ আৰু খ্যাতিৰ তুলনা দ্বিতীয় এটা বোধহয় নাই) কিন্তু গৌতম বৰুৱা নিজে জনচন জাতীয় মানুহ, তেওঁৰ কাৰণে প্ৰয়োজন আছিল এজন বছৱেলৰ। কিন্তু এইবোৰ কল্পনা কৰি লাভ কি? অকল খ্যাতিৰ মাপ-কাঠীৰেই প্ৰতিভাৰ প্ৰকৃত মূল্যাংকন নহয়। গৌতম বৰুৱা নামেৰে এজন মানুহ এই সংসাৰলৈ আহিছিল, নিজৰ বাটেৰে তেওঁ জীৱনৰ লগত সংগ্ৰাম কৰিছিল-- সেই সংগ্ৰামৰ ৰক্তাক্ত কাহিনী সমাজৰ দহজনৰ কাণত নপৰিলে বুলিয়েই যে তাৰ মূল্য হেৰাই যাব, সি কেতিয়াও নহয়। গৌতম বৰুৱা, সমাজৰ সেই হেজাৰ হেজাৰ অখ্যাত, অজ্ঞাত দলৰ যোগ্য প্ৰতিনিধি - যি ভুল বাটেৰে জীৱনৰ সত্য-ৰূপৰ সন্ধান কৰিবলৈ গৈ ভাগ্যৰ হাতত নিদাৰুণভাৱে মাৰ খাইছিল। তেওঁলোকৰ জীৱনৰপৰা আমি কোনো পজিটিভ নৈতিক প্ৰেৰণা নেপাওঁ, কিন্তু আনৰ ভুলৰপৰাও আমি শিক্ষা আহৰণ কৰিব পাৰো। সেয়েই আমাৰ যথা লাভ।

তলত তেওঁৰ জাৰ্ণালৰপৰা এটুকুৰা তুলি দিয়া হ'ল।

১৯৫১ চন, ৫ এপ্ৰিল ঃ

এতিয়া ৰাতি এটা বাজিল। গোটেই জগত টোপনিত অচেতন। নহয়, ভুল কৰিলো। নিশাৰ এই মাজ প্ৰহৰতো সাৰ পাই আছে কোনোবা উন্মাদ কবি, উদ্বাস্তু চোৰ, ইন্দ্ৰিয়ৰ তাড়নাত অস্থিৰ আবিয়ে গাভৰু, দেহোপজীৱিনী, ভিক্ষাৰীণী,

কেৰিয়াৰিষ্ট ৰাজনৈতিক-- আৰু বহুতো ' আৰু সাৰ পাই আছো মই। এমুঠি শুকান চাউল বা এটুকুৰা পচা ৰুটি মুখত দিবলৈ পোৱা হ'লেও, নিশ্চিন্ত আৰামত মই টোপনি যাব পাৰিলোহেঁতেন আজি দুদিন পেটত একোটো পৰা নাই। জঠৰটো জ্বলি যোৱা যেন অনুভৱ কৰিছো। সেই সৰ্বগ্ৰাসী জ্বালা পাহৰি থাকিবলৈ আগত মেলি লৈছো টমাছ মেনৰ উপন্যাস, মিল্টনৰ চনেট সংগ্ৰহ, -- কিন্তু হায়, যুদ্ধ ক্ষেত্ৰত খপেনহাৱাৰৰ বাৰটা ভল্যুমতকৈ চাৰিটা উজ্জ্বল চকচকীয়া বুটামৰ মূল্য বহুতো বেছি-- তিনি দিনৰ লংঘণত পৃথিৱীৰ সমস্ত কাব্য সংগ্ৰহতকৈ এগৰাহ ভাতৰ মূল্য হেজাৰ গুণে বেছি। খাবলৈ নোপোৱা আধা মৰা মানুহবোৰৰ আগত আধ্যাত্মিকতাৰ গুণ কীৰ্তন কৰাতকৈ সিহঁতৰ সকলোৰে দুবেলা দুমুঠি খাবলৈ পোৱাৰ ব্যৱস্থা কৰাটো বহুত বেছি মানবীয় কাম।

ঠিক এই মুহূৰ্তত কুকুৰৰ মুখলৈ দলি মাৰি দিয়া দি, এটুকুৰা পচা ৰুটি কোনোবাই মোৰ মুখলৈ দলিয়াই দিয়া হ'লেও তেওঁৰ ওচৰত মই গোটেই জীৱন কৃতজ্ঞ থাকিলোহেঁতেন।

সঁচাকৈয়ে মোৰ নিজৰ জীৱনটোৰ কাৰণে সংসাৰত মই কিমানৰ ওচৰত কৃতজ্ঞ হোৱা উচিত। টলষ্টয়ে ঠিকেই কৈছে, মানুহ অকল প্ৰেমেৰে জীয়াই থাকে। মানুহৰ অন্তৰত যদি মানুহলৈ প্ৰেম নেথাকিলেহেঁতেন তেন্তে এই কুৎসিত, কলুষিত পৃথিৱীখনত কোনেও জীয়াই থাকিবলৈ ইচ্ছা নকৰিলেহেঁতেন। মই নিজে সংসাৰত কিমান মানুহৰ ওচৰত কৃতজ্ঞ হোৱা উচিত, তাৰ এখন তালিকা কৰিবলৈ হ'লে বোধহয় মহাভাৰত এখন হ'ব। এই কথাষাৰ মনত পৰাৰ লগে লগেই মই পেটৰ পোৰণি পাহৰি গৈছো, টমাছ মেনৰ কথা পাহৰি গৈছো। মনলৈ আহিছে মাত্ৰ সেই বিস্মৃতপ্ৰায় মানুহবোৰৰ কথা যিবোৰৰ মই বহুত কথাৰ বাবে ঋণী।

তাৰে কেইটামান নাম আজি ৰকৈ মনলৈ আহিছে।

ল'ৰালি কালৰ কথা ক'বলৈ গ'লে মই সৰ্ব প্ৰথমে আমাৰ গাঁৱৰ কাষেদি বৈ যোৱা সেই সৰু নৈখন আৰু তাৰ পাৰৰ হাবিডৰাৰ নাম লোৱা উচিত। পৃথিৱীলৈ আহি সিহঁতৰ লগতেই মোৰ প্ৰাণৰ প্ৰকৃত পৰিচয় হয়। আৱেগত নহয়, যুক্তিৰে সৈতে আজিও মই গভীৰভাৱে বিশ্বাস কৰো যে মানুহৰ মনৰ

পৰিপূৰ্ণ বিকাশৰ কাৰণে , প্ৰত্যেক মানুহেই প্ৰকৃতিৰ সান্নিধ্য পোৱা উচিত। ই মানুহৰ সৌন্দৰ্য-কল্পনাত আধ্যাত্মিকতাৰ বোল সানে, মনক অন্তৰ্মুখী কৰে, নিৰ্জনতাৰ ফালে ধাবিত কৰে...... নৈৰ পাৰৰ ঢেকীয়াৰ জোপাহা এটাত বাহ লোৱা এটা কণমানি চৰাইৰ ওচৰতো মই কৃতজ্ঞ। সদাই গধূলি মই নৈৰ পাৰত ফুৰিবলৈ যাওঁ। এদিন তেনেকৈ ফুৰিবলৈ যাওঁতে সেই জোপোহাটোৰ পৰা চৰাই এটা ভুৰুংকৈ উৰি যোৱা দেখিবলৈ পালোঁ। জোপোহাটোৰ ওচৰলৈ গৈ দেখিলো শুকান ডাল-পাতেৰে সজা অকণমানি বাহ এটিত চাৰিটা ৰঙচুৱা কণী। কণী কেইটা দেখিয়েই ল'বলৈ বুলি মই হাতখন আগবঢ়ালো। ঠিক সেই মুহূৰ্ততে মোৰ অন্তৰখনত ঢক্ কৰে কিবা এটা শব্দ মই শুনিবলৈ পালোঁ। প্ৰাচীন কাব্য আদিত উল্লিখিত আকাশ-বাণীৰ দৰে কোনোবাই যেন মোক কৈ উঠিল 'হেৰা অকণমানি ল'ৰা, কণীকেইটা হাতেৰে নুচুবা। সেই মুহূৰ্তৰ সেই আত্মিক অভিজ্ঞতাৰ তুলনা মোৰ জীৱনত দ্বিতীয় এটা আৰু নাই। হাতখন কোঁচাই আনি মই কণীকেইটালৈ একেথৰে চাই ৰ'লো । তাৰ ভিতৰত শুই থকা প্ৰাণৰ অংকুৰ কেইটাৰ প্ৰতি মমতাত মোৰ অন্তৰত ভৰি উঠিল। এদিন কণী ফুটি চাৰিটি সৰু সৰু চৰাই পোৱালি বাহিৰলৈ ওলাই আহিব, সিহঁতৰ অকণমানি বাহটোত বহি বহি বাহিৰৰ পৃথিবীলৈ সিহঁতে চকু মেলি চাব, মূৰৰ ওপৰত বিশাল নীল আকাশ, দিগন্তত সদ্য প্ৰসবিত কণীৰ দৰে পুৱাৰ সোণালী সূৰ্য, সেউজীয়া অৰণ্য, বতাহৰ উদাৰ হো-হোৱানি, এদিন সিহঁতে শূন্যৰ বুকুলৈ উৰা মাৰি যাব, আৰম্ভ হ'ব প্ৰাণলোকৰ উদ্দেশ্যে অবিৰাম যাত্ৰা। সিহঁতৰ অকণি অকণি ডেউকাত গতিৰ উল্লাস . কণ্ঠত আনন্দৰ গান, সিহঁতৰ সৰু হৃদয় কেইখনিত মধুৰ বিস্ময়। মোৰ ল'ৰালি কল্পনাৰ তীব্ৰতাত, শব্দৰ আলম নোহোৱাকৈয়ে, সেই সুন্দৰ ছবিখন উজ্জ্বল হৈ মোৰ চকুৰ আগত ভাঁহি উঠিল। সেই দিনাৰপৰা সদায় নৈৰ ঘাটলৈ গৈ সেই কণীকেইটা এবাৰ ভুমুকি মাৰি চাই অহা মোৰ এটা অভ্যাসত পৰিণত হ'ল। কণী ফুটি কেতিয়া পোৱালি বাহিৰ হ'ব সেই দিনটোৰ কল্পনাত আত্মহাৰা হৈ মই দিন কটাব ধৰিলোঁ। কোনোবা দুষ্ট ল'ৰাই দেখা পালে কণী কেইটা ভাঙি পেলাব বুলি ভয়ত মোৰ ভালকৈ খাবন- শোৱন নোহোৱা হ'ল। অভ্যাস মতে এদিন গৈ দেখিলো বাহটোত কণীকেইটা নাই। শুদা বাহটো দেখিয়েই মোৰ বুকুখন চিৰিংকৈ গ'ল। উন্মাদ বিহ্বলৰ দৃষ্টিৰে শুদা বাহটোলৈ বহুত সময়

চাই ৰ'লো । আগদিনা ৰাতি প্ৰকাণ্ড ধুমুহা বৰষুণ হৈছিল । হয়তো ধুমুহাতে কণীকেইটা ওফৰি মাটিত পৰিল। অথবা কোনোবা দুষ্ট ল'ৰায়েই দেখি চোৰ কৰি লৈ গ'ল। যিয়েই নহওক, কণীকেইটা দেখিবলৈ নেপাই মই বুকুৰ ভিতৰখন একেবাৰে খালী হৈ যোৱা অনুভৱ কৰিলোঁ।

মই ক'ব নোৱাৰাকৈয়ে মোৰ দুই চকুৰেদি ধাৰাসাৰে পানী ওলাই আহিবলৈ ধৰিলে!

নিয়তিৰ নিৰ্মম আঘাতত ভাগি চূৰমাৰ হোৱা এখনি সুকোমল মাতৃ হৃদয়ৰ কাৰণে জন্মৰ আগতেই মৃত্যুৰ এন্ধাকত হেৰাই যোৱা নবীনতম প্ৰাণৰ ফিৰিঙতিকেইটিৰ কাৰণে— মই মোৰ হৃদয়ৰ সকলোখিনি কান্দোন উজাৰ কৰি দিলো। আপোন মনৰ দুৱাৰডলি পাৰ হৈ আনৰ কাৰণে সেয়ে জীৱনত মোৰ প্ৰথম কন্দা। সেই কান্দোনৰ মাজেদিয়েই মোৰ অহংকেন্দ্ৰী বন্দী আত্মাই মুক্তি লাভ কৰিলে, প্ৰেমৰ ডোলেৰে প্ৰকৃতি আৰু প্ৰাণলোকৰ লগত অচ্ছেদ্য যোগ-সূত্ৰ স্থাপন কৰিলে। মৃত্যুৰ চেতনাৰ মাজেদি মই জীৱনৰ অমিয় সৌন্দৰ্য উপলব্ধি কৰিলো ।

এই মহৎ দানৰ কাৰণে সেই চৰাইটিৰ ওচৰত মই কৃতজ্ঞ হোৱা উচিত নহয় নে?

মই কৃতজ্ঞ হোৱা উচিত আদিত্যৰ ওচৰতো। সি আছিল মোৰ সৰু কালৰ একমাত্ৰ লগৰীয়া। অতি অঘাইতং ল'ৰা আছিল আদিত্য। পাঠশালাত পঢ়োঁতেই পণ্ডিতৰ গাত চিএাহি মাৰি হাতত তেজ ওলাই যোৱাকৈ কুৰিটা বেত খাই সি স্কুল এৰিছিল। সি আছিল এটা বন্য, বৰ্বৰ। জীৱনত সি বিচাৰিছিল উত্তেজনা আৰু সম্ভোগ, আনন্দ আৰু প্ৰশান্তি নহয় । সি মোক শিকাইছিল সাহস আৰু পৌৰুষ।

তাৰ ওচৰত মই কৃতজ্ঞ এই কাৰণে যে, সিয়ে মোক জীৱনত প্ৰথম যৌন শিক্ষা দিছিল।

মোৰ সৰু কালৰ লগৰী, আমাৰ গাঁৱৰ বাংগালী কণপহী ছোৱালীজাক-সুবাগী, সোণতৰা, মালতী, সৰস্বতী, বিহুতী – ইহঁতৰ ওচৰত মই চিৰকাল কৃতজ্ঞ। আজি সিহঁতৰ কাৰোবাৰ হাড়ত হয়তো বন গজিল, কোনোবাজনী

পাঁচ- ছয়টা ল'ৰাৰ মাক হৈ অকালতে বুঢ়ী হ'ল, সিহঁতৰ ৰূপ-যৌৱন জহি-পমি শেষ হৈ গ'ল। তথাপিতো মোৰ কল্পনাত সিহঁত আজিও ৰাংঢালী পাট-গাভৰু হৈয়ে আছে। মোৰ চেংডালীয়া বয়সত সিহঁতৰ সান্নিধ্যৰ মাজেদি জগতখন মই নতুনকৈ আৱিষ্কাৰ কৰিছিলো। সেই বয়সত যেতিয়া প্ৰথম যৌৱনৰ স্পৰ্শত প্ৰতিখন কিশোৰ-হৃদয় বিষাদ-প্ৰৱণ হৈ উঠে, ইন্দ্ৰিয়ৰ তাড়নাৰ অস্থিৰ আৰু সৌন্দৰ্য-চেতনাৰপৰা ওপজা অতীন্দ্ৰিয় আৱেগত একে সময়তে বিষণ্ণ হৈ উঠে, নিজকে পেগান্ দেৱতাৰ আসনত বহুৱাই পৃথিৱীৰ সকলোবোৰ ধুনীয়া ছোৱালীৰ ৰূপৰ উপচাৰ ল'বলৈ মন যায়-- জীৱনৰ সেই অনিৰ্বচনীয় মুহূৰ্তত যিকেইজনী ছোৱালীয়ে মোৰ কল্পনাৰ খোৰাক যোগাইছিল, জীৱনটোলৈ আশাৰ চকুৰে চাবলৈ প্ৰেৰণা দিছিল, সিহঁতৰ ওচৰত মই কৃতজ্ঞ নহৈ পাৰো নে? আজিও মনত আছে, ৰাতি বিছনাত শুই শুই সিহঁতৰ প্ৰত্যেকজনীকে মই মোৰ মাইকী হিচাপে কল্পনা কৰিছিলো। একে সময়তে মই সিহঁত আটাইকেইজনীৰে প্ৰেমত পৰিছিলো। কিন্তু সিহঁতৰ আগত প্ৰেম-নিবেদন কৰাৰ কোনো সংকল্প মোৰ নাছিল। সি আছিল মোৰ মনৰ নিভৃত বিলাস-- প্ৰত্যেক তৰুণৰ জীৱনতে যিটো আনন্দময় স্মৃতিৰ এক অফুৰন্ত সঞ্চয়।

প্ৰথম চুৰট খাবলৈ শিকোৱাৰ কাৰণে আমাৰ ঘৰৰ হালোৱা বীৰু ককাইৰ ওচৰত মই কৃতজ্ঞ।

পৃথিৱীৰ সকলো দেশৰ, সকলো যুগৰ সেই বহুবিখ্যাত আৰু কুখ্যাত শিল্পী-সাহিত্যিকসকলৰ ওচৰত মই কৃতজ্ঞ--- যি মোৰ নিঃসংগ জীৱনত সকলো সময়তে সংগ দিছে, মোৰ মনৰ পৰিপুষ্টি সাধন কৰিছে, জীৱনটো মোৰ কাৰণে সহনীয় কৰি তুলিছে । তেওঁলোকতকৈ মোৰ ডাঙৰ বন্ধু আন কোনো নাই। মই যিখন জগতত বাস কৰো ,সেই জগত দেশ-কালৰদ্বাৰা সীমিত নহয়, চিন্তাৰ অচিন্তনীয় বিশালতাৰ মাজত মই অবাধে বিচৰণ কৰো। একে সময়তে মই চফোক্লিচৰ ট্ৰেজেডি আৰু হেমিংৱেৰ উপন্যাসৰ নায়ক উভয়ৰে লগত জীৱন তত্ত্ব আলোচন কৰিব পাৰো, প্ৰাচীন ভাৰতৰ তপোবন আৰু বিংশ শতাব্দীৰ প্ৰাসাদোপম হোটেলৰ বল-ৰুমত নিশ্বাস ল'ব পাৰো। লিপিবদ্ধ চিন্তাৰ যোগেদি মোৰ মনক এই বিশাল মুক্তি দিয়াৰ বাবে লিখকসকলৰ ওচৰত মই কৃতজ্ঞ।

কল্যাণী মোৰ জীৱনত প্ৰথম ছোৱালী, যাৰ ওচৰত মই মোৰ প্ৰেম নিবেদন কৰিছিলো। জীৱনৰ প্ৰথম প্ৰেম। মোৰ হৃদযত প্ৰেমৰ ব্যাকুলতা প্ৰথমে জগাই তোলাৰ কাৰণে মই কল্যাণীৰ ওচৰত কৃতজ্ঞ সেই প্ৰেম নিষ্ঠুৰভাৱে প্ৰত্যাখ্যান কৰাৰ কাৰণে মই তাইৰ ওচৰত কৃতজ্ঞ।

সবিতাৰ ওচৰত মই কৃতজ্ঞ, জীৱনত প্ৰথমবাৰৰ কাৰণে দৈহিক মিলনৰ অভিজ্ঞতা লাভ কৰিবলৈ দিয়াৰ কাৰণে।

ঈশ্বৰৰ ওচৰত মই কৃতজ্ঞ মোৰ জীৱনৰ অন্তহীন দুখৰ কাৰণে, অপূৰ্ণতাৰ কাৰণে. হৃদয়ৰ সীমাহীন অসন্তুষ্টিৰ কাৰণে । মই একোতেই সুখী নহয়। ক'তো মই ঠিৰেৰে বৈ থাকিব নোৱাৰো। দেহ-মনৰ পৰিপূৰ্ণতম তৃপ্তিৰ মুহূৰ্ততো মই অনুভৱ কৰো অনন্তৰ প্ৰতি, সংজ্ঞাতীতৰ প্ৰতি এটি অশান্ত আসক্তি। সেয়ে মোক সোঁৱৰাই দিয়ে সমুখৰ দীঘল পথৰ কথা, জীৱনৰ ধ্ৰুৱ শাশ্বত লক্ষ্যৰ কথা, যিটো নেথাকিলে সকলো মানৱীয় উদ্যম, কৰ্ম প্ৰচেষ্টা অৰ্থহীন ল'ৰাৰ ধেমালি হব।

এবাৰ একে লেঠাৰিকৈ কেবা সাঁজো খাবলৈ পোৱা নাছিলো। ঠিক এই কেই দিনৰ দৰে। ভোকৰ জ্বালাত থাকিব নোৱাৰি লাজ-কাজ কাটি কৰি একজন বন্ধুৰ ওচৰত হাত পাতিলোঁগৈ টকাৰ কাৰণে । তেওঁ সেইদিনা দৰমহা পাইছিল। কিন্তু মোক টকা দিলে সহজে ঘূৰাই পোৱাৰ আশা নাই বুলিয়ে বোধহয়, তেওঁ নানা অজুহাত দেখুৱাই মোক টকা নিদিলে। ফলত আৰু দুসাঁজমান বেছিকৈ লঘোণে থাকিব লগা হ'ল।

সেই বন্ধুজনৰ ওচৰত মই কৃতজ্ঞ মোক টকা নিদিয়াৰ কাৰণে। টকা নিদি তেওঁ মোক যি এটা অমূল্য দান দিলে— তাৰ কাৰণে । যিসকল বুদ্ধিজীৱী পৰৰ শ্ৰমৰ ওপৰত যিসকলে খায়, তেওঁলোকে মাজে সময়ে অনাহাৰত ভুগি কঠোৰ কষ্ট পোৱাটো তেওঁলোকৰ মানসিক স্বাস্থ্যৰ কাৰণে লাভজনক বুলি মই বিশ্বাস কৰো। ই তেওঁলোকৰ জীৱনবোধৰ মানৱিকতা দান কৰে।

আৰু এবাৰ, তেনেকৈ লঘোণত বগীয়া কুকুৰৰ দৰে বাটে বাটে ঘূৰি ফুৰোঁতে, মোৰ চমঝদাৰ একজন বন্ধুৱে লগ পাই ঘৰলৈ মাতি নি বৰ আদৰ-সাদৰকৈ খুৱাইছিল । বন্ধুৰ গৃহিণীয়ে আমাৰ দুয়োৰে আগত বহি লৈ ইটো-

সিটো বস্তু পাতলৈ ঠেলি দি আছিল। সেই সময়ত বন্ধু-পত্নীৰ মুখত যি এটা পবিত্র কোমলতা ফুটি উঠিছিল, তেওঁৰ লখিমী হাতৰ কল্যাণস্পৰ্শত যি বিনম্ৰ সেৱাৰ মাধুৰ্য সঞ্চাৰিত হৈছিল, শান্তিয়নী পানীৰ দৰে সি মোৰ অন্তৰৰ সকলো মলি ধুই নিলে। ঘৰুৱা জীৱনৰ শান্তিৰ সোৱাদ মই জীৱনত পোৱা নাই। সেইদিনা বন্ধু-পত্নীৰ মাজেদি ভাৰতীয় ঘৰুৱা জীৱনৰ আটাইখিনি শুচিতা আৰু সৌন্দর্য মোৰ চকুৰ আগত মূৰ্তিমান হৈ উঠিল। সেই মধুৰ অভিজ্ঞতাৰ কাৰণে তেওঁলোকৰ ওচৰত মই কৃতজ্ঞ।

জীৱিকা সংস্থানৰ কোনো উপায় নথকাৰ অপৰাধত এবাৰ মোক ফাটেকত আবদ্ধ কৰি ৰখাৰ কাৰণে চৰকাৰৰ বিধি ব্যৱস্থাৰ ওপৰত মই কৃতজ্ঞ।

বিয়া-বাৰু নকৰোৱাকৈ ডঙুৱা জীৱন কটাবলৈ মই বাধ্য হৈছো। ইচ্ছা কৰি নহয়, অৱস্থাৰ হেঁচাত । মাজে সময়ে এই কথা খুব সঁচা বুলি অনুভৱ কৰো যে 'যৌন-সম্ভোগে মানুহৰ মনক কোমলতা আৰু সৰলতা দান কৰে।' তাৰ অভাৱত অনেক সময়ত মানুহ চিনিক্ হৈ পৰে, তাৰ জীৱনবোধলৈ ৰুক্ষতা আহি পৰে । মাজে সময়ে অদম্য হৈ উঠা এই দৈহিক ক্ষুধাক শাঁত কৰিবলৈ সুবিধা দিয়াৰ কাৰণে পখিলীৰ ওচৰত কৃতজ্ঞ।

পখিলী তিনিটি ল'ৰা-ছোৱালীৰ মাক। তাই খুব ধুনীয়া ছোৱালী আছিল। কিন্তু ৰূপ-যৌৱনৰ বাহিৰে তাইৰ সংসাৰত আন একো সম্বল নাছিল। মটৰ দুৰ্ঘটনাত বিকলাংগ হোৱা এজন প্ৰৌঢ় ধনী ভদ্ৰলোকে টকাৰ জোৰত তাইক বিয়া কৰি আনিছিল। মানুহজনৰ চেহেৰা দেখিবলৈ এনেকুৱা আছিল যে, তেওঁৰ ওচৰত থিয় হ'লেই যিকোনো মানুহৰে মনত পৃথিৱীখন ব্যাধিগ্ৰস্ত আৰু জীৱনটো অসুন্দৰ যেন অনুভৱ হয়। সেই মানুহজনৰ গৃহিণী হৈ পখিলীয়ে প্ৰাণ ধাৰণৰ এটা নিশ্চিত, স্থায়ী ব্যৱস্থা লাভ কৰিলে। তাৰ পাছত তাই পুৰুষ চিকাৰৰ কাৰণে জাল পাতিবলৈ আৰম্ভ কৰিলে। তাইৰ প্ৰথম আৰু দ্বিতীয় চিকাৰ কোন, মই আজিও নেজানো। কিন্তু মই যে তৃতীয়, সেই কথা তাই নিজেই কোৱা শুনিছো। কৃতজ্ঞতাৰ বাহিৰে পখিলীক দিবলৈ মোৰ আৰু একো নাই। উদ্দেশ্য হীন ভোগ-লালসাক মই চিৰকাল ঘিণ কৰি আহিছো। কিন্তু পখিলীক মই ঘিণ নকৰো। যি ভাগ্যৰ হাতত তাই নিদাৰুণ ভাৱে মাৰ খাইছিল, তাৰ বিৰুদ্ধে সংগ্ৰাম

কৰিবলৈ তাইৰ অধিকাৰ আছে। তদুপৰি, পখিলীৰ পৰপুৰুষৰ প্ৰতি আসক্তিত ইন্দ্ৰিয়ানুভূতিৰ উজ্জ্বল প্ৰকাশ আছে, হীন স্বাৰ্থ বৃদ্ধি নাই! বনৰ হৰিণীৰ দৰে সুন্দৰ হৃদয় আৰু নিৰ্মল উল্লাসেৰে তাই মিলনৰ আনন্দ উপভোগ কৰে। তাত পাপ নাই। তাইৰ সাহচৰ্যত মই অৰণ্যৰ বিশাল মুক্তি অনুভৱ কৰো।

মই মোৰ নিজৰ ওচৰতো কৃতজ্ঞ – এই কাৰণেই যে, পৃথিৱীখনক মই প্ৰেমৰ চকুৰে চাব পাৰিছো। বেলিৰ পোহৰত, প্ৰকৃতিৰ কোলাত , মানুহৰ মাজত জীয়াই থকাটো সঁচকৈয়ে সুন্দৰ। বিশেষভাৱে মই কাৰো আপোন নহয়. আনকি মোক জন্ম দিয়া আইতা - দেউতাৰো নহয়— সেই কাৰণে গোটেই জগতখনৰ লগতে মই নিবিড় আত্মীয়তা বোধ কৰো। মোৰ ভৰিৰ খোজৰ শব্দত , ঘাঁহৰ বুকুত শান্তিৰে শুই থকা এটা ফৰিঙৰ টোপনি ভাগি গ'লেও, মোৰ হৃদয়ৰ ৰক্ত ক্ষৰণ হোৱা যেন অনুভৱ কৰো, নিজকে অপৰাধী যেন লাগে। প্ৰাণৰ সকলো প্ৰকাৰৰ প্ৰকাশৰ প্ৰতি এই আত্মীয়তাৰ উপলব্ধি - - যিকোনো দুৰূহতম দাৰ্শনিক গৱেষণাতকৈ বেছি মূল্যবান । এই মহৎ উপলব্ধিৰ কাৰণে মই নিজৰ ওচৰতে কৃতজ্ঞ।

◆◆◆

# সমাধান

ভঁৰালত বোধহয় নিগনি মৰি গেলি আছে, গোন্ধত বমি আহিব খোজে ওচৰতে বান্ধি থোৱা ছাগলী কেইজনীয়েও দপদপাই আছে। অনেক চেষ্টা কৰিও ললিতাই টোপনি যাব নোৱাৰিলে। তথাপি, তাই মনে মনে ভাবিলে গাঁওবুঢ়াৰ দয়াৰ তুলনা নাই। গাঁওখনৰ কোনেও ৰাতিটো মূৰ গুজি পৰি থাকিবলৈকে তাইক ঠাই অকণ নিদিলে। গাঁওবুঢ়াই মৰম কৰি ভঁৰালৰ আগৰ ছালিখনতে তাইক পৰি থাকিবলৈ নিদিয়া হ'লে, তাইৰ অবস্থা কি হ'লহেঁতেন ভাবিবই নোৱাৰি। প্ৰথমতে অৱশ্যে গাঁওবুঢ়ায়ো তাইক আশ্ৰয় দিবলৈ মান্তি হ'ব খোজা নাছিল। কিন্তু ললিতাই যেতিয়া তেওঁক ক'লে যে ৰাতিপুৱাৰপৰা পেটত খুদকণ এটা নপৰাকৈ তাই ডেৰকুৰি মাইল বাট খোজকাঢ়ি আহিছে, এতিয়া আৰু তাইৰ উঠিবলৈকে শক্তি নাই, তেনে অৱস্থাত তাইক খেদি দিবলৈ গাঁওবুঢ়াৰ সত নগ'ল। ভঁৰালৰ আগৰ ছালিখনতে ৰাতিটো পৰি থাকিবলৈ অনুমতি দি ভাত এমুঠি খোৱাৰো দিহা দিলে।

কালিলৈ ৰাতিপুৱাৰ লগে লগে তাই এই ঠাই এৰি গুচি যাব লাগিব। ক'লৈ যাব, তাই ক'ব নোৱাৰে। কিন্তু আজি আৰু সেইবোৰ কথা ভাবি লাভ কি মনত পৰা কালৰেপৰা তাই জানি আহিছে, পৃথিৱীৰ ক'তো তাইৰ কাৰণে আশ্ৰয় নাই। এতিয়া টোপনি যাব পাৰিলেই তাই ৰক্ষা পৰে মৃত্যুৰ দৰে সুন্দৰ গভীৰ টোপনি, অথবা সি মৃত্যুৱেই-- জীৱনৰ দাসত্বৰপৰা অনন্ত ছুটি। মৰিবলৈ ইমানবোৰ সহজ উপায় থাকোঁতেও তাই মৰি নেযায় কিয়? টোপনি যাবলৈ ব্যৰ্থ চেষ্টা কৰি ললিতাই আকৌ এবাৰ ভাবিলে। হঠাতে অন্ধকাৰৰ পৰ্দাত সেই ভয়াবহ দৃশ্যটো তাইৰ চকুৰ আগত ফুটি উঠিল। সমাজৰ চকুত হত্যা অথবা আত্মহত্যা ইমান মাৰাত্মক অপৰাধ কিয়? জীয়াই থকাৰ অধিকাৰৰপৰা যি সমাজে তোমাক বঞ্চিত কৰে, নিজ খুচিমতে মৰিবলৈকো সেই সমাজে তোমাক নিদিব কিয়? জীৱনৰ কিছুমান আদৰ্শ যি সমাজে জীৱনতকৈয়ো ডাঙৰ বুলি ভাবে, সেই

আদর্শ ৰক্ষাৰ কাৰণে আনক হত্যা কৰিলে সমাজৰ চকুত সি অমার্জনীয় অপৰাধ বুলি গণ্য হয় কেনেকৈ? নিজৰ অপৰিহৃত চিন্তা শক্তিৰে কথাবোৰ ভাবি ভাবি ললিতা এসময়ত টোপনি গ'ল। টোপনিতে তাই সপোন দেখিলে আচামীৰ কাঠগড়াত থিয় হৈ তাই বিচাৰকৰ প্রশ্নৰ উত্তৰ দিছে, এবাৰ নিজেই উকীল হৈ অনর্গল তর্ক কৰিছে। এবাৰ আকৌ বিচাৰকৰ আসনত বহি পৃথিবীৰ সমস্ত মানুহৰ অপৰাধৰ ওপৰত তাই ৰায় দিছে।

হঠাতে মুখৰ ওপৰত কাৰোবাৰ কঠিন হাতৰ স্পর্শ লাগি ললিতাৰ টোপনি ভাগি গ'ল। মাত মাতিব নোৱাৰাকৈ কোনোবাই জোৰকৈ মুখখন টেপি ধৰিছে। এই ৰহস্যময় কঠিন স্পর্শৰ ভাষা ললিতাই ভালকৈ বুজি পায়। মানুহটোক বাধা দিবলৈ অকণো চেষ্টা নকৰি তাই নিশ্চল হৈ পৰি ৰ'ল। তাই মাত্র ভবিবলৈ ধৰিলে, কোন হ'ব পাৰে সেই মানুহটো? গাঁওবুঢ়াৰ সৰুটো পুতেকৰ মুখখন তাইৰ চকুৰ আগত ভাহি উঠিল। আশ্রয় বিচাৰি গাঁওবুঢ়াৰ ঘৰৰ দুৱাৰ মুখত থিয় দিওঁতেই তাৰ লগত ললিতাৰ এবাৰ চকুৱে চকুৱে পৰিছিল। কিন্তু যিয়েই নহওক সি, তাত ভাবিবলগীয়া কি আছে। সি পুৰুষ, সি যে অৰণ্যৰ নৰ খাদক নহয় সেইখিনি তাইৰ কাৰণে যথেষ্ট। অসহায় অৱস্থাত পাই তাইৰ দেহটোলৈ লোভ কৰিবলৈ অহা সেই মানুহটো ৰাম, শ্যাম, হৰি যেয়েই নহওক তাত তাইৰ ভাবিবলগীয়া একো নাই।

ললিতাক তেনেকৈ শান্তভাৱে পৰি থকা দেখি মানুহটোৱে প্রথমতে ভাবিলে তাই বোধহয় এতিয়াও সাৰ পোৱা নাই। সি বাওঁহাতৰ আঙুলি কেইটাৰে তাইৰ চকুকেইটা চুই চালে। দুইটা চকু মেলা খোলা হৈয়ে আছে। তেতিয়া সি তাইৰ মুখৰপৰা হাতৰ টেপাটো এৰি দিলে। এজনী দ্রষ্টা ছোৱালীৰ ওচৰত ইমানখিনি ভয় কৰিবলগীয়া কি আছে, সি বোধহয় মনতে ভাবিলে ললিতাক সিফালে ঠেলি দি সি তাইৰ লগতে শুই পৰিল।

দুঘণ্টামান সময় থকাৰ পাছত মানুহটো উঠি গুচি গ'ল।

কানি কাপোৰবোৰ ঠিক কৰি ললিতাই আকৌ শুবলৈ চেষ্টা কৰিলে। ৰাতি পুৱাবলৈ আৰু বেছি পৰ নাই। এঘুমটি ভালকৈ মাৰি লোৱাই ভাল। এনে কোনো ঘটনা নিশ্চয় ঘটা নাই যি তাইৰ জীৱনৰ সহজ প্রবাহক বাধা দিব

পাৰে। আহাৰ, মৈথুন, নিদ্ৰা মানুহৰ সহজাত আদিম প্ৰবৃত্তি তাক সহজভাৱে গ্ৰহণ নকৰিয়েই তাই জীৱনলৈ মাতি আনিলে চৰম বিপৰ্যয়। কিন্তু সহজভাৱে গ্ৰহণ কৰা হ'লেও জানো তাইৰ জীৱনে অন্য গতি ল'লেহেঁতেন? সেই একেটা প্ৰশ্নই আজি আকৌ তাইৰ মনত ভুমুকি মাৰিলে,– যিটো প্ৰশ্ন নিজকে তাই হেজাৰবাৰ কৰিছে, অথচ এবাৰো তাৰ উত্তৰ তাই আজি এবছৰেও ভাবি উলিয়াব নোৱাৰিলে। এদিন তাই তাৰ সমাধান কৰিবলগীয়া হৈছিল চকুৰ পলকৰ ভিতৰতে। ভুল বাটেৰে হয়তো তাই তাৰ সমাধান কৰিবলগীয়া হ'ল, কিন্তু শুদ্ধ বাটটোও আজিলৈকে তাইক কোনেও কৈ দিব নোৱাৰিলে। আনকি সামাজিক ন্যায়বোধৰ প্ৰতীক আইনজ্ঞ বিচাৰকেও।

কৈঁচুৱা কালতেই ললিতাই বাপেকক হেৰুৱাইছিল। তাইৰ ষোল বছৰ মান বয়সত যেতিয়া মাকো এদিন মৰি থাকিল, সংসাৰত আশ্ৰয় বুলিবলৈ বিয়া দিয়া বায়েক এজনীৰ বাহিৰে আৰু তাইৰ কোনো নেথাকিল। সুসভ্য মানুহৰ সমাজ ব্যৱস্থা এনেকুৱা অদ্ভুত যে অবিবাহিতা কোনো তিৰোতাই একেবাৰে অকলশৰীয়াকৈ কেতিয়াও বাস কৰিব নোৱাৰে। তেনেকৈ থাকিলেও অবলা তিৰোতাৰ প্ৰতি মুহূৰ্ততে দৈহিক পবিত্ৰতা নষ্ট হোৱাৰ ভয়। ভয় সেইবিলাকৰ পৰাই, যিবিলাকে দৈহিক পবিত্ৰতাক তিৰোতাৰ আটাইতকৈ প্ৰয়োজনীয় গুণ বুলি ভাবে । কোনো ছোৱালীয়ে যদি সমাজৰ বহু ঈপ্সিত দৈহিক পবিত্ৰতাক ঠিক ৰাখিও অকলশৰে বাস কৰিব পাৰে তেতিয়াও সমাজৰ ভীষণ বিবেক বুদ্ধিয়ে তাইৰ ওপৰত নানা কাল্পনিক কলঙ্ক আৰোপ নকৰাকৈ থাকিব নোৱাৰে। আজলী গাঁৱলীয়া ছোৱালী ললিতাৰ পক্ষে অকলশৰীয়াকৈ থকাৰ কথা কল্পনা কৰাও অসম্ভৱ। মাক মৰিবৰ দিনাই তাই গৈ ভিনিহিয়েকৰ ঘৰত আশ্ৰয় ল'লেগৈ।

কিছুদিন ললিতাৰ বেছ সুখেৰেই গ'ল। কাম কৰিবলৈ তাই ভয় নকৰে, ঘৰখনৰ বাহিৰ ভিতৰৰ সকলো কাম তাই নিজৰ মূৰৰ ওপৰত তুলি ল'লে। বায়েকেও এজনী মাত্ৰ ভনীয়েক বুলি তাইক খোৱা-পিন্ধাত অকণো দুখ নিদিয়ে। তাইৰ সুখৰ মাত্ৰা ষোল অনা পূৰ কৰিবলৈ এদিন এটা অঘটন ঘটিল। ভিনিহিয়েকৰ ঘৰৰ ওচৰৰে সম্বন্ধীয়া দদায়েকৰ পুতেক নীলকান্তই তাইৰ ওচৰত প্ৰেম নিবেদন

কৰিলেহি। নীলকান্তৰ মুখতে সেইদিনা ললিতাই গম পালে, পৃথিৱীৰ ভিতৰত সৰ্বোত্তমা সুন্দৰী ছোৱালীজনী তায়েই। নীলকান্তই তাইক তাৰ ভালপোৱা জনোৱাত ললিতা বিশেষ আচৰিত নহ'ল, কিয়নো বহুদিনৰপৰা তাৰ ভাব-ভঙ্গী দেখি তাই তেনেকুৱা এটা কথাই অনুমান কৰিছিল। কিন্তু ইমান সহজে যে সি সেই কথা মুখেৰে প্ৰকাশ কৰিব পাৰিব, ললিতাই ভাবিবই পৰা নাছিল। সেইদিনা ললিতাই তাৰ কথাৰ একো উত্তৰ নিদিলে। তাইৰ দৰে কেও কিছু নোহোৱা নিৰাশ্ৰয়া ছোৱালী এজনীক যে নীলকান্তৰ দৰে ধনীৰ ঘৰৰ ল'ৰাই বিয়া কৰিব, সেই কথা বিশ্বাস কৰা টান। দুখীয়াৰ পদে পদে বিপদ। সেই কাৰণে সাৱধানে চলা ভাল । নীলকান্তৰ প্ৰকৃত অভিপ্ৰায়টো আনৰদ্বাৰা সোধাই জানি লোৱা উচিত বুলি ভাবি সেইদিনা তাই সখীয়েক কুসুমৰ ঘৰলৈ গ'ল। কুসুমে ললিতাৰপৰা সকলো কথা শুনি তাইক সুধিলে ঃ 'বাৰু ললিতা তোক কথা এটা সোধো, সঁচা কথা কবি নে?'

কুসুমৰ প্ৰশ্ন কৰাৰ ভংগীত ললিতাৰ মনটো এনেয়ে এবাৰ কঁপি উঠিল। লৰালৰিকৈ তাই উত্তৰ দিলে ঃ ' তই এইবোৰ কি কথা কৈছ কুসুম? মই কিবা পাপ কৰিছো নেকি যে তাকে লুকুৱাবলৈ তোক মিছা কম? কি সুধিব খুজিছ সোধ।'

কিছু সময় কিবা ভাবি কুসুম মনে মনে ৰ'ল। তাৰ পিছত ললিতাৰ হাত এখন নিজৰ হাতৰ মুঠিত লৈ কুসুমে মৃদু কণ্ঠেৰে সুধিলে ঃ 'গাঁৱত কোনো কোনো মানুহে উলিয়াইছে যে ভিনিহিয়েৰে তোক তিৰোতা হিচাপেহে ৰাখিছে। কথাষাৰ যদি সঁচা---'

কুসুমে তাইৰ কথা শেষ কৰিবলৈ নেপালেই। ললিতা গিৰিস কৰে থিয় হৈ উঠিল। অপমান আৰু উত্তেজনাত তাই ঠকঠককৈ কঁপিবলৈ ধৰিলে। উদ্‌ভ্ৰান্ত দৃষ্টিৰে তাই কিছু সময় বাহিৰলৈ চাই ৰ'ল। তাৰ পাছত হঠাতে এবাৰ সাউৎ কৰে বাহিৰলৈ ওলাই তাই বেগাবেগিকৈ ঘৰলৈ বুলি খোজ দিলে।

ঘৰ পাই ললিতাই দেখিলে, বায়েক ঘৰত নাই । নৈলৈ পানী আনিবলৈ গৈছে। ভিনিহিয়েকে পিৰালিতে দুবছৰীয়া কেঁচুৱাটো কোলাত লৈ বহি আছিল। ললিতা লাহে লাহে গৈ তেওঁৰ ওচৰতে থিয় দিলেগৈ। তাৰ পাছত চাৰিও ফালে

এবাৰ চকু ঘুৰাই চাই ললিতাই লাহেকৈ মাত লগালে: ' ভিনিদেউ , আপোনাৰ কোলাত বহি থকা এই পোনাকণৰ শপত দি সুধিছো , মোক কথা এটা ক'ব লাগিব। গাঁৱত মানুহে প্ৰচাৰ কৰি ফুৰিছে, আপুনি বোলে মোক নিজৰ তিৰোতা হিচাপেহে ৰাখিছে । সেইবোৰ আপুনি নিজেই উলিযাই ফুৰিছে নেকি? যদি আপুনি নাই উলিওৱা তেন্তে মানুহক এই মিছা বদনাম গোৱাৰপৰা আপুনিযে বন্ধ কৰিব লাগিব।

ললিতাৰ ভিনিহিযেক বহুত সময় স্তম্ভিত হৈ বহি ৰ'ল। গোটেই অভিযোগ অস্বীকাৰ কৰিবলৈকে তেওঁৰ মন গ'ল। হঠাতে ললিতাই দিযা শপতটোৰ কথা তেওঁৰ মনত পৰিল। কৌতুকৰ ছলেৰে গোটেই কথাটো পাতলাই দিবৰ মনেৰে তেওঁ ললিতালৈ চাই হাঁহি এটা মাৰি ক'লে 'গাঁৱৰ মানুহে কোৱা কথাযাৰ সঁচা হ'লেনো কি বেযা হ'ব ললিতা? দেশত নোহোৱা কথাটো একো নহয়?'

ললিতা মুহূর্ততে নির্বাপিত হৈ গ'ল।

সেইদিনা গোটেই ৰাতি তাইৰ চকুলৈ টোপনি নাহিল। নীলকান্তই হযতো এতিযাও এইবোৰ কথা গম পোৱা নাই, গোটেই গাঁবত কথাযাৰ ওলাইছে যেতিযা তাৰ কাণতো নিশ্চয পৰিবগৈ। তেতিযা আৰু নিশ্চিয তাইক বিযা কৰিবলৈ আগ নেবাঢ়িব। অকল নীলকান্ত কিয কোনেও আৰু তাইক বিযা কৰিবলৈ নিবিচাৰিব। তাইৰ ভিনিহিযেকৰো আচল উদ্দেশ্য নিশ্চয সেইটোৱেই। নহ'লে ইমান দিনৰ ভিতৰতো তাইৰ একো এটা অসং ইংগিত নিদিযাকৈ তেওঁ বাহিৰে বাহিৰে সেইবোৰ কথা উলিযাই ফুৰিব কিয? তেওঁ নিশ্চয ভাবিছে সেইবোৰ কথা শুনি যেতিযা কোনেও তাইক বিযা কৰিবলৈ নোলোৱা হ'ব, তেতিযা অতি সহজে আৰু স্বাভাৱিকভাৱেই ললিতা তেওঁৰ তিৰোতা হিচাপে থাকিবলৈ বাধ্য হ'ব। কথাবোৰ যিমানেই ভাবিবলৈ ধৰিলে, সিমানেই ললিতাই অনুভৱ কৰিলে, এই কুৎসিৎ ষড়যন্ত্ৰ-জালৰপৰা তাই নিস্তাৰ পোৱাৰ কোনো আশা নাই এটা হীন স্বাৰ্থপৰ মানুহৰ অসৎ ভোগ-লালসাৰ সামগ্ৰীৰূপে তাই গোটেই জীৱন কটাব লাগিব, যাৰ ওপৰৰ তাইৰ হৃদয বৃত্তিৰ কোনো মূল নাই মূল্য আছে মাথোঁ তাইৰ দেহটোৰ । সেই কুৎসিত সম্ভাৱনাৰ কথা চিন্তা কৰি ঘৃণাত, আতংকত তাইৰ গোটেই দেহ শিহৰি উঠিল মনে মনে তাই সংকল্প

কৰিলে, দেহত প্ৰাণ থকালৈকে তাই ভিনিহিয়েকৰ এই পাশৱ প্ৰবৃত্তিৰ প্ৰতিৰোধ কৰিব।

ললিতাৰ শোৱা কোঠাটোত দুৱাৰ নাছিল। হঠাতে মানুহ এটা সোমাই অহা যেন তাই গম পালে। ললিতাই ঘপহকৈ বিছনাৰ ওপৰতে বহি পৰিল কোন সোমাই আহিছে বুজিবলৈ তাইৰ বাকী নেথাকিল। আজি গধূলিৰ কথা বাৰ্ত্তাৰ পাছত ভিনিহিয়েকৰ চকুত লাজো নিশ্চয় নোহোৱা হৈ গৈছে। সেই কাৰণে এদিনো পলম নকৰি তেওঁ আজিয়েই তাইৰ ওচৰলৈ আহিছে। ভিনিহিয়েক আহি বিছনাৰ ওচৰ পাওঁতেই ললিতাই অনুচ্চ কণ্ঠেৰে মাত লগাই উঠিল। 'ভিনীদেউ, আপুনি যদি মোৰ গাত হাত দিয়ে, মই চিঞৰি গোটেই গাঁওখনকে জগাই তুলিম?'

কিবা এটা ভাবি ভিনিহিয়েক অলপ সময় তভক মাৰি ৰ'ল। তাৰ পাছত অতি আদৰৰ ভঙ্গীৰে ললিতাৰ গালত দুবাৰমান হাত বুলাই তেওঁ লাহে লাহে ওলাই গ'ল।

সেইদিনাৰপৰা ললিতাৰ জীৱনটো হৈ পৰিল এটা অন্তহীন দুঃস্বপ্ন। ৰাতিও তাই ভালদৰে টোপনি যাব নোৱাৰা হ'ল। দিনত কোনোবাকৈ বায়েক ঘৰত নেথাকিলে তাই ভিনিহিয়েকৰপৰা আঁতৰি আঁতৰি ফুৰে এটা মুহূৰ্তৰ অসতৰ্কতাতেই তাইৰ জীৱনলৈ নামি আহিব চৰম অভিশাপ। কেতিয়াবা বায়েককেই সকলো কথা খুলি কৈ দিবলৈ তাইৰ মন যায়। কিন্তু বায়েকে বা কথাষাৰ কি ভাবে লয়, সেই ভয়তে তাই ক'ব নোৱাৰে তদুপৰি তাইৰ সন্দেহ হয়, বায়েকে কিজানি গিৰিয়েকৰ অভিপ্ৰায় জানিও তাত বাধা দিবলৈ মন কৰা নাই। এনে অনিশ্চিত আতঙ্কৰ মাজত জীৱন কটোৱাতকৈ ক'ৰবালৈ পলাই আঁতৰি যাবলৈ তাইৰ মন যায়। কিন্তু পৃথিবীত তাইৰ কাৰণে এনে ঠাই নাই য'ত নিজৰ সন্মান বচাই তাই এদিনৰ কাৰণেও আশ্ৰয় পাব পাৰে। এনে অসহায় কৰি সংসাৰত জন্ম দিয়াৰ বাবে কেতিয়াবা ঈশ্বৰকে তাই মনে মনে অভিশাপ দিয়ে, কিন্তু অভিশপ্ত ঈশ্বৰৰ ক্ৰোধৰ মাত্ৰা তাইৰ ওপৰত বেছিহে হৈ উঠে (অৱশ্যে ঈশ্বৰ যদি সঁচাকৈয়ে আছে)। লাহে লাহে তাই অনুভৱ কৰিবলৈ ধৰিলে যে ভাগ্যৰ তাড়নাৰপৰা তাই কোনো দিন পলাই সাৰিব নোৱাৰে। ভিনিহিয়েকৰ

লগত এনে মিছা কলংক প্ৰচাৰ হোৱাৰ পাছত কোনেও নিশ্চয় তাইক বিয়া কৰিবলৈ আগ নেবাঢ়িব। কেতিয়াবা দুৰ্বল মুহূৰ্তত তাই ভিনিহিয়েকৰ ওচৰত আত্মসমৰ্পণ কৰাৰ কথাকে ভাবে। হেজাৰ হওক, তেওঁ তাইৰ আশ্ৰয়দাতা। তেওঁ আশ্ৰয় নিদিয়া হ'লে কিজানি ইমান দিনে তাইৰ অৱস্থা ইয়াতকৈও বহুত দুখ লগা হ'লহেঁতেন। তিৰোতাৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ সম্পদ দি তাই কেতিয়াবা ভিনিহিয়েকৰ উপকাৰৰ প্ৰতিদান দিয়াৰ কথা ভাবে।

ললিতাৰ মনৰ যেতিয়া ঠিক এনেকুৱা অৱস্থা , সেই সময়তে তাই আকৌ এদিন নীলকান্তক লগ পালে। গাঁওৰ মূৰৰ নিৰ্জন বাটটোত ললিতাক অকলশৰে লগ পাই নীলকান্ত থমকি ৰ'ল। জীৱনৰ শেষ মুক্তিৰ সম্ভাৱনাটো পৰীক্ষা কৰি চাবলৈ ললিতায়ো তাৰ মুখলৈ সাহসেৰে মূৰ তুলি চালে। তাই দেখি আচৰিত হ'ল, নীলকান্তৰ চকু তাইৰ যৌৱনপুষ্ট নিপোটল দেহটোৰ ওপৰত নাই ; তাৰ গভীৰ প্ৰেমপূৰ্ণ দৃষ্টি ললিতাৰ আত্মাৰ গভীৰত নিস্তব্ধ। জীৱনত প্ৰথমবাৰৰ কাৰণে ললিতাই অনুভৱ কৰিলে, তাই সেই তিলোত্তমা নাৰী, পুৰুষৰ সুন্দৰতম বাসনাই যাক চিৰকাল অভিষিক্তা কৰি আহিছে। তাই কেৱল মাত্ৰ এটা মাংসপিণ্ড নহয় যি পুৰুষৰ দেহৰ ক্ষুধাক মাত্ৰ তৃপ্ত কৰে। কিছু সময় দুয়ো দুয়োলৈকে চাই থকাৰ পাছত নীলকান্তই প্ৰথমে মাত লগালে ঃ ' তুমি মোৰ কথাষাৰৰ উত্তৰ কেতিয়ালৈকে দিবা ললিতা?"

ললিতাই মুহূৰ্ততে নিজৰ মন ঠিক কৰি ল'লে। তাই কুণ্ঠাহীন মাতেৰে নীলকান্তক সুধিলে ঃ ' আপুনি সঁচাকৈয়ে মোক বিয়া কৰিব?'

বিয়া কৰিম বুলিয়েইটো তোমাক সুধিছো।' নীলকান্তই উত্তৰ দিলে।

কিন্তু মোৰ নিচিনা কেও-কিছু নোহোৱা ছোৱালীক যদি ঘৰত বিয়া কৰিবলৈ নিদিয়ে, তেতিয়া কি কৰিব?'

' তুমি যদি প্ৰকৃততে মোক ভালপাই মোলৈ আহিব খোজা, তেন্তে ঘৰৰ মতলৈ মই ভয় নকৰো। তোমাক বিয়া কৰি মই ঘৰৰপৰা বেলেগ হৈ যাম।'

নীলকান্তৰ সেই সৰল অথচ দৃঢ় উত্তৰ শুনি আনন্দ আৰু বিস্ময়ত ললিতাৰ মন নাচি উঠিল। তাইকো যে কোনো পুৰুষে এনে গভীৰ নিষ্ঠাৰে

কামনা কৰিব পাৰে, সেই অনিৰ্বচনীয় উপলব্ধিৰ তীব্ৰতাত তাই বহুত সময় অবাক হৈ ৰ'ল। অৱশেষত তাইৰ সুধিবলগীয়া শেষ কথাষাৰো ললিতাই নীলকান্তক সুধি পেলালে ঃ ' ভিনিহিদেউৰ মতলব ভাল নহয়। গাঁওত তেওঁ মিছাকৈয়ে বহুত কথা উলিয়াই ফুৰিছে। আপুনি সেইবোৰ কথা শুনিছে?'

— ' শুনিছো ' — নীলকান্তই সহজভাৱে উত্তৰ দিলে।

'আপুনি বিশ্বাস কৰে সেইবোৰ কথা?'

— বিশ্বাস নকৰো বুলিয়েই তোমাক আজি এই কথা কৈছো ললিতা। বহুত দিনৰপৰাই তোমাক মই লক্ষ্য কৰি আহিছো। তোমাক মই যেনেকৈ চিনি পাওঁ, আন কোনেও নেপায়।'

ললিতাৰ খুব ইচ্ছা হ'ল। নীলকান্তৰ সেই প্ৰশান্ত উদাৰ বুকুত মুখ লুকুৱাই তাই যেন পাৰে মানে কান্দিব। সি তাইক চিনি পায়, পৃথিবীৰ প্ৰথম প্ৰেমিক , যি তাইক চিনি পায়। বসন্ত-প্ৰভাতৰ অৰুণোদয়ৰ দৰে উজ্জ্বল সেই আশ্চৰ্য পৰিচয়, প্ৰতিটি নতুন জন্মৰ দৰে সি ৰহস্যময়, প্ৰথম মিলন ৰাতিৰ সংগমৰ দৰে সি বেদনা-দীৰ্ণ । ধুমুহাই কোনোবা চিকন সেউজীয়া লতা এডালৰ দৰে তাইৰ সুন্দৰ ঈষৎ-নমিত দেহটো সেই বিশাল আবেগৰ স্পন্দনত এবাৰ কঁপি উঠিল। নীলকান্তৰ মৰ্ম-ভেদি দৃষ্টিৰপৰা নিজকে গোপন কৰিবলৈ ললিতাই গধূলিৰ ধূসৰ আকাশখনলৈ মূৰ তুলি চালে। তাইৰ চকু পৰিল এটি স্থিৰ-দীপ্তি নক্ষত্ৰৰ ওপৰত ।

আকাশৰ হেজাৰ হেজাৰ নক্ষত্ৰৰ মাজত সেই নামহীন নক্ষত্ৰটো আজি হেৰাই গৈছে; ললিতাৰ প্ৰথম হৃদয় দানৰ সাক্ষী সেই সুন্দৰ নক্ষত্ৰটো হেজাৰ চেষ্টা কৰিও তাই বিচাৰি উলিয়াব নোৱাৰে। এদিন গাঁৱতে কাৰোবাৰ ঘৰত বিয়া হ'ল। ল'ৰা-ছোৱালী লৈ ৰাতি বিয়ালৈ যাবলৈ অসুবিধা বুলি ললিতাৰ বায়েক দিনতে বিয়ালৈ গ'ল। ললিতা অকলে ঘৰত থাকিল। ৰাতি লগৰ ছোৱালীৰ লগত তাই বিয়ালৈ যাব । কৰিবলৈ একো কাম নথকাত ললিতাই মাটিতে পাটী এটা পাৰি লৈ নানা আকাশ-পাতাল কথা ভাবি গুণী শুই আছিল। তাইৰ ভিনিহিয়েকে কেতিয়া আহি দুৱাৰমুখত থিয় হৈ তাইৰ অসংযত দেহ-শোভা উপভোগ কৰি আছিল ললিতাই ক'বই নোৱাৰে। হঠাতে বেৰত ছাঁ দেখি তাই

মূৰ তুলি চাই দেখে নির্লজ্জ লোভাতুৰ দৃষ্টিৰে ভিনিহিয়েকে তাইলৈ একেথিৰে চাই আছে। তাইৰ বুকুখন চিৰিংকৈ গ'ল। শিথিল কাপোৰ-কানিৰ মাজেদি প্ৰকট হৈ উঠা তাইৰ দেহৰ ৰূপ দেখি চিকাৰ দেখা পোৱা বাঘৰ দৰে অদমনীয় ক্ষুধাত ভিনিহিয়েকৰ মুখখন হিংস্ৰ হৈ উঠিছে । ললিতাই মুহূৰ্ততে বুজি উঠিল, আজি সেই পশুটোক বাধা দিয়া টান হ'ব। চিএৰ-বাখৰ কৰিও লাভ নাই, কাৰণ গাঁৱৰ প্ৰায়বোৰ মানুহেই সিটো চুবুৰিৰ বিয়া ঘৰত। তাই থিয় হৈ উঠিবলৈ লোৱাৰ লগে লগেই ভিনিহিয়েক আহি জোৰকৈ তাইক মাটিত পেলাই দিবলৈ যত্ন কৰিলে। ললিতায়ো দেহৰ সমস্ত শক্তিৰে বাধা দিবলৈ চেষ্টা কৰিলে তাইতকৈ বহু গুণে শক্তিশালী সেই মানুহটোক কেনেকৈ বাধা দি ৰাখিব, সেই কথা ললিতাই নাজানে । কিন্তু এটা কথা তাই নিশ্চিতভাৱে জানে যে, যেনেকৈয়ে নহওক ললিতাই তাইৰ সতীত্ব ৰক্ষা কৰিব লাগিব, যি সতীত্ব তিৰোতাৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ সম্পদ , যি সতীত্বক তিৰোতাৰ মেধা ঐশ্বৰ্যতকৈ যুগ যুগ ধৰি পুৰুষে উচ্চতৰ মূল্য দি আহিছে যিটো বস্তুৰ অবিহনে বিবাহিতা তিৰোতা হিচাপে কোনেও সমাজত সম্মানৰ আসন পাব নোৱাৰে । নীলকান্তৰ মুখলৈ চায়ো নিজৰ সতীত্ব ৰক্ষা কৰিব লাগিব। নহ'লে ললিতাৰ নিজৰ ইচ্ছাৰ বিৰুদ্ধে তাইৰ কুমাৰীত্ব নষ্ট হ'লেও নীলকান্তই তাইক গ্ৰহণ নকৰিব । এহাতে মুহূৰ্ততে এটা অন্ধ যান্ত্ৰিক প্ৰক্ৰিয়া, আনহাতে এটা সনাতন সামাজিক মূল্যবোধ এহাতে এটা দুৰ্বাৰ বলশালী কামাতুৰ পুৰুষ, আনহাতে এজনী অসহায়া অবলা তিৰোতা

ললিতাই হঠাতে এবাৰ অনুভৱ কৰিলে তাই যেন আৰু ভিনিহিয়েকক বাধা দি ৰাখিব নোৱাৰিব। বহুতপৰ যুঁজ বাগৰ কৰাৰ পাছত তেওঁ তাইক মাটিত পেলাই দিলে এটা অবৰ্ণনীয় আতংকত তাই দেহৰ সমস্ত চেতনা বিলুপ্ত হৈ যোৱা যেন অনুভৱ কৰিলে। ভিনিহিয়েকৰ দুৰ্বহ পাষাণভাৰ নিষ্ঠুৰ পীড়ন তীব্ৰতৰ হোৱাৰ লগে লগে ললিতাৰ মনৰপৰা সকলো মানৱীয় চেতনা নোহোৱা হৈ গ'ল। ঠিক সেই মুহূৰ্ততে তাই শৰীৰত এটা অমানুষিক শক্তি অনুভৱ কৰিলে। প্ৰচণ্ড জোৰেৰে ভিনিহিয়েকক ঠেলা মাৰি আঁতৰাই পেলাই তাই ভিতৰলৈ দৌৰি গ'ল। ভিনিহিয়েকো তাইৰ পাছে পাছে খেদি গ'ল। ললিতাই বুজিলে , এইবাৰ আৰু কেনেবাকৈ তেওঁৰ হাতত ধৰা পৰিলে তাইৰ ৰক্ষা নাই। হঠাতে বেৰত গুজি থোৱা দা এখনৰ ওপৰত তাইৰ চকু পৰিল। বেছি কথা ভাবিবলৈ

ললিতাৰ সময় নাছিল। দাখন টান মাৰি·লৈ তাই দেহৰ সমস্ত শক্তিৰে ভিনিহিয়েকৰ ডিঙিত ঘাপ মাৰি দিলে ।

ইয়াৰ পিছৰ কাহিনী তেনেই সংক্ষিপ্ত। নৰ-হত্যাৰ অপৰাধত তাইৰ বিচাৰ হ'ল। বিচাৰকে ললিতাক এবছৰ সশ্ৰম কাৰাদণ্ডৰ হুকুম দিলে।

ৰাতি পুৱাবলৈ বোধহয় বেছি পৰ নাই। গাঁওবুঢ়াৰ পিৰালিত কুকুৰ এটাই ভৌ-ভৌ কৈ ভুকি উঠিল। ললিতাই ইমান পৰে পাহৰি আছিল যে ৰাতি পুৱালেই তাই আশ্ৰয় ত্যাগ কৰি ক'ৰবালৈ গুচি যাব লাগিব। কুকুৰটোৱে যেন তাইক সেই কথা সোঁৱৰাইহে দিলে। কিন্তু উঠোঁ উঠোঁ বুলিও তাই বিছনাৰপৰা ঘপহ কৰে উঠিব নোৱাৰিলে। ৰাতি চোৰৰ দৰে আহি এটা মানুহে অন্ধকাৰৰ আঁৰ লৈ তাইৰ কুমাৰীত্ব নষ্ট কৰি থৈ গ'ল। বাধা দিবলৈ তাইৰ শক্তি নাছিল। যি সতীত্ব ৰক্ষাৰ কাৰণে তাই এদিন নৰ-হত্যা কৰিবলৈকো কুণ্ঠিত নহৈছিল, আজি কেইটামান মুহূৰ্তৰ ভিতৰতে , প্ৰায় তাই ক'ব নোৱাৰাকৈয়ে সি নষ্ট হৈ গ'ল। ললিতাই অবাক হৈ ভাবিলে, তথাপি দেখোন তাই আগৰ মানুহজনী হৈয়ে আছে। মুহূৰ্তৰ সেই যান্ত্ৰিক দৈহিক সম্ভোগ তাইৰ জীৱনৰ সৌন্দৰ্যবোধ বা স্থায়ী আৱেগ-অনুভূতিবোৰক অকণো পৰিবৰ্তিত কৰিব পৰা নাই। তথাপি তাৰ কাৰণেই তাই এদিন নৰ-হত্যা পৰ্যন্ত কৰিবলগীয়া হ'ল। দুঘণ্টাৰ আগৰ সেই ৰহস্যময় দৈহিক অনুভূতিখিনি মনত পেলাবলৈ ললিতাই চেষ্টা কৰিলে। ' এই সতীত্ব ৰক্ষা কৰিবৰ কাৰণেই সেইদিনা মই নৰ-হত্যা পৰ্যান্ত কৰিলো। ফলত মোৰ এবছৰ ফাটেক হ'ল। জেল খোৱা খুনী আছামী বুলি আজি মোক ৰাতিটো পৰি থাকিবলৈকে কোনেও ঠাই একণ নিদিলে, যি মধুৰ বিবাহিত জীৱনৰ আশা কৰি নিজৰ কুমাৰীত্ব অক্ষত ৰাখিবলৈ মই নৰ হত্যা কৰিলো, সেই বৈবাহিক জীৱন মোৰ কাৰণে স্বপ্ন হৈয়ে ৰ'ল কাৰণ খুনৰ দায়ত জেল খোৱা ছোৱালীক কোনেও বিয়া নকৰে, তেনেহ'লে সেই অমূল্য সতীত্ব ৰক্ষা কৰি মোৰ কি লাভ হ'ল? কিন্তু ভিনিহিদেউক হত্যা নকৰি তেওঁৰ ওচৰত আত্ম সমৰ্পণ কৰা হ'লেইবা মোৰ কি লাভ হ'লহেঁতেন? তেতিয়াও আনৰদ্বাৰা ধৰ্ষিতা ছোৱালীক কোনো সৎ উপযুক্ত মানুহে বিয়া নকৰিলেহেঁতেন । উপপত্নীৰ ঘৃণিত প্ৰেমহীন জীৱন যাপন কৰাৰ বাহিৰে তেতিয়াও মোৰ সন্মুখত কোনো গত্যন্তৰ

নেথাকিলহেঁতেন । পৃথিৱীৰ অন্য সকলো সতী তিৰোতাৰ দৰে নিজৰ আকাংক্ষিত প্ৰেমাস্পদক লৈ এখন সুখৰ সংসাৰ গঢ়ি তোলাৰ অধিকাৰ মোৰোতো নিশ্চয় আছিল । কিন্তু পুৰুষৰ বহু-আকাংক্ষিত সতীত্ব ৰক্ষা কৰিও সেই মহৎ অধিকাৰৰপৰা মই কিয় বঞ্চিতা হ'লো? নৰ-হত্যাৰ অপৰাধত? কিন্তু ঠিক সেই মুহূৰ্তত নৰ-হত্যা নকৰা হ'লে যে মোৰ সতীত্ব ৰক্ষা নহ'লহেঁতেন?

বেৰৰ ভগা জলঙাইদি পূবৰ দিগন্তলৈ ললিতাৰ চকু গ'ল । একাজলি তেজ যেন আকাশৰ অ'ত ত'ত বিয়পি পৰিছে., এটি নতুন সূৰ্যৰ জন্ম হ'ব আকাশৰ যোনি-দ্বাৰত সেয়া চমকা চমকে ৰক্তক্ষৰিত হৈছে। কি গভীৰ গৰিমাময় সেই জন্মৰ বেদনা , মানৱ মনৰ চিৰন্তন বিস্ময়, সেয়েহে সি নাৰীক কেন্দ্ৰ কৰি ৰচনা কৰিছে প্ৰেম-বিবাহ-সতীত্বৰ দুৰ্বোধ্য আদৰ্শ। মানুহৰ চিৰন্তন মূল্যবোধ আৰু ক্ষণিকৰ আকস্মিক দুৰ্ঘটনাৰ সংঘাতত এজনী সামান্য তিৰোতাৰ জীৱনত যি চৰম বিপৰ্যয়ৰ সৃষ্টি হ'ল, তাৰপৰা তাইক উদ্ধাৰ কৰিব কোনে? যিবোৰ আদৰ্শক সমাজে জীৱনতকৈয়ো মহত্তৰ বুলি গণ্য কৰিছে, সেই আদৰ্শ ৰক্ষাৰ কাৰণে যদি সামান্য এটা মানুহক হত্যা কৰিবলগীয়া হয়, তেন্তে সমাজে তাইক ক্ষমা নকৰে কিয়? ললিতাই চকুৰ পলক নেপেলোৱাকৈ পূবৰ আকাশলৈ চাই ৰ'ল। সমাজত শিশুৰ দৰে ৰক্তাক্ত বেলিটো লাহে লাহে ওপৰলৈ উঠি আহিল। বেলিৰ পোহৰত নিজৰ পিন্ধি থকা মেখেলাখনলৈ ললিতাৰ চকু গ'ল। এচমকা কেঁচা তেজ খলমা বান্ধি শুকাই আছে। সেই তেজৰ বিনিময়তো তাই মাতৃত্বৰ অধিকাৰ নেপালে । এদিন যদি ঠিক এনেভাৱেই তাইৰ জীৱনৰ সন্তান আহেও, পিতৃ-পৰিচয়হীন সেই সন্তানে সমাজত অন্য মানুহৰ দৰে মানুহৰ অধিকাৰ নেপাব। ললিতাই কেতিয়াও তেনে হ'বলৈ নিদিয়ে। এই নিষ্ঠুৰ সমাজত তাই কেতিয়াও তথাকথিত জাৰজ সন্তানৰ জননী হ'বলৈ নিবিচাৰে। নিজৰ অজ্ঞাতসাৰেই আঁঠু দুটা জোৰেৰে হেঁচি ধৰি ললিতাই কৌচখাই শুই পৰিল, যেন সেই মুহূৰ্ত্ততে কোনোবাই তাইক বলাৎকাৰ কৰিবলৈকে আহিছে।

আৰু কেই মুহূৰ্তমানৰ ভিতৰতে তাই এই ঠাই এৰি থৈ যাব লাগিব। পথে পথে তাই ঘূৰিব লাগিব, এমুঠি অন্নৰ কাৰণে ঘৰে ঘৰে হাত পাতিব লাগিব। ৰাতি য'তেই আশ্ৰয় ল'ব তাতেই পুনৰাবৃত্তি হ'ব আজিৰ ৰাতিৰ ঘটনাৰ।

মুঠতে তাই যদি আত্মহত্যা নকৰে, তেন্তে স্ত্ৰীৰিকাৰ কাৰণে তাই বাধ্য হৈ গ্ৰহণ কৰিব তিৰোতাৰ কাৰণে পৃথিৱীৰ প্ৰাচীনতম ব্যৱসায়-বেশ্যা বৃত্তি

দুঘণ্টাৰ আগৰ সেই অবৰ্ণনীয় বেদনাময় দৈহিক অনুভূতিখিনি মনত পেলাবলৈ ললিতাই আকৌ এবাৰ চেষ্টা কৰিলে।

হঠাতে বাহিৰত গাঁওবুঢ়াৰ কৰ্কশ কণ্ঠস্বৰ শুনা গ'ল : ' তই দেখোন শুবলৈ পাই নুঠাহি হলি। মানুহ-দুনুহ নৌ উঠোতেই ভালে ভালে গাঁৱৰ বাহিৰ হৈ যা। ঘৰতে কাল সাপ পুহি মই নিজৰ মৰণ চপাই ল'ব নোৱাৰো ।'

◆◆◆

# চেনাটোৰিয়াম্

ৰাতি আন্দাজ দুই মান বজাত জয়ন্ত চৌধুৰী বিছনাৰপৰা ধৰমৰাই সাৰ পাই উঠিল। কিবা দুঃস্বপ্ন দেখিছিল নেকি, মনত পেলাবলৈ সি খুব চেষ্টা কৰিলে। কিন্তু কি আচৰিত , তাৰ মগজুটো যেন হঠাতে অসাৰ হৈ গৈছে। হেজাৰ চেষ্টা কৰিও সি একোটোকে মনত পেলাব নোৱাৰিলে । আকৌ টোপনি যাবলৈ বুলি চেষ্টা কৰি বাগৰ মাৰিব খোজোতেই তাৰ বুকুৰ ওচৰত কিবা এটাই খৰমৰাই উঠিল। এটা অজান আশংকাত, সি প্ৰথমে ভালকৈয়ে উচপ খাই উঠিল। অলপ পাছতেই জয়ন্তৰ মনত পৰিল , সেইটো একো ভয়াবহ বস্তু নহয়, এখন কিতাপ মাত্ৰ।

এ লনলি ৱান্দাৰাৰ আৰ্ট ডাউ ৰিডিউচ্ টু এ ছিঙ্গল কাপ অব ৱাইন! তেৰ শ বছৰৰ আগৰ চীনা কবিতাৰ এন্থলজী এখন বুকুত লৈ জয়ন্ত বিছনাত পৰিছিল। এইটো তাৰ এটা বেমাৰ। শুবৰ সময়ত কিবা কিতাপ এখন মেলি নললৈ সতকাই তাৰ টোপনি আহিব নোখোজে। অৱশ্যে এইটো বুজিবলৈ জয়ন্তৰ যথেষ্ট বুদ্ধি আছে যে ই তাৰ এক প্ৰকাৰ মানসিক ৰুগ্নতাৰ বাহিৰে আন একো নহয়। জীৱনত কোনো এখন কিতাপ সি সম্পূৰ্ণকৈ পঢ়ি পোৱা নাই । তাৰ কাৰণ , সি কিতাপ পঢ়ে শুবৰ সময়ত বিছনাত পৰি পৰি, কেইপাতমান পঢ়াৰ পাছত টোপনিয়ে আহি হেঁচা মাৰি ধৰেহি। পাছদিনা ৰাতি সেইখন কিতাপ সি ভুলতো হাতেৰে তুলি নলয়। টেবুলত স্তূপাকাৰ হৈ থকা কিতাপৰ দ'মৰ মাজৰ টান মাৰি আনোতে যিখন কিতাপেই হাতত আহে সেইখনকে সেইদিনাৰ কাৰণে সি মেলি লয়। সেইখন আগাথা ক্ৰিষ্টিৰ সৰ্বশ্ৰেষ্ঠ থ্ৰীলাৰ এখনেই হওক বা কোনো তৃতীয় শ্ৰেণীৰ এমেৰিকান লিখকৰ বেষ্ট চেলাৰেই হওক, একোতেই জয়ন্তৰ অৰুচি নাই। ( অথবা পৰোক্ষভাৱে একোতেই তাৰ বিশেষ ৰুচি নাই) সেই কাৰণে তাৰ শোৱনি-কোঠাৰ টেবুল, আলমাৰী, বুক চেলফ্, চোফা পৰ্যন্ত হৰেক ৰকমৰ কিতাপেৰে ভৰ্তি। কেনেথ্ ৱাকাৰৰ যি ফিলছফি অব্ চেক্সৰপৰা

কেনেথ্ ফিয়েৰিঙৰ কাবা সংগ্ৰহবোৰকে, ডেনিছ কম্প্টনৰ ডি ক্ৰিকেট ইন্ মাই লাইফৰপৰা কম্পটন্ মেকেঞ্জিৰ চিনিস্টাৰ ৰোডলৈকে জয়ন্ত চৌধুৰীৰ পাঠাগাৰত নথকা কিতাপ নাই।

কিতাপ পঢ়াটো যাৰ জীৱনৰ বিলাস, সেই দুৰ্কপলীয়াহঁতৰ কাৰণে চৌধুৰীৰ পাঠাগাৰ এটা বিৰাট ঈৰ্ষাৰ বস্তু । কিন্তু অকল পাঠাগাৰ কিয়, জয়ন্ত চৌধুৰীৰ গোটেই জীৱনটোৱেই শতকৰা নিৰান্নবৈ পইন্ট ন জনৰ কাৰণে মৰ্মন্তুদ অন্তৰ্দাহ আৰু ঈৰ্ষাৰ বিষয় । He woke up one morning and saw him famous – ডিচেম্বৰ মাহৰ কোনো এটা কুঁৱলী ধূসৰ ৰাতিপুৱা (অৰ্থাৎ নমান বজ্ৰাত) জয়ন্ত চৌধুৰী বিছনাৰপৰা শুই উঠিল আৰু দেখিলে যে ইতিমধ্যেই সি প্ৰায় চাৰে তিনি লাখ টকাৰ এখন চাহ বাগান আৰু অসমৰ বিভিন্ন চহৰত দুটা পকীঘৰৰ মালিক হৈ পৰিছে। জয়ন্তৰ দেউতাক হাৰীণ চৌধুৰীৰ হাই ব্লাড প্ৰেছাৰ আছিল। সেইদিনা ৰাতি শুবলৈ গৈ ৰাতিপুৱা বুঢ়া আৰু শুই নুঠিল। গতিকে বুঢ়াৰ একমাত্ৰ সন্তান আৰু উত্তৰাধিকাৰী হিচাপে এই সকলোবোৰ অৱশ্যে জয়ন্তৰেই প্ৰাপ্য। কিন্তু অকল সেয়ে নহয়, উত্তৰাধিকাৰী হিচাপে জয়ন্তই দেউতাকৰপৰা আৰু লাভ কৰিছিল অনুপম স্বাস্থ্য আৰু দেহশ্ৰী মানসিক আভিজাত্য আৰু সুস্থতা। সকলো ফালৰেপৰা পৰিপূৰ্ণ, নিখুঁত নিটোল এনে এটা জীৱন যে সকলোৰে ঈৰ্ষাৰ বিষয় হ'ব, তাত আৰু আচৰিত কি।

তথাপি, তথাপি। মাজৰাতি হঠাতে ভাগি যোৱা টোপনিৰ বিষাক্ত ক্লান্তিৰ অন্ধকাৰত জয়ন্তই চকু মেলি চালে। নিজকে তাৰ খুব অসহায় আৰু দুৰ্বল যেন লাগিল। তাৰ চেতনাৰপৰা যেন বাহিৰৰ গোটেই পৃথিৱীখন মচখাই গৈছে, সীমাহীন অন্ধকাৰৰ মাজৰ এটা পাষাণ দুৰ্গত সি অকলে বন্দী। সেই দুৰ্বহ চিন্তাটো কান্ধৰপৰা জোকাৰি পেলাবলৈ যেন, সি জাঁপ মাৰি বিছনাৰপৰা উঠিল আৰু চিগাৰেট এটা জ্বলাই খিৰিকিৰ কাষত থিয় দিলেগৈ। ক্লান্ত মহানগৰী টোপনিত অচেতন। তথাপি, জয়ন্তৰ চকুত পৰিল বহুদূৰত মছজিদৰ ওখ গম্বুজ এটা – আৰু কাণত আহি পৰিলেহি দেছোৱালীবোৰৰ ৰাম লীলাৰ সংকীৰ্তন হঠাতে জয়ন্তৰ প্ৰাণলৈ অলপ আশা আহিল, কি তাৰ নিচিনাকৈ তেন্তে চকুৰ টোপনি নহাকৈ সাৰ পাই আছে সেই ধূলি-ধূসৰ জীৰ্ণ-শীৰ্ণ আধাপেটি

দেছোৱালীবোৰ. আৰু সেই মছজিদৰ উদ্ধত গম্বুজটোও? হঠাতে তাৰ খুব ভাল লাগি গ'ল। মনৰ নিঃসংগ গভীৰত সি অনুভৱ কৰিলে এটি স্নিগ্ধ প্ৰশান্তি. সিহঁতৰ নিচিনাকৈয় সিয়ো উজাগৰে থাকিব ওৰে ৰাতি, তাৰ কণ্ঠতো উচ্ছ্বাসিত হৈ উঠিব জীৱনৰ চিৰ-জাগ্ৰত পৰম প্ৰাৰ্থনা।

দেৱাল ঘড়ীটোত টং টং কৈ তিনি বজাৰ শব্দ হ'ল। এটাৰ পাছত এটাকৈ চিগাৰেট পুৰি জয়ন্ত থিয় হৈ আছে একে ঠাইতে, জঠৰ হৈ । তাৰ মনৰ মাজেদি চিন্তাৰ এটা লানি নিছিগা সোঁত বৈ যাবলৈ ধৰিলে। এটা কথা স্পষ্টকৈ বুজি উঠিছে যে জীৱনত তাৰ বহুতো দুখ। কিন্তু কি সেই দুখ, জয়ন্তই সেইবোৰ একো বুজি নেপায়। ধূপ-গন্ধ মদিৰ শয়ন কক্ষ দুগ্ধ ফেন-নিভ শয্যাত শুয়ো কিয় তাৰ চকুলৈ টোপনি নামি নাহে, সন্ধ্যাৰ পুৰৱী ৰাগিণীও কিয তাৰ কাণত বিস্বাদ হৈ বাজি উঠে, মাঘ মাহৰ ৰাতিপুৱাৰ সোণালী ৰ'দ চেৰেঙাও কিয় তাৰ চকুৰ অগ্নি বৰ্ষণৰ দৰে লাগে — এইবোৰ এশ এটা প্ৰশ্নৰ একো উত্তৰ বিচাৰি নেপায়। জীৱন মানেই হ'ল সময়ৰ এটা মাপকাথি; যিমান দিন তুমি জীয়াই আছা সিমান দিনলৈকে সময়ৰ এটা বিশেষ অংশ তুমি আগুৰি আছা। সেই সময়বোৰ কটোৱাৰ সমস্যাই হ'ল জীৱনৰ ঘাই সমস্যা । তুমি যদি বিশ্বাস কৰা যে মৃত্যুৰ লগে লগে তুমি সময়ৰ অনন্ত প্ৰবাহত মিলি যাবা , মৃত্যুৰ লগে লগেই জীৱনৰ সৰ্ব প্ৰকাৰ অস্তিত্বৰ অৱসান -- তেন্তে তোমাৰ হাতত থকা সময়খিনি তুমি যেনেকৈয়ে নকটোৱা তাৰ বাবে ইমান মূৰ ঘমাই মৰিবৰ প্ৰয়োজন কি? ঠিকেইতো-- বেছ্ সপ্ৰতিভভাৱে জয়ন্তই কথাষাৰ ভাবিলে আৰু লগে লগে তাৰ মনত পৰিল তাৰ মৰমৰ ক্ৰাইষ্টলাৰখনকৈ। সময়ৰ প্ৰতিটো মুহূৰ্তক সি গতিৰ উত্তেজনাৰে ভৰাই তুলিব পাৰে. দুৰৰ বান্ধোন তাৰ হাতৰ মুঠিত। কিন্তু হায়, ক্ৰাইষ্টলাৰৰ লক্ষ্যস্থানো অনন্ত নহয়. গোটেই পৃথিৱী ঘূৰি শেষ কৰি সি পুনৰ আহি ওলাবহি আগৰ ঠাইতেই । সমাজ ব্যৱস্থাৰ যিটো স্তৰত জয়ন্ত অৱস্থিত, সেই স্তৰৰ মানুহৰ জীৱনত উদৰপূৰণৰ কোনো চিন্তা নাই, গতিকে দৈহিক শ্ৰমৰো কোনো প্ৰশ্ন নুঠে। প্ৰচুৰ ঐশ্বৰ্যৰ বিনিময়ত যি অফুৰন্ত অৱসৰ সিহঁতে হাতত পায়, তাক কেনেকৈ অতিবাহিত কৰা যায় সেইটোৱেই সেই শ্ৰেণীৰ মানুহৰ আটাইতকৈ ডাঙৰ সমস্যা; আৰু সেয়ে নিৰ্ণয় কৰে সিহঁতৰ সংস্কৃতি আৰু জীৱনবোধ।

অতপৰে যেন জয়ন্তই তাৰ নিজৰ সমস্যাটো বুজি পালে। এই কথাবাৰতো সি ভাবি চোৱা নাছিল কোনোদিন। হৰিণৰ মাংসই বৈৰী হোৱাৰ দৰে, জয়ন্তৰ অফুৰন্ত অৱসৰেই হ'ল তাৰ প্ৰধান শত্ৰু। জয়ন্তৰ শ্ৰেণীগত অৱস্থিতিয়ে তাক বাধ্য কৰিছে অকল মনটো আলম লৈ জীয়াই থাকিবলৈ। সেই মন যদি ওখ চিন্তাৰ অনুকূল হয়, সিহঁতৰপৰাই ওলাব কোনোবা ডাঙৰ বৈজ্ঞানিক, শিল্পী অথবা অভিনেতা। কিন্তু নিতান্ত সাধাৰণ মন লৈ যিবোৰ ওপজে, সিহঁত উটি যাব গলিত বুৰ্জোৱা সংস্কৃতিৰ পংকিল স্ৰোতত! জয়ন্তৰ বিৰাম বিহীন চিন্তাৰ এটা বিশেষ স্তৰত পুনৰ সি অনুভৱ কৰিলে, তাৰ যি সমস্যা অকল তাৰে নহয়, তাৰ শ্ৰেণীৰ সকলো মানুহৰ হয়তো সেই একে সমস্যা।

কিন্তু (দেৱাল ঘড়ীত চাবি বজাৰ টং টং শব্দ শুনা গ'ল, জয়ন্তৰ ভাল লাগিল যে সময়বোৰ আৰু বৈ থকা নাই)। কিন্তু জয়ন্তৰ নিজৰেই সমস্যা বহুত, আনৰ কাৰণে মূৰ ঘমাবলৈ তাৰ সময় ক'ত ? জীৱনৰ বাকী থকা দিনকেইটা কেনেকৈ নিশ্চিন্ত মনে আৰু আৰামত কটাব পৰা যায়, তাৰে সূত্ৰ এটা নিৰ্ণয় কৰাত সি ব্যস্ত হৈ পৰিল। হঠাতে মনত পৰিল তাৰ মাকৰ কথা। সেই প্ৰাসাদোপম বিৰাট ঘৰটোত মানুহ বুলিবলৈ অকল জয়ন্ত আৰু তাৰ মাক। জয়ন্তক বিয়া কৰিবলৈ মাকে কতদিনৰপৰা কাকুতি-মিনতি কৰি আহিছে, কিন্তু সি ৰাজী হোৱা নাই। সি বিয়া কৰিব কাক? নন্দিতাক? দেৱযানীক? মাধৱী কিংবা ডালিয়াক। জীৱনত প্ৰেমৰ সোৱাদ সি পোৱা নাই। প্ৰেম মানে যদি হয় আত্মিক যৌন সম্ভোগ অথবা কোনোবা এজনী বিশেষ নাৰীৰ লগত যৌন মিলনৰ প্ৰাৰম্ভিক প্ৰস্তুতি বা পূৰ্ব ৰাগ, তেনে অভিজ্ঞতা জয়ন্তৰ প্ৰচুৰ আছে। কিন্তু যাক সি বিয়া কৰিব, তাই হ'ব তাৰ সন্তানৰ জননী। তাৰ বিয়াৰ মূলতে যদি নেথাকে জীৱনৰ কোনো শুভ প্ৰেৰণা —তেন্তে সেই বিয়া তাৰ কাৰণে দুৰ্বিষহ হৈ নুঠিব নে? তথাপি, তথাপি সি বিয়া কৰিব । নাৰীৰ প্ৰেমৰ মাজেদি, সন্তানৰ ভালপোৱাৰ মাজেদি হ'ব তাৰ আত্মাৰ প্ৰসাৰ। তাৰ বন্দী আত্মাই তেতিয়া মুক্তি লাভ কৰিব। সেই মুহূৰ্ত্ততে জয়ন্তৰ চিঞৰি কৈ দিবলৈ মন গ'ল– মই বিয়া কৰিম মা, মই বিয়া কৰিম । নিজে ক'ব নোৱাৰাকৈয়ে হঠাতে সি চিঞৰি উঠিল – মা, মা.।

শোৱা বিছনাৰপৰা উধাতু খাই মাক লৰ মাৰি আহিল । ঘটনাটোৱে যে এনে গতি লব, জয়ন্তই ভাবিবই পৰা নাছিল। কেনেকৈ যে কি হৈ গ'ল। সি এতিয়া কি বুলি ক'ব মাকক? মা' হঠাতে মোৰ হাৰ্টৰ পালপিটেশানটো বেছি হৈ গৈছিল । খুব ভয় লাগি গৈছিল। এতিয়া কিন্তু যথেষ্ট ভাল পাইছো। তুমি শুই থাকা গৈ যোৱা মা। মুখখন যথা সম্ভৱ বিকৃত কৰি নিখুঁত অভিনয়ৰ চেষ্টা কৰিলে জয়ন্তই । তাৰ অভিনয় সফল হ'ল নে? মাকে কেই মুহূৰ্তমান জয়ন্তৰ চকুলৈ ঠিৰ হৈ চাই ৰ'ল। তেওঁৰ উজ্জ্বল ধুনীয়া চকুজুৰিত জীৱনৰ বহু বিচিত্ৰ অভিজ্ঞতাৰ শানিত তীক্ষ্ণতা । "তুমি শুই থাকাগৈ যোৱা মা।" জয়ন্তই সেপ ঢুকি ঢুকি আকৌ ক'লে "তয়ো শুই থাক। ৰাতি ভালেখিনি আছে।" সেই বুলি কৈ মাক গুচি গ'ল।

মা, মা– জয়ন্তৰ চিন্তা প্ৰবাহত সেই একেটা চেতনা কিছু সময় তৰংগিত হৈ থাকিব। তাৰ বিদগ্ধ মনটোৱে হঠাতে কল্পনা কৰিবলৈ আৰম্ভ কৰিলে, ঠিক বুডলেযৰৰ দৰে সিয়ো যেন গভীৰভাৱে ইচ্ছা কৰে কোনোবা এজনী দানবীৰ মনোযোগ আকৃষ্ট কৰিবলৈ, তাইৰ চকুৰে নিজকে এটা পোহনীয়া জন্তুৰ দৰে চাবলৈ, "এখন অভিজাত সমাজৰ কোলাত এটা মেকুৰীৰ কামাতুৰ, উদণ্ড মসৃন জীৱন যাপন কৰিবলৈ।" সেই দানবী হ'ল তাৰ মা। তেওঁ জয়ন্তক অকল জন্ম দিয়েই নিষ্কৃতি দিয়া নাই; বংশ-পৰম্পৰা জীৱন-মৃত্যুৰ চেতনা, প্ৰেম, ঘৃণা আৰু স্বাৰ্থপৰতা নাগ-পাশেৰে ঠিক এজনী দানবীয় দৰেই তেওঁৰ অনন্ত বিস্তৃত মাংসল বাহু দুটাৰে তাৰ গোটেই জীৱনটো সাবটি ধৰি আছে। জয়ন্তৰ ইচ্ছা হয়, জন্মৰ পাছত জন্ম ধৰি যেন সেই দানবীয় বিশাল কোলাত হিমালয়ৰ দৰে উত্তুংগ স্তন দুটাৰ ৰস ধাৰা চুহি চুহি চিৰ--শিশুৰ দৰে পৰম নিৰ্ভাবনাত সি শুই থাকিব। তাৰ মা এদিন মৰি যাব, সেই কথাষাৰ মনত পৰিলেই ভয়ত তাৰ গাৰ নোম ডাল ডাল হৈ উঠে। মাকৰ মৃত্যু মানেই যেন জয়ন্তৰ নিজৰ অস্তিত্বৰো সকলো সাৰ্থকতাৰ অৱসান । জয়ন্তৰ দুৰ্ভাগ্য-তাড়িত বহু-বিডম্বিত জীৱনত এই দুশ্চিন্তাও কম ডাঙৰ সমস্যা নহয়।

পিছ মুহূৰ্ততে জয়ন্তৰ নিজৰ ওপৰতে খুব ঘিণ লাগি গ'ল। পাঠাগাৰৰ অন্ধকাৰ চুকত বহি বহি আকাশ-পাতাল চিন্তা কৰি থাকোঁতে থাকোঁতে, সকলো

বস্তুকে সম্ভৱপৰ সকলো দৃষ্টিকোণৰপৰা পৰীক্ষা কৰি চোৱা তাৰ এটা নিচা হৈ পৰিছে। আৰু সেই পৰীক্ষাৰপৰা তাৰ মাকো বাদ পৰি যোৱা নাই। ছিঃ, তাৰ ইমান স্নেহময়ী মাকক সি কি চকুৰেই যে নেচাইছে। জয়ন্তক মাক তাৰ দেউতাকৰ দ্বিতীয় পক্ষৰ স্ত্ৰী। এতিয়াও বয়স চল্লিশ পাৰ হোৱা নাই। দেখিলে ত্ৰিশ বছৰীয়া যেনহে লাগে। অপৰূপ সুন্দৰী, মুখখনি সদায় আবেগত তলমল হৈ থাকে। জয়ন্তই মাজে মাজে ভাবে, সি আৰু তাৰ মাক উভয়ে পৰস্পৰক যেন চুৰকৈ অহৰহ নিৰীক্ষণ কৰি আছে; এটা নিৰ্দিষ্ট সীমাৰ বাহিৰত দুয়ো দুটা স্বতন্ত্ৰ ব্যক্তি-সত্তা। দুয়ো দুয়োৰে শত্ৰু। জয়ন্তই ভাবে, শুই উঠাৰপৰা শুবলৈ যোৱালৈকে এই দীৰ্ঘ সময়খিনি তাৰ মাকে শৰীৰৰ নৰম মাংসৰ স্তূপ, আৰু তাতোকৈ নৰম মন এটা লৈ দিনৰ পাছত দিন কি ভাবি কটায়? তেওঁৰ স্বৰ্গগত স্বামীৰ চিন্তা কৰি? জয়ন্তই ভালকৈয়ে জানে তাৰ দেউতাক আৰু মাকৰ ভিতৰত অকণো প্ৰেমৰ সম্পৰ্ক নাছিল। পুৰণি ভাৰতীয় ঐতিহ্যত বৈধব্যৰ এটা নিৰ্দিষ্ট আদৰ্শ আছিল। কিন্তু জয়ন্তৰ শ্ৰেণীৰ নতুন সভ্যতা আৰু জীৱনবোধে সেই আদৰ্শ ভাঙি দিছে। নতুন একো আদৰ্শও কাৰো চকুত দাঙি ধৰা হোৱা নাই। জয়ন্তই তাৰ ক্ষুৰধাৰ বুদ্ধিৰ পোহৰত বিচাৰ কৰি দেখিছে তাৰ মাক সদায় অসুখী, অশান্ত। অতৃপ্ত দৈহিক সম্ভোগৰ বাসনা আৰু মানসিক নিঃসংগতাই তেওঁৰ জীৱনলৈ আনি দিছে গভীৰ নিৰাশা। সেই অসংযম আৰু অতৃপ্তিৰ বহুতো বাহ্যিক লক্ষণ জয়ন্তই তাৰ মাকৰ জীৱনত লক্ষ্য কৰিছে। মানসিক সংঘাতত ক্ষত-বিক্ষত আৰু ৰক্তাক্ত হৈ তেওঁ আজি তেওঁৰ সমাজৰ হাতে গঢ়া নতুন জীৱন বেদৰ শূন্যগৰ্ভতাৰ পৰিচয় বহন কৰিছে।

জয়ন্তৰ মনৰ ঠিক এনে এটা অশান্ত অৱস্থাতে তাৰ মনত পৰিল অনিমাৰ কথা। মানুহৰ জীৱনবোধ বোলা বস্তুটো জন্মগত নহয়, ই গঢ়ি উঠে বাহিৰৰ প্ৰভাৱত। তিৰোতাৰ প্ৰতি জয়ন্তৰ যি মৰ্বিড্ মনোভংগী, তাৰ বাবে অনিমাও জানো কম দায়ী...? এখন স্থানীয় প্ৰভাৱশালী দৈনিক কাকতৰদ্বাৰা অনুষ্ঠিত বসন্ত উৎসৱত সি প্ৰথম লগ পায় অনিমাক। বসন্ত উৎসৱত অনিমাই দেখুৱাইছিল কথক নৃত্য। শিৱৰ আশ্ৰমত অকল বসন্তৰ আৱিৰ্ভাৱ, মদনৰ ফুলশৰত শিৱৰ ধ্যান-ভংগ, উমাৰ উন্মুখ প্ৰতীক্ষা-- সৃষ্টিৰ বিৰাট স্বপ্ন আৰু মৃত্যুৰ আবেগ, এটি এটিকৈ ফুটি উঠিছিল অনিমাৰ দেহৰ লায়লাস ছন্দত আৰু লগে লগে জয়ন্তৰ

চকুৰ আগত উন্মোচিত হৈ উঠিছিল জীৱনৰ অজ্ঞাত ৰহস্যৰ এখন যবনিকা। উৎসৱৰ শেষত জয়ন্তই নিজে গৈ অনিমাক ওলগনি জনাইছিল। সেইদিনা জয়ন্তৰ মাজত অনিমাই কি দেখিছিল , কোনে জানে? অনিমাই উপযাচি জয়ন্তক নিজৰ ঘৰলৈ নিমন্ত্রণ কৰিলে-- এটা বিশেষ নির্দিষ্ট সময়ত। পৰম আগ্রহ লৈ জয়ন্ত অনিমাৰ ঘৰলৈ গ'ল, আৰু ঘুৰি আহিল, অতদিনে অনাস্বাদিত এটি তৃপ্তিৰ (অথবা অতৃপ্তিৰ) উত্তেজনা লৈ। দিন যোৱাৰ লগে লগে জয়ন্তই হঠাতে এদিন আৱিষ্কাৰ কৰিলে যে অনিমা নহ'লে তাৰ জীৱন নচলে। সেই মুহূর্ততে সি অনিমালৈ চিঠি লিখিলে : ' অণু, এই মাত্র ৰেডিঅ'টো খুলি লৈ কোনোবা এগৰাকী অদৃশ্য গায়িকাৰ কণ্ঠৰ কোমল গান্ধাৰ শুনি শুনি, হঠাতে মোৰ অনুভৱ হ'ল সেই গায়িকা যেন তুমি । জীৱনত যি মধুৰ, যি মনোহৰ, সি সুন্দৰ – সেই সকলো যেন তুমি । তুমি মোৰ কল্পনাৰ সেই ভয়ংকৰী দানৱী যাৰ আত্মাৰ প্রলয়ান্ধকাৰত মই শুই থাকিম অনন্তকাল— অনন্তকাল— কোনোদিন আৰু সাৰ পাই নুঠিম বুলি জানি । মই আৰু অপেক্ষা নকৰো অণু। তোমাৰ আত্মাৰ দুর্গ-দ্বাৰত কঠিন আঘাত কৰি হ'লেও মই প্রবেশ কৰিম ভিতৰলৈ। উত্তৰত অনিমাই লিখিলে : 'জয়ন্ত, এই মাত্র 'জয়ন্তৰ স্বপ্ন ভংগ' নৃত্যটোৰ পৰিকল্পনা কৰি থাকোঁতে হঠাতে মই থমক খাই ৰৈ গ'লো ; তুমিয়ে যেন সেই ক্ষুধিত পাষাণ, সেই অবিনাশী প্রাণ, সেই অমৰ স্বপ্ন । ডাউ চাইলেন্ট্ ফৰ্ম, ড'ষ্ট ডাউ টিজ্ আছ আউট অব্ থট্ এজ্ ডথ্ ইটাৰনিটি । জীৱনত যি প্রচণ্ড, যি দানৱীয় , যি দুৰ্বাৰ সেই সকলো যেন তুমি । তুমি আহাঁ-তুমি আহাঁ ' মোক শূন্য কৰা, মোক পূর্ণ কৰা। তুমি যে শ্রেয় আৰু প্রেয় দুয়োটাই।

এয়ে তেন্তে প্রেম? জয়ন্তই অবাক হৈ ভাবিলে । সময়বোৰ যে কেনেকৈ পাৰ হৈ যায় , সি এতিয়া ক'ব নোৱাৰে । এই মুধুৰ স্বপ্নৰ যেন আৰু ওৰ নপৰে ঈশ্বৰ। তাৰ পাছত, এদিন কোনো এটা দুর্লভ মুহূর্তত সি অনিমালৈ লিখিলে; 'অণু, মই মাৰ আগত বিয়াৰ প্রস্তাৱ তুলিছো। তুমি সাজু হোৱা। উত্তৰত অনিমাই লিখিলে, 'জয়ন্ত, আজিও বুজি নেপালো মই মোৰ মনে কি বিচাৰে। তোমাক যে মই অন্তৰ উজাৰ কৰি দিছো; মোৰ প্রেম, মোৰ যৌৱন , মোৰ দেহ – একোৱেই বাকী ৰখা নাই। তথাপি তুমি সুখী হোৱা নাই? জানা জয়ন্ত মই বিবাহিতা, মই তিনিটা সন্তানৰ জননী , মোৰ স্বামী ৰূপে-গুণে তোমাতকৈ

কোনো গুণেই হীন নহয়? তুমি হয়তো ভাবিবা , তথাপি তোমাৰ কাষলৈ মই ল'ৰি গৈছিলো কিয়। ইও হয়তো নাৰী-হৃদয়ৰ এটা চিৰন্তন বিস্ময়। তোমাক মোৰ প্ৰয়োজন, কাৰণ তোমাৰ অপৰূপ সুন্দৰ দেহটোৰ সান্নিধ্যত মোৰ ভিতৰৰ শুই থকা পাষাণী নটীজনী সাৰ পাই উঠে, তাই স্বপ্ন দেখে, নাচি নাচি জীৱনৰ পৰম প্ৰাৰ্থনাক মূৰ্ত কৰি তোলাৰ। তোমাক মোৰ প্ৰয়োজন, কাৰণ তোমাৰ উজ্জ্বল প্ৰশংসমান চকুজুৰিত মই দেখো -- প্ৰতি তিৰোতাৰ অন্তৰতে পুৰুষৰ দ্বাৰা প্ৰশংসিতা হ'বৰ যি অদম্য লোভ লুকাই থাকে-- তাৰ চৰম পৰিতৃপ্তি। তোমাৰ মুখত মোৰ ৰূপৰ স্তৱ-গান শুনি শুনি কোনো দিন মোৰ হেঁপাহ নপলায়। তাকে শুনিবলৈ বাৰে বাৰে তোমাৰ ওচৰলৈ মই লৰি যাওঁ। ঠাণ্ডা মগজুৰে কথাষাৰ ভাবি মই দেখিছো, তোমাক মই কোনোদিন ভাল পোৱা নাই। তোমাৰ চকুৰে চাই মই নিজকেই ভাল পাব ধৰিছো বেছিকৈ। তুমি যেন মোৰ কাৰণে এখনি দাপোণ, যাৰ মাজত মই নিজকে চাব পাৰো। নিজকে বিচাৰ কৰিব পাৰো, তোমাৰ মনৰ দাপোণত মই নিজকে চাই, মোক সজাই পৰাই তোলো স্বামীৰ মন যোগাবলৈ । তেনেহ'লে দেখিলা, তুমি অকল মোৰ কামতে নহয়, মোৰ স্বামীৰ কামতো আহিছা।... ইমান সহজে বিয়াৰ প্ৰস্তাৱ নোতোলা হ'লে আৰু কিছুদিন তোমাক মই মোৰ আত্ম ৰতিৰ উপযোগী দাপোণ হিচাপে ব্যৱহাৰ কৰিব পাৰিলোহেঁতেন। কিন্তু ... ইয়াৰ পাছততো আৰু সেইটো কৰিব নোৱাৰি। ধন্যবাদ । এয়ে প্ৰেম বন্ধু .. অথবা, — এয়ে জীৱন। তোমালোক মতা মানুহবোৰ খুব বেছি ভাবপ্ৰৱণ। আমাৰ দৰে ব্যৱহাৰিক জ্ঞান তোমালোকৰ নাই। Means অকে End বুলি আমি কোনো দিন ভুল নকৰো।

A sadder and a wiser man.

He rose the merrow morn.

ৰাতি পুৱাবলৈ এতিয়াও বাকী আৰু এক ঘণ্টা। আগ-গুৰি নোহোৱা নানা কথা চিন্তা কৰি আৰু কোনো এটা প্ৰশ্নৰে একো সন্তোষজনক সমাধানত উপনীত হ'ব নোৱাৰি — জয়ন্ত খুব ভাগৰি পৰিছিল। চোফা এখন টান মাৰি লৈ ভৰি-হাত মেলি সি ঠাইতে বহি পৰিল। অনিদ্ৰা জনিত ক্লান্তিত তাৰ মূৰটো গৰম হৈ উঠিছে; কপালৰ শিৰডাল দপদপাবলৈ ধৰিছে' অলপ পাছতে খোলা খিৰিকিখনেৰে এজাক ঠাণ্ডা বতাহ সোমাই আহিল। নাকত আহি লাগিলহি

ফুলনিৰ এটি স্নিগ্ধ হিমার্ত সুগন্ধ  জয়ন্তই খুব আৰামবোধ কৰিলে। এটি মধুৰ অৱসাদত তাৰ চকুকেইটা মুদ খাই আহিল।

সি আহি খোলা খিৰিকিখনৰ কাষত বহিলহি। বেলি মাৰ যাওঁ যাওঁ হৈছে। সূর্যাস্তৰ সময়ৰ এই আশ্চর্য ৰূপ   পৃথিৱীৰ একোৰে লগত তাৰ তুলনা নহয়। আকাশ আৰু পৃথিৱীক সাবটি ধৰা সেই বিৰাট আবেগ- যি মানুহৰ সমগ্ৰ চেতনাক মথিত কৰি অৱশ কৰি তোলে,- - তাৰ মাজত নিজকে হেৰুৱাই পেলোৱাৰ বেদনাখিনি অনুভৱ কৰিবলৈ জয়ন্ত উন্মুখ হৈ থাকে এই গধূলি সময়খিনিলৈ । ৰোল অন ডাউ ডিপ্ এণ্ড ডার্ক্ ব্লু অচন ৰোল। জয়ন্তৰ খুব ভাল লাগে । তাৰ ওৰে জীৱনৰ আকাংক্ষিত ঠাই টুকুৰা সি বিচাৰি পাইছেহি। ঈশ্বৰৰ ওচৰত  সি প্ৰাৰ্থনা কৰে  তাৰ যেন বেমাৰ আৰু ভাল নহয়   মৃত্যুৰ দিনালৈকে এই চেনাটোৰিয়ামত থাকিবলৈ পালেই সি  সুখী হ'ব। বাহিৰৰ গোটেই পৃথিৱীখন ৰুগ্ন হৈ পৰিছে। নীৰোগ আৰু সুখী জীৱন সম্ভৱ মাত্ৰ লোকালয়ৰপৰা বহুদূৰত সমুদ্ৰৰ পাৰৰ  এই মনোৰম চেনাটোৰিয়ামত। সমুদ্ৰৰ বুকুত ৰাতিৰ অন্ধকাৰ  নামিছে। সেইফালে চাই চাই জয়ন্তই চকুৰ পলক পেলাব নোৱাৰা হয়। এণ্ড ডেথ্ ইজ নইভিল্  তাৰ অতি প্ৰিয় ৰবিন্চন্ জেফাৰ্ছৰ নাইট কবিতাটো গুণ  গুণকৈ সি গাই পেলায  এণ্ড্ ডেথ ইজ নইভিল্। তাৰ লগৰ বেমাৰীবোৰৰ ক্লান্ত দীৰ্ঘশ্বাস  অনুচ্চাৰিত হা-হুতাশ, সকলো আহি তাৰ কাণত পৰে। কিন্তু জয়ন্ত সকলোৰে প্ৰতি উদাসীন। দীঘলকৈ উশাহ টানি সমুদ্ৰৰ লুণীয়া বতাহ সি বুকুৰ ভিতৰলৈ ভৰাই লয় আৰু অনুভৱ কৰে, সি সঁচাকৈয়ে খুব সুখী।।        লাহে লাহে ৰাতি হৈ আহিছে। জয়ন্তই খিৰিকিৰ  কাষৰ পৰা উঠি আহি বিছনাত পৰিলহি । এগৰাকী আধা বয়সীয়া নাৰ্ছ তেওঁৰ ফালে আহিব ধৰিছে। তেওঁৰ মুখত সেই চিৰ বহস্যময় হাঁহি আৰু চকুৰ অন্তহীন ক্লান্তি  এই নাৰ্ছগৰাকীক জয়ন্তৰ খুব ভাল লাগে। তেওঁৰ প্ৰতি সি অনুভৱ কৰে এটা উত্তেজনা মাজে মাজে খঙো উঠে  জয়ন্তক ' অমুকটো নকৰিবি', ' তমুকটো নকৰিবি' বুলি হকা বধা দি থাকে। কিন্তু ঠিক এই মুহূৰ্তত নাৰ্ছগৰাকীক তাৰ খুব ভাল লাগিছে। তেওঁলৈকে সি একেথৰে চাই থাকে। যেতিয়া  ওচৰ পালেহি মনৰ উলাহত সি ডাঙৰকৈ মাত লগালে- ছিষ্টাৰ, কপালত  কাৰোবাৰ ঠাণ্ডা হাতৰ স্পৰ্শ পাই জয়ন্তই চকু মেলি চাই দেখিলে, তাৰ মাক কাষতে থিয় দি আছে। কিবা স্বপ্ন

দেখিছিল নেকি জুনু'ৰ ছিষ্টাৰ বুলি কাক মাতিছিলি? জয়ন্তই কিছুসময় সম্পূৰ্ণ আত্মবিস্মৃত অৱস্থাত হতভম্ব হৈ ৰ'ল। যেতিয়া তাৰ সকলো কথা মনত পৰিল, তেতিয়া সি হতভম্ব হ'ল আৰু বেছি। সিয়ে কি অদ্ভুত স্বপ্ন দেখিছিল, আৰু তাৰ নিজৰ মাককে কেনেকৈ স্বপ্নত চেনাটোৰিয়ামৰ নাৰ্ছৰ মূৰ্তিত দেখা পাইছিল। সেই কথা সি মাকক কেনেকৈ কব? মূৰটো খুব ঘূৰা হৈছে মা, একাপ চাহ পঠিয়াই দিয়াচোন" মাক উঠি গ'ল।

জয়ন্তই উঠি গৈ খিৰিকিৰ ওচৰত থিয় দিলেগৈ। বেলি ওলাই ভালেখিনি পালেহি। ৰ'দ লাগি জয়ন্তৰ উজাগৰে থকা চকুকেইটা জুয়ে পোৱাদি পুৰিবলৈ ধৰিলে। যোৱা ৰাতিৰ তাৰ খেলি মেলি চিন্তাবোৰ আৰু সেই আশ্চৰ্য স্বপ্নটোৰ কথা ভাবি জয়ন্ত স্তম্ভিত হৈ গ'ল। অকল ঐশ্বৰ্য আৰু প্ৰকৃতিৰ ওপৰত আধিপত্যই মানুহক জীৱনৰ সুস্থ উপভোগৰ বাট মুকলি কৰি দিব নোৱাৰে — জয়ন্তই নিৰুপায় হৈ ভাবিলে। খোলা খিৰিকিখনেদি বাহিৰলৈ, বহুদূৰলৈ চাই জয়ন্তই দেখিলে, শান্তিৰ সন্ধানত আৰু এখন চেনাটোৰিয়াম বিচাৰি যোৱাৰ দৰকাৰ নাই, গোটেই জগতখনেই পৰিণত হৈছে এখন বিৰাট চেনাটোৰিয়ামত। জয়ন্তই অনুভৱ কৰিলে তাৰ কেউকাষৰ বতাহো যেন ভাৰাক্ৰান্ত হৈ উঠিছে পৃথিৱীৰ কোটি কোটি ব্যাধি গ্ৰস্ত মানুহৰ ক্লান্ত দীৰ্ঘশ্বাসত। তাৰ উশাহ চলিবলৈকে ভয় লগা যেন লাগিল [illegible]

◆◆◆

# ৰৰষুণ

জীৱনত মোৰ তিনিটা মাত্ৰ নিচা আছিল : কবিতা , কুকুৰ আৰু কদৰ্যতা। সম্প্ৰতি আৰু এটা নিচা লগ লাগিছে। কুন্তলা। নিচা বুলিযে কলো- কিনো সাতত্ৰিশ বছৰ বয়সত ভৰি দি আৰু প্ৰবাস মিলন হোটেলৰ সেই অন্ধকাৰ কোঠাটোত যৌৱনৰ তেৰটা বছৰ বিসৰ্জন দি আহি এতিয়া কুন্তলাৰ প্ৰেমত পৰিছো বুলি ক'লে মোক কোনেও বিশ্বাস নকৰে। অন্ততঃ শৈলেনে অতএব কুন্তলা মোৰ কাৰণে এটা নিচা মাত্ৰ।

সেয়ে হুক। মোৰ মনক কেন্দ্ৰ কৰি আবৰ্তিত হওক কোনো এটি অনূঢ়া কুমাৰীৰ স্বপ্নময় স্মৃতি। মোৰ আত্মা টোপনিত ঢলি পৰক সেই স্বাধিকাৰ প্ৰমত্তা প্ৰগলভা নাৰীৰ ৰুক্ষ চুলিৰ কোমল অন্ধকাৰত। হেমন্তৰ ৰাতিপুৱাৰ দৰে দুখ আৰু হতাশাৰ কুঁৱলীয়ে আবৰি ৰখা মোৰ জীৱনটোত যদি কেনেবাকৈ এচেৰেঙা সোণালী ৰ'দ আহি পৰে -- হ'ক সি মুহূৰ্তৰ, হ'ক সি নিচা, তাক অস্বীকাৰ কৰি মোৰ লাভ কি! মই নিশ্চয় কুন্তলাক ভাল পাম ঠিক আক্তিৰ দৰে অথবা যোৱা কালিৰ দৰে, পৰশুৰ দৰে, সদায় সেই খিৰিকিখনৰ লোহাৰ ৰড কেইডালত কপালখন ভেজা দি বাট চাই ৰম কুন্তলাৰ প্ৰতীক্ষাত .

প্ৰবাস মিলনৰ মই থকা কোঠাটো ৰাস্তাৰ নিচেই কাষতে । অফিচৰপৰা আহি, খিৰিকিখনৰ কাষতে পৰম আৰামত বহি লৈ মই সদায় ৰাস্তাৰ জনস্ৰোত চাই চাই তন্ময় হৈ থাকো। লাহে লাহে সেইটোও মোৰ এটা নিচাত পৰিণত হৈছিলগৈ । পকবাৰ প্ৰবাহ দৰে হেজাৰ জনতাৰ এটা উদ্‌ভ্ৰান্ত মিছিল। জীৱিকাৰ যুপকাষ্ঠত বলি দিবলৈ কি এটা অন্ধ অদৃশ্য শক্তিয়ে যেন মানুহবোৰক খেদি লৈ গৈছে . সিহঁতক দেখিলে — এই পৃথিৱীত যে বেলিৰ পোহৰ আছে, ৰং আছে, গান আছে, জীয়াই থকাৰ আনন্দ আছে— সেই কথা মনলৈ নাহে। এইখন চহৰত মানুহ যিমান, কুকুৰৰ সংখ্যা কোনো গুণেই তাতকৈ কম নহয়। আৰু তাতোকৈ ডাঙৰ কথা— ইয়াত কুকুৰ আৰু মানুহৰ মাজত কোনো পাৰ্থক্য নাই।

সৌ যে এক বাহ পোৱালিৰে সৈতে কংকাল— সৰ্বস্ব বীভৎস আকৃতিৰ কুকুৰজনী লেকেচিয়াই লেকেচিয়াই গৈ আছে, তাইৰ পিছে পিছে এহাল ল'ৰা-ছোৱালীৰে সৈতে গৈ থকা কুৎসিত বেমাৰী মানুহজনীৰ কোনো পাৰ্থক্য নাই। পথে-ঘাটে সিহঁতৰ সংগম হয়, দেহৰ কাঁকাটোৰ ওপৰত সিহঁতৰ উদৰ এদিন স্ফীত হৈ উঠে, আপোন গৰ্ভৰ ভাৰ বহন কৰি কৰি ক্লান্ত, ক্ষুব্ধ অথচ বীতৰাগ — সিহঁত ঘূৰি ফুৰে ৰাস্তাই ঘাটে, মানুহৰ দুৱাৰে দুৱাৰে আৰু এদিন কোনো অসতৰ্ক মুহূৰ্তত সিহঁতে পৃথিৱীলৈ মাতি আনে কিছুমান আবাঞ্ছিত অতিথি। ৰাস্তাৰ অস্থিৰ জনস্ৰোতলৈ চাই চাই মই এই কথাই ভাবো পৃথিৱীৰ সমস্ত পথঘাট যেন সেই সাৰমেয়-দম্পতীৰ পো-পোৱালিৰে ভৰি পৰিছে। থিৰ দি বাট পাবলৈ নাই।

ৰাস্তাৰ সেই আশ্চৰ্য সমদলটোৰ মাজত সদায় দেখা যায় একনী ছোৱালীক। মাজত বুলিয়ে ক'লো, কিন্তু মাজত থাকিও যেন তাই সিহঁতৰপৰা বহুত দূৰত। ক'লা শাৰী এখন পিন্ধি, বাওঁ হাতৰ কাবলতিৰ তলত চামৰাৰ মোনা এটা লৈ সদায় তলমুৰ কৰি তাই এই ৰাস্তাইদি অহা যোৱা কৰে। বহুদিনৰ মূৰত গম পাইছিলো। টেলিগ্ৰাফ অফিচত কাম কৰে। পৃথিৱীৰ ক'লৈকো যাবলৈ যেন তাইৰ আহৰি নাই, আপোন মনৰ অগাধ প্ৰশান্তিৰ ( অথবা অপাৰ বেদনাৰ) মাজত ডুব গৈ তাই ৰাস্তাৰ জনস্ৰোতত উটি হৈ থাকে। বিশ-একৈশ বছৰীয়া অতি সাধাৰণ চেহেৰাৰ ছোৱালী একনী, তাইৰ মুখত এনে একো আভা নাছিল, যাৰ বাবে আনৰ দৃষ্টি তাইৰ প্ৰতি আকৃষ্ট হ'ব।

সঁচাকৈয়ে, তাই আছিল একনী অতি সাধাৰণ ছোৱালী।

সেইদিনাও আবেলি। চিৰকলীয়া সজ অনুসৰি খিৰিকিখনৰ কাষতে বহি আছো। গাত অলপ জ্বৰ। বেমাৰ হ'লে যি হয়— কাৰোবাৰ চেনেহী হাত দুখনিৰ অকণমান শুশ্ৰূষা পোৱাৰ করুণ কামনা – মোৰ হৃদয় ভৰি আছিল সেই স্পন্দিত আবেগেৰে। গধূলি হ'বলৈ আৰু বেছি পৰ নাই। মে' এণ্ড বেকাৰ কোম্পানী আৰু কেম্ভিনোৰ দুমহলীয়া ঘৰ দুটাৰ মাজৰ ফাঁক ডোখৰেদি পশ্চিমৰ পলাশ ৰঙা দিগন্তটো চকুত পৰে। গোটেই পশ্চিম আকাশজুৰি বিচিত্ৰ-বৰ্ণ মেঘৰ সমাৰোহৰ প্ৰাৰ্থনাকুল উদ্বেসতাৰ দৰে অন্তৰবিৰ কেউ কাষে যেৰি মৃত্যুৰ আৱেগ।

ৰছেটিৰ ব্ৰেছেড্ ভ'মোক্ৰেল'টো পঢ়িম বুলি উলিয়াই ল'লো। কি যে ভাল লাগিছে, অসহ্য সুখৰ আৱেগত মই নিজৰ মনৰ আৱেগত মই নিজৰ মনৰ ওপৰতে সংযম হেৰুৱাই পেলাইছো। কেইটামান মুহূৰ্তৰ কাৰণে জীৱনটো সুন্দৰ আৰু জগতখন জীয়াই থকাৰ উপযোগী যেন লাগি গ'ল।

মটৰৰ টিউব ফুটাৰ দৰে এটা প্ৰচণ্ড শব্দত মই হঠাতে চক খাই উঠিলো। ৰাস্তালৈ চাই দেখো ক'তো মটৰ নাই। আকাশৰ কোনোবা এডোখৰ বলীয়া মেঘে হঠাতে আৰ্তনাদ কৰি উঠিছে, তাৰেই শব্দ । চকুৰ পচাৰতে মুষল ধাৰেৰে বৰষুণ নামি আহিল। এনে আচম্বিতে যে বৰষুণ আহিব বুলি ভবাই নাছিলো। বৰষুণৰ অশান্ত হো-হোৱনিত পৃথিৱীৰ সকলো কলৰব তল পৰি আহিল, দূৰৰ দিগন্তটো ধূসৰ হৈ হৈ লাহে লাহে অস্পষ্ট হৈ পৰিল। ৰিক্সাৱালাবোৰ হঠাতে ব্যস্ত হৈ পৰিল। ৰাস্তাৰ মানুহ যেয়ে যেনেকৈ পাৰে ওচৰৰ ঘৰত আশ্ৰয ল'লে; আনবোৰ ৰিক্সাত জঁপিয়াই পৰিল। চাওঁতে চাওঁতে গোটেই ৰাস্তা জনহীন হৈ পৰিল।

ঠিক তেনে সময়তে ৰাস্তাৰ এমূৰত দেখা গ'ল কুন্তলাক । সেই নিৰ্জ্জন ৰাস্তাত কালৈকো ভ্ৰুক্ষেপ নকৰি ৰাজৰাণীৰ দৰে গহীনভাৱে কুন্তলা আহি আছে, বৰষুণত সৰ্বাঙ্গ জুৰুলি-জুপুৰি কাপোৰ কানিবোৰ তিতি বুৰি গাত লিপিট খাই লাগিছে। দেহৰ অঙ্গ-ৰূপ ধোৱনত নিকা হৈ এটা আশ্চৰ্য কোমলতাৰে কুন্তলাৰ শেঁতা মুখখন বিয়পি পৰিছে। তিতা কাপোৰৰ মাজে মাজে প্ৰকট হৈ পৰা তাইৰ দেহৰ ভাজে ভাজে এক অপৰূপ ছন্দ-বিহ্বলতা। ৰিক্সা ল'বলৈ বেচেৰিৰ হয়তো পইচা নাই। ওচৰৰ ক'ৰবাত সোমাবলৈকো ক'তো অকণো খোলা ঠাই নাই। আমাৰ হোটেলৰ সমুখৰ বাৰাণ্ডাকণ মাত্ৰ সম্পূৰ্ণ খালী পৰি আছিল। তাই আহি আহি ৰাস্তাৰ সেই ডোখৰতে থিয় হৈ খুব কাতৰভাৱে খালী ঠাই টুকুৰালৈ লক্ষ্য কৰিলে। হঠাতে এবাৰ মোৰ চকুৱে চকুৱে পৰিল। মোৰ দৃষ্টিত কিহৰ ভাষা আছিল নেজানো; তাই মোৰ চকুলৈ খন্তেকপৰ থিৰভাৱে চাই থাকি লাহে লাহে আহি বাৰাণ্ডাটোত উঠিলহি।

বৰষুণ এক ঘণ্টামান সময় আছিল। সেই এক ঘণ্টা সময় তাই মোৰ ফালে পিঠি দি খুঁটা এটাতে আউজি জঠৰ হৈ থিয় দি থাকিল। তাইৰ আৰু

মোৰ মাজত মাত্ৰ দুহাত ব্যৱধান . সেই শূন্যতো যেন হঠাতে কি এক অপৰূপ বাঙ্ময় স্তব্ধতাৰে অথবা স্তব্ধ , অস্ফুট আকৃতিৰে ভৰি উঠিল-- মোৰ দৃঢ় বিশ্বাস কুন্তলায়ো সেই কথা নিশ্চয় অনুভৱ কৰিছিল। লাহে লাহে বৰষুণ এৰিলে। এটা এটাকৈ ৰাস্তাৰ লাইটবোৰ জ্বলি উঠিল। হঠাতে এবাৰ সেই সেমেকা আধা অন্ধকাৰ ৰহস্যময়তাৰ মাজত. ক'লা শাৰী পিন্ধা কুন্তলাৰ ৰহস্যময়ী মূৰ্তিটো লাহে লাহে অদৃশ্য হৈ গ'ল। যাবৰ আগতে তাই এবাৰো মোৰ ফালে ঘূৰি নেচালে।

কুন্তলা সম্পূৰ্ণ নেদেখা হোৱাৰ পাছতহে যেন মোৰ চেতনা ঘূৰি আহিল। কুন্তলা । কুন্তলা । কুন্তলা। মোৰ মনৰ বন্ধ দেৱালত সেই একেটা আৰ্তনাদ ঠেকা খাই খাই বাৰে বাৰে প্ৰতিধ্বনিত হ'বলৈ ধৰিলে। নিচা খোৱা মানুহৰ দৰে সম্পূৰ্ণ আত্মবিস্মৃত হৈ মই একে ঠাইতে বহি ৰলোঁ।

এইবোৰ যেন বহু যুগৰ আগৰ কথা। অথবা - এনেকুৱা অনুভৱ হয় মোৰ মানত সেই ঘটনাটো যেন ঘটিছিল মাত্ৰ গধূলি । এটা মধুৰ সঙ্গীতৰ মূৰ্ছিত অনুৰণৰ দৰে সেই সুখ-স্মৃতিৰ পুলক এতিয়াও লাগি আছে মোৰ সৰ্বাঙ্গত। ৰাস্তাৰ এজনী নগণ্য , পথচাৰিণী সাধাৰণ ছোৱালী., এটা সন্ধ্যাৰ বৃষ্টিধাৰাত শুচিস্নাত হৈ মোৰ জীৱনৰ দিগন্তত আৱিৰ্ভূতা হ'লহি ৰাজৰাণীৰ বেশেৰে। যেন মোৰ পৰম কামনাৰ সেই ' ব্ৰেছেড ডামোজেল'। তাই মোৰ কল্পনাত নতুন ৰং দিলে, প্ৰাত্যহিকতাৰ ধূলাকীৰ্ণ তুচ্ছতাৰ ওপৰত লেপি দিলে অগাধ শক্তিৰ অন্ধকাৰ।

কুন্তলাৰ বিষয়ে-- তাৰ পিছত - বহুত খবৰেই সংগ্ৰহ কৰিলোঁ। বঙালী ছোৱালী । কুন্তলা সেন। কোনোবা চি আই-ডি-ছাব ইন্সপেক্টৰ একজনৰ লগত বিয়া হৈছিল। দুশ্চৰিত্ৰৰ অপৰাধত গিৰিয়েকে পৰিত্যাগ কৰিলে। এতিয়া বাপেকৰ লগতে থাকে। বাপেক আৰু জীয়েক আৰু কোনো নাই।

এদিন হঠাতে ইচ্ছা হ'ল কুন্তলালৈ চিঠি লিখিম। মোৰ মনে কুন্তলাক বিচাৰে. মোৰ দেহে কুন্তলাক বিচাৰে-- কুন্তলাৰ সেই কথা জানক। দিনৰ পাছত দিন, ৰাতিৰ পাছত ৰাতি. সেই নাৰীৰ প্ৰতি মোৰ গোপন কামনা চিৰদিন অকথিত হৈ থাকিব , তাৰ একো অৰ্থ নহয়। সঁচাকৈয়ে এদিন এখন চিঠি লিখি

কুন্তলাৰ নামত ডাকত দি থৈ আহিলো।

উত্তৰৰ আশা কৰা নাছিলো। কিন্তু এদিন উত্তৰ আহিল। চিঠিখন খোলাৰ আগেয়ে মনে মনে ভাবিলো, এই পৃথিৱীত সকলো সম্ভৱ। কিন্তু চিঠিখন খুলিবৰ কাৰণে মই অলপো প্ৰেৰণা অনুভৱ নকৰিলো। মোৰ অন্তৰৰ যিবোৰ অতৃপ্ত সুপ্ত কামনা সময়ৰ এটুকুৰা সোণালী মুহূৰ্তৰ যাদুস্পৰ্শত হঠাতে সাৰ পাই উঠি হাহাকাৰ কৰি উঠিছিল, সিহঁতে যেন প্ৰকাশৰ বাট বিচাৰি পায়েই চুপ হৈ পৰিছে। তথাপি- তথাপি।

কুন্তলাই লিখিছে ঃ

শ্ৰদ্ধেয় বৰুৱা,

মোৰ প্ৰিয় কোনো এজন লিখকৰ উপন্যাসৰ নায়িকাৰ মুখত শুনিছিলো এষাৰ কথা ঃ 'মোৰ জীৱনত কোনোদিন কোনো মিৰাক্‌ল নঘটিল'। কিন্তু কি আশ্চৰ্য মোৰ জীৱনত আজি সেই মিৰাকল ঘটিছে। জীৱনৰ বাইশটা বছৰ— বাইশটা সোণালী —বসন্ত ভৰিৰ তলেদি পাৰ হৈ গ'ল। যৌৱনে নাৰীক নতুন মহিমা দিয়ে- কিন্তু ক'তা, যৌৱনৰ যাদুস্পৰ্শত মইতো মহিমামণ্ডিতা হৈ নুঠিলো? কোনো পুৰুষৰ সপ্ৰেম দৃষ্টিয়ে মোৰ যৌৱনক অভিষিক্ত কৰা নাই ; কাৰো এষাৰ স্নেহ-কোমল বাণীয়ে মোৰ ৰুক্ষ-হৃদয়ত শান্তিত অন্ধকাৰ সিঁচি দিয়া নাই। কিন্তু আজি (নিশ্চয় মোৰ জীৱনত মিৰাক্‌ল ঘটিছে) আপোনাৰ চিঠিত মই শুনিলো নিখিলৰ প্ৰাণৰ সভাত গান গাবলৈ সৃষ্টিৰ প্ৰথম আহ্বান । আজি মই ধন্যা! আজি মই ধন্যা।

মোৰ প্ৰগলভতা দেখি আপুনি অবাক হ'ব। হওক, আপুনি নেজানে, মই কি কদৰ্য, কি কুৎসিত। সকলোতে মই এটা মাত্ৰ বস্তুক ভূতকৈয়ো বেছি ভয় কৰিছিলো। কি জানে? আয়নাক। আয়নাৰ সমুখত থিয় হ'বলৈ মোৰ কোনোদিনেই সাহস নহৈছিল। নিতান্ত প্ৰয়োজনত আয়নাখন মুখৰ ওচৰত দাঙি ধৰি পিছ মুহূৰ্ততে অসহ্য ঘৃণাত দূৰলৈ আচাৰ মাৰি পেলাই দিছিলো। ............ অনেক অনেকদিনৰ পাছত আজি মাত্ৰ মই আয়নাৰ সমুখত নিৰ্ভীকভাৱে থিয় দিছো। কাৰণ মই জানো , আজি মই বিশ্বৰ শ্ৰেষ্ঠতমা সুন্দৰী । নিখিল পুৰুষৰ কামনাৰ অশ্ৰুধাৰাত শুচিস্নাতা হৈ মই আজি নতুন জন্ম লাভ কৰিছো।

আপুনি মোক চিৰকাল ভালপাব দেই। চিৰকাল ভালপোৱাৰ কাৰণে জীযাই থকা। ইযাতকৈ ৰমণীয, ইযাতকৈ বৰণীয আৰু সংসাৰত কি আছে? আপুনি জানেনে মোৰ এবাৰ বিযা হৈছিল? সমীৰক মই খুব ভাল পাইছিলো। খুব সহজেই মই মানুহক ভালপাব পাৰো। কিন্তু সমীৰে মোক ভালপোৱা দূৰৰ কথা – ইমান তীব্ৰভাৱে ঘৃণা কৰিছিল যে আমাৰ বিবাহিত জীৱনৰ ছমাহৰ ভিতৰত এবাৰৰ কাৰণেও তেওঁ মোৰ চকুলৈ ঘূৰি চোৱা নাছিল। তাৰ পাছতেই আমাৰ ডাইভোৰ্চ হ'ল? চক নেখাব। খুব সহজভাৱেই মই কথবোৰ কৈ যাম। বিযাৰ আগতেও এজন ল'ৰাৰ লগত মোৰ ঘনিষ্ঠতা হৈছিল। তাকো মই ভাল পাইছিলো মোৰ সমগ্ৰ আত্মাৰে, ঠিক যেনেকৈ ভাল পাইছিলো সমীৰক, যেনেকৈ ভাল পাইছো আপোনাক। কিন্তু মোৰ যিমান বিশ্বাস সিও মোক ঘৃণাই কৰিছিল। প্ৰত্যেক কুৰূপা ছোৱালীৰে মনত এটা হীনমন্যতাৰ ভাব থাকে আৰু খুব সহজতেই সিহঁতে পুৰুষৰ ও চৰত আত্মসমৰ্পণ কৰে। অজিতক মই দান কৰিছিলো মোৰ সৰ্বস্ব– পৰম নিৰ্ভৰতাত, পৰম বিশ্বাসত।........ মই অন্তঃসত্ত্বা হ'লো আৰু অজিত পলাল। দেউতাৰ সম্মান ৰক্ষা কৰিবলৈ আৰু মোৰ ইহকাল-পৰকাল ৰক্ষা কৰিবলৈ পৃথিৱীৰ নবীনতম আগন্তুক আলহীটিক মোৰ গৰ্ভতে নষ্ট কৰা হ'ল। পিছত শুনিলো মোৰ সন্তান প্ৰজননৰ ক্ষমতাও চিৰকাললৈ লোপ পাই গৈছে।

দেউতাই সকলো কথা জানি বুজিও মোৰ বিয়া পাতিলে। কিন্তু বিয়াৰ পাছত নিজৰ বিবেকৰ বৃশ্চিক দংশনত অতিষ্ঠ হৈ মই সমীৰক সকলো কথা খুলি ক'লো। সমীৰক সেইদিনা মোৰ দেৱতা যেন লাগিছিল। তেওঁ মোক অকণো খং নকৰিলে, গালি নেপাৰিলে— মাত্ৰ ফুলদানীৰ বাহী ফুলৰ তোৰাটো দুয়োখন হাতেৰে নিৰ্মমভাৱে মোহাৰি এটা কৰুণ হাঁহি মাৰিলে।

সেইদিনা ৰাতিলৈ তেওঁ মোৰ লগত নুশুই ওচৰৰ আন এটা কোঠাত বিছনা কৰি শুলে । তাৰ পিছদিনা ৰাতিপুৱা মই দেউতাৰ লগলৈ গুচি আহিলো।

বৰুৱা, মই এতিযা কুন্তলা নহয, নাৰীও নহয়, মই মাত্ৰ এটা নাৰী– দেহ, বিবাহ-বিচ্ছেদৰ পাছতে হঠাতে এদিন মোৰ অনুভৱ হ'ল– মই যেন আৰু আগৰ দৰে কদৰ্য নহয়, মই যেন লাহে লাহে শুৱনি হৈ উঠিছো। দুই-এজনে মোলৈ এতিয়া চায়, সেই দৃষ্টিৰ ভাষা মই বুজি পাওঁ। কিন্তু মইতো জানো

ভালকৈয়ে মই কি । ঠিক আপোনাৰ দৰেই এজনে মোলৈ চিঠি দিছিল – একেবাৰে বিবাহৰ প্ৰস্তাব কৰি। তেওঁকো সকলো কথা জনালো, এটা উত্তাল মাংসপিণ্ডৰপৰা আপুনি খুচিমতে আনন্দ আহৰণ কৰিব পাৰে। কিন্তু তাৰ বাবে মোক কিয়। যি কোনো দেহোপজীৱিনীৰপৰাই আপুনি সেইখিনি পাব পাৰে। গংগাৰ সেই বিখ্যাত উক্তিটো তেওঁক স্মৰণ কৰাই দিলো ঃ কেই অনামান পইচা দিলেই তিৰোতাৰ কোমল মাংস পোৱা যায়, কিন্তু আত্মাৰ শান্তি অক্ষুন্ন থাকে।'

ঈশ্বৰক ধন্যবাদ বৰুৱা . আপুনি যে মোক বিয়া কৰাম বুলি নক'লে। আপুনি মোক ভাল পায়. আপুনি ভাল পায় মোৰ এই ৰূপধন্যা দেহটো. মোৰ সুকুমাৰ মনটো। গানৰ কলিৰ দৰে ৰহস্যময়. সুন্দৰ. নিৰুদ্দেশ মোৰ আত্মাৰ নিভৃত আলাপ ( অথবা প্ৰলাপ) খিনি । ....... কেতিয়াবা ভাবো. যি প্ৰেম বিবাহৰ মাজেদি সন্তানৰ মাজত সাফল্যমণ্ডিত নহয়. সেই প্ৰেম পাপ. সি বেশ্যা বৃত্তি। হয়তো সেয়ে , হয়তো নহয়। হয়তো প্ৰেম আৰু বিয়া– দুটা সম্পূৰ্ণ বেলেগ বস্তু। বিয়া এটা প্ৰয়োজন? আৰু প্ৰেম কোনে জানে প্ৰেম কি। মাজ ৰাতি হঠাতে সাৰ পাই উঠি পঢ়া টেনিছনৰ কবিতাৰ এটি মনোহৰ স্তৱকৰ মায়াময় ধ্বনিজালৰ দৰে প্ৰেম হ'ল আত্মাৰ এটা অপৰূপ বিলাস । বিলাস । অথবা প্ৰেম হ'ল মদৰ ৰাগীৰ দৰে– যি অভিভূত কৰে, বিস্মিত কৰে, কিন্তু তৃপ্তি নিদিয়ে। প্ৰেম এটা নিচা মাত্ৰ।

বছৰৰ পাছত বছৰ আমাৰ জীৱনৰ ওপৰেদি বাগৰি যাব। সেই খিৰিকিখনৰ লোহাৰ ৰেলিংত ভেজা দি আপুনি চাই ৰ'ব বহুত দিন মোৰ মুখখনলৈ । তাৰ পাছত হয়তো বহুত বছৰৰ মূৰত ঠিক সিদিনাৰ দৰে এটা সন্ধ্যা বৰষুণত তিতি বুৰি মই থিয় দিমহি আপোনাৰ দৃষ্টিৰ সম্মুখত। ঠিক সিদিনাৰ দৰেই বৰষুণত তিতি শাৰীখন মোৰ গাত লিপিট খাই লাগি ধৰিব । কিন্তু হায় সেইদিনা আৰু গাৰ কাপোৰ ভেদ কৰি মোৰ দেহৰ ছন্দিত ভাঁজবোৰ ওলাই নপৰে। গোটেই দেহ চৰ্বিৰে ভৰি পৰি মই হৈ উঠিছো এটা কুৎসিত উত্তাল মাংসপিণ্ড। বিগত. যৌৱনা, পৌঢ়া, ৰুক্ষ নাৰীদেহ যে কিমান কদৰ্য, বিকট, ভয়াবহ, দেখি আপুনি শিহঁৰি উঠিব। পৰম যত্নেৰে প্ৰয়োগ কৰা মোৰ মুখৰ প্ৰসাধন বৰষুণৰ পানীয়ে উটাই নিয়াৰ পাছত– আপোনাৰ দৃষ্টিৰ সম্মুখত ওলাই পৰিব মোৰ নগ্ন নিৰাবৰণ

মুখখন। বয়সৰ ক'লা কুৎসিত আঁচোৰ লগি বিভৎস   কিন্তু সেই দিনটো এতিয়াও বহুত দূৰত। আৰু   আমি এতিয়া ভালপোৱাৰ বাগীত প্ৰাত্যহিকতাৰ তুচ্ছতা আৰু গ্লানিবোৰ পাহৰি থাকো   আপোনাক মোৰ দেহে বিচাৰে বৰুৱা, মোৰ মনে বিচাৰে— জীৱনং একেটাৰেই সনাতন নহয়, সনাতন মাথোন মৃত্যু   সেই ভয়াৱহ সন্ধ্যাটো অহাৰ বহুত দিন আগতেই মই আত্মহত্যা কৰিম। আপোনাৰ চিন্তাত মই সদায় জীয়াই থাকিবলৈ বিচাৰো। অনন্ত যৌৱনা উৰ্বশীৰ দৰে ।

ইতি

কুন্তলা

চিঠিখন পঢ়ি শেষ কৰি খন্তেক পৰ তভক মাৰি ৰৈ থাকিলো। সেই সময়ত মোৰ মনত কি ভাব হৈছিল ক'ব নোৱাৰো। হয়তো একো ভাবেই হোৱা নাছিল। নিতান্ত যন্ত্ৰচালিতৰ দৰে চিঠিখন টুকুৰাটুকুৰাকৈ ফালি পেলাই ওচৰৰ নৰ্দমাটোলৈ পেলাই দিলো। তাৰ পিছত কটকটীয়াকৈ কজ্জা দি খিৰিকিখন বন্ধ কৰি দিলো। জীৱনত আৰু কোনো দিন সেইখন খোলা নাখাব

কুন্তলাৰ কথা ভাবিবলৈ এৰি দিছিলো। প্ৰায় পাহৰিয়ে গৈছিলো। কেইদিমানৰ মূৰত শৈলেনে আহি খবৰ দিলেহি   টেলিগ্ৰাফ অফিচত কাম কৰা কুন্তলা নামৰ ছোৱালী এজনীয়ে বিহ খাই আত্মহত্যা কৰিছে।

জীৱনত মোৰ তিনিটা মাত্ৰ নিচা আছিল, এতিয়া আছেগৈ এটা কুকুৰ

◆◆◆

# পটভূমি

## শিশুৰ হাঁহি

১৯৫৮ চনৰপৰা ১৯৬০ চনলৈকে তিনি বছৰ কাল মই ছয়গাঁওত ছব ডেপুটি কলেক্টৰ হৈ আছিলো। চৰকাৰী চাৰ্কৰি কৰি থকা অৱস্থাত ইমান দীঘলীয়া সময়ৰ কাৰণে মই আন কোনো ঠাইতে থাকি পোৱা নাছিলো। তেতিয়া মোৰ চফল ডেকা বয়স । ত্ৰিশৰ ডেওনা পাৰ হোৱাই নাই। মই আজিকালি মানুহৰ লগত বৰকৈ হলি-গলি নকৰো আৰু কথা-বতৰা পাতিও বৰ ভাল নাপাওঁ। কিন্তু ডেকা বয়সত মোৰ স্বভাৱটো আছিল এতিয়াৰ ঠিক বিপৰীত। কাৰো ঘৰলৈ গৈ খেদি খেদি কথা নাপাতিছিলো যদিও তেতিয়া মোৰ ওচৰলৈ কোনোবা মানুহ আহিলেই মই খুব মনোযোগ দি তেওঁৰ কথাবোৰ শুনিছিলো আৰু নানা প্ৰশ্ন কৰি মানুহজনৰ বিষয়ে জানিবলৈ চেষ্টা কৰিছিলো । মাটি হাকিমৰ ওচৰলৈ যিসকল লোক বেছিকৈ আহে বা আহিব লগা হয় তেওঁলোক হ'ল গাঁৱলীয়া চহা-হজুৱা মানুহ। তেনেকুৱা মানুহ আহিলে মই পৰাপক্ষত কেৱল কামৰ কথাখিনি পাতিয়েই তেওঁলোকক বিদায় নিদিছিলো। হাতত সময় থাকিলে মই তেওঁলোকৰ লগত নানা সুখ-দুখৰ কথা পাতিছিলো ঃ নানা প্ৰশ্ন কৰি তেওঁলোকৰ ব্যক্তিগত জীৱনৰ সমস্যাবোৰ জানিবলৈ চেষ্টা কৰিছিলো। সেই অভ্যাস মোৰ এতিয়াও আছে। মই শিক্ষিত পণ্ডিত মানুহৰ লগত ৰাজনীতি আৰু সাহিত্য সংস্কৃতিৰ বিষয়ে নিষ্প্ৰাণ গতানুগতিক কথা পাতি সময় নষ্ট কৰিবলৈ বৰ বেয়া পাওঁ। কিন্তু যিকোনো শ্ৰমজীৱী মানুহৰ লগত ঘণ্টাৰ পিছত ঘণ্টা কথা পাতিও মোৰ আমনি নালাগে, কাৰণ জীৱন-- সংগ্ৰামৰ বাস্তৱতাই তেওঁলোকৰ মুখৰপৰা ওলোৱা প্ৰতিটো শব্দকে জীৱন্ত কৰি তোলে। তদুপৰি তেওঁলোকৰ লগত পাঁচ মিনিট কথা পাতিও নানা শিকিব পাৰি।

ছয়গাঁৱত তিনিবছৰ থকা সময়ত এজন ধোবাৰ লগত মোৰ গভীৰ বন্ধুত্ব হৈছিল। সেই ধোবাজনেই ' শিশুৰ হাঁহি' গল্পটোৰ মূল চৰিত্ৰ। গল্পটোত কল্পনাৰ পৰশ সমূলি নাই বুলিলেই হয়। তিনি বছৰ ধৰি ধোবাজনৰ লগত কথা পাতি আৰু অতি ওচৰৰপৰা তেওঁৰ জীৱনটো নিজ চকুৰে দেখি তেওঁৰ বিষয়ে যিখিনি কথা জানিব পাৰিছিলো সেইখিনিকে সজাই-পৰাই এই গল্পটো লেখা হৈছে।

# শিল্প

মোৰ এগৰাকী আত্মীয়ই তেওঁৰ গাভৰু কালত পিঠিয়া মাছৰ বাৰ্কলিৰে এখন ধুনীয়া ছবি তৈয়াৰ কৰিছিল মাছৰ বাৰ্কলিবোৰত নানা বিধৰ ৰং ঘাঁহ চিত্ৰ বিচিত্ৰ কৰি পিছত সেইবোৰত আঠা লগাই কাপোৰত বহুৱাই ছুৱখন কৰা হৈছিল। বহু বছৰ ধৰি তেওঁলোকৰ চ'ৰাঘৰৰ বেৰত সেই ছবিখনেই আটাইতকৈ গৰ্বৰ প্ৰসন্ন দখল কৰি আছিল মই যেতিয়াই তেওঁলোকৰ ঘৰলৈ যাওঁ, তেতিয়াই চ'ৰাঘৰৰ বেৰত সগৰ্বে ওলমি থকা সেই ছবিখনলৈ মোৰ চকু যায়, আৰু লগে লগে মোৰ কল্পনা প্ৰৱণ মনৰ চকুৰ আগত ভাহি উঠে মোৰ আত্মীয়া গৰাকীৰ গাভৰু বয়সৰ ছবিখন তেওঁৰ জীৱনৰপৰা যৌৱনে কেতিয়াবাই বিদায় মাগিছে কিন্তু তেওঁৰ যৌৱনৰ বিচিত্ৰ আবেগ, আশা-আকাংক্ষা আৰু স্বপ্ন এতিয়াও সঞ্চিত হৈ আছে সেই ছবিখনত। মৰণশীল মানুহে এনেকৈয়ে অমৰ হ'বলৈ চেষ্টা কৰে নিজৰ সৃষ্টিৰ মাজত Out of this double awareness, a human mortality and everlastingness of things arises the desire and hope of transcending the cycle of natural birth and death by making a world of things which endure, and in which therefore man can always be at home

মহিলাগৰাকী ক্ৰমে ক্ৰমে বুঢ়ী হ'বলৈ ধৰিলে আৰু তেওঁৰ ল'ৰা ছোৱালীবোৰ ডেকা গাভৰু হ'ল। চ'ৰাঘৰৰ বেৰখনেও নতুন প্ৰজন্মৰ কাৰণে চকু এৰি দিব লগা হ'ল। সুদৃশ্য বাল পোষ্টাৰ আৰু বিখ্যাত শিল্পীৰ ছবিৰ প্ৰিণ্টে চ'ৰাঘৰৰ বেৰ শোভা কৰিবলৈ আৰম্ভ কৰিলে তেওঁলোকৰ ঘৰলৈ গলে এতিয়াও পিঠিয়া মাছৰ বাৰ্কলিৰে সজোৱা মস্কাতা কৰ্লীয়া ছবিখনেই মোৰ চকুটো প্ৰথমে টানে, কিন্তু কিয় জানো মোৰ মনত ভাব হয় যে ছবিখনৰ মনৰ ভাবটো যেন অতি কুণ্ঠিত আৰু করুণ, বেৰখনৰপৰা পলাই গৈ ক'ৰবাত আত্মগোপন কৰিব পাৰিলেই ছবিখন ৰক্ষা পৰে

এদিন গৈ দেখিলো, বেৰৰ নিৰ্দিষ্ট ঠাইত ছবিখন নাই। এনে এটা সম্ভাৱনাৰ কাৰণে মই মানসিকভাৱে প্ৰস্তুত আছিলো। তথাপি মহিলাগৰাকীক প্ৰশ্ন কৰিলো ছবিখনৰ কি গতি হ'ল? মুখেৰে একো নকৈ তেওঁ মাত্ৰ এক নিমিষৰ কাৰণে মোৰ চকুলৈ চালে। সেই নীৰৱ দৃষ্টিৰ হাহাকাৰৰ মাজত মই বিচাৰি পালো এই গল্পটোৰ সন্ধান।

# ৰবযুণ

তেতিয়া মই কটন কলেজৰ চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ। এদিন এখন জৰুৰী টেলিগ্ৰাম কৰিবলৈ টেলিগ্ৰাফ অফিচলৈ যাব লগা হ'ল। কটন হোষ্টেলৰপৰা আলিবাটটোৰ ঠিক

সিপাৰেই টেলিগ্ৰাফ অফিচ। সেইদিনা টেলিগ্ৰাম লোৱাৰ দায়িত্বত আছিল এগৰাকী অসমীয়া গাভৰু, বয়স বোধহয় পঁচিশ-চাবিবশ। তেতিয়া মোৰ সেই বয়স যি বয়সত ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত 'ফুলেৰ বনে যাৰ কাছে যাই তাৰেই লাগে ভালো' অৱশ্যে সঁচা কথা ক'বলৈ গ'লে ছোৱালীৰ কেৱল দৈহিক ৰূপ-লাৱণ্য দেখিয়েই আকৃষ্ট হোৱা মানুহ মই কোনোদিনেই নাছিলো মোক আকৃষ্ট কৰিছিল ছোৱালীৰ এক বিশেষ ধৰণৰ ব্যক্তিত্বই, তেওঁৰ মুখত ফুটি উঠা বিশেষ এটা ভাৱে টেলিগ্ৰাফ অফিচৰ সেই কেৰাণী মহিলা গৰাকীক দেখা মাত্ৰে মই তেওঁৰ প্ৰতি আকৃষ্ট হ'লো। অতীতলৈ ঘূৰি চাওঁ যিমানদূৰ মোৰ মনত পৰে, ছোৱালীজনী বোধহয় প্ৰায় এমাহমান মোৰ দিবা-স্বপ্নৰ নায়িকা আছিল। মই সেই সময়ত কটন হোষ্টেলৰ ছেকেণ্ড মেছত মণিটৰ আছিলো আৰু হোষ্টেলটোক টেলিগ্ৰাফ অফিচৰপৰা ভাগ কৰা আলিবাটটোৰ কাষতে আছিল মোৰ হোষ্টেলৰ যোল নম্বৰ ৰুমটো। অৰ্থাৎ মোৰ ৰুমৰ পশ্চিম ফালৰ খিৰিকিখনৰ কাষত বহিলেই বা থিয় দিলেই দেখা গৈছিল আলিবাটটোৰেদি মানুহ অহা-যোৱা কৰাৰ দৃশ্য এদিন মই তেনেকৈ খিৰিকিৰ কাষত থিয় হৈ থাকোঁতে দেখিবলৈ পালো— মোৰ স্বপ্নৰ নায়িকা সেই ছোৱালীজনী আলিবাটেদি গৈ আছে অফিচ অভিমুখে। তেতিয়াৰপৰা মই সময় পালেই তাইক চাবলৈ খিৰিকিৰ কাষত থিয় হোৱা হ'লো। এদিন বাৰিষাৰ সময়ত গোটেই দিনটো অবিৰল ধাৰেৰে বৰষুণ দিছিল। মই নিৰ্দিষ্ট সময়ত ছোৱালীজনীৰ কাৰণে অপেক্ষা কৰি খিৰিকিৰ কাষত থিয় হৈছিলো। বৰষুণৰ মাজেৰে তাই আহি আছিল... এসময়ত তাই যেতিয়া অদৃশ্য হ'ল মই লিখিবলৈ বহিলো এই গল্পটো — 'বৰষুণ'

## হাতী

জ্ঞান হ'বৰ দিন ধৰি হাতীৰ লগত আছিল মোৰ নিবিড় সখিত্বৰ সম্পৰ্ক, কাৰণ মোৰ জন্মভূমি ঢকুৱাখনাত। পোহনীয়া জন্তু হিচাপে গৰু, ম'হ আৰু ঘোঁৰাৰ পিছতেই আছিল হাতীৰ স্থান। অৱশ্যে এইটো মোৰ ল'ৰালি কালৰ কথা। মানুহৰ ঘৰে ঘৰে হাতী নিশ্চয় নাছিল, কাৰণ হাতী কিনিবলৈ বহুত ধন লাগে; কিন্তু চহকী মানুহবোৰে হাতী পুহি সিহঁতক নানা ধন ঘটাৰ কামত লগাইছিল। সেইবোৰৰ ভিতৰত প্ৰধান কাম আছিল কাঠ টনা। গোটেই বছৰটোৰ খৰিৰ কাৰণে আৰু ঘৰ সাজিবৰ বাবে খুঁটাৰ কাৰণে মানুহে হাবিত গছ কাটি থৈ আহে, হাতীৰ মালিকে কেৰেয়াৰ বিনিময়ত সেই গছ হাতীৰে টনাই গিৰিহঁতৰ ঘৰত পেলাই থৈ যায়। ঢকুৱাখনাৰ জনসমষ্টিৰ এটা প্ৰধান অংশ হ'ল মিচিংসকল। তেওঁলোকৰ মাজত হাতীৰ বিশেষ আদৰ আছিল। তেওঁলোকে সাধাৰণতে গাঁৱৰপৰা কিছু দূৰত হাবি ভাঙি মাহ-সৰিয়হৰ খেতি কৰে। ব্ৰহ্মপুত্ৰই পলস পেলাই থৈ যোৱা মাটিত

মাহ সৰিয়হৰ খেতি ইমান ভাল হয় যে কেৱল মানুহৰ পক্ষে সেই বিপুল পৰিমাণৰ মাহ-সৰিয়হ কান্ধেৰে কঢ়িয়াই ঘৰলৈ অনা সম্ভৱ নহয়। ধনী মিচিং খেতিয়কসকলে পথাৰৰপৰা ঘৰলৈ মাহ-সৰিয়হ কঢ়িয়াবৰ কাৰণে হাতীৰ গাড়ী ব্যৱহাৰ কৰিছিল। যি বছৰত খেতি আশা কৰাতকৈ বেছি ভাল হয় সেই বছৰত তেওঁলোকে মাহ সৰিয়হ বেচি পোৱা টকাৰে আৰু এটা হাতী কিনিছিল, কাৰণ হাতী তেওঁলোকৰ কাৰণে আছিল সামাজিক মৰ্যাদাৰ প্ৰতীক । যাৰ যিমান হাতী, সমাজত তেওঁৰ খাতিৰো সিমান বেছি।

সমাজৰ চহকী ডাঙৰীয়া শ্ৰেণীৰ মানুহে অ'লৈ-ত'লৈ যাবলৈ হাতীক বাহন হিচাপে ব্যৱহাৰ কৰাৰ উপৰিও ধনী-মানী মানুহৰ বিয়াত হাতীয়ে এটা বিশেষ ভূমিকা লৈছিল, দৰাৰ বাহন হিচাপে হাতী আছিল অপৰিহাৰ্য। অৱশ্যে যিহেতু হাতী আছিল বিশেষ সামাজিক মৰ্যাদাৰ প্ৰতীক, সেই কাৰণে সামাজিক মান-মৰ্যাদা নোহোৱা ন ধনী মানুহৰ ঘৰৰ দৰাই হাতীত উঠি কন্যা-ঘৰলৈ গ'লে গাঁৱৰ মানুহে তেনে মানুহক ভেঙুচালি নকৰাকৈয়ো নাথাকিছিল। ন ধনীৰ দম্ভক বিদ্ৰূপ কৰিবলৈ মানুহৰ মুখত সদায় লাগি আছিল এনে এষাৰ কথা 'হাতীত উঠি পানীৰাম ঘৰলৈ যায়, আলিবাটৰ মানুহক কেৰিয়াকৈ চায়।'

আমাৰ নিজৰ ঘৰত হাতী নাছিল, কিন্তু আমাৰ ঘৰলৈ হাতীৰ আগমন হৈছিল প্ৰায় প্ৰতিদিনেই ; আমাৰ গাঁৱৰ চাৰিওফালে থকা মিচিং লোকসকলৰ লগত আমাৰ ঘৰখনৰ এটা বিশেষ সম্পৰ্ক আছিল। তেওঁলোকৰ কোনোবা নহয় কোনোবা' এজন মানুহ সপ্তাহত একাধিকবাৰ হাতীত উঠি আমাৰ ঘৰলৈ আহিছিল। যিমান পৰ আলহী আমাৰ ঘৰত আছিল, সিমানপৰ হাতীটোক আলিবাটৰ কাষৰ এজোপা ভলুকা বাঁহত শিকলিৰে বান্ধি থোৱা হৈছিল আৰু তাক কলগছ খাবলৈ দিয়া হৈছিল। হাতীয়ে তাৰ শুঁৰৰ বিচিত্ৰ কায়দাৰে কলগছ খোৱা চাবলৈ গাঁৱৰ গোটেইজাক ল'ৰা ছোৱালী হাতীটোৰ চাৰিওফালে জুম বান্ধিছিল। মাউতে কেতিয়াবা হাতীক 'বৈঠ' কৰাই আমাক মজা দেখুৱাইছিল আৰু কেতিয়াবা খুব মৰম লাগিলে 'বৈঠ' হৈ থকা হাতীটো বগাই তাৰ ওপৰত উঠিবলৈ আমাক অনুমতি দিছিল। ভয়ত ধান বানি থকা বুকুৰে বৈঠ হৈ থকা হাতীটোৰ খহটা গাটো বগাই তাৰ পিঠিখনত বহিবলৈ পোৱাটো আছিল মোৰ ল'ৰালি কালৰ এটা ৰোমাঞ্চকৰ অভিজ্ঞতা।

মোৰ শৈশৱৰ প্ৰিয় বন্ধু এই আটাইবোৰ হাতীৰ স্মৃতিয়ে "হাতী" গল্পটো লিখিবলৈ মোক প্ৰেৰণা দিছে। কিন্তু সিহঁতৰ কোনো এটাই 'বাপধন' অৰ্থাৎ মোৰ গল্পটোৰ নায়ক নহয়। 'বাপধন' হ'ল মোৰ দেউতাৰ মোমায়েকৰ মখনা হাতীটো, যাৰ লগত অতিবাহিত হৈছিল মোৰ ল'ৰালি কালৰ বহুতো মধুৰ আৰু অবিস্মৰণীয় সময়।

# ইস্মাইল শ্বেখৰ সন্ধানত

"শিশুৰ হাঁহি' গল্পটোৰ সম্পৰ্কত মোৰ ছয়গাঁৱৰ অভিজ্ঞতাৰ কথা ওপৰত এবাৰ কোৱা হৈছে। ছয়গাঁৱত তিনিবছৰ থকা অৱস্থাতে মই এখন উপন্যাস আৰু দুটা চুটি গল্পৰ সমল গোটাইছিলো। উপন্যাসখন হ'ল সুবালা চুটিগল্প দুটা হ'ল 'শিশুৰ হাঁহি' আৰু 'ইস্মাইল শ্বেখৰ সন্ধানত'

অৱশ্যে 'ইস্মাইল শেখৰ সন্ধানত' গল্পৰ পটভূমি আংশিকভাৱেহে ছয়গাঁও। এই গল্পত সমান্তৰালভাৱে দুটা চৰিত্ৰৰ কাহিনী কোৱা হৈছে। এটা হ'ল ভাৰত স্বাধীন হোৱাৰ আগতেই পূৰ্ববঙ্গৰ পৰা অসমলৈ আহি ইয়াত স্থায়ীভাৱে বসতি স্থাপন কৰা অধিবাসী মুছলমান সমাজৰ প্ৰতিনিধি ইস্মাইল শ্বেখ। আনটো হ'ল দেশ বিভাজনৰ পিছত সেই একে ঠাইৰ পৰাই ভগনীয়া হৈ অসমলৈ অহা এজনী হিন্দু বঙালী ছোৱালী ভাগ্য বিপৰ্যয়ত যিজনী ছোৱালীয়ে বেশ্যা-বৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। এই দুয়োটা সম্প্ৰদায়ৰ মানুহৰ লগত ঘনিষ্ঠভাৱে মিলা-মিচা কৰি তেওঁলোকৰ জীৱনৰ সমস্যাবোৰ জানিবলৈ মই যথেষ্ট সুযোগ পাইছিলো ওপৰত উল্লেখ কৰা চৰিত্ৰ দুটাও কাল্পনিক নহয়। মই তেওঁলোক দুয়োৰে ব্যক্তিগতভাৱে লগ পাইছিলো।

' মোৰ সাংবাদিক জীৱন' নামৰ আত্মজীৱনীমূলক কিতাপৰ এঠাইত মই লিখিছো 'যিহেতু মই গুৱাহাটীলৈ আহি এখন হোটেলত উঠিছিলো সেই কাৰণে মাহটো শেষ নোহোৱা পৰ্যন্ত টকা-পইচা নিদিয়াকৈ দুবেলা দুসাজ ভাত মই খাবলৈ পাইছিলো ... সেই সময়ত একেখন হোটেলত এজন চৰকাৰী চাকৰিয়াল আছিল। তেওঁ ৰিলিফ এণ্ড ৰিহেবিলিটেশ্যন অৰ্থাৎ ভগনীয়া পুনৰ্সংস্থাপন বিভাগত কাম কৰিছিল। পূব পাকিস্তানৰ পৰা অসমলৈ অহা লাখ লাখ ভগনীয়াৰ পুনৰ্সংস্থাপনৰ কাৰণে খোলা সেই বিভাগটোত তেতিয়া টকাৰ মা-বাপ নাই। (পৃ৬)।' এই চাকৰিয়ালজনে কেনেকৈ নিজে উপযাচি আহি মোৰ বন্ধুত্ব দাবী কৰিলে আৰু বন্ধুত্ব আদায়ো কৰিলে সেই কথা "মোৰ সাংবাদিক জীৱনত" মই সবিস্তাৰে লিখিছো। যি সময়ৰ কথা কৈছো সেই সময়ত মোৰ বন্ধুজনৰ ওচৰলৈ দিনে নিশাই ভগনীয়াৰ সোঁত বৈ থাকে চৰকাৰী সাহায্য পোৱাৰ আশাত । পুৰুষ-মহিলা, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলো ধৰণৰ মানুহ। যিহেতু সেই সময়ত মই আছিলো নিষ্কৰ্মা আৰু নিবনুৱা , বহি-শুই হোটেলৰ অন্ন- ধ্বংস কৰাৰ বাহিৰে মোৰ আন কোনো কাম নাছিল, গতিকে মই সকলো সময়তে বন্ধুজনৰ কোঠাত বহি থাকি মানুহবোৰৰ লগত হোৱা তেওঁৰ কথাবাৰ্তাৰ ভাগ লওঁ। কেতিয়াবা মই তেওঁৰ কোঠালৈ যাব নুখুজিলেও তেওঁ জোৰকৈ মাতি নিয়ে। তেওঁ কয় 'শুনাচোন, তেওঁলোকৰ কথাবোৰ মনোযোগ দি

শুনা , বহুত গল্প -উপন্যাসৰ সমল পাবা। কেতিয়াবা মানুহবোৰে বন্ধুজনক তেওঁলোকৰ ঘৰলৈ অৰ্থাৎ তেওঁলোকৰ অস্থায়ী আশ্ৰয় স্থানলৈ নিমন্ত্ৰণ কৰে। :তেতিয়া বন্ধুজনৰ কথা পেলাব নোৱাৰি ময়ো তেওঁৰ লগত যাবলৈ বাধ্য হওঁ। এনেকৈয়ে প্ৰায় তিনিমাহ কাল পূৰ্ববঙ্গৰ পৰা অহা ভগনীয়াসকলৰ জীৱনৰ অতি গভীৰত প্ৰৱেশ কৰিবলৈ মই সুযোগ পাইছিলো— ইস্মাইল শেখৰ সন্ধানত গল্পৰ দুৰ্ভগীয়া ছোৱালীজনীক এই সময়তে মই লগ পাওঁ। একে সময়তে হোৱা মোৰ অভিজ্ঞতাক অৱলম্বন কৰি মই আৰু এটা গল্প লিখিছো--' নবকত বসন্ত'।

ছয়গাঁৱত ছবডেপুটি কলেক্টৰ হৈ থকা সময়ত মই জীৱনত প্ৰথমবাৰৰ কাৰণে অভিবাসী মুছলমানসকলৰ সম্পৰ্কলৈ আহিলো। যিহেতু মই মাটি- হাকিম আৰু এই মানুহবোৰৰ প্ৰধান সমস্যা হ'ল মাটি , গতিকে ছয়গাঁৱত থকা তিনিটা বছৰত এদিনৰ কাৰণেও তেওঁলোকক লগ নোপোৱাকৈ আৰু তেওঁলোকৰ কথা নভবাকৈ থকাটো মোৰ পক্ষে সম্ভৱ নাছিল। গল্পটোৰ এটা প্ৰধান চৰিত্ৰ মই নিজে! গতিকে নিশ্চয় নকলেও হ'ব যে গল্পটোৰ মূল আখ্যান বাস্তৱ অভিজ্ঞতা আৰু তথ্যৰ ওপৰত প্ৰতিষ্ঠিত যদিও নাটকীয়তা সৃষ্টি কৰিবৰ কাৰণে অলপ অচৰপ কল্পনাৰ বহল ঠায়ে ঠায়ে দিব লগা হৈছে।

## গৰখীয়া

মোৰ সাউদৰ পুতেকে নাও মেলি যায়' নামৰ উপন্যাসখন আত্মজীৱনীমূলক। সেই উপন্যাসৰ এঠাইত মই লিখিছো :

"................ আৰু অলপ আগবাঢ়ি হৈ সি গোহালি মুখত থমকি ৰ'ল। বতাহত গৰুবোৰৰ গাৰ চিনাকি গোন্ধ আৰু উশাহ-নিশাহৰ শব্দ ভাহি আহি তাৰ নাকত লাগিল। এই গৰুবোৰ আছিল তাৰ শৈশৱৰ আটাইতকৈ মৰমৰ লগৰীয়া। সিহঁতৰ পিছে পিছে চাপৰিত ঘূৰি ফুৰোঁতে সি প্ৰকৃতিৰ কিমান বিচিত্ৰ সৌন্দৰ্য্য আৰু ৰহস্য আৱিষ্কাৰ কৰিছে। আবেলি পৰত গৰু বিচাৰিবলৈ পথাৰলৈ গৈয়েইতো সি আৱিষ্কাৰ কৰিছে চৰাইৰ সৰু পাখিয়ে বুকুৰ মাজত কেনে কোমল কাৰুণ্য জগায়; মাৰ যাব ধৰা বেলিয়ে ৰক্ত ৰঞ্জিত কৰা। আকাশখনে হৃদয়ৰ মাজত কি অপৰূপ মত্ততা সৃষ্টি কৰে, গৰখীয়াৰ পেঁপাৰ মাত আৰু বনগীতে এটা বাৰ বছৰীয়া সৰু ল'ৰাৰ কাণতো কেনেকৈ যৌৱনৰ আগলি বতৰা ঢালি থৈ যায়। নিয়ৰে সেমেকাই পেলোৱা পথাৰখনত জোনাক উপচি পৰিলে কেনেকৈ জীৱন মৰণৰ সীমা পাৰ হৈ ক'ৰবালৈ গুচি যাবলৈ মন যায় পথাৰ এবাৰ আগতে পাই গৰুবোৰৰ হেম্বেলনি শুনিলে কেনেকৈ অপৰূপ বাৎসল্যৰ অনুভূতিত বুকুখন গলি যাব খোজে। বিক্ৰমে গোহালিলৈ সোমাই গৈ প্ৰত্যেকটো গৰুৰ ডিঙিত সাবটি মৰম কৰি অশ্ৰু ৰুদ্ধ কণ্ঠেৰে সিহঁতৰপৰা বিদায় ল'লে।'

ইয়াৰ লগত এতিয়া তুলনা কৰি চাওঁকচোন 'গৰখীয়া' গল্পৰ তলত উদ্ধৃত কৰা পেৰাগ্ৰাফ দুটাঃ

' টোপনিত খোজকঢ়া মানুহৰ দৰে গৈ গৈ এসময়ত বুধিৰামে ঘৰৰ পদূলিৰ মুখ পালেগৈ । গৰুবোৰৰ উশাহ-নিশাহৰ শব্দত তাৰ স্বপ্নাৱেশ ভাগিল। গোহালিলৈ সোমাই সি আন্ধাৰতে গৰুবোৰলৈ চালে. হাতেৰে ঢুকি পোৱা দুটামানক ধৰি অলপ সময় সিহঁতক মৰম কৰিলে; তাৰ পিছত সিহঁতৰ মঙ্গলৰ উদ্দেশ্যে ঈশ্বৰৰ ওচৰত এটা ভাষাহীন প্ৰাৰ্থনা কৰি সি ঘৰলৈ বুলি খোজ ল'লে।'

"বুধিৰামে এইবোৰৰ পৰা ডাঙৰ ডাঙৰকৈ কথা ক'বলৈ এৰি ফুচফুচাই গৰুবোৰক তাৰ বিদায়ৰ বাণী জনাবলৈ ধৰিলে আৰু মুখ ফুটাই কথা ক'ব নোৱাৰাৰ কাৰণে তাৰ স্পৰ্শৰ ভাষা বেছি ব্যাকুল হৈ উঠিল । সি চকুৰ পানীৰে বাট নেদেখা হ'ল. ডিঙি ফালি মুখলৈকে উজাই আহিব খোজা কান্দোনটো গাৰ জোৰেৰে হেঁচা মাৰি ৰাখিব লগা হ'ল আৰু যেতিয়া গোহালিৰ আটাইবোৰ গৰু বন্ধা শেষ হ'ল, সকলোৰেপৰা বিদায় লোৱা শেষ হ'ল, গোহালিত আৰু তাৰ কাম নোহোৱা হ'ল, সি যেতিয়া বুজি পালে যে যিজাক গৰু-গাই তাৰ জীৱনৰ দীঘলীয়া পাঁচটা বছৰৰ প্ৰতিটো উশাহ-নিশাহৰ সাক্ষী আছিল সিহঁতৰ লগত এয়ে তাৰ শেষ দেখা , হঠাৎ ধুমুহাত কঁপা পথাৰৰ মাজৰ অকলশৰীয়া গছৰ দৰে তাৰ গাটো ঠৰঠৰকৈ কঁপি উঠিল আৰু সি গৰু বন্ধা খুটা এটা জোৰকৈ সাবটি ধৰিলে।'

এই পৃথিৱীত মোৰ যিমানবোৰ মৰমৰ বস্তু আছে সেইবোৰৰ ভিতৰত এটা হ'ল গৰু। আন সকলো মানুহৰ দৰে ময়ো স্বাভাৱিকভাৱেই জীৱনৰ বিভিন্ন বয়সত বিভিন্ন অৱস্থাত বেলেগ বেলেগ ভূমিকা ল'ব লগা হৈছে। কিন্তু শৈশৱ আৰু কৈশোৰৰ দোমোজাত গৰখীয়া বেশেৰে গৰুৰ পিছে পিছে পথাৰে সমাৰে ঘূৰি ফুৰোঁতে মই যি বিমল আনন্দ পাইছিলো তাৰ লগত তুলনা কৰিব পৰা আন কোনো অভিজ্ঞতা মোৰ জীৱনত হোৱা নাই। আশা কৰো, 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসৰপৰা ওপৰত উদ্ধৃত কৰা বাক্যকেইটাত মোৰ অনুভূতি সামান্যভাৱে হ'লেও প্ৰকাশ কৰিব পাৰিছো।

কিন্তু পাঠকসকলে যেন এই ভুল নকৰে যে মোৰ নিজৰ অভিজ্ঞতা আৰু অনুভূতিকে মই 'গৰখীয়া' গল্পৰ বুধিৰামৰ ওপৰতো জাপি দিছো। বুধিৰামৰো মোৰ নিচিনাকৈ ঠিক সেই একে অভিজ্ঞতাই হৈছিল। বুধিৰাম আমাৰ ঘৰত পাঁচ বছৰ গৰখীয়া হৈ আছিল। মোৰ কাণসমনীয়া বুধিৰাম সেই সময়ত আছিল মোৰ প্ৰাণৰ বন্ধু। আমি পৰস্পৰৰ লগত হিয়া উবুৰিয়াই কথা পাতিছিলো আৰু ইজনে সিজনৰপৰা কোনো কথা গোপন নকৰিছিলো । বগীতৰাৰ প্ৰতি তাৰ অব্যক্ত প্ৰেমৰ বেদনা আৰু তাৰ প্ৰাণাধিক গৰুবোৰৰ লগত হোৱা বিচ্ছেদৰ অসহ্য যন্ত্ৰণাই তাৰ হৃদয়ত যি হাহাকাৰ সৃষ্টি কৰিছিল

ঠিক তাকেই কল্পনাৰ বিশেষ ৰহণ নসনাকৈ মই এই গল্পত প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছো। আনকি তাৰ নামটো পৰ্যন্ত মই একেই ৰাখিছো।

কেইবছৰ মানৰ আগতে আকাশবাণীৰ ডিব্ৰুগড় কেন্দ্ৰই মোৰ পৰা এঘণ্টা সময়জোৰা এটা দীঘলীয়া সাক্ষাৎকাৰ লৈছিল। মোৰ সাহিত্যিক জীৱন আৰু সাহিত্যকৰ্মৰ ওপৰত নানা ধৰণৰ প্ৰশ্ন সুধিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তিনিজন কৃতী অধ্যাপক— ডঃ নবীন ফুকন, ভুবন বৰুৱা আৰু অতুল গোস্বামীয়ে। কথাৰ মাজতে অতুল গোস্বামীয়ে হঠাৎ মোক অবাক কৰি সুধিলে — 'মোৰ ধাৰণা যে 'গৰখীয়া' গল্পটো লিখি আপুনি এক বিশেষ ধৰণ আনন্দ পাইছিল। মোৰ ধাৰণাটো বাৰু সঁচা নে?'

পাঠকসকলেই বাৰু কওকচোন — অতুল গোস্বামীৰ ধাৰণাটো সঁচা নে? গল্পটো পঢ়ি এই সম্পৰ্কে আপোনালোকৰ নিজৰ কি অনুভূতি হয়?

## কৃতজ্ঞতা

এইটো গল্প নহয়। মোৰ জীৱনৰ একেবাৰে এটা সঁচা ঘটনা। মোৰ যিমান দূৰ মনত পৰে গল্পটো মই লিখিছিলো ১৯৫৫ চনত। তাতোকৈ আগতো হ'ব পাৰে। মোৰ ভালকৈ মনত নাই। গল্পটো লেখাৰ প্ৰায় ৩২ বছৰৰ পিছত 'আত্মানুসন্ধান' লিখিবলৈ বহি মই প্ৰসঙ্গ-ক্ৰমে এঠাইত লিখিছিলো— 'মই নিজে যিবোৰ মানবীয় গুণক অতি উচ্চাসন দিওঁ, সেইবোৰৰ ভিতৰতে এটা হ'ল কৃতজ্ঞতা।' মোৰ কৃতজ্ঞতা কিন্তু মানুহৰ মাজতে সীমাবদ্ধ নহয়।

## প্ৰেম আৰু মৃত্যুৰ কাৰণে
## বীৰত্ব
## সমাধান
## চেনাটোবিয়াম

মোৰ আগ বয়সৰ এই কেইটা ৰচনাকেইটাৰ কাৰণে মই লজ্জিত। এইকেইটাক মই গল্প বুলি স্বীকাৰ কৰিবই নোখোজো। ইয়াৰ কোনোবাটো গল্পত মোৰ বয়স সুলভ লিবিডোৰ (Libido) প্ৰকাশ, কোনোবাটোত কেবল চমক সৃষ্টিৰ চেষ্টা, জঘন্যতম গল্প হ'ল সমাধান -' যাৰ বিষয় একো কথা নোকোৱাই ভাল' তথাপি গল্পকেইটা সংৰক্ষিত হৈ থকা দৰকাৰ। ভৱিষ্যতে কোনোবাই মোৰ (Psychobiography) অৰ্থাৎ মনস্তাত্ত্বিক জীৱনী লিখিব খুজিলে গল্পকেইটা তেওঁৰ কামত আহিব পাৰে।

হোমেন বৰগোহাঞি